PG SO S1 01
(DSC)

দুবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম
(চি. বি. চি. এচ; এন ই পি ২০২০ অনুসৰি)

সমাজতত্ত্ব ঃ এটি পৰিচয়
প্ৰথম ষাণ্মাসিক
বুনিয়াদী পাঠ্যবিষয় - ১
সমাজতত্ত্ব

সূর্যকুমাৰ ভূঞা সমাজ বিজ্ঞান অধ্যয়ন সত্র
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ

অধ্যাপক সঞ্জয় বৰবৰা, টি আই এছ এছ, গুৱাহাটী আৱাস
অধ্যাপক সম্বিৎ মল্লিক, এইছ এছ এছ বিভাগ, আই আই টি, গুৱাহাটী
ড° ইন্দ্রানী শর্মা, সমাজবিদ্যা বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° গার্গী গায়ন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১, ২, ৫, ৬, ৮	ডেবৰা ডি, গৱেষণা পণ্ডিত. আই আই টি কানপুৰ	**ৰ-জ্জ্ঞ** অর্ণব শর্মা, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, এছ. বি. দেওৰা কলেজ
৩	মনাবেন্দ্র শর্মা, গৱেষণা পণ্ডিত, এন ই হু	**জ্ঞ-ৱ্ব** বর্ণশ্রী শর্মা, স্নাতকোত্তৰ শিক্ষক, হালোগাঁও এইচ এছ বিদ্যালয়, কামৰূপ
৪	সন্তন্ত দত্ত, জাজী মহাবিদ্যালয়, যোৰহাট	
৭	ইন্দ্রাণী কলিতা, সহকাৰী অধ্যাপিকা, কে.কে.এইচ.এছ.অ.ই	
৯	শ্বাবিনা ইয়াছমিন শইকীয়া, সহযোগী অধ্যাপিকা, গুৱাহাটী বিশ্ববিদ্যালয়	
১০, ১২	মানবেন্দ্র শর্মা, গৱেষণা পণ্ডিত, এন ই হু	
১১	ড° গার্গী গায়ন. সহকাৰী অধ্যাপিকা, কে.কে.এইচ.এছ.অ.ই	
১৩	ড° উপলা বৰুৱা কটন বিশ্ববিদ্যালয় আৰু ড° ডোলা বৰকটকি, সহকাৰী অধ্যাপিকা, কে.কে.এইচ.এছ.অ.ই	

সম্পাদনাঃ

মূল ইংৰাজী সম্পাদনা ঃ ড° সুমেশ এচ. এচ., তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়
ড° নির্মালী গোস্বামী, তেজপুৰ কেন্দ্রীয় বিশ্ববিদ্যালয়

অসমীয়া ভাষা সম্পাদনা ঃ ড° স্বপ্না স্মৃতি মহন্ত, কে.চি. দাস কমার্চ কলেজ, গুৱাহাটী
ড° নিভাৰাণী ফুকন, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ ডোলা বৰকটকী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রকাশ ঃ মার্চ, ২০২৫

কৃষ্ণ কান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক **চ্ছু.জ্ঞ** লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

পাঠ্যবিষয়ৰ শীৰ্ষক "সমাজতত্ত্ব পৰিচয়" — এই নামটোৰ দ্বাৰাই এউ পাঠ্যবিষয়ে শিক্ষার্থীৰ অধ্যয়নৰ বাবে কেনে বিষয় সামৰিছে তাৰ ইংগিত বহন কৰিছে। এই পাঠ্যবিষয়ত সমাজতত্ত্বৰ কেতবোৰ প্রাথমিক ধাৰণাৰ পৰিচয় আগবঢ়োৱা হ'ব। পাঠ্যবিষয়ত সর্বমুঠ তেৰটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে।

পাঠ্যবিষয়ৰ প্রথম অধ্যায়টো হৈছে "সমাজতত্ত্বৰ পৰিচয়"। ইয়াত সমাজতত্ত্বৰ আৰম্ভণি, প্রকৃতি আৰু পৰিসৰ সম্বন্ধে আলোচনা কৰা হ'ব। দ্বিতীয় অধ্যায় "সমাজতত্ত্বৰ মৌলিক ধাৰণাসমূহ"-ত সমাজতত্ত্বৰ কিছুমান প্রাথমিক ধাৰণা যেনে - সমাজ, সামাজিক দল, অনুষ্ঠান, সংস্থা, প্রতিষ্ঠান, সম্প্রদায়, সংস্কৃতি, ৰীতি-নীতি, মূল্যবোধ, স্থিতি আদিৰ আলোচনা আগবঢ়োৱা হ'ব। পাঠ্যবিষয়ৰ তৃতীয় অধ্যায় হৈছে "সংস্কৃতি আৰু সমাজ", ইয়াত সংস্কৃতি আৰু সমাজৰ মাজত থকা সম্বন্ধ আলোচনা কৰা হ'ব। ইয়াৰ লগতে ইয়াত সংস্কৃতিৰ কার্যপ্রণালী, সংস্কৃতি আৰু সমাজৰ মাজত থকা তুলনা বিচাৰ কৰা হ'ব। পাঠ্যবিষয়ৰ চতুর্থ অধ্যায়টোৰ শিৰোনাম "সামাজিকৰণ"। ইয়াত সামাজিকৰণৰ প্রকাৰ, গুৰুত্ব আৰু মাধ্যমসমূহৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। পঞ্চম অধ্যায় "সামাজিক স্তৰীকৰণ"-ত এই অভিধাটোৰ অর্থ, বৈশিষ্ট্য আৰু বিভিন্ন ৰূপ সম্বন্ধে আলোচনা কৰা হৈছে। ষষ্ঠ অধ্যায় হৈছে "সামাজিক পৰিৱর্তন"। এই অধ্যয়টোত সামাজিক পৰিবর্তনৰ অর্থ, প্রকৃতি তথা সামাজিক পৰিৱর্তনৰ বিভিন্ন প্রক্রিয়াসমূহৰ আলোচনা কৰা হ'ব। সপ্তম অধ্যায় "সামাজিক বিশৃঙ্খলতা" ই সামাজিক বিশৃঙ্খলতাৰ অর্থ আৰু সংজ্ঞা, প্রকাৰ, সামাজিক বিশৃঙ্খলতা প্রতিৰোধ আৰু নির্মূলৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা সম্পর্কে বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। অষ্টম অধ্যায় "সামাজিক নিয়ন্ত্রণ"ত সামাজিক নিয়ন্ত্রণৰ অর্থ, মাধ্যমসমূহ তথা সামাজিক নিয়ন্ত্রণৰ প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। নৱম অধ্যায় "সামাজিক প্রক্রিয়া"-ত সামাজিক প্রক্রিয়াৰ অর্থ আৰু সংজ্ঞা, সামাজিক প্রক্রিয়াৰ অন্তর্গত প্রকাৰ যেনে- সহযোগিতা, প্রতিযোগিতা,সংঘর্ষ, উপযোজন আদিৰ আলোচনা আগবঢ়োৱা হৈছে। দশম অধ্যায় "সামাজিক গতিশীলতা"-ত ব্যক্তি আৰু গোটসমূহে কি দৰে তেওঁলোকৰ সামাজিক আৰু অর্থনৈতিক স্থিতি সলনি কৰে তাৰ আলোচনা পঢ়িবলৈ পাব। একাদশ অধ্যায় "পৰিয়াল, বিবাহ আৰু আত্মীয়তা"-ত আমাৰ সমাজৰ তিনিটা প্রধান প্রতিষ্ঠানৰ বিস্তৃত আলোচনা কৰিছে। দ্বাদশ অধ্যায়ৰ শীৰ্ষক "ধর্ম" য'ত সামাজিক প্রতিষ্ঠান হিচাপে ধর্ম, ইয়াৰ উৎপত্তি আৰু ধর্মতত্ত্বসমূহৰ গভীৰ আলোচনা আগবঢ়োৱা হৈছে। পাঠ্যবিষয়ৰ ত্রয়োদশ তথা অন্তিম অধ্যায়টো হৈছে "ৰাজনীতি আৰু অর্থনীতি" য'ত ৰাষ্ট্রৰ অর্থ আৰু বৈশিষ্ট্য, চৰকাৰ আৰু চৰকাৰৰ প্রকাৰ তথা সৰল আৰু জটিল সমাজত ৰাষ্ট্রনীতিৰ প্রকৃতি সম্বন্ধে আলোচনা কৰা হ'ব। ইয়াৰ লগতে এই অধ্যায়টোৱে ক্রমে সৰল আৰু জটিল সমাজত অর্থনীতিৰ কার্য আৰু প্রকৃতিসম্বন্ধে আলোচনা কৰিব।

অধ্যায়বোৰ পঢ়ি গৈ থাকোতে আপোনালোকে কিছুমান পার্শ্বীয় বাকচ দেখিব। তাত সহজে বুজি নোপোৱা অথবা আগতে নপঢ়া কিছুমান শব্দ অথবা সংজ্ঞাৰ ব্যাখ্যা পঢ়িবলৈ পাব। আপোনালোকৰ নিজৰ চিন্তাবোৰ কার্যক্ষেত্রত প্রয়োগ কৰিব পৰাকৈ অধ্যায়বোৰত কিছুমান অনুশীলনী 'অর্ন্তভুক্ত কৰা' হৈছে। পাঠ্য বিষয়বোৰৰ লগতে 'জানি থোৱা ভাল' শিতানত কিছুমান Õ¿ ÂÐIMÃßÁé ›¶¡Ñ¿ßÁî Â£ধাৰণা অর্ন্তভূক্ত কৰা হৈছে। প্রতিটো শিতানৰ সামৰণিত 'অগ্রগতি নিৰীক্ষণ' হিচাপে কিছুমান প্রশ্ন দেখিব। আপোনালোকে অধ্যয়নৰ অগ্রগতি নিজে পৰীক্ষা কৰি চাব পৰাকৈ এই প্রশ্নবোৰ দিয়া হৈছে। শিতানটো পঢ়া শেষ হোৱাৰ লগে লগে প্রশ্নবোৰৰ উত্তৰ কৰি গ'লে আপোনালোক অধিক উপকৃত হ'ব। আপোনাৰ উত্তৰবোৰ পাছত অধ্যায়ৰ একেবাৰে শেষৰফালে থকা 'অগ্রগতিৰ খতিয়ান' শিতানত মিলাই চাব পাৰিব। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্রশ্ন' তুলি দিয়া হৈছে। প্রতিটো অধ্যায়ৰ সৈতে জড়িত প্রসংগপুথিবোৰৰ নাম দ্বিতীয় খণ্ডৰ সামৰণিত দিয়া হৈছে।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ সমাজতত্ত্বৰ পৰিচয **৭-১৬**

সমাজতত্ত্বৰ আৰম্ভণি, প্ৰকৃতি আৰু পৰিসৰ।

অধ্যায় ২ ঃ **সমাজতত্ত্বৰ মৌলিক ধাৰণাসমূহ** **১৭-৩১**

সমাজ, সামাজিক দল, অনুষ্ঠান, সংস্থা, প্ৰতিষ্ঠান, সম্প্ৰদায়, সংস্কৃতি, ৰীতি-নীতি, মূল্যবোধ, স্থিতি আৰু ভূমিকা।

অধ্যায় ৩ ঃ **সংস্কৃতি আৰু সমাজ** **৩২-৪৫**

অৰ্থ আৰু সংজ্ঞা; সংস্কৃতিৰ বিভিন্নতা; সংস্কৃতিৰ বৈশিষ্ট্য; সংস্কৃতিৰ কাৰ্যপ্ৰণালী; সংস্কৃতিৰ প্ৰকাৰ; সংস্কৃতিৰ স্থবিৰতা; সংস্কৃতি আৰু সভ্যতাৰ মাজৰ পাৰ্থক্য; সংস্কৃতি আৰু সমাজৰ মাজৰ সম্পৰ্ক।

অধ্যায় ৪ ঃ **সামাজিকৰণ** **৪৬-৫৫**

সামাজিকৰণৰ অৰ্থ ঃ সামাজিকৰণৰ প্ৰকাৰ; সমাজত সামাজিকৰণৰ গুৰুত্ব; সামাজিকৰণৰ মাধ্যমসমূহ।

অধ্যায় ৫ ঃ **সামাজিক স্তৰীকৰণ** **৫৬-৬৮**

সামাজিক স্তৰীকৰণৰ অৰ্থ; সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য; সামাজিক স্তৰীকৰণৰ বিভিন্ন ৰূপ ঃ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে জাতি, সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে শ্ৰেণী, সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে বৰ্ণ, সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে নৃগোষ্ঠীকেন্দ্ৰিকতা, সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে সামাজিক লিংগ; সামাজিক স্তৰীকৰণৰ কাৰ্যকৰী দৃষ্টিভংগী ঃ সামাজিক স্তৰীকৰণৰ কাৰ্যকৰী দৃষ্টিভংগী, সামাজিক স্তৰীকৰণৰ মাৰ্ক্সীয় দৃষ্টিভংগী, সামাজিক স্তৰীকৰণৰ ৰেবেৰীয় দৃষ্টিভংগী।

অধ্যায় ৬ ঃ **সামাজিক পৰিৱৰ্তন** **৬৯-৮২**

সামাজিক পৰিৱৰ্তনৰ অৰ্থ ঃ সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি; সামাজিক পৰিৱৰ্তনৰ তত্ত্বসমূহ ঃ সামাজিক পৰিৱৰ্তনৰ দিশ, সামাজিক পৰিৱৰ্তনৰ কাৰক অথবা উপাদান; সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া ঃ উন্নয়ন, গোলকীকৰণ, আধুনিকীকৰণ; অন্যান্য সামাজিক প্ৰক্ৰিয়া; সামাজিক পৰিৱৰ্তন অধ্যয়নৰ সমস্যা।

অধ্যায় ৭ ঃ **সামাজিক বিশৃঙ্খলতা** **৮৩-৯৬**

সামাজিক বিশৃংখলতাৰ অৰ্থ আৰু সংজ্ঞা ঃ সামাজিক বিশৃংখলতাৰ প্ৰকাৰ; সামাজিক বিশৃংখলতাৰ কাৰক ঃ সামাজিক বিশৃংখলতা দূৰ কৰাৰ উপায়; সামাজিক বিশৃংখলতা প্ৰতিৰোধ আৰু নিৰ্মূলৰ ক্ষেত্ৰত শিক্ষাৰ ভূমিকা।

অধ্যায় ৮ ঃ সামাজিক নিয়ন্ত্রণ ৯৭-১১০

সামাজিক নিয়ন্ত্রণ; সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহ ঃ সামাজিকৰণ, ৰীতিনীতি, আইন, শিক্ষা; সামাজিক নিয়ন্ত্রণৰ প্রকাৰ; সামাজিক নিয়ন্ত্রণৰ গুৰুত্ব।

অধ্যায় ৯ ঃ সামাজিক প্রক্রিয়া ১১১-১২৪

অর্থ আৰু সংজ্ঞা; সহযোগিতা ঃ অর্থ আৰু সংজ্ঞা, বৈশিষ্ট্য, প্রকাৰ, সমাজত ইয়াৰ ভূমিকা; প্রতিযোগিতা ঃ অর্থ আৰু সংজ্ঞা, বৈশিষ্ট্য, প্রকাৰ, সমাজত ইয়াৰ ভূমিকা; সংঘর্ষ ঃ অর্থ আৰু সংজ্ঞা, বৈশিষ্ট্য, প্রকাৰ, সমাজত ইয়াৰ ভূমিকা; উপযোজন ঃ অর্থ আৰু সংজ্ঞা, বৈশিষ্ট্য, প্রকাৰ, সমাজত ইয়াৰ ভূমিকা।

অধ্যায় ১০ ঃ সামাজিক গতিশীলতা ১২৫-১৩৪

সংজ্ঞা; সামাজিক গতিশীলতাৰ বৈশিষ্ট্য; সামাজিক গতিশীলতাৰ প্রকাৰ; সামাজিক গতিশীলতাৰ কাৰকসমূহ; সামাজিক গতিশীলতাৰ প্রতিবন্ধকতাৰ কাৰকসমূহ।

অধ্যায় ১১ ঃ পৰিয়াল, বিবাহ আৰু আত্মীয়তা ১৩৫-১৪৭

পৰিয়ালৰ অর্থ আৰু সংজ্ঞা ঃ পৰিয়াল - কার্যনির্বাহী দৃষ্টিকোণ, পৰিয়ালৰ মার্ক্সবাদী দৃষ্টিভংগী, পৰিয়ালৰ নাৰীবাদী বিশ্লেষণ; বিবাহৰ অর্থ আৰু সংজ্ঞা ঃ বিবাহৰ বৈশিষ্ট্য, বিবাহৰ প্রকাৰ, বিবাহ বিধি, সংগী নির্বাচন প্রক্রিয়া; অজাচাৰ নিষিদ্ধতা; সম্বন্ধ অথবা আত্মীয়তা ঃ বিভিন্ন আত্মীয়ৰ মাজত প্রভেদ, বংশ।

অধ্যায় ১২ ঃ ধর্ম ১৪৮-১৬৭

ধর্মৰ সংজ্ঞা; ধর্মৰ উৎপত্তি; ধর্মৰ প্রকাৰ; ধর্মৰ তত্ত্বসমূহ; ধর্মৰ সামাজিক ভূমিকা; ধর্ম আৰু গোলকীকৰণ।

অধ্যায় ১৩ ঃ ৰাজনীতি আৰু অর্থনীতি ১৬৮-১৮০

ৰাজনীতি অথবা ৰাজনৈতিক প্রতিষ্ঠান ঃ অর্থ আৰু সংজ্ঞা, ৰাষ্ট্রৰ অর্থ আৰু বৈশিষ্ট্য, ৰাষ্ট্রৰ কার্য, চৰকাৰৰ অর্থ, চৰকাৰৰ প্রকাৰ; সামাজিক প্রতিষ্ঠান হিচাপে অর্থনীতি ঃ সৰল সমাজত অর্থনীতি, জটিল সমাজত অর্থনীতি।

প্রসংগ পুথি ঃ ১৮১-১৮২

অধ্যায় ১ ঃ সমাজতত্ত্বৰ পৰিচয়

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ সমাজতত্ত্বৰ আৰম্ভণি
১.৪ সমাজতত্ত্বৰ প্ৰকৃতি
১.৫ সমাজতত্ত্বৰ পৰিসৰ
১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১.৭ অধিক জানিবলৈ
১.৮ অগ্ৰগতিৰ খতিয়ান
১.৯ আৰ্হি প্ৰশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজতত্ত্বৰ আৰম্ভণি আৰু বিকাশৰ অন্তৰালত নিহিত হৈ থকা কাৰকসমূহ চিনাক্ত কৰিব পাৰিব
- সমাজতত্ত্বৰ প্ৰকৃতি আৰু বিষয়বস্তুৰ পৰিসৰ সম্পৰ্কে অৱগত হ'ব।

১.২ পৰিচয়

অধ্যয়নৰ ক্ষেত্ৰ হিচাপে ঊনবিংশ শতিকাৰ প্ৰথম ভাগত সমাজতত্ত্ব বিষয়ৰ উদ্ভৱ হৈছিল। ফৰাচী সমাজতত্ত্ববিদ আগষ্ট কমটে (১৭৯৮-১৮৫৭) ই 'Sociology' শব্দটোৰ সৰ্বপ্ৰথম প্ৰয়োগ কৰিছিল। তেওঁ ১৮৩৯ চনত প্ৰকাশ পোৱা তেওঁৰ গ্ৰন্থ 'Positive Philosophy'ত পোনপ্ৰথমবাৰলৈ শব্দটো অৱতাৰণা কৰিছিল। 'Sociology' শব্দটো দুটা শব্দৰ সংযোগত উদ্ভৱ হৈছে, সেয়া হৈছে — 'socius' আৰু 'logos'। লেটিন শব্দ 'socius' ৰ অৰ্থ হ'ল — 'সহযোগী' (companion), 'সহযোগ' (association) বা 'সমাজ' (society)। আনহাতে গ্ৰীক শব্দ 'logos' ৰ অৰ্থ হ'ল 'অধ্যয়ন' (study of) বা 'বিজ্ঞান' (science)। প্ৰস্তাৱিত এই অধ্যায়ত কিদৰে এই বিষয়ৰ উদ্ভৱ হ'ল, সেই সম্পৰ্কে আলোচনা কৰাৰ লগতে ইয়াৰ প্ৰকৃতি আৰু পৰিসৰ সম্পৰ্কেও জানিম।

১.৩ সমাজতত্ত্বৰ আৰম্ভণি

সমাজতত্ত্বৰ আৰম্ভণিৰ বিষয়ে জানিবলৈ হ'লে আমি ঊনবিংশ আৰু বিংশ শতিকাত

ইউৰোপত সংঘটিত হোৱা বৌদ্ধিক আৰু সামাজিক পৰিঘটনাসমূহৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিব লাগিব।

ৰাজনৈতিক সমাজতত্ত্ব, ঐতিহাসিক দৰ্শন, বিকাশৰ জৈৱিক তত্ত্ব আৰু সামাজিক আৰু ৰাজনৈতিক সংস্কাৰৰ আন্দোলনসমূহৰ মাজত সমাজতত্ত্বৰ আৰম্ভণি চিনাক্ত কৰিব পাৰি। এইবোৰৰ ভিতৰত দৰ্শন আৰু সামাজিক সমীক্ষা বা জৰীপ অধিক গুৰুত্বপূৰ্ণ।

ঐতিহাসিক দৰ্শনৰ আৰম্ভণি দুটা আন্দোলনৰ পৰিণতিত হৈছেল। সেয়া হৈছে — ইংলণ্ডৰ ঔদ্যোগিক বিপ্লৱ আৰু ফ্ৰান্সৰ ৰাজনৈতিক বিপ্লৱ। ঊনবিংশ শতিকাৰ প্ৰাৰম্ভিকতে হেগেল আৰু চেইন্ট চিমনৰ লেখনিৰ জৰিয়তে ঐতিহাসিক দৰ্শন এক গুৰুত্বপূৰ্ণ বৌদ্ধিক প্ৰভাৱ হিচাপে চিহ্নিত হৈছিল। এই দুগৰাকী বিশিষ্ট চিন্তাবিদৰ অৱদানে আগষ্ট কমটে আৰু কাৰ্লমাক্সক বিশেষভাৱে প্ৰভাৱান্বিত কৰিছিল। বটমৰেৰ ভাষাত, "আবে দ্য চেইণ্টপীয়েৰ, গিয়ামবাটিষ্টা ভিক'ৰ দৰে ইতিহাসবিদে সমাজ সম্পৰ্কে 'ৰাজনৈতিক সমাজ' বা ৰাজ্যৰ তুলনাত এক নব্য দৃষ্টিভংগী গ্ৰহণত বিশেষ অৰিহণা যোগাইছিল। "তেওঁলোক সকলো প্ৰকাৰৰ সামাজিক প্ৰতিষ্ঠানক লৈ সচেতন আছিল আৰু 'ৰাজ্য' আৰু 'শিষ্ট সমাজ'ৰ মাজত অতি সাৱধানতাৰে প্ৰভেদ প্ৰদৰ্শন কৰিছিল।"

সমাজতত্ত্বৰ আৰম্ভণি আৰু বিকাশৰ ক্ষেত্ৰত অৰিহণা যোগোৱা আন এটা উপাদান হ'ল সামাজিক সমীক্ষা। মানুহৰ ক্ৰিয়া-কৰ্মৰ অধ্যয়নত প্ৰকৃতি বিজ্ঞানৰ অধ্যয়নৰ পৰিসৰত সামৰা পৰিঘটনাসমূহো অন্তৰ্ভূক্ত হ'ব লাগে — এই ধাৰণাৰ ভিত্তিতে সামাজিক সমীক্ষাৰ দিশটো আৰম্ভ হৈছিল। ইয়াৰ লগতে, আন এক ধাৰণা অনুসৰি, ঔদ্যোগিক সমাজবোৰত দৰিদ্ৰতা কোনো এক প্ৰাকৃতিক পৰিঘটনা নহয়; বৰং ই হৈছে মানুহৰ অবহেলা বা শোষণৰ পৰিণতি। ই সামাজিক সমীক্ষাৰ দিশটোৰ ওপৰত গুৰুত্ব প্ৰদান কৰিবলৈ অনুপ্ৰাণিত কৰে।

জার্মানীত অধ্যয়নৰ এক বিষয় হিচাপে সমাজতত্ত্বৰ আৰম্ভণি কার্লমার্ক্স আৰু কার্ল মেনহেইমৰ কর্মৰাজিৰ জৰিয়তে হৈছিল (মন কৰিবলগীয়া যে কার্লমার্ক্সে কেতিয়াও সমাজতাত্ত্বিক হিচাপে নিজৰ পৰিচয় প্ৰদান কৰা নাছিল যদিও তেওঁৰ কর্মৰাজি সমাজত সামাজিক বিশ্লেষণৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত)। আকৌ বিংশ শতিকাৰ চতুর্থ দশকত এডলফ হিটলাৰৰ শাসনকালত জার্মানীত হোৱা সমাজতত্ত্বৰ বিকাশ লেখত ল'বলগীয়া। অধিকাংশ লোকে প্ৰব্ৰজন কৰাৰ ফলত সেই সময়ত সমাজতত্ত্বৰ কোনো শিক্ষক উপলব্ধ নাছিল। হিটলাৰ আৰু তেওঁৰ দল (National Socialist) ৰ শাসনৰ সময়ত সমাজতত্ত্বৰ বহুতো গৱেষণা বন্ধ কৰি দিয়া হৈছিল। অধ্যাপকসকলক অবসৰ গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱাৰ লগতে ডেকা শিক্ষকসকলক অব্যাহতি দিয়া হৈছিল। হিটলাৰ আৰু তেওঁৰ দলে 'Volkische' নামৰ নতুন সমাজতত্ত্ব এটা তৈয়াৰ কৰিবলৈ প্ৰচেষ্টা অব্যাহত ৰাখিছিল। এই নতুন প্ৰকাৰৰ সমাজতত্ত্বই জার্মানসকলৰ শ্ৰেষ্ঠত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। সেইদৰে, সমাজতত্ত্বৰ বিশেষ ধাৰণা যেনে সামাজিক স্তৰীভূতকৰণ, সামাজিক বিবাদ আদিৰ স্থানতো অন্য ধাৰণা সন্নিৱিষ্ট কৰিছিল, যি নতুন জার্মান সমাজতত্ত্বৰ বিকাশৰ আন এক পদক্ষেপ আছিল। অৱশ্যে, তেওঁলোকৰ প্ৰচেষ্টা স্বত্ত্বেও জার্মান সমাজতত্ত্বই বিশেষ সমর্থন লাভত ব্যর্থ হয়।

ইংলণ্ডত উদ্যোগ বিপ্লৱৰ সময়ত সমাজৰ অধ্যয়ন গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছিল। হাৰ্বার্ট স্পেন্সাৰ, লিওনার্ড হবহাউচ আৰু এডৱার্ড ৰাটাৰমার্কৰ কর্মৰাজিৰ ফলত সমাজতত্ত্বই জনপ্রিয়তা অর্জন কৰিছিল। কিন্তু সমাজতত্ত্বই অধিক সময়ৰ বাবে জনপ্রিয়তা অর্জন কৰি থাকিব পৰা নাছিল। কিয়নো সেই সময়ৰ অধিকাংশ সমাজতাত্ত্বিক লেখনি বিজ্ঞানসম্মত হোৱাৰ সলনি সাধাৰণ দর্শন আৰু ব্যক্তিগত ধ্যান-ধাৰণাৰ ওপৰত প্রতিষ্ঠিত আছিল। এই বিষয়ৰ পেচাদাৰী দিশটো বহু পৰিমাণে ব্যৱহাৰিক প্রয়োগ অ-কাৰিকৰী স্থানীয় অনুসন্ধান আৰু প্রশিক্ষণ প্রতিষ্ঠানৰ ওপৰত প্রতিষ্ঠিত আছিল। দ্বিতীয়তে, লণ্ডন স্কুল অৱ ইক'নমিক্ছৰ বাহিৰে সমাজতত্ত্বক সমাজবিজ্ঞান (সমাজ কর্ম) বা অন্য সমধর্মী বিভাগ যেনে নৃতত্ত্ব, নীতিশাস্ত্র, ৰাজনীতি বিজ্ঞান আৰু দর্শন আদিৰ অন্তর্গত এক বিষয় হিচাপে আগবঢ়োৱা হৈছিল, যিয়ে সমাজতত্ত্ব বিষয়টোৰ বিকাশত যথেষ্ট বাধা আৰোপ কৰিছে (হার্পাৰ, ১৯৩৩)।

আন্দ্রে বেটেইলৰ মন্তব্য অনুসৰি ভাৰতত সমাজতত্ত্বৰ আৰম্ভণি সামাজিক নৃতত্ত্ব (Social Anthropology) ৰ পৰা হৈছে। ১৯২২ চনত বোম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্ব বিভাগৰ স্থাপনৰ জৰিয়তে ভাৰতত এই বিষয়ৰ আৰম্ভণি হৈছিল। স্বাধীনতাৰ পিছত, ভাৰতীয় সমাজখনক পুনৰ গঠন কৰিবলৈ বিভিন্ন পদক্ষেপ লোৱাৰ প্রয়োজনীয়তা আহি পৰিছিল। অর্থনীতিবিদসকলে ভাৰতৰ অর্থনৈতিক স্থিতিক অধ্যয়ন কৰিবলৈ প্রচেষ্টা চলাইছিল যদিও ই পর্যাপ্ত নাছিল। গতিকে, সামাজিক, নৃতাত্ত্বিক, সমাজতাত্ত্বিক আৰু ভূতাত্ত্বিকসকলে সমাজখনক অধ্যয়ন কৰিবলৈ আগভাগ লৈছিল। সেইদৰে, ১৯৬৯ চনত 'Indian Institute of Social Science Research' স্থাপন কৰা হৈছিল। উন্নয়নমূলক অধ্যয়ন সমাজতত্ত্বৰ গৱেষণাৰ এক গুৰুত্বপূৰ্ণ অংশৰূপে পৰিগণিত হৈছিল। ১৯৫০ ৰ পৰা ১৯৭০ ৰ দশকলৈকে গ্রাম্য অধ্যয়ন সমাজতত্ত্ব আৰু জাতিগত বৈষম্য গ্রাম্য অধ্যয়নৰ লক্ষ্য হৈ পৰিছিল। বেটেইলে পুনৰ কৈছে যে ইৰাৱতী কার্ভে, বিনয় চৰকাৰ, জি.এছ. ঘূর্য়ে আদি প্রাৰম্ভিক স্তৰৰ সমাজতাত্ত্বিকসকল দ্রুপদী সাহিত্যৰ প্রতি আগ্রহী আছিল আৰু সেয়েহে তেওঁলোকে সম্পন্ন কৰা কর্মৰাজিত ভাৰতীয় পৰম্পৰা আৰু সংস্কৃতিৰ বিশেষ প্রভাৱ পৰিছিল। অৱশ্যে বেটেইলে এইবুলিও উপদেশ দিছে যে ভাৰতীয় সমাজতাত্ত্বিকসকলে সমাজক বুজিবলৈ নতুন ধাৰণাৰ অবতাৰণা কৰিব লাগে। উদাহৰণস্বৰূপে, 'ধর্মনিৰপেক্ষ' শব্দটো ইউৰোপীয় দেশৰ পৰা আমদানি কৰা হৈছে। কিন্তু ভাৰততৰ দৰে ধর্মীয় ভাবাপন্ন দেশ এখনত এই ধাৰণাটো প্রৱর্তন কৰাটো এটা যথেষ্ট প্রত্যাহ্বানপূর্ণ বিষয় হিচাপে পৰিগণিত হ'ব পাৰে।

অৱশ্যে, এম. এন শ্রীনিবাস আৰু পানিনীয়ে কৈছে যে স্বাধীনতাৰ পৰৱর্তী সময়ত সমাজতাত্ত্বিক আৰু নৃতাত্ত্বিকসকলক কর্মৰাজিৰ পৰিকল্পনা নির্মাণতকৈ কার্যকৰীকৰণৰ ক্ষেত্রতহে অধিক প্রয়োগ কৰে। আকৌ, ভাৰতৰ সমাজতত্ত্বৰ ওপৰতে আমেৰিকা আৰু ব্রিটেইনৰ সমাজতাত্ত্বিকসকলৰ বিশেষ প্রভাৱ পৰিছে। শ্রীনিবাসে কৈছে যে ভাৰতীয় দার্শনিকসকল এই দেশসমূহৰ দ্বাৰা বিশেষভাৱে অনুপ্রাণিত হ'লেও ইয়াৰ মানে এইটো নহয় যে ই কোনো অনুকৰণৰ ফল। তেওঁলোকৰ মতে দেশৰ সমস্যাসমূহৰ কোনো উপায় আগবঢ়োৱাৰ সলনি সমাজতাত্ত্বিকসকলে সমস্যাসমূহ বুজি ফলপ্রসু সমাধান আগবঢ়োৱাৰ প্রতি অৱদান আগবঢ়াব

পাৰে (শ্ৰীনিবাস ১৯৮৭)।

শ্ৰীনিবাসে, ১৯৮৭ ত প্ৰকাশ পোৱা তেওঁৰ প্ৰবন্ধ 'Development of Sociology in India : An Overview' ত সমাজতত্ত্বত নতুনকৈ বিকশিত হোৱা বিভিন্ন শাখা যেনে নাৰী অধ্যয়ন, ৰাজনৈতিক সমাজতত্ত্ব, সম্পৰ্কৰ সমাজতত্ত্ব আৰু উন্নয়নৰ সমাজতত্ত্ব আদিৰ উল্লেখ কৰিছে। তেওঁ আকৌ কৈছে যে দেশৰ বিভিন্ন অংশৰ লোকৰ ৰীতি-নীতি আৰু পৰম্পৰাৰ বিষয়ে অবগত হোৱাৰ বাবে সমাজতাত্ত্বিকসকলে দেশ নিৰ্মাণত অৰিহণা যোগাব পাৰে। তেওঁৰ মতে সমাজতাত্ত্বিকসকলৰ জ্ঞানে পৰিবৰ্তিত ৰাজনৈতিক-অৰ্থনৈতিক অৱস্থাত উন্নয়নমূলক পৰিৱৰ্তনৰ পৰিকল্পনা প্ৰস্তুত অথবা সমাজৰ নিম্নতম স্তৰৰ জীৱনৰ পৰ্যবেক্ষণ, নিৰীক্ষণ আৰু তথ্য সংগ্ৰহ অথবা দেশৰ বিভিন্ন ক্ষেত্ৰৰ জনসাধাৰণৰ বিভিন্ন শ্ৰেণীৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা শ্ৰেণীগত পৰিৱৰ্তনৰ অধ্যয়নত সহায় কৰে। সমাজতাত্ত্বিকসকলে মানুহৰ ৰীতি-নীতি, অনুষ্ঠান-প্ৰতিষ্ঠান, মূল্যবোধ আৰু চিন্তাৰ ধৰণৰ ওপৰত পৰ্যাপ্ত জ্ঞানৰ বাবে পৰিকল্পনাৰ ক্ষেত্ৰখনতো যথেষ্ট দায়িত্ব পালন কৰে। (শ্ৰীনিবাস ১৯৮৭)



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সমাজতত্ত্বৰ বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত কাৰক দুটা কি কি?

প্ৰশ্ন নং ২ ঃ ইংলণ্ডত সমাজতত্ত্বক কোনে জনপ্ৰিয় কৰিছিল?

১.৪ সমাজতত্ত্বৰ প্ৰকৃতি

সমাজতত্ত্বৰ প্ৰকৃতি অধ্যয়ন কৰাৰ পূৰ্বে সমাজতত্ত্ব বিজ্ঞান হয় নে নহয় — এই গুৰুত্বপূৰ্ণ দিশটো বিচাৰ কৰি চাব লাগে। এই কথাৰ ব্যাখ্যা আগবঢ়াই গিদেনে কৈছে সমাজতত্ত্ব বিজ্ঞান হয় নে নহয় — সেয়া বিচাৰ কৰাৰ পূৰ্বে বিজ্ঞান মানে নো কি সেয়া নিৰ্দিষ্ট কৰিব লাগিব। তেওঁৰ মতে, "বিজ্ঞান হৈছে কোনো এক নিৰ্দিষ্ট বিষয়বস্তুৰ বিষয়ে জ্ঞান অৰ্জনৰ হেতু অনুসন্ধান, তাত্ত্বিক চিন্তা আৰু যুক্তিসংগত বিচাৰৰ বাবে শংখলাৱদ্ধ পদ্ধতি ব্যৱহাৰ কৰা এক বিষয়।" এই সংজ্ঞাৰ ভিত্তিত কোনো লোকে যুক্তি প্ৰদৰ্শন কৰিব পাৰে যে সমাজত্বও এটা বৈজ্ঞানিক শাখা হিচাপে পৰিগণিত হ'ব পাৰে যিহেতু ই অনুসন্ধান, তথ্য বিশ্লেষণ আৰু প্ৰমাণ তথা যুক্তিৰ ভিত্তিত তত্ত্বৰ বিশ্লেষণৰ প্ৰণালীবদ্ধ পদ্ধতিক সামৰি লয়।

সমাজতত্ত্বৰ বিজ্ঞানসন্মত প্ৰকৃতিৰ বিষয়ে ইয়াৰ জ্ঞানৰ নিৰ্ভৰশীলতা, সংগঠিত কৰা কাৰ্য আৰু পদ্ধতিৰ ওপৰত ভিত্তি কৰিও আলোচনা কৰিব পাৰি। অ'গবাৰ্ণ আৰু নিমকফে কৈছে যে সমাজতত্ত্ব বিজ্ঞান হয় নে নহয়, তাৰ উত্তৰ একে আষাৰে দিব নোৱাৰি। এই বিষয়টো কিছুমান মান, জ্ঞানৰ নিৰ্ভৰশীলতা, ইয়াৰ সংগঠন পদ্ধতি আৰু প্ৰকৃতিৰ ওপৰত ভিত্তিৰ কৰি বিচাৰ কৰিব পাৰি। সমাজতাত্ত্বিকসকলে সমাজ অধ্যয়ন কৰিবলৈ যিসমূহ তথ্য আহৰণ কৰিছে, সেইবোৰ

অন্য সমাজৰ ক্ষেত্রতো প্রয়োগ কৰিব পাৰি। উদাহৰণস্বৰূপে, সমাজতাত্ত্বিকসকলে লক্ষ্য কৰিছে যে সমাজে সদায় বিবাহ প্রথাক অবৈধ যৌন সম্পর্কক বাধা দিয়াৰ বাবে এক আহিলা হিচাপে ব্যৱহাৰ কৰে। আকৌ সমাজত জ্ঞানক এনেদৰে গ্রহণ কৰা হয়, যিয়ে আৰু অধিক জ্ঞান আহৰণ বা অন্বেষণৰ ক্ষেত্রত সুযোগ প্রদান কৰে। সমাজতত্ত্বৰ পদ্ধতিৰ ক্ষেত্রত ম'গবার্ণ আৰু মিমকখে মত আগবঢ়াই কৈছে যে সাধাৰণ বিজ্ঞানৰ দৰে সমাজতত্ত্বইও গৱেষমা কার্য কৰিব পাৰে। যিদৰে বিজ্ঞানাগাৰ এটাত কোনো পৰীক্ষা সম্পন্ন কৰাৰ সময়ত অন্যান্য কাৰকবোৰ স্থিতাৱস্থাত থকা বুলি ধৰি লোৱা হয়, তেনেদৰে সমাজতত্ত্বতো পৰিসংখ্যাবিজ্ঞানৰ সময়ত এনেধৰণৰ পৰীক্ষা সমাপন কৰিব পাৰি।

সমাজতত্ত্ব বিজ্ঞানসন্মত বৈশিষ্ট্য সর্বগ্রহণযোগ্য যিহেতু ই এক ব্যৱহাৰিক বিজ্ঞান (empirical science) (যিটো তথ্য বা সত্যৰ ওপৰত প্রতিষ্ঠিত)। আব্রাহাম আৰু মর্গানে কৈছে যে সমাজতত্ত্বৰ ব্যৱহাৰিক বৈশিষ্ট্যই ইয়াৰ তথ্য তথা সত্য আহৰণক সূচিত কৰে। সমাজতত্ত্ব কেবল তথ্য আহৰণৰ বাবে কোনো সামাজিক আচৰণৰ সংগতিবিহীন পর্যবেক্ষণৰ পৰা উদ্ভৱ হোৱা হয়। ইয়াৰ স্বকীয় কিছুমান নীতি-নিয়ম আছে আৰু তথ্য আহৰণৰ বাবে নির্দিষ্ট কিছুমান পদ্ধতিক অনুসৰণ কৰে। সমাজতত্ত্বই কিছুমান সত্য ঘটনাৰ পৰা তথ্য আহৰণ কৰে, যিবোৰ অন্যৰ দ্বাৰাও পুনৰীক্ষণ কৰা সম্ভৱ। সমাজতত্ত্বই সমাজৰ লগত জড়িত যিকোনো বিষয়ৰ প্রাথমিক তথ্য আহৰণৰ বাবে ক্ষেত্র অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। সেয়েহে, আব্রাহাম আৰু মর্গানে এই বুলি মত প্রদান কৰিছে যে সমাজতত্ত্ব হৈছে 'যুক্তিবাদ (rationalism) আৰু অনুভববাদ (empiricism) ৰ সন্তান, যিয়ে নির্দিষ্ট পদ্ধতিৰ জৰিয়তে তথ্য আহৰণ কৰে।'

সমাজতত্ত্ব চৰকাৰ ক্ষমতা বা মানৱ মনোবিজ্ঞানৰ বিষয়ে অধ্যয়ন কৰা ৰাজনীতিবিজ্ঞান অথবা মনোবিজ্ঞানৰ দৰে বিশেষ বিজ্ঞান নহয়। আব্রাহাম আৰু মর্গানৰ মতে, সমাজতত্ত্বত বিশেষভাৱে নহ'লেও প্রায় সকলো সমাজ বিজ্ঞানৰে উপাদান আছে। দুয়োগৰাকী পণ্ডিতে সমাজতত্ত্বৰ সাধাৰণ প্রকৃতিৰ এক ব্যাখ্যা এইদৰে প্রদান কৰিছে "সমাজতত্ত্ব হৈছে দুই, তিনিজন বা সৰু গোটৰ অথবা বৃহৎ পৰিসৰৰ প্রতিষ্ঠানৰ মানুহৰ বিষয়ে এক গুৰুত্বপূর্ণ অধ্যয়ন।" ই পৰস্পৰে পৰস্পৰৰ লগত হোৱা সম্পর্কৰ ফলত ব্যক্তিৰ সকলো সামাজিক কার্যকলাপৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এক সাধাৰণ বিজ্ঞান হিচাপে, এনেকুৱা কোনো মানবীয় কার্যকলাপ নাই, যিবোৰ ইয়াৰ পৰিসৰৰ বাহিৰত পৰে। অন্য সমাজবিজ্ঞানৰ বিষয়বোৰে সকলো মানবীয় কার্যকলাপ অন্তর্ভুক্ত নকৰে যদিও সমাজতত্ত্বই কোনো কার্যকে পৰিসৰৰ বাহিৰত নাৰাখে। এই কথাত সন্দেহ নাই যে সমাজতত্ত্বই অন্য সমাজবিজ্ঞানৰ বিশেষ অন্তর্দশনৰ পদ্ধতি ব্যৱহাৰ কৰাৰ লগতে একে সময়তে ই নিজৰ পৰিসৰ আৰু মানবীয় দিশসমূহ বুজাত এক বলিষ্ঠ ভূমিকা লয়। (আব্রাহাম আৰু মর্গান,১৯৮৫)

তথ্য গঠনৰ দিশৰ পৰা সমাজতত্ত্বক বিমূর্ত বিজ্ঞান (Abstract Science) হিচাপেও আখ্যা দিব পাৰি। সমাজ বিজ্ঞানৰ অন্য বিষয়বোৰৰ দৰে কোনো নির্দিষ্ট বিষয়ৰ ওপৰত গুৰুত্ব দিয়াৰ সলনি, সমাজতত্ত্বই বিভিন্ন দল আৰু শ্রেণীৰ তথ্যসমূহ তুলনা কৰি তথ্যসমূহৰ পৰা

সিদ্ধান্ত নিঃসৰণ কৰে। এইদৰে এক নির্দিষ্ট পদ্ধতিৰ মাজেৰে সমাজতত্ত্বৰ তথ্যসমূহ গঠন হয় আৰু এই প্রক্রিয়াৰে সমাজতাত্ত্বিক তত্ত্বও নির্মাণ হয়।

সমাজতত্ত্বৰ এক বিষয়গত প্রকৃতিও আছে। সমাজতত্ত্বত এই বিষয়গত প্রকৃতি তথ্য আহৰণৰ বাবে সঠিক পদ্ধতি ব্যৱহাৰ তথা এই পদ্ধতি ব্যৱহাৰৰ কাৰণ ব্যাখ্যাৰ জৰিয়তে চৰিতার্থ কৰা হয়।

সমাজতত্ত্বক কৃত্রিম বিজ্ঞান Pseudo Science হিচাপেও গণ্য কৰা হয় যিহেতু অন্য সমাজবিজ্ঞানৰ বিষয়বোৰ নির্দিষ্টভাৱে সমাজৰ বিভিন্ন দিশবোৰ অধ্যয়ন কৰে। যিদৰে অতীতৰ সমাজখন ইতিহাসে অধ্যয়ন কৰে, তেনেদৰে বিভিন্ন অর্থনৈতিক আদান-প্রদানৰ ওপৰত অর্থনীতিবিদসকলে গুৰুত্ব আৰোপ কৰে। সমাজতত্ত্বই গোটেই সমাজখনক সামগ্রিকভাৱে অধ্যয়নৰ আওতালৈ আনে। সমাজত যদিও অন্য বিষয়বোৰে অন্য দিশবোৰৰ বিষয়ে আলোচনা কৰে, তথাপিও সমাজৰ গাঁথনিৰ ওপৰত অধ্যয়ন কৰাৰ এক প্রয়োজনীয়তা আছে। অন্য ভাষাত, সমাজৰ বিভিন্ন সম্পর্কৰ বিষয়ে অধ্যয়ন কৰাৰ প্রয়োজন আছে। ই সমাজবিজ্ঞানৰ বিভিন্ন বিষয়বোৰৰ মাজত এক সম্পর্ক আৰু সমতা স্থাপন কৰে। সমাজতত্ত্বই সমাজ বিজ্ঞানক এক সামগ্রিক গাঁথনি প্রদান কৰে আৰু প্রতিটো নির্দিষ্ট সমাজ বিজ্ঞানৰ বিষয়েই ইয়াৰ উপাদান। গতিকে, সমাজতত্ত্ব বুজিবলৈ সামাজিক প্রক্রিয়াৰ অংগ হিচাপে বিভিন্ন বিজ্ঞানৰ মাজৰ বিভিন্ন সম্পর্কৰ বিষয়ে বুজিব লাগিব।

সমাজতত্ত্ব আৰু সমাজ বিজ্ঞানৰ মাজৰ পার্থক্যৰ সন্দর্ভত নিছবেটে প্রদান কৰা আন এটা কাৰণ হ'ল অন্যান্য বিষয়বোৰ অষ্ঠাদশ শতিকাত ৰাষ্ট্র আৰু ব্যক্তিৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰাৰ সময়ত আৰম্ভ হৈছিল। এই বিষয়বোৰ নৱজাগৰণৰ দ্বাৰা অনুপ্রাণিত হৈছিল। আনহাতে, সমাজতত্ত্ব নৱজাগৰণৰ পৰিণতিত হোৱা বিদ্রোহে সমাজলৈ কঢ়িয়াই অনা বিভিন্ন ধ্বংসাত্মক প্রভাৱৰ ফলত উদ্ভৱ হৈছিল।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ বিজ্ঞানাগাৰৰ পৰীক্ষা হিচাপে সমাজতত্ত্বক অধ্যয়ন কৰিব পাৰিনে?

প্রশ্ন নং ৪ ঃ সমাজতত্ত্বক সাধাৰণ বা বিশেষ বিজ্ঞান হিচাপে অধ্যয়ন কৰিব পাৰিনে?

১.৫ সমাজতত্ত্বৰ পৰিসৰ

সমাজতত্ত্বৰ পৰিসৰ যথেষ্ট ব্যাপক। উদ্ভিদবিজ্ঞানীসকলে যিদৰে বিভিন্ন উদ্ভিদক লৈ ব্যস্ত হয়, তেনেদৰে সমাজতাত্ত্বিকসকলে বিভিন্ন সামাজিক ঘটনা প্রবাহৰ প্রতি দৃষ্টি নিক্ষেপ কৰে। উদাহৰণস্বৰূপে, সম্প্রদায়ৰ বিষয়ে আলোচনা কৰোঁতে, সমাজতাত্ত্বিকসকলে সাধাৰণ ঘটনা প্রবাহৰ সলনি সম্প্রদায়ক সমাজৰ এক অনুষ্ঠান হিচাপে গণ্য কৰে, যিটোৱে এই বিষয়টোক

অন্য বিষয়ৰ তুলনাত সুকীয়া কৰি তুলিছে। সমাজতত্ত্বই সমাজৰ সাধাৰণ বৈশিষ্ট্য আৰু বিভিন্ন প্ৰকাৰৰ প্ৰতি আগ্ৰহী। সমাজতত্ত্বৰ ধাৰণা অনুসৰি সাধাৰণ বক্তব্য বা ঘটনাৰ অংশ হ'লেও সেইবোৰৰ বিভিন্ন প্ৰকাৰ আছে। গিডেনছৰ মতে, সমাজতত্ত্বই সাধাৰণ বোধক আন্দোলিত কৰাৰ লগতে এই জ্ঞানৰ প্ৰতি অবদানো আগবঢ়াই। অৱশ্যে সাধাৰণ বোধ বিশেষ সংস্কৃতি আৰু সমাজৰ দৰে সাধাৰণ নহয়। অন্য ভাষাত, সাধাৰণ বোধক সমাজ আৰু সংস্কৃতি ভেদে পৃথক-পৃথক ৰূপত গ্ৰহণ কৰা হয়। সমাজতত্ত্বই সেই সাধাৰণ বোধক অধ্যয়ন কৰাৰ চেষ্টা কৰে।

ধ্ৰুপদী সমাজতাত্ত্বিকসকলে সমাজক বৰ্তমান সময়ত সমাজতাত্ত্বিক বিশ্লেষণৰ ভেঁটি নিৰ্মাণ কৰা কিছুমান গুৰুত্বপূৰ্ণ সামাজিক ধাৰণাৰ ভিত্তিত অধ্যয়ন কৰিছে। আগষ্ট কমটেৰ মতে, "যিদৰে এসময়ত জ্যোতিবিজ্ঞানৰ ওপৰত ভিত্তি কৰি জ্যোতিষ শাস্ত্ৰ আৰু ৰসায়নবিজ্ঞানৰ ওপৰত ভিত্তি কৰি ৰসবিদ্যা (alchemy) গঢ়ি উঠিছিল, তেনেদৰে সমাজতত্ত্বও সময়ত ইয়াৰ ভৱিষ্যতৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি প্ৰতিষ্ঠা লাভ কৰিছিল।" কমটেই সমাজতত্ত্বক দুটা ভাগত বিভক্ত কৰি আলোচনা কৰিছিল — সামাজিক স্থিতিশীলতা (social statics) আৰু সামাজিক গতিময়তা (social dynamics)। সামাজিক স্থিতিশীলতাই কিদৰে সমাজৰ বিভিন্ন অংশ পৰস্পৰে-পৰস্পৰৰ লগত জড়িত হৈ থাকে, সেয়া আলোচনা কৰাৰ বিপৰীতে সামাজিক গতিময়তাই বিশ্লেষণৰ এটা গোট হিচাপে সমগ্ৰ সমাজৰ ওপৰত দৃষ্টি নিক্ষেপ কৰে। কমটেয়ে আকৌ কৈছে যে সামগ্ৰিকভাৱে সমাজৰ এক তুলনামূলক অধ্যয়ন সমাজতাত্ত্বিক বিশ্লেষণৰ এক গুৰুত্বপূৰ্ণ বিষয়।

হাৰ্বাৰ্ট স্পেন্সাৰৰ মতে, সমাজতত্ত্বৰ বিভিন্ন পৰিসৰবোৰ হ'ল — পৰিয়াল, ৰাজনীতি, ধৰ্ম, সামাজিক নিয়ন্ত্ৰণ আৰু কৰ্ম। লগতে তেওঁ সহযোগিতা, সম্প্ৰদায়, শ্ৰমৰ বিভাজন, জ্ঞান আৰু বিজ্ঞানৰ সমাজতত্ত্ব আৰু কলা তথা সৌন্দৰ্যও সমাজতত্ত্বৰ অধ্যয়নৰ পৰিসৰৰ ভিতৰত পৰে। তেওঁ কৈছে যে সমাজতত্ত্বই সমাজক বিশ্লেষণৰ এক ক্ষেত্ৰ হিচাপে গণ্য কৰিছে। তেওঁৰ মতে সমাজতত্ত্বই সমাজৰ বিভিন্ন প্ৰকাৰ আৰু স্তৰৰ মাজত এক তুলনামূলক অধ্যয়ন চলাব লাগে। স্পেন্সাৰৰ বাবে সমাজতত্ত্ব হৈছে কেৱল বৃহৎ চিন্তাধাৰাৰ এক ক্ষুদ্ৰ অংশ। এই সম্পৰ্কৰ নিৰ্মাণৰ বাবে তেওঁ উভয় আৰোহণমূলক (inductive) আৰু অৱৰোহণমূলক (deductive) পদ্ধতি প্ৰয়োগ কৰাৰ লগতে নৃতাত্ত্বিক আৰু জৈৱিক তথ্যও বিশ্লেষণ কৰিছে। তেওঁ উদ্ভাৱনীমূলক তত্ত্বৰ লগতে অন্য গুৰুত্বপূৰ্ণ ধাৰণা যেনে বিভিন্ন দলৰ মাজৰ উদ্বিগ্নতাৰ দ্বাৰাও পৰিচালিত হৈছে।

আন এগৰাকী সমাজতাত্ত্বিক এমিলি দুৰ্খেইমৰ মতে সমাজতত্ত্বই ব্যাপক পৰিসৰৰ প্ৰতিষ্ঠান আৰু সামাজিক প্ৰক্ৰিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। তেওঁ সমাজক সামগ্ৰিকভাৱে বিচাৰ কৰাৰ সলনি বিশেষীকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। তেওঁৰ মতে সমাজতত্ত্ব হৈছে সমাজৰ বিজ্ঞান আৰু ই বিভিন্ন সমাজৰ মাজত এক তুলনামূলক অধ্যয়ন চলায়।

মেক্স ৱেবাৰৰ মতে "সমাজতত্ত্ব হৈছে এনে এক বিজ্ঞান, যিয়ে ইয়াৰ কাৰ্য আৰু পৰিসৰ সম্বন্ধে এক সিদ্ধান্তত উপনীত হ'বলৈ সামাজিক কাৰ্যসমূহৰ ওপৰত এক বিশ্লেষণাত্মক দৃষ্টিভংগী আৰোপ কৰে।" সেয়েহে ৱেবাৰে সামাজিক কাৰ্য বা সামাজিক সম্বন্ধ সমাজতত্ত্বৰ এক অধ্যয়নৰ

বিষয়বস্তু বুলি কৈছে।”

ৰবার্ট নিছবেটৰ মতে নৱজাগৰণৰ সময়ৰ মূল্যবোধৰ ওপৰত কোনো পৃথক দৃষ্টিভংগী আৰোপ নকৰা বাবে সমাজতাত্ত্বিকসকলে গীর্জা, পৰিয়াল আদিৰ ওপৰত গুৰুত্ব দিছে আৰু ই কালক্ৰমত সমাজতত্ত্বৰ মৌলিক বিষয় হৈ পৰে। সম্ভৱতঃ এই কাৰণতেই সামাজিক গোট আৰু সামাজিক প্ৰতিষ্ঠান সমাজতত্ত্বৰ মূল লক্ষ্য হৈ পৰে। নিছবেটে কৈছে যে কমটেই সামাজিক দলসমূহক সামাজিক চিন্তাত পুনৰ অন্তর্ভূক্তি কৰিবলৈ বিচাৰিছে আৰু কমটে নৱজাগৰণৰ সময়ত দেখা দিয়া ব্যক্তিবাদৰ বিৰোধী আছিল।

এলেক্সে ইংকেলেছৰ মতে সমাজতত্ত্বই বিভিন্ন বিষয় যেনে সামাজিক সম্বন্ধ, সামাজিক দল, প্ৰতিষ্ঠান, সমাজ, মৌলিক সামাজিক প্ৰতিষ্ঠান বা অংগ যেনে পৰিয়াল আৰু সম্বন্ধ, অর্থনৈতিক, ৰাজনৈতিক আৰু ধর্মীয় ব্যৱস্থা, শিক্ষা, মৌলিক সামাজিক প্ৰক্ৰিয়া যেনে পৃথকীকৰণ, স্তৰীকৰণ, সহযোগিতা, সামাজিক নিয়ন্ত্ৰণ, সামাজিক নিলগীকৰণ আৰু এই দিশবোৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ ব্যৱহাৰ কৰা বিভিন্ন পদ্ধতিক নিজৰ পৰিসৰৰ অন্তর্ভূক্ত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ দুৰখেইমৰ মতে সমাজতত্ত্ব কি?



১.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- অধ্যয়নৰ ক্ষেত্ৰ হিচাপে ঊনৱিংশ শতিকাৰ প্ৰথম ভাগত সমাজতত্ত্ব বিষয়ৰ উদ্ভৱ হৈছিল।
- ফৰাচী সমাজতত্ত্ববিদ আগষ্ট কমটেই ‘sociology’ শব্দটোৰ সর্বপ্ৰথম প্ৰয়োগ কৰিছিল।
- ৰাজনৈতিক সমাজতত্ত্ব, ঐতিহাসিক দর্শন, বিকাশৰ জৈৱিক তত্ত্ব আৰু সামাজিক আৰু ৰাজনৈতিক সংস্কাৰৰ আন্দোলনসমূহৰ মাজত সমাজতত্ত্বৰ আৰম্ভণি চিনাক্ত কৰিব পাৰি।
- ঊনৱিংশ শতিকাৰ প্ৰাৰম্ভিকতে হেগেল আৰু চেইন্ট চিমনৰ লেখনিৰ জৰিয়তে ঐতিহাসিক দর্শন এক গুৰুত্বপূর্ণ বৌদ্ধিক প্ৰভাৰ হিচাপে চিহ্নিত হৈছিল।
- ঐতিহাসিক দর্শনৰ আৰম্ভণি দুটা আন্দোলনৰ পৰিণতিত হৈছিল ইংলণ্ডৰ ঔদ্যোগিক বিপ্লৱ আৰু ফ্ৰান্সৰ ৰাজনৈতিক বিপ্লৱ।
- প্ৰকৃতি বিজ্ঞানৰ পদ্ধতিসমূহ মানবীয় ঘটনাসমূহৰ ওপৰতো আৰোপ কৰিব পৰা যায় আৰু মানৱ পৰিঘটনাসমূহে সমাজতত্ত্বৰ বিকাশৰ ক্ষেত্ৰত প্ৰভাৰ বিস্তাৰ কৰা বুলি বিভাজন আৰু আলোচনা কৰিব পাৰি।
- ঔদ্যোগিক সমাজবোৰত দৰিদ্ৰতা কোনো এক প্ৰাকৃতিক পৰিঘটনা নহয়; বৰং ই হৈছে মানুহৰ অৱহেলা বা শোষণৰ পৰিণতি। ই সামাজিক সমীক্ষাৰ দিশটোৰ ওপৰত গুৰুত্ব

প্রদান কৰিবলৈ অনুপ্রাণিত কৰে।

- ইংলণ্ডত ঔদ্যোগিক বিপ্লৱৰ সহায়ত সমাজৰ অধ্যয়ন গুৰুত্বপূর্ণ হিচাপে বিবেচিত হৈছিল। হাৰ্বার্ট স্পেন্সাৰ, লিওনার্ড, হবহাউচ আৰু এডৱার্ড ৰাটাৰমার্কৰ কর্মৰাজিৰ ফলত সমাজতত্ত্বই জনপ্রিয়তা অর্জন কৰিছিল।
- জার্মানীত অধ্যয়নৰ এক বিষয় হিচাপে সমাজতত্ত্বৰ আৰম্ভণি কার্লমাক্স আৰু কার্ল মেনহেইনৰ কর্মৰাজিৰ জৰিয়তে হৈছিল। আকৌ বিংশ শতিকাৰ চল্লিশৰ দশকত এডলফ হিটলাৰৰ শাসনকালত জার্মানীত হোৱা সমাজতত্ত্বৰ বিকাশ লেখত ল'বলগীয়া।
- হিটলাৰ আৰু তেওঁৰ দলে 'Volkische' নামৰ নতুন সমাজতত্ত্ব এটা তৈয়াৰ কৰিবলৈ প্রচেষ্টা অবৰ্ব্যাহত ৰাখিছিল। এই নতুন প্রকাৰৰ সমাজতত্ত্বই জার্মানসকলৰ শ্রেষ্ঠত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।
- ভাৰতত সমাজতত্ত্বৰ আৰম্ভণি সামাজিক নৃতত্ত্বৰ পৰা হৈছে। ১৯২২ চনত বোম্বে বিশ্ববিদ্যালয়ত সমাজতত্ত্বৰ বিভাগ স্থাপনৰ জৰিয়তে ভাৰতত এই বিষয়ৰ আৰম্ভণি হৈছিল।



১.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ ঃ

- Abraham, Francis and John Henry Morgan. 2005. Introducing Sociological Thought, New delhi, Macmilan India
- Beteulle, Andre, 2002. Introduction to Sociology. Essays on Approach and Method, New Delhi, Onford University Press
- Bottomore, T.B. Sociology : A Guide to Problems and Literature. Bombay : Blockie and Son (India) Ltd., 1978
- Giddens, Anthony. 1993, Sociology. U.K.: Polity Press



১.৮ অগ্রগতি খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক চিন্তা বা বৌদ্ধিক দিশ আৰু সামাজিক ঘটনাপ্রবাহ।

২ নং প্রশ্নৰ উত্তৰ ঃ ৰবার্ট স্পেন্সাৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ নোৱাৰি

৪ নং প্রশ্নৰ উত্তৰ ঃ সাধাৰণ বিজ্ঞান

৫ নং প্রশ্নৰ উত্তৰ ঃ সমাজৰ বিজ্ঞান।



১.৯ আৰ্হি প্ৰশ্ন

(ক) এটা বা দুটা শব্দত উত্তৰ দিয়ক

প্ৰশ্ন ১ ঃ কেতিয়া 'sociology' শব্দটো প্ৰথম প্ৰযোগ কৰা হৈছিল?

প্ৰশ্ন ২ ঃ সামাজিক স্থিতিশীলতা আৰু সামাজিক গতিময়তাৰ বিভাজন কোনে কৰিছিল?

(খ) চমু টোকা লিখক (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সমাজতত্ত্বৰ কিদৰে উদ্ভৱ হৈছে?

(গ) দীঘলীয়া প্ৰশ্নৰ উত্তৰ (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ২ ঃ সমাজতত্ত্বৰ প্ৰকৃতি বুলিলে কি বুজা যায়?

*** ***** ***

অধ্যায় ২ঃ সমাজতত্ত্বৰ মৌলিক ধাৰণাসমূহ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য

২.২ পৰিচয়

২.৩ সমাজ

২.৪ সামাজিক দল

২.৫ অনুষ্ঠান (organization)

২.৬ সংস্থা (association)

২.৭ প্রতিষ্ঠান (institution)

২.৮ সম্প্রদায়

২.৯ সংস্কৃতি

২.১০ ৰীতি-নীতি

২.১১ মূল্যবোধ

২.১২ স্থিতি (status)

২.১৩ ভূমিকা

২.১৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

২.১৫ অধিক জানিবলৈ

২.১৬ অগ্রগতিৰ খতিয়ান

২.১৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সমাজৰ অর্থ জানিব পাৰিব
- সংস্কৃতি, সামাজিক গোট, ৰীতি-নীতি, মূল্যবোধ, ভূমিকা, স্থিতি (status) সম্প্রদায়, অনুষ্ঠান, প্রতিষ্ঠান আৰু সংস্থাৰ বিষয়ে অৱগত হ'ব।

২.২ পৰিচয়

আমি আমাৰ দেনন্দিন জীৱনত সমাজ, সামাজিক গোট, অনুষ্ঠান, সংস্থা, প্রতিষ্ঠান, সম্প্রদায়, সংস্কৃতি, ৰীতি-নীতি, মূল্যবোধ, স্থিতি (status), ভূমিকা আদিৰ দৰে শব্দ ব্যৱহাৰ কৰোঁ। এইবোৰক সমাজতত্ত্বৰ কিছুমান মৌলিক ধাৰণা বুলিও কোৱা হয়। অৱশ্যে সমাজতত্ত্ব আৰু দৈনন্দিন জীৱন উভয়তে এই অভিধাবোৰৰ ব্যৱহাৰ পৃথক পৃথক। প্রস্তাৱিত এই অধ্যায়ত এই মৌলিক ধাৰণাসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

২.৩ সমাজ

অর্থ আৰু সংজ্ঞা ঃ

মেক্লেভাৰ আৰু পেজৰ মতে, "সমাজ হৈছে ব্যৱহাৰ আৰু পদ্ধতি, কর্তৃত্ব আৰু পাৰস্পৰিক সাহার্য, বিভিন্ন দল আৰু শ্রেণী, মানুহৰ আচৰণ আৰু স্বাধীনতাৰ নিয়ন্ত্রণৰ এটি ব্যৱস্থা। এই চিৰ পৰিবর্তিত আৰু জটিল ব্যৱস্থাই হৈছে সমাজ। ই হৈছে সামাজিক সম্বন্ধৰ এক জালিকা (web)।"

সমাজে মানুহৰ কার্যকলাপত যিদৰে স্বাধীনতা প্রদান কৰে, তেনেদৰে সীমাবদ্ধতাও আৰোপ কৰে। ই ব্যক্তিসকলৰ বাবে এক মানদণ্ড ধার্য কৰে যিটো সকলোৱে মানি চলিব লাগে। সমাজ হৈছে আমাৰ জীৱনৰ পূর্ণতাপ্রাপ্তিৰ এক অপৰিহার্য চর্ত। সমাজত সকলো সামাজিক জীৱই তেওঁলোকৰ প্রকৃতি, কোনো প্রতিষ্ঠানৰ উৎপাদন আৰু পুনৰুৎপাদনৰ জৰিয়তে প্রকাশ কৰে, যিবোৰ তেওঁলোকৰ আচৰণ অসংখ্য উপায়েৰে পৰিচালনা আৰু নিয়ন্ত্রণ কৰে।"

সামাজিক স্বীকৃতিৰ ভিত্তিত যেতিয়া সামাজিক জীৱসমূহে পৰস্পৰে পৰস্পৰক উচিত আচৰণ কৰে তেতিয়াই এখন সমাজ গঢ়ি উঠে। সমাজসমূহ মৌলিক জীৱিকাৰ কৌশলৰ ভিত্তিত চিনাক্ত কৰিব পাৰি। বর্তি থকাৰ দৰে প্রতিখন সমাজে বিভিন্ন সামাজিক গোটৰ সৃষ্টি কৰে। পৰৱর্তী শাখাত এইবোৰৰ বিষয়ে আমি বিস্তৃতভাৱে অধ্যয়ন কৰিম।

২.৪ সামাজিক দল

অর্থ আৰু সংজ্ঞা ঃ

আলবিয়ন স্মলৰ মতে, সামাজিক দল হৈছে ব্যক্তিৰ সৰু বা ডাঙৰ যিকোনো আকাৰৰ গোট, যাৰ সমাজত ৰক্ষিত সম্পর্কই তেওঁলোকক একত্রিত হৈ থকাৰ ইংগিত প্রদান কৰে।

গ্রীণ আর্ণল্ডৰ মতে, এটা সামাজিক দল হৈছে ব্যক্তিৰ একোটা গোট, যিয়ে সময় মানি চলে, যাৰ এটা বা ততোধিক লক্ষ্য বা উমৈহতীয়া কর্ম থাকে আৰু যি সংগঠিত হয়।

উভয় মুখ্য আৰু গৌণ সামাজিকীকৰণৰ প্রক্রিয়া দলীয়ভাৱে সম্পন্ন হোৱা বাবে সামাজিক দলসমূহ গুৰুত্বপূর্ণ। প্রথমে পৰিয়াল, তাৰ পিছত শ্রেণীকক্ষৰ দল, দল বা ক্লাব, পেচাদাৰী সংস্থা আৰু অন্যান্য অসংখ্য সংগঠন আছে, যিবোৰে ব্যক্তিৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে।

এটা দল হৈছে, 'আমি' ভাৱেৰে উদ্বুদ্ধ হৈ একাধিক ব্যক্তিৰে গঠিত একোটা গোট। বিভিন্নতা, আকাৰ আৰু গঠনৰ দিশৰপৰা দলসমূহ বিভিন্ন হ'ব পাৰে। একোটা দলত দুজন বা অসংখ্য ব্যক্তিৰে গঠিত হ'ব পাৰে। আকৌ দলবোৰ গাঁথনিক দিশৰপৰা সৰল বা অতি জটিল হ'ব পাৰে। দলবোৰৰ সদস্যবোৰৰ মাজত সাধাৰণতে নিকট সম্পর্ক থাকে। অৱশ্যে কেতিয়াবা অধিক সম্পর্কও থকা দেখা যায়।

সমাজত মূলতঃ দুই প্রকাৰৰ দলৰ অস্তিত্ব দেখা যায় — মুখ্য বা প্রাথমিক দল (Primary groups) আৰু গৌণ দল (secondary groups)। প্রাথমিক দলসমূহে ব্যক্তিৰ উন্নয়নত এক

গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অধিকাংশ সামাজিকীকৰণৰ বিভিন্ন প্ৰক্ৰিয়া যেনে সমাজৰ নীতি-নিয়ম আৰু ব্যক্তিগত উন্নয়ন আদিবোৰ ক্ষুদ্ৰ প্ৰাথমিক দলত সংঘটিত হয়। প্ৰাথমিক দলৰ বিষয়ে চাৰ্লচ এইচ. কুলে প্ৰথমে উল্লেখ কৰিছিল য'ত সদস্যসকলৰ মাজত নিকট, ব্যক্তিগত আৰু প্ৰত্যক্ষ সম্পৰ্কে থাকে। কোনো ব্যক্তিৰ জীৱনৰ অধিকাংশ অভিজ্ঞতাই প্ৰাথমিক দলৰ লগত গঠন হয়। প্ৰাথমিক ধৰণৰ সম্পৰ্ক হৈছে সেইবোৰ সম্পৰ্ক য'ত গভীৰ আৰু ব্যক্তিগত আদান-প্ৰদান আৰু সম্পৰ্ক ৰক্ষিত হয়। এই আদান-প্ৰদান বা সম্পৰ্ক ব্যক্তিগত স্তৰতে সীমাবদ্ধ। প্ৰাথমিক দলসমূহৰ অস্তিত্ব সাধাৰণতে অন্য নিৰ্দিষ্ট লক্ষ্যৰ সলনি প্ৰাথমিক সম্পৰ্কৰ প্ৰমূল্যবোধৰ বাবে বৰ্তি থাকে, কোনো আনুষ্ঠানিক লিখিত নীতিৰ সলনি কঠোৰ অনানুষ্ঠানিক নীতি যেনে বহিষ্কাৰ বা অপদস্থ হোৱাৰ ভয়ত ব্যক্তিয়ে প্ৰাথমিক দলৰ লগত সংযুক্ত হৈ থাকে।

আনহাতে, গৌণ দলসমূহ অধিক ৰূপে অব্যক্তিগত হোৱা দেখা যায়। ইয়াত প্ৰত্যক্ষ যোগাযোগ বা ভাব আদান-প্ৰদান গুৰুত্ব নাপায় আৰু প্ৰায়ে কাৰ্যকৰী লক্ষ্যমুখী হয়। ইয়াৰ অৰ্থ হ'ল এনে দলত ব্যক্তিজনক আগবঢ়োৱা নিৰ্দিষ্ট দক্ষতাৰ তুলনাত তেওঁক কম গুৰুত্ব প্ৰদান কৰা হয়। সম্বন্ধ আৰু ভাব বিনিময়ৰ প্ৰক্ৰিয়াটো কোনো ব্যক্তিৰ সাধাৰণ গুণৰ সলনি নিৰ্দিষ্ট দক্ষতাৰ ভিত্তিতহে নিৰূপিত হয়।

প্ৰাথমিক দলৰ প্ৰকৃতিসমূহ হ'ল — সম্পৰ্ক ব্যক্তিগত স্তৰতে সীমাৱদ্ধ হোৱা, সম্পৰ্কবোৰ ব্যক্তিগত ৰূপ লোৱা, সম্পৰ্কবোৰ অন্তৰ্ভুক্তিমূলক হোৱা আৰু সম্পৰ্ক স্বতঃস্ফূৰ্ত হোৱা। গৌণ দলৰ প্ৰকৃতি প্ৰাকৃতিক দলৰ সম্পূৰ্ণ বিপৰীত। প্ৰাথমিক আৰু গৌণ দলক কোনো এক ধাৰাবাহিক পৰিঘটনাৰ দুটা বিপৰীত মেৰু হিচাপে চালেহে এই সম্পৰ্কে ধাৰণাসমূহ পৰিষ্কাৰ হয়। অৱশ্যে সম্পূৰ্ণ প্ৰাথমিক অথবা সম্পূৰ্ণ গৌণ দল কাচিৎহে পোৱা যায়। ইয়াৰ সলনি দলসমূহ সেইবোৰৰ প্ৰাথমিকতা আৰু গৌণতাৰ ভিত্তিতহে বিভাজিত হয়।

সামাজিক দলবোৰ প্ৰতিখন সমাজৰে একোটা গুৰুত্বপূৰ্ণ অংগ। ৰবাৰ্ট নিছবেটে সামাজিক দলৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰিবলৈ এটা উদাহৰণ আগবঢ়াইছে। ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজত এক ব্যাপক বিভাজনৰ বাবে তথা পৰিয়াল গভীৰভাবে প্ৰভাৱিত হোৱাৰ হেতু ফৰাচী বিপ্লৱৰ সময়ত ফৰাচী সামাজিক দলসমূহ যথেষ্ট প্ৰভাৱশালী হিচাপে পৰিগণিত হৈছিল। সেয়েহে সমাজতত্ত্বত সামাজিক দলৰ অধ্যয়নে বিশেষ গুৰুত্ব লাভ কৰিছে।

সামাজিক দলৰ লগত সম্পৰ্ক থকা আৰু বিভিন্ন আভ্যন্তৰীণ দল (in-group) আৰু বাহ্যিক দল (out group) আছে। আভ্যন্তৰীণ দল হ'ল সেইবোৰ, য'ত মোৰ গীৰ্জা, মোৰ চাকৰি, মোৰ সম্প্ৰদায় আদিৰ দৰে এজন ব্যক্তি জড়িত হৈ থাকে। আনহাতে বাহ্যিক দলসমূহ হৈছে সেইবোৰ য'ত এজন ব্যক্তি জড়িত হৈ নাথাকে (যেনে আনৰ পৰিয়াল, আনৰ চাকৰি আদি)। এই দলসমহ যথেষ্ট গুৰুত্বপূৰ্ণ কিয়নো দলবোৰে আমাৰ আচৰণক প্ৰভাৱিত কৰে। দলবোৰে সদস্যসমূহৰ মাজত ইজনৰ আনজনৰ পৰা আনুগত্য, স্বীকৃতিৰ দৰে কিছুমান নিৰ্দিষ্ট প্ৰত্যাশা থাকে। সেইদৰে বাহ্যিক দলতো এজনে শত্ৰুতা, আনুগত্য, প্ৰতিযোগিতা আদি বিচাৰে।

সমাজতত্ত্বই বিভিন্ন কাৰণত সামাজিক দলৰ বিষয়ে অধ্যয়ন কৰে। সংস্কৃতিৰ হস্তান্তৰ,

মূল্যবোধ, মনোভাৱ আৰু দলত উদ্ভৱ হোৱা আচৰণ আৰু বিশ্বাসৰ বাবে সমাজত এটা দলৰ গুৰুত্ব আছে। শ্ৰমৰ শ্ৰেণী বিভাজন আৰু উদ্বৃত আৰু দলীয় কৰ্ম ভাগ কৰাৰ দৰে কাৰ্যই বিভিন্ন কৰ্ম সম্ভৱ কৰি তুলিছে, যিটো ব্যক্তিয়ে অকলশৰীয়াভাৱে সম্পাদন কৰা সম্ভৱ নহয়।

সমাজত আন কিছুমান অনা-দল আছে। উদাহৰণস্বৰূপে সামগ্ৰিক (aggregate) গোট যিয়ে কোনো এঠাইত সাধাৰণভাৱে একত্ৰিত হৈ থকা ব্যক্তিক বুজায়। আন এটা অনা-দল হৈছে শ্ৰেণী (category) যিটোৱে সাধাৰণ বৈশিষ্ট্যৰ ভিত্তিত একত্ৰিত ব্যক্তিক সূচিত কৰে। উভয় অনা-দলেই পৰৱৰ্তী কালত পাৰস্পৰিক আদান-প্ৰদান আৰম্ভ কৰাৰ লগে-লগে একোটা দল হিচাপেও পৰিগণিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ জীৱন সম্পূৰ্ণ কৰিবৰ বাবে গুৰুত্বপূৰ্ণ চৰ্তবোৰ কি কি?

প্ৰশ্ন নং ২ ঃ সামাজিক দলৰ প্ৰকাৰবোৰ কি কি?

প্ৰশ্ন নং ৩ ঃ কোনে সৰ্বপ্ৰথমে 'primary group' শব্দলানি প্ৰয়োগ কৰিছিল?

২.৫ অনুষ্ঠান (ORGANIZATION)

অৰ্থ আৰু সংজ্ঞা ঃ

অ'গবাৰ্ণ আৰু নিমকফৰ মতে 'অনুষ্ঠান' হৈছে বিভিন্ন অংশৰ এক একত্ৰিত গাঁথনি যিয়ে বিভিন্ন কাৰ্য সমাপন কৰে। ই হৈছে কোনো কাৰ্য সমাধান কৰাৰ এক সক্ৰিয় দলীয় ব্যৱস্থা।

মেবেল এ. এলিয়ট আৰু ফ্ৰাঞ্চিচ ই মেৰিলে কৈছে যে 'অনুষ্ঠান' হৈছে এনে এক ব্যৱস্থা য'ত সমাজৰ বিভিন্ন প্ৰতিষ্ঠানসমূহ তাৰ স্বীকৃতি আৰু অন্তৰ্নিহিত উদ্দেশ্য অনুসাৰে পৰিচালিত হয়।

কেতিয়াবা বিভিন্ন সংস্থা যেনে সমবায়, সেনাবাহিনী, বিদ্যালয়, বেংক আৰু বন্দীশালক বুজাবৰ বাবেও 'অনুষ্ঠান' শব্দটো ব্যৱহাৰ কৰা হয়। সমাজখন এনে ধৰণৰ বিভিন্ন অনুষ্ঠানৰ জৰিয়তে গঠন হয়। এখন দেশক বা ৰাজ্যক সাধাৰণতে এটা ৰাজনৈতিক অনুষ্ঠান আখ্যা দিয়া হয়। সেইদৰে এখন বিদ্যালয়ো এটা শৈক্ষিক অনুষ্ঠান হ'ব পাৰে। এই সকলোবোৰেই হ'ল একোটা সামাজিক অনুষ্ঠান। অ'গবাৰ্ণ আৰু নিকফৰ মতে সমগ্ৰ সমাজখনেই হ'ল এটা সামাজিক অনুষ্ঠান। অৱশ্যে সমাজক সাধাৰণতে মিলাপ্ৰীতিৰে বাস কৰা লোকৰ এক সামাজিক অনুষ্ঠান আখ্যা দিয়া হয়।

আধুনিক সমাজবোৰত মানুহৰ মাজৰ সম্পৰ্কবোৰ নিৰ্দিষ্ট হৈ যোৱাৰ লগে-লগেই দলৰ আকাৰো বৃদ্ধি হয়। সেইদৰে অনুষ্ঠানবোৰো গঠন হয়। অনুষ্ঠানবোৰত শ্ৰমৰ এক বিশেষীকৰণ পৰিলক্ষিত হয় আৰু সেয়েহে ই যথেষ্ট কাৰ্যক্ষম হোৱা দেখা যায়।

বৃহৎ আকাৰৰ অনুষ্ঠানসমূহ আধুনিক সমাজব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ। এই অনুষ্ঠানসমূহক 'আমোলা তন্ত্ৰ' আখ্যা দিয়া হয়। আমোলা তন্ত্ৰ গঠন হোৱাৰ লগে-লগে সমাজৰ কাৰ্যপ্ৰণালীসমূহ স্বতঃস্ফুৰ্ত হোৱাৰ সলনি পৰিকল্পিত হ'বলৈ আৰম্ভ কৰিলে। জাডচন আৰু লেণ্ডিচে কৈছে যে এই কথা মানুহে বহু পূৰ্বেই বুজি উঠিছিল যে যদিহে মানুহে স্বতঃস্ফুৰ্ত আৰু বিশৃংখলভাৱে ব্যক্তিগত আৰু একক প্ৰচেষ্টাৰ সলনি একত্ৰিত হৈ দলীয়ভাৱে কোনো কামৰ (যেনে গাড়ী নিৰ্মাণ বা কোনো শিক্ষার্থীক শিক্ষা দান কৰা) পৰিকল্পনা কৰে, তেন্তে অধিকাংশ ক্ষেত্ৰতে এই কাম কম সময়তে অধিক কাৰ্যক্ষম ভাৱে সমাপন হয়।

মেক্স ৱেবাৰে আমোলাতন্ত্ৰকে বিশ্লেষণ কৰিছে। ইয়াৰ কিছুমান বৈশিষ্ট্য হৈছে শ্ৰমৰ বিভাজন, কৰ্তৃত্বৰ শ্ৰেণীক্ৰম (hierarchy), কৰ্মৰ ফলপ্ৰসূতা সুনিশ্চিত কৰা নীতিৰ উপস্থিতি, শ্ৰেণীক্ৰমৰ স্তৰসমূহৰ মাজৰ সামাজিক সম্পৰ্ক, কৰ্মচাৰীসকলৰ আনুষ্ঠানিক তথা নৈৰ্ব্যক্তিক সম্পৰ্ক আৰু প্ৰশিক্ষণ, ইত্যাদি। অৱশ্যে আমোলাতন্ত্ৰৰ নিচিনা আনুষ্ঠানিক অনুষ্ঠানৰ ভিতৰত অনুষ্ঠানটোত কাম কৰা মানুহখিনিৰ প্ৰয়োজনীয়তা পূৰ কৰিবলৈ অনানুষ্ঠানিক অনুষ্ঠানো গঠন কৰা হয়।

এইবোৰে কোনো কাৰ্য সমাপনৰ সঠিকতা বৃদ্ধি কৰে। অৱশ্যে আনুষ্ঠানিক অনুষ্ঠানসমূহৰ বিচ্ছিন্নতাবোধৰ মানসিকতা (যেনে পৃথকীকৰণ, অৰ্থহীনতা আৰু ক্ষমতাহীনতা) পৰিলক্ষিত হয়। আনুষ্ঠানিক অনুষ্ঠানে নিয়ন্ত্ৰণ কৰি ৰখা সমাজবোৰৰ এক বুজন সংখ্যক লোকৰ সামাজিক সম্পৰ্কসমূহ স্বতঃস্ফুৰ্ত হোৱাৰ সলনি পৰিকল্পিত হয়। এই প্ৰকাৰৰ সামাজিক সম্পৰ্কত ভাৰ বিনিময়ৰ প্ৰক্ৰিয়া তৰল হৈ পৰাৰ লগতে আবেগবো কোনো স্থান ইয়াত নাথাকে। ব্যক্তিগত গুণ বা পাৰদৰ্শিতাৰ সলনি কৰ্মৰ ওপৰত ভিত্তি কৰিহে মানুহবোৰৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হয়। ইয়াৰ অৰ্থ হ'ল সকলো প্ৰকাৰৰ ভাব বিনিময় মুখ্য হোৱাৰ সলনি গৌণ হিচাপে গৃহীত হয়। ইয়াৰ ফলশ্ৰুতিত মানুহবোৰ তেওঁলোকৰ চৌপাশৰ পৰিৱেশৰ দ্বাৰা প্ৰভাৱিত হয়।

মন কৰিবলগীয়া যে এই আনুষ্ঠানিক অনুষ্ঠানবোৰৰ এক বিৰূপ প্ৰভাবো আছে। অনুষ্ঠানত মাত্ৰ কেইজনমান লোকৰ নিয়ন্ত্ৰণৰ প্ৰক্ৰিয়াক সূচাবলৈ ৰবাৰ্ট মিচেলে 'Iron Law of Oligarchy' খণ্ডবাক্যটোৰ ব্যৱহাৰ কৰিছে। একাধিক ব্যক্তিয়ে কোনো সিদ্ধান্ত সাৱলীলভাৱে উপনীত হোৱাটো কঠিন বাবে অভিজাত (oligarchy) ক বাদ দিব নোৱাৰি। ইয়াৰ ফলশ্ৰুতিত বিভিন্ন দিশৰ পৰিচালনাৰ বাবে বিশেষজ্ঞৰ আগমন হয় আৰু কালক্ৰমত তেওঁলোক এক অপৰিহাৰ্য অংগ হৈ পৰে। মিচেলৰ মতে, বিশেষজ্ঞসকলে যেতিয়া ক্ষমতাত থাকে, তেতিয়া তেওঁলোকে অনুষ্ঠানটোৰ লক্ষ্যপ্ৰাপ্তিৰ বাবে চেষ্টা কৰাৰ সলনি নিজৰ স্থান আৰু ক্ষমতা বৰ্তাই ৰাখিবলৈ অধিক সময় আৰু শক্তি খৰচ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ আমোলাতন্ত্র বৈশিষ্ট্যৰ বিষয়ে কোনে অধ্যয়ন কৰিছিল ?

২.৬ সংস্থা (ASSOCIATION)

অর্থ আৰু সংজ্ঞা ঃ

এটা সংস্থা হৈছে এটা সামাজিক অনুষ্ঠান যিটো কোনো লক্ষ্যত উপনীত হ'বলৈ গঠন কৰা হয়। এই লক্ষ্যসমূহ যথেষ্ট ব্যাপক আৰু বিমূর্ত হ'ব পাৰে। উদাহৰণস্বৰূপে ৰোগৰ উপশম, দৰিদ্রতা নির্মূলকৰণ, লাভ অর্জন ইত্যাদি। সমাজতত্ত্বত সামাজিক অনুষ্ঠান হৈছে একোটা স্বাধীন অংগ, যিটো দল, সম্প্রদায় আৰু সমাজ আদি সকলো স্থায়ী সন্মিলিত সত্তাৰ প্রতিভূ।

সংস্থা আৰু আনুষ্ঠানিক অনুষ্ঠান প্রায় একে। সকলো সংস্থাৰে একোটা আনুষ্ঠানিক দিশ থাকে।

সংস্থা হৈছে, "কোনো লক্ষ্য বা সাধাৰণ উদ্দেশ্যত উপনীত হ'বলৈ গঠিত এক সন্মিলিত অনুষ্ঠান।" এই দৃষ্টিকোণৰ পৰা পৰিয়াল আৰু ৰাষ্ট্রকো একোটা সংস্থা আখ্যা দিব পাৰোঁ।

গতিকে এটা সংস্থা হৈছে এটা আনুষ্ঠানিক গোট যিটো কিছুমান উমৈহতীয়া উদ্দেশ্যৰ ভিত্তিত গঠন হয়। এই সংস্থাবোৰৰ নিজস্ব প্রশাসনিক গাঁথনিক ব্যৱস্থা আৰু কার্যপ্রণালী থাকে।

যেতিয়া ব্যক্তিয়ে স্বতঃস্ফুর্ত সহযোগিতাৰ জৰিয়তে নিজৰ লক্ষ্যত উপনীত হ'ব বিচাৰে আৰু বাকী লোকসকলৰো একে লক্ষ্য থাকে, তেতিয়াই সংস্থা গঠন হয়।

সংস্থাসমূহৰ প্রতিষ্ঠানৰ লগতো এক ওচৰ সম্পর্ক আছে। এটা প্রতিষ্ঠান হৈছে কোনো ৰীতি আৰু পৰিকল্পনাৰ সমাহাৰ য'ত প্রয়োজনীয় লোক আৰু ব্যৱস্থা থকা পৰিলক্ষিত হয়। আনহাতে এটা সংস্থা হৈছে একাধিক লোকৰ একোটা দল, য'ত আটাইবোৰ ব্যক্তি কোনো নির্দিষ্ট কার্য আৰু লক্ষ্যত উপনীত হ'বলৈ একত্রিত হয়। পৰৱর্তী শাখাত আমি বিস্তৃতভাৱে প্রতিষ্ঠানৰ বিষয়ে আলোচনা কৰিম।

২.৭ প্রতিষ্ঠান (INSTITUTION)

অর্থ আৰু সংজ্ঞা ঃ

প্রতিষ্ঠান হৈছে কোনো কার্য সম্পন্ন কৰাৰ এক শৃংখলাৰদ্ধ আৰু সন্মিলিত প্রক্রিয়া।

কিংছলে ডেভিচৰ মতে, প্রতিষ্ঠান হৈছে অন্তর্নিহিত লোকপথ, ৰীতি-নীতি আৰু এক বা একাধিক কার্যৰ নীতিৰ এক সন্মিলিত প্রক্রিয়া।

"এটা প্রতিষ্ঠান হৈছে সামাজিক সম্পর্কৰ এক একত্রিত প্রক্রিয়া, যিটোৰে কিছুমান

সাধাৰণ প্ৰমূল্যবোধ আৰু সমাজৰ নিৰ্দিষ্ট কিছুমান মৌলিক প্ৰয়োজনক সামৰি লয়।" সমাজত পাঁচ প্ৰকাৰৰ মৌলিক প্ৰতিষ্ঠান আছে। সেইকেইটা হ'ল— পৰিয়াল, ধৰ্মীয় প্ৰতিষ্ঠান, চৰকাৰ, অৰ্থনৈতিক প্ৰতিষ্ঠান আৰু শৈক্ষিক প্ৰতিষ্ঠান।

প্ৰতিষ্ঠানসমূহ হৈছে ৰীতি-নীতিযুক্ত এক প্ৰতিষ্ঠিত গোট। অন্য ভাষাত ক'বলৈ গ'লে, যেতিয়া মানুহে সংস্থা গঠন কৰে, তেতিয়া তেওঁলোকে উমৈহতীয়া কাৰ্য কৰিবলৈ আৰু সদস্যসমূহৰ এজনৰ পৰা আনজনলৈ পৰিবৰ্তনৰ বাবে নিৰ্দিষ্ট কিছুমান নীতি-নিয়ম আৰু ব্যৱস্থা ধাৰ্য কৰিব লাগে। এই নীতি-নিয়মবোৰে একোটা প্ৰতিষ্ঠান গঠন কৰে।

এটা প্ৰতিষ্ঠান আৰু সংস্থাৰ মাজৰ পাৰ্থক্য আছে। যদিহে আমি কোনো ব্যৱস্থাক আনুষ্ঠানিক দল হিচাপে গণ্য কৰোঁ, তেন্তে ই হ'ব সংস্থা আৰু যহিহে ই কোনো ৰীতি-নীতিযুক্ত হয়, তেন্তে ই প্ৰতিষ্ঠানৰূপে পৰিগণিত হ'ব। সংস্থাসমূহে নিৰ্দেশ কৰাৰ বিপৰীতে প্ৰতিষ্ঠানে কোনো সেৱা বা কাৰ্যব্যৱস্থা প্ৰক্ৰিয়াক সূচিত কৰে। উদাহৰণস্বৰূপে যদিহে আমি কোনো কলেজক শিক্ষক আৰু শিক্ষাৰ্থীৰ এক সন্মিলিত গোট হিচাপে আলোচনা কৰোঁ, তেতিয়া আমি সংস্থানগত দিশটোক সূচিত কৰা বুজাব আৰু যেতিয়া আমি শৈক্ষিক প্ৰতিষ্ঠান হিচাপে আলোচনা কৰোঁ, তেতিয়া ইয়াৰ প্ৰতিষ্ঠানগত বৈশিষ্ট্যক সূচাব।

হৰ্তন আৰু হাৰ্টে কৈছে যে প্ৰতিষ্ঠান আৰু সংস্থা দুটা পৃথক ধাৰণা হ'লেও উভয়ে এটা আনটোৰ পৰা সম্পূৰ্ণ পৃথক নহয়। এটা প্ৰতিষ্ঠান হৈছে সম্বন্ধ আৰু আচৰণৰ এক সন্মিলিত ব্যৱস্থা। একোটা প্ৰতিষ্ঠান সম্বন্ধ আৰু আচৰণ বা ৰীতি-নীতিৰ জৰিয়তে গঠন হ'লেও ব্যক্তিয়েহে প্ৰকৃততে এই সম্বন্ধ আৰু ৰীতি-নীতি বজাই ৰাখে। আকৌ, মানুহেই দলীয়ভাৱে একত্ৰিত হৈ প্ৰতিষ্ঠান গঠন কৰে। সেয়েহে সংস্থা হৈছে মানুহৰ এক সন্মিলিত গোট আৰু প্ৰতিষ্ঠান হৈছে আচৰণ বা ৰীতি-নীতিৰ এক সন্মিলিত প্ৰক্ৰিয়া।

২.৮ সম্প্ৰদায়

অৰ্থ আৰু সংজ্ঞা ঃ

সম্প্ৰদায় হৈছে স্থানীয় লোকৰ একোটা গোট য'ত মানুহে জীৱনৰ বিভিন্ন কাৰ্যপ্ৰণালী সম্পাদন কৰে।

সম্প্ৰদায় হৈছে সামাজিক অনুষ্ঠানৰ এক প্ৰকাৰ যিটো কোনো অঞ্চলত স্থিত হয় আৰু দৈনন্দিন জীৱনত সমাজৰ অধিকাংশ প্ৰয়োজন আৰু সমস্যাৰ সৈতে মোকাবিলা কৰে।

হৰ্তন আৰু হাৰ্টৰ মতে সৰু-ডাঙৰ যিকোনো দলৰ সদস্যই যেতিয়া সন্মিলিতভাৱে এনেদৰে বাস কৰে য'ত তেওঁলোকে সমাজৰ মৌলিক ৰীতি বা চৰ্তসমূহ প্ৰকাশ কৰিব পাৰে, তেতিয়া তেনে দলক সম্প্ৰদায় আখ্যা দিয়া হয়।

এটা সম্প্ৰদায়ে এটা নিৰ্দিষ্ট ভৌগোলিক ক্ষেত্ৰৰ উমৈহতীয়া সংস্কৃতি, কৰ্ম বিভাজন আৰু এটা সামাজিক ব্যৱস্থাৰ মানুহৰ একোটা দলক নিৰ্দেশ কৰে। এই সম্প্ৰদায়ে তেওঁলোকৰ

নিজস্ব কর্মসমূহ সম্পাদন কৰে, যাৰ সদস্যসকল তেওঁলোকৰ একতা আৰু সম্প্রদায়ৰ অংশীদাৰিত্বক লৈ সচেতন হয় আৰু যিয়ে আনুষ্ঠানিক ৰূপত সন্মিলিতভাৱে কার্য সম্পাদন কৰে। সম্প্রদায়সমূহ সাধাৰণতে এটা স্থানীয় অঞ্চলত অৱস্থান কৰে য'ত প্রায় সকলো সাংস্কৃতিক দিশ উপলব্ধ হয়। এইদৰে সম্প্রদায়ৰ ভেঁটি আঞ্চলিক আৰু সম্প্রদায়িক মনোভাৱৰ ভিত্তিত গঠন হয়। সম্প্রদায় এটা নির্দিষ্ট ভৌগোলিক অঞ্চলত অৱস্থিত হয় আৰু ইয়াৰ সদস্যবোৰৰো একতাৰ মনোভাৱ থাকিব লাগে। অৱশ্যে এই প্রসংগত মেক্লেভাৰ আৰু পেজে কৈছে যে একেলগে থাকিলেও এখন জিলা বা নগৰৰ লোকসকলক সম্প্রদায় আখ্যা দিব নোৱাৰি। যেতিয়ালৈকে একেলগে থকা মানুহবোৰৰ মনত একতাৰ ভাৱৰ সৃষ্টি নহয়, তেতিয়ালৈকে তেনে গোটক সম্প্রদায় আখ্যা দিব নোৱাৰি। সম্প্রদায় গঠন কৰাৰ আন এটা কাৰণ হ'ল এজনৰ জীৱন সম্পূর্ণৰূপে ইয়াৰ অন্তৰালত নিহিত হৈ থাকিব লাগিব। এজন লোকে সম্পূর্ণৰূপে ব্যৱসায়ীক গোষ্ঠী বা ধর্মীয় অনষ্ঠানৰ মাজত জীয়াই থাকিব নোৱাৰে। গতিকে সম্প্রদায়ৰ মৌলিক বৈশিষ্ট্যই হৈছে এজনৰ সকলো সামাজিক সম্বন্ধ ইয়াত নিহিত হৈ থাকিব লাগিব।

অৱশ্যে মানুহৰ মাজৰ সম্পর্কক গাঢ় কৰাৰ ক্ষেত্রত সম্প্রদায়ৰ যি ভূমিকা সেয়া প্রযুক্তিৰ বর্ধিত ব্যৱহাৰৰ ফলত বাধাপ্রাপ্ত হৈছে। অ'গবার্ণ আৰু নিমকফে কৈছে যে যাযাবৰ জীৱন যাত্রাৰ ওপৰত নির্ভৰশীল সাধাৰণ সমাজত সম্প্রদায়ৰ ভূমিকা আটাইতকৈ প্রভাৱশালী হয়। কৃষিৰ মাধ্যমেৰে যি স্থায়ীত্ব অর্জন কৰাৰ জৰিয়তে সম্প্রদায়ৰ আকাৰ ক্রমে বৃদ্ধি পাইছে আৰু সেয়েহে সম্পর্কবোৰ ক্রমাৎ তৰল হৈ পৰিছে। প্রযুক্তিৰ আগমনৰ লগে-লগে সম্প্রদায়ৰ ভূমিকা হ্রাস পাইছে আৰু তাৰ ঠাইত অন্য সংগঠনৰ আগমন হৈছে।

২.৯ সংস্কৃতি

অর্থ আৰু সংজ্ঞা ঃ

গিদেনচৰ মতে সংস্কৃতিয়ে সমাজৰ সদস্য বা দলসমূহৰ জীৱন পৰিক্রমাক সূচায়। তেওঁলোকে কিদৰে সাজপাৰ পৰিধান কৰে, তেওঁলোকৰ বৈবাহিক ৰীতি আৰু পৰিয়াল তেওঁলোকৰ কাম কৰাৰ ধৰণ, ধর্মীয় অনুষ্ঠান আৰু অৱসৰ বিনোদনৰ দিশসমূহ সংস্কৃতিয়ে সামৰি লয়। ইয়াৰ বাহিৰেও তেওঁলোকে নির্মাণ কৰা বিভিন্ন গুৰুত্বপূর্ণ সামগ্রী যেনে ধনু আৰু কাড়, নাঙল, মেচিন, কম্পিউটাৰ, কিতাপ, ঘৰ আদিও সংস্কৃতিৰ পৰিসৰৰ ভিতৰুৱা।

অ'গবার্ণ আৰু নিকফৰ মতে, সংস্কৃতি হৈছে এনে এটা প্রক্রিয়া যিটো আহৰণ কৰা হয়। ই জীৱন ধাৰণৰ সকলো জ্ঞানকে নির্দেশ কৰে। সংস্কৃতিয়ে অতীতৰ হাবিত জীৱন কটোৱাৰ পৰা বর্তমানৰ প্রযুক্তিৰ আৱিষ্কাৰলৈ জীৱনৰ প্রতিটো দিশ সামৰি লয়।

ই.বি. টেইলৰৰ মতে, সংস্কৃতি হৈছে এটা জটিল সামগ্রিক প্রক্রিয়া য'ত জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, নীতি, পৰম্পৰা আৰু সমাজৰ সদস্য হিচাপে মানুহে আহৰণ কৰা অন্য দক্ষতা আৰু অভ্যাস অন্তর্ভুক্ত হয়।

কোনো দলৰ সদস্যৰ প্ৰমূল্যবোধ, তেওঁলোকে অনুসৰণ কৰা ৰীতি-নীতি আৰু তেওঁলোকে নিৰ্মাণ কৰা বিভিন্ন দ্ৰব্যৰ সমন্বয়ত সংস্কৃতি গঠন হয়। প্ৰমূল্যবোধসমূহ বিমূৰ্ত ধাৰণা হোৱাৰ বিপৰীতে ৰীতি-নীতিসমূহ নিৰ্দিষ্ট নিয়মৰ সমষ্টি, যিবোৰ প্ৰতি গৰাকী ব্যক্তিয়ে মানি চলিব লাগে। ৰীতি-নীতিয়ে সামাজিক জীৱনৰ উচিত আৰু অনুচিতসমূহক সামৰি লয়।

সংস্কৃতি সদায় আহৰণ কৰা হয়। সংস্কৃতিয়ে ইয়াৰ সদস্যসমূহে কিদৰে ভাবে আৰু অনুভৱ কৰে তাক নিৰ্দেশ কৰাৰ লগতে তেওঁলোকৰ জীৱন সম্পৰ্কীয় ধাৰণাসমূহকো সূচিত কৰে। মানুহ অন্য জীৱৰ দৰে প্ৰবৃত্তিৰ অধিকাৰী নহয় বাবে সংস্কৃতিৰ আহৰণ প্ৰক্ৰিয়াটো মানুহৰ সামাজিকীকৰণৰ জৰিয়তে সম্পন্ন হয়। মানুহৰ প্ৰতিটো আচৰণ আহৰিত আৰু সামাজিকীকৰণৰ সমগ্ৰ প্ৰক্ৰিয়াটো গোটেই জীৱন জুৰি চলে। এটা শিশু যিটো পৰিয়ালত ডাঙৰ-দীঘল হয়, তাৰ অনুৰূপ মূল্যবোধ লাভ কৰাৰ লগতে বিভিন্ন ঘটনাৰ প্ৰতি শিশুটোৰ প্ৰতিক্ৰিয়া পৰিয়ালৰ অন্যান্য সদস্যৰ অনুৰূপ হয়।

লিখন প্ৰক্ৰিয়া হৈছে এটা প্ৰজন্মৰ পৰা সংস্কৃতি আন এটা প্ৰজন্মলৈ সৰবৰাহ কৰাৰ উপায়। সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ পৰম্পৰাসমূহ জৈৱিকভাৱে নিৰ্ধাৰিত নহয়। এনে বহু পৰম্পৰা আছে যিবোৰ দৈহিকভাৱে ক্ষতিকাৰক হ'লেও সেইবোৰৰ প্ৰচলন অব্যাহত থাকে।

সংস্কৃতি আৰু সভ্যতা ঃ

মেক্লেভাৰ আৰু পেজৰ মতে সভ্যতা হৈছে মানুহে জীৱনৰ বিভিন্ন পৰিস্থিতি নিয়ন্ত্ৰণ কৰিবলৈ নিৰ্মাণ কৰা এটা সম্পূৰ্ণ ব্যৱস্থা আৰু সংহতি।

এচ.এম. ফেয়াৰচাইল্ডে কৈছে যে সভ্যতা হৈছে সাংস্কৃতিক বিকাশৰ এটা উৰ্ধতম স্তৰ, য'ত বৌদ্ধিক, নান্দনিক, প্ৰযুক্তিগত আৰু আত্মিক দিশসমূহ নিহিত হৈ থাকে। এই অৰ্থৰ ওপৰত ভিত্তি কৰি তেওঁ 'অ-সভ্য লোক'ৰ বিপৰীতে 'সভ্য লোক'ৰ প্ৰসংগ উল্লেখ কৰিছে।

সংস্কৃতি আৰু সভ্যতাৰ প্ৰধান পাৰ্থক্যটো হ'ল সংস্কৃতি হৈছে নিজেই এক পূৰ্ণতা প্ৰাপ্তিৰ প্ৰক্ৰিয়া (মূল্যবোধ আৰু লক্ষ্য) আৰু সভ্যতা হৈছে বিশ্বাস, কলা আৰু সাহিত্য (গদ্য, কবিতা, উপন্যাস আদি) যিহে পটুৱৈসকলক প্ৰত্যক্ষভাৱে সন্তুষ্টি প্ৰদান কৰে। আনহাতে সভ্যতা হৈছে বিভিন্ন যন্ত্ৰসমূহ যেনে গাড়ী, ফ্ৰীজ আদি যিয়ে আমাৰ প্ৰয়োজন পূৰাব নোৱৰালৈকে পোনপটীয়াকৈ সন্তুষ্টি প্ৰদান কৰে। এইদৰে, সভ্যতা হৈছে প্ৰয়োজন পূৰ্তি বা উপযোগিতাৰ এক আধাৰ, যিয়ে আমাৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

ডব্লিউ. এফ. অ'গবার্ণে সভ্যতাক বস্তুগত বা বাহ্যিক (material) প্ৰকৃতিৰ বুলি কোৱাৰ বিপৰীতে সংস্কৃতিক 'অ-বস্তুগত' (non-material) আখ্যা দিছে। কায়িক সংস্কৃতিয়ে মানুহে নিৰ্মাণ কৰা স্পৰ্শ বস্তু যেনে শিল্পকলা, গৃহ, সামগ্ৰী আদিক নিৰ্দেশ কৰে। আনহাতে অ-বস্তুগত সংস্কৃতিয়ে স্পৰ্শ কৰিব নোৱাৰা দিশসমূহ যেনে আচৰণ, পৰম্পৰা আদিক সূচায়।

অ'গবার্ণে পুনৰ কৈছে যে 'অ-বস্তুগত' সংস্কৃতি 'বস্তুগত' সংস্কৃতিতকৈ সদায় পিছপৰি থাকে আৰু কেতিয়াও বস্তুগত সংস্কৃতিৰ সমানে-সমানে আগুৱাব নোৱাৰে। অ-বস্তুগত সংস্কৃতি বস্তুগত সংস্কৃতিৰ নব্য আৱিষ্কাৰ তুলনাত সদায় লেহেমীয়া। অ-বস্তুগত সংস্কৃতিয়ে বস্তুগত

পৰিবৰ্তনৰ লগত সমানে-সমানে আগুৱাব নোৱাৰিলে এক 'সাংস্কৃতিক শূন্যতা' (cultural lag) ৰ সৃষ্টি হ'ব। যদিহে সমাজে ইয়াৰ সমতা বজাই ৰাখিব বিচাৰে তেন্তে উভয় সংস্কৃতিয়ে সমন্বয় স্থাপন কৰিব লাগিব। অন্য ভাষাত ক'বলৈ হ'লে, মানুহে তেওঁলোকৰ চিন্তাৰ ধৰণ আৰু আচৰণ প্ৰযুক্তিগত সংস্কৃতিৰ সমান্তৰালভাৱে আগুৱাই নিব লাগিব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ সংস্কৃতি এক জৈৱিক নে আহৰিত প্ৰক্ৰিয়া?

২.১০ ৰীতি-নীতি

অৰ্থ আৰু সংজ্ঞা ঃ

প্ৰতিখন সমাজৰে সামাজিক জীৱনসমূহ নিৰ্দিষ্ট কিছুমান ৰীতি-নীতিৰ জৰিয়তে পৰিচালিত হয়। ৰাতি-নীতি হৈছে কিছুমান আচৰণৰ সমষ্টি। তদুপৰি ই হৈছে মানুহে কিদৰে আচৰণ কৰিব লাগে, তাৰ এখন সাংস্কৃতিক চিত্ৰ। এই কথাযাৰক এইদৰে স্পষ্টকৈ উল্লেখ কৰিব পাৰি যে, যিহেতু সংস্কৃতিয়ে কোনো কাৰ্য কিদৰে সমাধা কৰিব লাগে তাক নিৰ্দেশ কৰে, গতিকে সংস্কৃতিক আদৰ্শগত হিচাপে আখ্যা দিব পাৰি। গতিকে এই দিশৰপৰা চাবলৈ গ'লে সংস্কৃতিয়ে আচৰণৰ মান নিৰ্ধাৰণ কৰে।

ৰীতি-নীতি হৈছে মানদণ্ডযুক্ত আৰু স্বীকৃত আচৰণ। উদাহৰণস্বৰূপে কৰমৰ্দন কৰিবলৈ আমি সদায় সোঁহাতখন আগুৱাই দিওঁ। কিন্তু মূৰ খজুৱাবলৈ যিকোনো এখন হাত ব্যৱহাৰ কৰোঁ, যিহেতু সংস্কৃতিয়ে এই ক্ষেত্ৰত নিৰ্দিষ্টকৈ কোনো নিৰ্দেশনা আমাক দিয়া নাই।

যিকোনো অৱস্থাতে ৰীতি-নীতিসমূহ গ্ৰহণযোগ্য আচৰণ হিচাপে স্বীকৃত। উদাহৰণস্বৰূপে, সকলো অনুষ্ঠানত সাজ-পাৰ পৰিধান কৰাৰ এক নিৰ্দিষ্ট গ্ৰহণীয় ধৰণ থাকে। আকৌ ৰীতি-নীতিবোৰৰ লগত আনুষ্ঠানিক বা অনানুষ্ঠানিক জৰিমনা বা পুৰস্কাৰ জড়িত হৈ থাকে। আনুষ্ঠানিক গ্ৰহণযোগ্যতা বুলিলে ৰীতি-নীতি মানি চলা বাবে চৰকাৰে আগবঢ়োৱা পুৰস্কাৰক বুজা যায়। সেইদৰে যদি কোনোৱে আইন বা ৰীতি-নীতি ভংগ কৰে, তেন্তে তেনে ব্যক্তিক প্ৰদান কৰা শাস্তিক আনুষ্ঠানিক শাস্তি বা জৰিমনা বুলিব পাৰি। আনহাতে ৰীতি-নীতি ভংগ কৰিলে প্ৰদান কৰা খঙাল দৃষ্টি অথবা মানি চলিলে প্ৰদান কৰা মৃদু হাঁহিয়ে হৈছে ৰাতি-নীতিৰ অনানুষ্ঠানিক জৰিমনা বা পুৰস্কাৰ।

২.১১ মূল্যবোধ

অৰ্থ আৰু সংজ্ঞা ঃ

প্ৰমূল্যবোধ হৈছে এনে এটা ধাৰণা বা মানদণ্ড, যাৰ জৰিয়তে অনুভৱ, ধাৰণা, কাৰ্য,

কোনো ব্যক্তি বা দলৰ লক্ষ্যৰ গুণাৱলীসমূহ, উপায় আদিবোৰ কাম্য হয় নে নহয়, সেয়া বিচাৰ কৰা হয়। উদাহৰণস্বৰূপে, যিসকল লোকে শাৰীৰিক সুস্থতাৰ ওপৰত সর্বাধিক গুৰুত্ব আৰোপ কৰে, তেওঁলোকে নিয়মিত ব্যায়াম কৰা আৰু খাদ্যৰ প্ৰতি সচেতন হোৱা পৰিলক্ষিত হয়। মূল্যবোধে এইদৰে কোনো লোকৰ সিদ্ধান্ত আৰু আচৰণক প্ৰভাৱিত কৰে।

কোনো ব্যক্তিৰ বাবে মূল্যবোধ হৈছে একপ্ৰকাৰৰ নিয়মাৱলী। এখন সমাজৰ মূল্যবোধৰ মাজত ৰীতি-নীতিসমূহ থাকে। দৰাচলতে মূল্যবোধৰ ওপৰতে ৰীতি-নীতিবোৰ নির্ভৰশীল হয়। উদাহৰণস্বৰূপে, যদিহে এখন সমাজৰ মূল্যবোধসমূহ বস্তুবাদৰ ওপৰত ভিত্তি কৰি গঢ় লয়, তেন্তে মানুহে ধন সঞ্চয় কৰি গৈ থাকিলে সমালোচিত হ'ব। সাধাৰণ সমাজবোৰত সম্প্ৰদায়ৰ ওপৰত ইমানেই গুৰুত্ব আৰোপ কৰা হয় যে, যদি কোনোবা স্বতন্ত্ৰ হয় তেন্তে তেওঁক স্বার্থপৰ হিচাপে গণ্য কৰে।

২.১২ স্থিতি (STATUS)

অর্থ আৰু সংজ্ঞা ঃ

স্থিতি হৈছে সামাজিক স্থান বা সমাজৰ দ্বাৰা স্বীকৃত স্থান যিটো এগৰাকী ব্যক্তিয়ে আদান-প্ৰদানৰ এক ব্যৱস্থা অথবা সমাজৰ দ্বাৰা লাভ কৰে। গতিকে যিকোনো আদান-প্ৰদানৰ প্ৰক্ৰিয়াত কোনো অংশগ্ৰহণকাৰীয়ে স্থিতি বিহীন হৈ নাথাকে। যদিহে কোনো লোকৰ স্থিতি স্পষ্ট নহয়, তেন্তে কোনো ব্যক্তিয়ে আন ব্যক্তিৰ সৈতে আদান-প্ৰদান কৰিব নোৱাৰে।

"স্থিতিয়ে কোনো দলত কোনো ব্যক্তিৰ বা আন দলৰ সম্পর্কত কোনো দলৰ স্থানক নির্দেশ কৰে।" উদাহৰণস্বৰূপে, শিশুসকলক স্থান অগ্ৰজসকলতকৈ সদায় তলত বুলি গণ্য কৰা হয় বাবে শিশুসকলে অগ্ৰজসকলক সন্মান প্ৰদর্শন কৰিব লাগে। সেনাবাহিনীৰ লোকসকলেও এটা স্থিতি বা স্থানত নিবিষ্ট হৈ থাকে, যাৰ বাবে তেওঁলোকে যিকোনো পৰিস্থিতিত নিজৰ দেশৰ হৈ প্ৰাণ আহুতি দিবলৈও কুণ্ঠাবোধ নকৰে। প্ৰতিখন সমাজত নাৰীসকলৰ পুৰুষতকৈ পৃথক এক স্থান আছে আৰু নাৰীসকলক নাৰীত্ব গুণৰ অধিকাৰী হোৱাটো বিচৰা হয়। আকৌ একেগৰাকী ব্যক্তিয়ে একাধিক স্থান অর্জন কৰিব পাৰে আৰু তাৰ বাবে তেওঁলোকে ইয়াৰ লগত সন্নিৱিষ্ট হৈ থকা সকলো দায়িত্ব পালন কৰিব লাগে। গতিকে হর্তনৰ ভাষাত সাধাৰণভাৱে ক'বলৈ হ'লে, "স্থিতি হৈছে অধিকাৰ আৰু দায়িত্বৰ সমষ্টি আৰু ভূমিকা হৈছে এই অধিকাৰ আৰু দায়িত্ব সম্পন্ন কৰাৰ এক প্ৰক্ৰিয়া।"

হাৰালামবছৰ মতে স্থিতি হৈছে এটা সামাজিক স্থান যিটো এজন ব্যক্তিৰ সমাজত থাকে। ইয়াক সাংস্কৃতিক ভাৱে ব্যাখ্যা কৰা হয় বা সামাজিকভাৱে স্বীকৃতি প্ৰদান কৰা হয়। প্ৰতিটো স্থিতিৰ লগত একোটা ভূমিকা জড়িত হৈ থাকে। যদিহে কোনো পুৰুষৰ স্থিতি বা স্থান এজন স্বামীৰ হয়, তেন্তে তেওঁ এজন স্বামীৰ ভূমিকা পালন কৰিব লাগে। সামাজিক সম্পর্কৰ জৰিয়তে বিভিন্ন ভূমিকাসমূহ সম্পাদন কৰা হয়। যিদৰে এগৰাকী স্বামী থাকে, তেনেদৰে এগৰাকী

পত্নীও থাকে যিয়ে নিজৰ ভূমিকা পালন কৰিব লাগে। যদিহে সমাজৰ সকলোৱে নিজৰ নিজৰ দায়িত্বসমূহ সুচাৰুৰূপে পালন কৰে, তেন্তে সামাজিক জীৱনলৈ এটা শৃখলা আৰু স্থিৰতা আহিব।

স্থিতি আৰোপিত (ascribed) আৰু আহৰিত (achieved) হিচাপে বিভাজন কৰিব পাৰি। জন্মৰ জৰিয়তে যি স্থিতি আহৰণ কৰা হয়, তাক আৰোপিত স্থিতি বোলা হয়। কোনো ব্যক্তিৰ আৰোপিত স্থিতি বুজিবলৈ লিংগ আৰু বয়সক আধাৰ হিচাপে লোৱা হয়। জাতি, জাতীয়তা, ধর্ম আদিয়েও আহৰিত স্থিতি প্রদান কৰিব পাৰে। কোনো স্থিতিৰ লগত বিভিন্ন ভূমিকা জড়িত হৈ তাকে। হর্তনে কৈছে যে লিংগৰ ভিত্তিত ভূমিকাক পৃথকীকৰণ কৰাৰ ওপৰত ভিত্তি কৰি কার্যসমূহ সম্পাদন কৰা হয়। সেইদৰে কনিষ্ঠ আৰু জ্যেষ্ঠ উভয়ৰে পৃথক-পৃথক ভূমিকা আছে। সমাজত বয়স অনুসাৰে নিজৰ ভূমিকা পালন কৰাৰ প্রয়োজনীয়তা আছে। সময়ৰ পূর্বেই প্রাপ্তবয়স্কৰ স্বীকৃতি লাভ কৰা শিশুটো হৈছে সেইজন যিয়ে তাৰ শিশুৰ ভূমিকা বুজি পোৱাৰ পূর্বেই প্রাপ্তবয়স্কৰ স্থিতি বা স্থান লাভ কৰে। আনহাতে, শিশুসুলভ প্রাপ্তবয়স্কবোৰৰ আচৰণত প্রাপ্তবয়স্ক আৰু শিশুৰ স্থিতিৰ সামঞ্জস্য দেখা যায়।

আহৰিত স্থিতি হৈছে এটা সামাজিক স্থান যিটো ব্যক্তিগত পছন্দ আৰু প্রতিযোগিতাৰ জৰিয়তে আহৰণ কৰা হয়। আহৰিত স্থিতিসমূহ ব্যক্তিৰ সামর্থ্য আৰু প্রদর্শন বা ফলাফলৰ ভিত্তিত প্রদান কৰা হয়। উদাহৰণস্বৰূপে এগৰাকী পুৰুষৰ বাবে স্বামী হোৱাটো এটা আহৰিত দক্ষতা। এজন স্বামী হ'বলৈ কিছুমান বিশেষ আচৰণৰ অধিকাৰী হ'ব লাগিব। আন এটা উদাহৰণ হ'ল পুলিচসকল। কোনো ব্যক্তিয়ে পুলিচ হিচাপে জন্ম গ্রহণ নকৰে, বৰঞ্চ দক্ষতা আৰু আগ্রহৰ জৰিয়তেহে এই স্থিতি আহৰণ কৰে।

পৰম্পৰাগত সমাজত অধিকাংশ স্থিতিয়ে এজনৰ কর্মসংস্থাপন আৰু জন্মসূত্রে নির্ধাৰিত সামাজিক অৱস্থাৰ দ্বাৰা নিৰূপিত হয়। কিন্তু ঔদ্যোগিক সমাজ এখনে এজন লোকক কর্মসংস্থাপনৰ বিভিন্ন বিকল্প প্রদান কৰে আৰু সেয়েহে ঔদ্যোগিক সমাজত অধিকাংশ স্থিতি আহৰিত হয়।

২.১৩ ভূমিকা

অর্থ আৰু সংজ্ঞা ঃ

লিৰিছ এ. কচাৰৰ মতে ভূমিকা হৈছে দায়িত্ব আৰু প্রত্যাশাৰ সমষ্টি, যিবোৰ সামাজিক স্থিতিৰ লগত যুক্ত হৈ থাকে। আন শব্দত কোনো নির্দিষ্ট সামাজিক স্থিতি আহৰণৰ বাবে কোনো ব্যক্তিয়ে সম্পাদন কৰা কর্মই হৈছে ভূমিকা। ই হৈছে কোনো ব্যক্তিয়ে সম্পন্ন কৰা কার্যপ্রণালী, যিবোৰ প্রচলিত ৰীতি-নীতিৰ দৃষ্টিকোণৰ পৰা যথেষ্ট প্রাসংগিক হয়।

ৰাল্‌ফ লিন্টনৰ মত অনুসৰি ভূমিকাই সমাজে নির্ধাৰণ কৰা আৰু ব্যক্তিৰ স্থিতি অনুসৰি মূল্যবোধ আৰু আচৰণক সামৰি লয়।

পি.বি. হর্তনৰ মতে, কোনো নির্দিষ্ট স্থিতি বা স্থান অধিকাৰ কৰি থকা ব্যক্তিৰ আচৰণেই হ'ল ভূমিকা।

ভূমিকা হৈছে মর্যাদা বা স্থিতিৰ এক গতিশীল দিশ আৰু ইয়াৰ লগত অধিকাৰ আৰু কার্যপ্রণালী জড়িত হৈ থাকে। এইদৰে পিতৃৰ স্থান অর্জন কৰা এজন লোকৰ যিদৰে তেওঁৰ সন্তানৰ ওপৰত কিছু অধিকাৰ থাকে, তেনেদৰে সন্তানৰ প্রতি তেওঁৰ কৰণীয়ও থাকে।

ভূমিকা সামাজিক মর্যাদা বা স্থিতিৰ লগত জড়িত যদিও ইয়াক পৃথকীকৰণ কৰিও আলোচনা কৰিব পাৰি। সামাজিক স্থিতি হৈছে সামাজিক স্তৰত এক স্থান, আনহাতে ভূমিকাই কার্যপ্রণালী আৰু অভিযোজনৰ প্রক্রিয়াক সামৰি লয়। এজন ব্যক্তিয়ে এটা সামাজিক স্থানত থাকিলেই এয়া নুবুজাই যে তেওঁ এটা ভূমিকাও গ্রহণ কৰি আছে। স্থিতিয়ে কোনো ব্যক্তিৰ ক্ষেত্রত নিম্নতম কর্তব্যক নির্দেশ কৰে যদিও ই ব্যক্তিগৰাকীয়ে সেই কর্তব্যক সফলভাৱে পালন কৰা সম্পর্কে কোনো নিশ্চিয়তা প্রদান কৰিব নোৱাৰে।

কোনো এক স্থানত এজন লোকে পালন কৰা দায়িত্বই হৈছে ভূমিকা। এই ভূমিকা সামাজিক স্থিতি বা স্থানে ধার্য কৰা কর্তব্য অনুসৰি বেলেগ-বেলেগ হ'ব। ইয়াৰ অর্থ এয়ে যে ভূমিকা হ'ল এনে এক ব্যৱস্থা, য'ত কোনো ব্যক্তিয়ে প্রকৃততে এটা স্থানৰ প্রয়োজনীয়তাখিনি পূৰণ কৰে।

হাৰালমবছৰ মতে, "প্রতিখন সমাজৰে একাধিক ৰীতি-নীতি থাকে আৰু এই ৰীতি-নীতিবোৰে কোনো স্থানত অধিস্থিত লোকে অনুসৰণ কৰিব লাগে। এই ৰাতি-নীতিৰ সমষ্টিয়ে হৈছে ভূমিকা।"

গতিকে ভূমিকা হৈছে কোনো ব্যক্তিৰ প্রত্যাশিত আচৰণ। ভূমিকাৰ লগত ভূমিকাৰ দ্বন্দ্ব (role conflict) আৰু ভূমিকা গঠন (role set)ৰ ওচৰ সম্পর্ক আছে। ভূমিকা গঠনৰ ধাৰণাটো পোন প্রথমবাৰৰ বাবে মের্টনে উল্লেখ কৰিছিল। ই হৈছে কোনো এক স্থিতিৰ লগত জড়িত হৈ থকা একাধিক ভূমিকাৰ সমষ্টি। উদাহৰণস্বৰূপে এগৰাকী পত্নীৰ স্থানৰ কথা ক'ব পাৰোঁ। তেওঁ একেধাৰে জী, মাতৃ, গৃহ পৰিচালক, চুবুৰীয়া, চাকৰিয়াল, উচ্চ পদবীধাৰী ইত্যাদি হ'ব পাৰে। আকৌ ভূমিকাসমূহৰ মাজত দ্বন্দ্বৰো সৃষ্টি হ'ব পাৰে। উদাহৰণস্বৰূপে, এগৰাকী নাৰী কোনো প্রতিষ্ঠানত কর্মৰত হোৱাৰ লগতে তেওঁ কেঁচুৰাৰ মাতৃও হ'ব পাৰে। এনে ক্ষেত্রত কর্মচাৰী হিচাপে তেওঁৰ ভূমিকাৰ লগত মাতৃৰ ভূমিকাৰ দ্বন্দ্ব হোৱাটো স্বাভাৱিক।



২.১৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সমাজ হৈছে কর্তৃপক্ষ, দল আৰু সামাজিক সম্পর্কৰ এক একত্রিত ব্যৱস্থা।
- সামাজিক দলে সমাজৰ ভেঁটি নির্মাণ কৰে। এটা দল হৈছে 'আমি' ভাবেৰে উদ্বুদ্ধ হৈ একাধিক ব্যক্তিৰে গঠিত একোটা গোট। যেনে পৰিয়াল।
- অনুষ্ঠান হৈছে কোনো কার্য সমাধান কৰাৰ এক সক্রিয় দলীয় ব্যৱস্থা।
- সংস্থা হৈছে এটা সামাজিক অনুষ্ঠান যিটো কোনো উমৈহতীয়া লক্ষ্যত উপনীত হ'বলৈ

গঠন কৰা হয়।

- সংস্থা আৰু আনুষ্ঠানিক অনুষ্ঠান প্ৰায় একে। সকলো সংস্থাৰে এটা আনুষ্ঠানিক অনুষ্ঠানগত দিশ থাকে।
- প্ৰতিষ্ঠানসমূহ হৈছে ৰীতি-নীতিযুক্ত এক প্ৰতিষ্ঠিত গোট। অন্য ভাষাত ক'বলৈ গ'লে যেতিয়া মানুহে সংস্থা গঠন কৰে, তেতিয়া তেওঁলোকে উমৈহতীয়া কাৰ্য কৰিবলৈ আৰু সদস্যসমূহৰ এজনৰপৰা আনজনলৈ পৰিবৰ্তনৰ বাবে নিৰ্দিষ্ট কিছুমান নীতি-নিয়ম আৰু ব্যৱস্থা ধাৰ্য কৰিব লাগে। এই নীতি-নিয়মবোৰে একোটা প্ৰতিষ্ঠান গঠন কৰে।
- সম্প্ৰদায় হৈছে সামাজিক অনুষ্ঠানৰ এক প্ৰকাৰ, যিটো কোনো অঞ্চলত স্থিত হয়। সংস্থাৰ দৰে সম্পদায়ো যিকোনো দলৰ একাধিক সদস্যৰ দ্বাৰা গঠিত হয় যিয়ে পৰৱৰ্তী কালত একেলগে বাস কৰিবলৈ লয়।
- সংস্কৃতি হৈছে এটা সামাজিক প্ৰক্ৰিয়া যাৰ সহায়ত মানুহে সমাজত একেলগে বাস কৰে।
- ৰীতি-নীতিয়ে কোনো কাৰ্য সম্পন্ন কৰাৰ নিৰ্দেশাৱলীৰ বিপৰীতে মূল্যবোধ হৈছে অধিক সাধাৰণীকৃত নিৰ্দেশাৱলী। উদাহৰণস্বৰূপে ৰীতি-নীতি হৈছে কোনো বিশেষ অনুষ্ঠানত কি সাজ-পাৰ পৰিধান কৰিব লাগে, (যেনে আনুষ্ঠানিক নৃত্যৰ পোছাক) তাক জনাৰ এক প্ৰক্ৰিয়া। আনহাতে মূল্যবোধ হৈছে, যদিহে এখন সমাজে উদাৰতাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে, তেন্তে কৃপণ লোকৰ প্ৰতি সমাজে এক পৃথক দৃষ্টিভংগী গ্ৰহণ কৰিব।
- এখন সমাজৰ মূল্যবোধে সমাজখনৰ ৰীতি-নীতি নিৰূপণ কৰে।
- স্থিতি হৈছে কোনো ব্যক্তিৰ সামাজিক স্থান। এই স্থিতিৰ লগত জড়িত হৈ থকা আচৰণক ভূমিকা আখ্যা দিয়া হয়। যদিহে কোনো এগৰাকী নাৰীৰ স্থিতি পত্নী হয়, তেন্তে তেওঁ পৰিয়ালৰ ভাৰণ-পোষণ আৰু দায়িত্ব লোৱাতো কাম্য।



২.১৫ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Davis, Kingstey. 1949. Human Society. New York. The Macmillan Company.
- Giddens, Anthony, 1993, Sociology. U.K.: Polity Press
- Haralambos, Michael & R.M. Heald. 1981. Sociology : Themes and Perspectives. New Delhi : Oxford University Press
- Landis, Judson R. 1995. Sociology : Concepts and Characteristics. USA : Wadsworth Publishing Company.
- Misbet, Robert A. 1943. The French Revolution and the Rise of

Sociology in Frence. American Journal of Sociology No. 2, 156-164

- Ogburn, William F & Meyer F. Nimkoff. 1950. Sociology, USA. The Riverside Press.



২.১৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজ

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাথমিক আৰু গৌণ দল

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চি. এই. কুলে

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মেক্স ৱেবাৰ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সংস্কৃতি এক আহৰিত প্ৰক্ৰিয়া



২.১৭ আৰ্হি প্ৰশ্ন

(ক) এটা বা দুটা শব্দত উত্তৰ দিয়ক

প্ৰশ্ন ১ ঃ দুটা 'স-দল'ৰ উদাহৰণ দিয়ক।

প্ৰশ্ন ২ ঃ 'সীমিত সংখ্যকৰ শাসন' বুজাবলৈ অনুষ্ঠানত কি অভিধা ব্যৱহাৰ কৰা হয়?

(খ) চমু টোকা লিখক (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ স্থিতি আৰু ভূমিকা।

(গ) দীঘল প্ৰশ্নৰ উত্তৰ (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ২ ঃ সামাজিক দল বুলিলে কি বুজা যায়? সামাজিক দল, অনুষ্ঠান, সংস্থা আৰু প্ৰতিষ্ঠানৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰক।

*** ***** ***

অধ্যায় ৩ ঃ সংস্কৃতি আৰু সমাজ

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ অর্থ আৰু সংজ্ঞা

৩.৪ সংস্কৃতিৰ বিভিন্নতা

৩.৫ সংস্কৃতিৰ বৈশিষ্ট্য

৩.৬ সংস্কৃতিৰ কার্যপ্রণালী

৩.৭ সংস্কৃতিৰ প্রকাৰ

৩.৮ সংস্কৃতিৰ স্থবিৰতা (Cultural log)

৩.৯ সংস্কৃতি আৰু সভ্যতাৰ মাজৰ পার্থক্য

৩.১০ সংস্কৃতি আৰু সমাজৰ মাজৰ সম্পর্ক

৩.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১২ অধিক জানিবলৈ

৩.১৩ অগ্রগতিৰ খতিয়ান

৩.১৪ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংস্কৃতিৰ অর্থ আৰু প্রকাৰ সম্বন্ধে অৱগত হ'ব
- সভ্যতাৰ অর্থ তথা সংস্কৃতি আৰু সভ্যতাৰ মাজৰ পার্থ্যৰ বিষয়ে জানিব
- সংস্কৃতি আৰু সভ্যতাৰ সম্পর্কৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব।

৩.২ পৰিচয়

পূর্বৱর্তী অধ্যায়ত সংস্কৃতিৰ মৌলিক ধাৰণা সম্পর্কে আলোচনা কৰা হৈছে। এই অধ্যায়ত আমি সংস্কৃতি আৰু সমাজৰ মাজৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিম। পৰম্পৰাগতভাৱে সংস্কৃতি শব্দই পৰিমার্জনক সূচোৱা কর্ম আৰু আচৰণ যেনে চিত্রকলা, সংগীত, কবিতা, দর্শন, কলা বীথিকা আদিক নির্দেশ কৰে। 'সাংস্কৃতিক' শব্দই 'কর্ষিত' বা 'পৰিমার্জিত' অর্থক সূচায়। কিন্তু সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা সংস্কৃতি শব্দই সংগীত, চিত্রকলা আৰু কলা বীথিকাৰ উপৰিও ফুটবল, ক্রিকেট, বিশ্বাস, অন্ধবিশ্বাস, আচৰণ আৰু অপৰাধকো সামৰি লয়। গতিকে ই কোনো দলৰ সকলো কার্যপ্রণালীক সামৰি লয়। সমাজতাত্ত্বিক ব্যৱহাৰত সংস্কৃতি হৈছে সমাজৰ সদস্য

হিচাপে কোনো ব্যক্তিয়ে আহৰণ কৰা কোনো কার্যৰ সামগ্রিকতা। ই হৈছে জীৱন ধাৰণৰ এক ধৰণ, চিন্তাৰ এক প্রক্রিয়া তথা অভিনয় আৰু অনুভৱ। কোনো সংস্কৃতি হৈছে মানুহৰ একোটা দলৰ জীৱন ধাৰণৰ এক প্রক্রিয়া তথা তেওঁলোকৰ জীৱন ধাৰণৰ সম্পূর্ণ ধৰণ। অন্য ভাষাত ক'বলৈ গ'লে সংস্কৃতি হৈছে প্রতিখন সমাজৰ এক গুৰুত্বপূর্ণ দিশ আৰু ই এটা প্রজন্মৰ পৰা আন এটালৈ সামাজিকভাৱে হস্তান্তৰিত হয়। প্রস্তাৱিত এই অধ্যায়ত সংস্কৃতি আৰু সভ্যতাৰ ধাৰণা আগবঢ়োৱাৰ লগতে সমাজৰ লগত ইয়াৰ সম্পর্কৰ বিষয়েও আলোকপাত কৰা হ'ব।

৩.৩ অর্থ আৰু সংজ্ঞা

ছাৰ এডৱার্ড টাইলৰে সংস্কৃতিৰ এক সৰল অথচ সামগ্রিক সংজ্ঞা প্রদান কৰিছে। শাৰীৰিকভাৱে অন্তর্ভুক্ত নোহোৱা অথচ মানুহৰ দ্বাৰা আহৰিত সকলো কার্যই সংস্কৃতিৰ ভিতৰুৱা। ই হৈছে এক নির্দিষ্ট ভৌগোলিক অঞ্চলত মানুহৰ জীৱনৰ এক ধৰণ। মানুহে কিদৰে সাজপাৰ পৰিধান কৰে, বৈবাহিক ৰীতি-নীতি, পাৰিবাৰিক জীৱন, কাম কৰাৰ ধৰণ, ধর্মীয় অনুষ্ঠান তথা আজৰি সময় আদি সকলো দিশ সংস্কৃতিয়ে সামৰি লয়। ই দৈহিক নিদর্শন অথবা সমাজৰ সদস্যসকলৰ দ্বাৰা নির্মিত বিভিন্ন বস্তু যেনে নাঙল, যন্ত্র, কম্পিউটাৰ, কিতাপ আদিকো অন্তর্ভুক্ত কৰে। এইবোৰ কোনো জৈৱিক প্রক্রিয়াৰ পৰিণতি নহয়; এই আটাইবোৰ হৈছে নির্মিত। সমাজৰ সদস্যসকলে এইবোৰ যোগাযোগ, নির্মাণ আৰু জীৱন ধাৰণা বাবে ব্যৱহাৰ কৰে।

কিংচলে ডেভিচৰ মতে, "সংস্কৃতি হৈছে চিত্রকলা, সংগীত, ভাস্কর্য, সাহিত্য, বিজ্ঞান তথা সকলো নান্দনিক প্রযুক্তি, দর্শন, সামাজিক প্রতিষ্ঠান, ধর্ম, নৈতিকতা আৰু নান্দনিক মূল্যবোধৰ এক জটিল প্রক্রিয়া।"

মেক্লভাৰৰ মতে সংস্কৃতি হৈছে আমাৰ বাস কৰা, চিন্তা কৰা তথা সাহিত্য, পুনর্নির্মাণ আৰু আনন্দ লাভৰ এক ধৰণ।

আমি তলত উল্লেখ কৰা চাৰিটা দিশ বিচাৰ কৰিলে সংস্কৃতিৰ অর্থ অধিক স্পষ্ট হৈ পৰিব। সেয়া হৈছে —

ক) আহৰিত আচৰণ (learned behaviour)

খ) সামাজিক পৰম্পৰা (social heritage)

গ) সম্পূর্ণ জৈৱিক (super organic)

ঘ) বসবাস কৰাৰ এক প্রক্রিয়া (a design for living)

এই প্রতিটো দিশেই এটা জটিল প্রক্রিয়াৰ একোটা স্বকীয় ৰূপক সামৰি লৈছে। প্রথম দিশটো অনুসৰি সংস্কৃতি হৈছে এক আহৰিত, শিকোৱা আৰু ভাগ-বটোৱাৰাৰ এক প্রক্রিয়া আৰু সমাজত অকলশৰীয়াকৈ কাম কৰি কোনো ব্যক্তিয়ে সংস্কৃতি আহৰণ কৰিব নোৱাৰে। দ্বিতীয় দিশ অনুসৰি, সংস্কৃতি হৈছে এক আহৰণৰ প্রক্রিয়া যিটো এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ হস্তান্তৰিত হৈ আহিছে। তৃতীয় দিশ অনুসৰি সংস্কৃতি দৈহিক প্রক্রিয়া, জৈৱিক উপাদান অনুসৰি

পৃথক-পৃথক হ'ব পাৰে আৰু ইয়াৰ নিজস্ব এক অর্থ আছে। চতুর্থ দিশ অনুসৰি সংস্কৃতি সমাজ বা দল ভেদে পৃথক হ'ব পাৰে। একে সময়তে বিভিন্ন স্থানত আৰু একে স্থানতে বিভিন্ন সময়ত সংস্কৃতিৰ প্রভেদ দেখা যায়। সংস্কৃতিৰ মৌলিক ধাৰণা লাভ কৰিবলৈ হ'লে এই চাৰিটা দিশৰ সহায়ত সমগ্র প্রক্রিয়াটো আহৰণ কৰাটো প্রয়োজন।

৩.৪ সংস্কৃতিৰ বিভিন্নতা

সংস্কৃতিক কোনো দলৰ এক আহৰিত প্রক্রিয়া হিচাপে আলোচনা কৰা হৈছে। ইয়াৰ অর্থ হ'ল এখন সমাজত বহুতো সাংস্কৃতিক দল থাকিব পাৰে। সেয়েহে আমি ভাৰত বা জাপান বা আমেৰিকাৰ সংস্কৃতি পৃথকে-পৃথকে উল্লেখ কৰোঁ। বিভিন্ন সমাজৰ বা দেশৰ সদস্যৰ বিষয়ে প্রচলিত জনপ্রিয় কৌতুকসমূহে সমাজ ভেদে প্রচলিত পৃথক সংস্কৃতিৰ বিষয়ে আমাক এটা আভাস প্রদান কৰে। উদাহৰণাস্বৰূপে তলত উল্লেখ কৰা কৌতুকটোৱে তিনিখন দেশৰ সংস্কৃতিৰ বিষয়ে সুক্ষ্মভাৱে এটা ধাৰণা দাঙি ধৰে —

এবাৰ এজন জাপানী, এজন ভাৰতীয় আৰু এজন আমেৰিকান ছাত্র নায়েগ্রা জলপ্রপাত চাবলৈ গ'ল। জাপানী ছাত্রজনে চালে চকুত ৰোৱা দৃশ্য দেখি মুগ্ধ হোৱাৰ বিপৰীতে ভাৰতীয় ছাত্রজনে প্রকৃতিৰ এনে পৰিঘটনা নির্মাণকাৰী পৰমব্রহ্মৰ বিষয়ে দার্শনিক মন্তব্য আগবঢ়াবলৈ ল'লে। জাপানী আৰু ভাৰতীয় ছাত্রজনৰ মাজত চলি থকা নায়েগ্রা জলপ্রপাতকেন্দ্রিক আলোচনাটোৰ মাজতে ব্যাঘাত জন্মাই আমেৰিকান ছাত্রজনে প্রশ্ন কৰিলে — "হে বন্ধুসকল, এই জলপ্রপাতটোৰ অশ্বশক্তি (horse-power) কিমান হ'ব?"

সংস্কৃতিৰ এনে বিভিন্নতা কিয় থাকে? যৌন সম্পর্কৰ দৰে এটা সাধাৰণা পৰিঘটনা কিয় বিভিন্ন সমাজে বিভিন্ন ধৰণে গ্রহণ কৰে? কিছুমান দলৰ মাজত একক বিবাহ প্রচলন থকাৰ বিপৰীতে কিছুমানৰ মাজত বহু বিবাহৰ প্রচলন আছে। কিছুমান সমাজত দৰাই তেওঁৰ পত্নীৰ ঘৰত থাকিবলৈ যোৱাৰ বিপৰীতে আন কিছুমানত কইনাই দৰাৰ ঘৰত পদার্পণ কৰে। সেইদৰে কিছুমান দল বা সমাজত যৌথ পৰিয়ালৰ প্রচলন থকাৰ বিপৰীতে আন কিছুমানত এই ব্যৱস্থা মানি চলা নহয়। কিছুমান মানুহ নাঙঠ হৈ থাকে আৰু আন কিছুমানে মূৰৰ পৰা ভৰিলৈ বস্ত্র পৰিধান কৰে। ক্র' ইণ্ডিয়ানসকল যুদ্ধপ্রিয় হোৱাৰ বিপৰীতে এস্কিমোসকল শান্তিপ্রিয়। কিছুমান দলে যুদ্ধক পুৰুষত্বৰ এক চানেকি বুলি গণ্য কৰে; আনহাতে অন্য কিছুমানৰ মতে ই এক পাশৰিক প্রক্রিয়া। ভাৰতত অহিংসাক মহৎ আদর্শ হিচাপে মানি চলা হয়; আনহাতে ৰাছিয়াত হিংসাক ইয়াৰ সংস্কৃতিৰ এক অংগ হিচাপে গণ্য কৰা হয়। এইদৰে বিশ্বৰ বিভিন্ন দলৰ মাজত সাংস্কৃতিক আচৰণৰ বিভিন্নতা দেখা যায় আৰু ইতিহাসৰ বিভিন্ন ক্ষণত একেটা দলৰ মাজতো পার্থক্য পৰিলক্ষিত হয়। এই বিভিন্নতাবোৰ কোনো আনন্দদায়ক বা প্রেৰণাদায়ক প্রক্রিয়া হিচাপে ব্যাখ্যা কৰা নহয়। এই বিভিন্নতাই প্রভাৱ বিস্তাৰ আৰু পুনৰ নির্দেশ কৰে। এইবোৰ গভীৰভাৱে প্রভাৱিত আচৰণৰ বহিঃপ্রকাশ।

সাংস্কৃতিক বিভিন্নতাত প্ৰভাৱ পেলোৱা কাৰকসমূহ — তলত উল্লেখ কৰা কাৰকসমূহে সাংস্কৃতিক বিভিন্নতাত ক্ৰিয়া কৰে —

- **ঐতিহাসিক দুৰ্ঘটনা** — যিবোৰ পৰম্পৰা মূল ধাৰ্য কৰিব নোৱাৰি, সেইবোৰ কিছুমান ব্যক্তিগত অথবা দলীয় অজ্ঞান আচৰণৰ ফলশ্ৰুতি বুলিব পাৰি। কোনো ব্যক্তিয়ে সম্ভৱতঃ এনে অজ্ঞান কাম সম্পাদন কৰিছিল; পৰৱৰ্তী কালত আন কোনোৱে তেওঁৰ কাৰ্যক অনুসৰণ কৰে আৰু এনে ব্যাপক অনুসৰণৰ ফলত ই এক পৰম্পৰা আৰু সংস্কৃতিৰ অংগ হৈ পৰে।
- **ভৌগোলিক পৰিৱেশ** — ভাৰতত সৰীসৃপৰ প্ৰাচুৰ্যৰ বাবে সাপক পূজা কৰা হয় আৰু বিবাহৰ দিনা খেতিৰ সময় আৰু কৃষিকাৰ্য অনুসৰি ধাৰ্য কৰা হয়। এস্কিমোসকলে বৰফেৰে ঘৰ সাজে, দক্ষিণ আফ্ৰিকাৰ বুশ্মেনসকলৰ কোনো ঘৰ নাই, নিউ গিনিৰ মানুহসকল সাগৰৰ পানীত স্থাপিত খুটাৰ ওপৰত নিৰ্মিত কাঠৰ ঘৰত বাস কৰাৰ বিপৰীতে একাদশ ভাৰতীয়ই তেওঁলোকৰ ঘৰ কেঁচা ইটাৰে সাজে। এস্কিমোসকল ছীলৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বিপৰীতে কিছুমান ভাৰতীয়ই মাকৈৰ ওপৰত নিৰ্ভৰ কৰে। উপযুক্ত মাটিৰ যোগানৰ ওপৰতে মাটিৰ সামগ্ৰী নিৰ্মাণৰ প্ৰক্ৰিয়াটো নিৰ্ভৰশীল হৈ থাকে। ইউফ্ৰেটিছ উপত্যকাৰ মাটি সৰু-সৰু খণ্ড নিৰ্মাণৰ বাবে উপযোগী য'ত Cuneiform নামৰ লিখন কলাৰ বিকাশ হৈছিল। পেপিৰাছ ইজিপ্তৰ নিজস্ব সামগ্ৰী, য'ত ইয়াক কাগজ হিচাপে ব্যৱহাৰ কৰা হৈছিল। গতিকে গতানুগতিকভাৱে প্ৰকৃতিয়ে সাংস্কৃতিক ব্যৱহাৰ্য্য সামগ্ৰী যোগান ধৰে। বিশ্বৰ বিভিন্ন অংশৰ বিভিন্ন উপাদান থকা দিশটোৱে বিভিন্ন সংস্কৃতিৰ সৃষ্টি কৰিছে। ইয়াত এটা কাৰ্যকৰী সামৰিক ব্যৱস্থা আৰু শক্তিশালী পুৰুষকেন্দ্ৰিক ব্যৱস্থা পৰিলক্ষিত হয়। নদী সমতলত প্ৰচলিত কোৰ সংস্কৃতিয়ে গাওঁ আৰু গ্ৰাম্য জীৱনৰ সৃষ্টি কৰিছে। অৱশ্যে এইখিনিতে এটা কথা মনত ৰখা প্ৰয়োজন যে কোনো ব্যক্তিগত আৰু দলীয় জীৱনত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা ভৌগোলিক কাৰকবোৰ সাধাৰণতে প্ৰত্যক্ষভাৱে কাৰ্যকাৰক হোৱাৰ সলনি অনুকৰণীয় হয়। ভৌগোলিক অৱস্থা একে হ'লেও সংস্কৃতি পৃথক হ'ব পাৰে।
- **মানুহৰ সক্ৰিয়তা** — মানুহ সক্ৰিয় আৰু গতিশীল হোৱা বাবে সংস্কৃতিৰ বিভিন্নতা দেখা যায়। মানুহে সদায় প্ৰাকৃতিক পৰিৱেশত তেওঁলোকৰ দল আৰু সহকৰ্মীসকলৰ লগত নিজকে খাপ খুৱাই লয় আৰু ইয়াৰ ফলশ্ৰুতিত ইতিহাসৰ বিভিন্ন ক্ষণত একেখিনি মানুহৰ সংস্কৃতিৰ বিভিন্নতা পৰিলক্ষিত হয়।
- **আৱিষ্কাৰ** — আৱিষ্কাৰৰ পৰিণতিতো সংস্কৃতিৰ বিভিন্নতা দেখা যায়। সামাজিক পৰিৱৰ্তন সাধিব পৰা প্ৰযুক্তিগত কৌশল আৰু এইবোৰৰ বিকাশে বিভিন্ন পৰম্পৰা, ৰীতি-নীতি, বিশ্বাস আদিৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে। আৱিষ্কাৰে আমাৰ সাংস্কৃতিক পৰিৱেশক যথেষ্ট পৰিমাণে প্ৰভাৱিত কৰিছে। প্ৰযুক্তিগত দিশৰপৰা উন্নত এখন দেশৰ সংস্কৃতি প্ৰযুক্তিগত ক্ষেত্ৰত অনুন্নত দেশ এখনতকৈ যথেষ্ট পৃথক হ'ব।

- **ব্যক্তিগত গুণ** — কেতিয়াবা ব্যক্তিগত গুণসমূহেও সাংস্কৃতিক আচৰণক প্ৰভাৱিত কৰে। ব্যক্তিগত গুণৰ পৰিণতিতে গান্ধী টুপী আমাৰ সংস্কৃতিলৈ আহিছে। কেতিয়াবা কোনো ব্যক্তিৰ সচেতন প্ৰয়াসে বৰ্তমান প্ৰচলিত কোনো আচৰণৰ পৰিবৰ্তন সাধন কৰিব পাৰে। কোনো অস্বাভাৱিক কাৰ্যৰ বিৰুদ্ধে কৰা সংগ্ৰাম অথবা কোনো ৰাজনৈতিক বা অৰ্থনৈতিক দিশৰ গুৰুত্বপূৰ্ণ পদক্ষেপে এনে সচেতন প্ৰয়াসৰ সৃষ্টি কৰে। ভাৰতীয় মুছলমানসকলৰ মাজত 'ফেজকেপ' (Faz Cap) ৰ পৰা 'জিন্নাহ কেপ' (Jinnah Cap) লৈ হোৱা পৰিৰ্তনৰ অন্তৰালত অৰ্থনৈতিক আৰু ৰাজনৈতিক ঘটনা নিহিত হৈ আছে। খাদীলৈ অহা পৰিবৰ্তনো অৰ্থনৈতিক গুৰুত্বৰে এক ফলশ্ৰুতি।
- **উৎপাদনৰ প্ৰক্ৰিয়াৰ পৰিবৰ্তন** — কাৰ্লমাৰ্ক্সৰ মতে উৎপাদনৰ প্ৰক্ৰিয়া হৈছে কোনো দলৰ সংস্কৃতি, কলা, নৈতিকতা, ৰীতি-নীতি, আইন, সাহিত্য ইত্যাদি নিৰ্ধাৰণৰ একমাত্ৰ প্ৰক্ৰিয়া। উৎপাদনৰ প্ৰক্ৰিয়াৰ কোনো পৰিবৰ্তনে সংস্কৃতিৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। পুঁজিবাদী দেশবোৰৰ সংস্কৃতি সমাজবাদী দেশবোৰতকৈ সদায় পৃথক হয়।
- **প্ৰভাৱশালী সাংস্কৃতি প্ৰক্ৰিয়া** — অ'ৰিক অপলাৰৰ দৃষ্টিভংগী অনুসৰি আগ্ৰহ অথবা প্ৰভাৱশালী প্ৰক্ৰিয়া হৈছে সংস্কৃতিৰ এক গুৰুত্বপূৰ্ণ কাৰক। নাৰীতকৈ পুৰুষৰ স্থান সদায় উচ্চ — এই ধাৰণাক আশ্ৰয় কৰিয়ে ভাৰতীয় সংস্কৃতি গঢ় লৈ উঠিছিল। 'ভূতল' (nether world) ৰ আৰ্হিত ইজিপ্ত গঠিত হৈছিল। সেইদৰে আমেৰিকাৰ সমাজ মুক্ত প্ৰতিষ্ঠান আৰু সমতাৰ ভিত্তিত গঠিত হৈছিল।

ওপৰত কাৰকবোৰে এফালে যিদৰে সংস্কৃতিৰ বিভিন্নতাৰ কাৰণ ব্যাখ্যা কৰে, সেইদৰে বিশ্বজুৰি যে একে সংস্কৃতিৰ প্ৰচলন থকাটো সম্ভৱ নহয়, সেয়াও নিৰ্দেশ কৰে। যদিও সকলো সমাজৰে একেধৰণৰ প্ৰয়োজন থাকে, তথাপিও বিভিন্ন পৰিবেশৰ বাবে তেওঁলোকে তেওঁলোকৰ প্ৰয়োজন পৃথক-পৃথক ৰূপত পূৰণ কৰে।

৩.৫ সংস্কৃতিৰ বৈশিষ্ট্য

সংস্কৃতিৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল —

- **এক আহৰিত প্ৰক্ৰিয়া** — সংস্কৃতি এটা জিনগত বা জৈৰিক প্ৰক্ৰিয়াৰ সলনি ই এক আহৰিত প্ৰক্ৰিয়া। ই কোনো জন্মগত প্ৰক্ৰিয়া নহয়। আমি সাংস্কৃতিক প্ৰক্ৰিয়াসমূহ মাতৃগৰ্ভৰ সলনি সমাজতহে শিকো।
- **সংস্কৃতি এক অংশীদাৰিত্বৰ প্ৰক্ৰিয়া** — সংস্কৃতিৰ আন এক বৈশিষ্ট্য হ'ল যে ইয়াত সমাজৰ সকলো সদস্যৰ অংশীদাৰিত্ব থাকে। সংস্কৃতি কোনো নিৰ্দিষ্ট ব্যক্তিৰ বাবে নহয়; সংস্কৃতি এক সামূহিক প্ৰক্ৰিয়া।
- **সংস্কৃতি এক হস্তান্তৰৰ প্ৰক্ৰিয়া** — সংস্কৃতিৰ এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল যে সংস্কৃতি এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ হস্তান্তৰিত হয়। সংস্কৃতি সদায় এটা প্ৰজন্মৰ পৰা

পৰৱৰ্তী প্ৰজন্মলৈ বাগৰি যায়। আমি আমাৰ সংস্কৃতিৰ বিষয়ে পিতৃ-মাতৃ আৰু আন অগ্ৰজৰ পৰা আহৰণ কৰোঁ।

- **প্ৰতীকী** — সংস্কৃতি প্ৰতীকী ৰূপতো পোৱা যায়। আমি কোনো নৱাগতক আদৰণি জনাবলৈ হাতৰ বিশেষ মুদ্ৰা বা ভংগিমা ব্যৱহাৰ কৰো। সেইদৰে বিভিন্ন অৰ্থ বুজাবলৈ আমি বিভিন্ন ভংগীক ব্যৱহাৰ আৰু এই আটাইবোৰ একোটা সাংস্কৃতিক পৰম্পৰা। সমাজৰ সকলো ব্যক্তি এই প্ৰতীকসমূহৰ বিষয়ে অৱগত। ভাৰতত শিক্ষকে শ্ৰেণীকোঠাত প্ৰৱেশ কৰাৰ লগে লগে ছাত্ৰ-ছাত্ৰীসকল থিয় হয় আৰু এয়া হৈছে সন্মান প্ৰদৰ্শনৰ এক প্ৰতীকী উপায়।
- **ধৰণ** — সংস্কৃতিৰ আন এটা বৈশিষ্ট্য হ'ল ই হৈছে এক সংগঠিত প্ৰক্ৰিয়া। কিন্তু এই ধৰণবোৰ সমাজ ভেদে পৃথক হয়। ঔদ্যোগিক সমাজৰ যি সাংস্কৃতিক ধৰণ সেয়া গ্ৰাম্য সমাজতকৈ পৃথক হয়।
- **অৱলম্বিত বা গৃহীত প্ৰক্ৰিয়া (adoptive)** — মানুহৰ অৱলম্বন বা গ্ৰহণৰ যি বৈশিষ্ট্য, তাৰ ওপৰতে সংস্কৃতি বহু পৰিমাণে নিৰ্ভৰ কৰে। সমাজৰ সকলো লোকে সংস্কৃতিৰ প্ৰতিটো দিশ গ্ৰহণ কৰিব নোৱাৰে। একাংশই সংস্কৃতিৰ আন কিছুমান প্ৰক্ৰিয়া অৱলম্বন কৰাৰ বিপৰীতে আন একাংশই সংস্কৃতিৰ আন কিছুমান প্ৰক্ৰিয়া অৱলম্বন কৰে। গতিকে আহৰিত আৰু অংশীদাৰিত্বৰ লগতে সংস্কৃতি এক অৱলম্বনৰো প্ৰক্ৰিয়া।
- **সামাজিক** — সংস্কৃতি মানৱবিহীন পৰিৱেশত বিকাশ বা হস্তান্তৰ নহয়। যিহেতু ই অংশীদাৰিত্বৰ মূল্যবোধৰ ওপৰত নিৰ্ভৰশীল, গতিকে সংস্কৃতিৰ এক সামাজিক বৈশিষ্ট্যও আছে। মানুহে সমাজৰ সকলো সদস্যৰ এক সাংস্কৃতিক অংশীদাৰিত্বৰ বান্ধোনেৰে বান্ধ খাই থাকে। মানুহৰ মাজতহে মানুহে মানুহ হিচাপে স্বীকৃতি পায় আৰু এই ক্ষেত্ৰত সমাজে স্বীকৃতি প্ৰদান কৰে।
- **বিশ্বজনীন** — সংস্কৃতি এক বিশ্বজনীন প্ৰক্ৰিয়া। সকলো সমাজৰে বিভিন্নতা থকা স্বত্বেও নিজৰ নিজৰ সংস্কৃতি আছে। বিশ্বত এখন সংস্কৃতিবিহীন সমাজ বিচাৰি পোৱাটো অত্যন্ত কঠিন।
- **নিৰন্তৰতা** — সংস্কৃতিৰ আন এক বৈশিষ্ট্য হ'ল — ই এক নিৰন্তৰ প্ৰক্ৰিয়া। সংস্কৃতি অতীতৰ পৰা পৰিলক্ষিত হৈ আহিছে আৰু বৰ্তমানেও চলি আছে। যদিও এই ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়, তথাপিও ইয়াৰ নিৰন্তৰতা অব্যাহত আছে।
- **বিভিন্নতা** — সংস্কৃতি হৈছে এক বিশ্বজনীন নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া। কিন্তু সমাজভেদে ইয়াৰ পাৰ্থক্য পৰিলক্ষিত হয়। আমেৰিকাৰ সংস্কৃতি জাপানী সংস্কৃতিৰ দৰে বিকশিত হোৱা নাই। সেইদৰে ভাৰতৰ সংস্কৃতি পাকিস্তানৰ সংস্কৃতিতকৈ পৃথক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সাংস্কৃতিক বিভিন্নতাৰ তিনিটা কাৰক উল্লেখ কৰক।

প্রশ্ন নং ২ ঃ সংস্কৃতিৰ তিনিটা বৈশিষ্ট্য উল্লেখ কৰক।

৩.৬ সংস্কৃতিৰ কার্যপ্রণালী

ব্যক্তিৰ বাবে সংস্কৃতিৰ বহুতো প্রমূল্যবোধ আছে। সংস্কৃতিয়ে কোনো ব্যক্তিৰ সামাজিক জীৱনত এক গুৰুত্বপূর্ণ উপাদানৰ সৃষ্টি কৰে। ব্যক্তিগত স্তৰত সংস্কৃতিৰ তলত দিয়া প্রণালীসমূহ উল্লেখ কৰিব পাৰি —

- **সংস্কৃতিয়ে মানুহক পুৰুষ আৰু নাৰীৰ স্বীকৃতি প্রদান কৰে** — সংস্কৃতিয়ে মানৰ জীৱক পুৰুষ আৰু নাৰী হিচাপে নির্মাণ কৰে তথা তেওঁলোকৰ আচৰণ নিয়ন্ত্রণ কৰি তেওঁলোকক দলীয় জীৱনৰ বাবে প্রস্তুত কৰে। ই তেওঁলোকক জীৱন ধাৰণৰ এক সামগ্রিক প্রক্রিয়া প্রদান কৰে। তেওঁলোকে কিদৰে আৰু কেনেধৰণৰ খাদ্য গ্রহণ কৰিব লাগে, তেওঁলোকে নিজকে কিদৰে আৰু কেনেধৰণৰ খাদ্য গ্রহণ কৰিব লাগে, তেওঁলোকে নিজকে কিদৰে আবৃত কৰি ৰাখিব লাগে আৰু কিদৰে নিজৰ সহপাঠীৰ লগত আচৰণ কৰিব লাগে, কিদৰে আনৰ সৈতে ভাৰ বিনিময় কৰিব লাগে আৰু কিদৰে আনক সহযোগ বা আনৰ সৈতে প্রতিযোগিতাত অৱতীর্ণ হ'ব লাগে — এই আটাইবোৰৰ শিক্ষা সংস্কৃতিয়ে প্রদান কৰে। সংস্কৃতিৰ পৰা বঞ্চিত কোনো লোকক এজন মানুহ হিচাপে স্বীকৃতি প্রদান কৰিব নোৱাৰি। এজন লোকে সঁচা অর্থত মানুহ হিচাপে স্বীকৃতি লাভ কৰিবলৈ হ'লে সাংস্কৃতিক পৰিক্রমাত জড়িত হ'ব লাগে। মাছে যিদৰে পানীত বাস কৰাটো প্রয়োজনীয় তেনেদৰে মানুহেও এটা সাংস্কৃতিক পৰিক্রমাত বাস কৰাটো প্রয়োজন। চমুকৈ ক'বলৈ গ'লে, এটা যোগাত্মক জীৱন যাপন কৰিবলৈ যিবোৰ গুণাৱলীৰ প্রয়োজন হয়, সেইবোৰ মানুহে সংস্কৃতিৰ পৰা আহৰণ কৰে। ইয়াৰ অবিহনে এজন পুৰুষ বা এগৰাকী নাৰীয়ে জীৱনৰ প্রয়োজন পূৰণৰ স্বকীয় উপায় অৱলম্বন কৰিব লাগিব আৰু ই বহু ক্ষেত্রত অর্থহীন হিচাপে পৰিগণিত হয়।
- **সংস্কৃতিয়ে জটিল প্রক্রিয়াৰ এক সমাধান প্রদান কৰে** — দ্বিতীয়তে, সংস্কৃতিয়ে পুৰুষ বা নাৰীক জটিল সমস্যাৰ বাবে কিছুমান বিশেষ আচৰণ প্রদান কৰে। এই আচৰণে তেওঁক ইমানেই প্রভাৱিত কৰে যে প্রায়ে তেওঁক সামাজিক প্রয়োজনসমূহ পূৰাবলৈ কোনো বাহ্যিক সহায়ৰ প্রয়োজন নহয়। তেওঁৰ আচৰণ স্বতঃস্ফূর্ত হয়। উদাহৰণস্বৰূপে টিকেট বুকিং কাউন্টাৰত অধিক ভিৰ থাকিলে এটা শৃংখলাবদ্ধ শাৰী নির্মাণ কৰা হয়। সংস্কৃতিৰ অবিহনে আমি সাধাৰণ সময়তে যথেষ্ট সমস্যাৰ সন্মুখীন হ'ম। আনকি খাদ্য গ্রহণৰ দৰে সাধাৰণ প্রক্রিয়াটো আমি বহুতো সমস্যাৰ মুখামুখি হ'ম। কোনবোৰ খাদ্যই আমাৰ শৰীৰত

বিষক্রিয়া সৃষ্টি কৰিব পাৰে, সেয়া জনাটো আমাৰ বাবে প্রয়োজনীয় হৈ নাথাকিব। ব্যক্তিয়ে পূর্বনির্মিত ৰীতি-নীতি লাভ কৰে, যিবোৰ তেওঁ অনুকৰণ কৰিব লাগে। হর্তন আৰু হান্টে এই প্রসংগত লিখিছে, "মানুহে জন্মৰ আগৰ পৰা মৃত্যুৰ পিছলৈ সংস্কৃতিৰ হাতত বন্দী হৈ থাকে। তেওঁৰ সংস্কৃতিয়ে তেওঁক আচৰণ সম্পর্কে নির্দেশ প্রদান কৰে, লক্ষ্য ধার্য কৰে আৰু পুৰস্কাৰসমূহ নির্দিষ্ট কৰে। সংস্কৃতি তেওঁৰ মনত এইদৰে প্রৱেশ কৰে যে তেওঁ সেইসমূহ দেখা পায়, যিবোৰ তেওঁ দেখা পাব লাগে; সেইবোৰ সপোন দেখে, যিবোৰ দেখিব লাগে আৰু তেনেদৰে ভোক লাগে, যিদৰে তেওঁ খাব লাগে। তেওঁ এইদৰে ভাবিব পাৰে যে তেখেতে নিজে নিজৰ ইচ্ছা-অনিচ্ছা, লক্ষ্যসমূহ ধার্য কৰিছে; কিন্তু প্রকৃততে এই আচাইবোৰ এটা সংস্কৃতিৰ পৰিসৰৰ ভিতৰতে অন্তর্ভূক্ত হয় আৰু সংস্কৃতিয়ে বিচৰা ধৰণে পৰিচালিত হয়।"

- **সংস্কৃতিয়ে নির্দিষ্ট পৰিস্থিতিৰ পৰম্পৰাগত ব্যাখ্যা আগবঢ়ায়** — শেষত সংস্কৃতিৰ জৰিয়তে ব্যক্তিয়ে বিভিন্ন পৰিস্থিতিৰ পৰম্পৰাগত ব্যাখ্যা লাভ কৰে আৰু ইয়াৰ জৰিয়তেই তেওঁৰ আচৰণ নির্ধাৰিত হয়। যদি যাত্রাৰ পূর্বে এটা মেকুৰী পাৰ হৈ যায়, তেন্তে তেওঁ নিজৰ যাত্রা স্থগিত ৰাখে। ঘৰৰ চালত ফেঁচা পৰি থকা দেখিলে তেওঁ ইয়াক অশুভ লক্ষণ হিচাপে গণ্য কৰে। অৱশ্যে মন কৰিবলগীয়া যে এই পৰম্পৰাগত ব্যাখ্যাসমূহ সংস্কৃতি ভেদে পৃথক হয়।

দলীয় স্তৰত কার্যপ্রণালী

- সংস্কৃতিয়ে সামাজিক সম্পর্ক বর্তাই ৰাখে। সংস্কৃতি কেৱল ব্যক্তিৰ বাবেই যে গুৰুত্বপূর্ণ তেনে নহয়; ই যিকোনো দলৰ বাবে প্রয়োজনীয়। সংস্কৃতি নাথাকিলে কোনো দলীয় জীৱনৰ সৃষ্টি নহ'লহেঁতেন। সংস্কৃতি হৈছে প্রমূল্যবোধ আৰু আদর্শ নির্ধাৰণৰ আর্হি আৰু নির্দেশক। আচৰণৰ সঞ্চালনৰ জৰিয়তে তেওঁলোকে তেওঁলোকৰ মৌলিক প্রয়োজন যেনে ক্ষুধা, বাসস্থান আৰু যৌন কামনাৰ প্রয়োজন পূৰণ কৰিব পাৰে। প্রকৃততে সংস্কৃতি অবিহনে জীৱন অধিক দুখময় আৰু প্রত্যাহ্বানজনক হৈ পৰিব। ব্যক্তিয়ে তেওঁলোকৰ আচৰণ সামাজিতভাৱে অ-গ্রহণযোগ্য নহয় বাবে সামাজিক স্তৰত কৰাৰ দৰে আচৰণ কৰে। সংস্কৃতিয়ে যুক্তিহীন আচৰণ নিয়ন্ত্রিত কৰে। স্কুলীয়া শিক্ষা বা প্রশিক্ষণৰ দৰে সাংস্কৃতিক কার্যবোৰে মানুহৰ যুক্তিহীন আচৰণৰ সম্ভৱনা হ্রাস কৰে। দলৰ সদস্যসকলৰ সচেতনতা থকা স্বত্ত্বেও এটা সময়ত এজনে আনজনৰ লগত জীৱনৰ মূল্যবান বস্তু বা প্রতিপত্তিৰ বাবে প্রতিযোগিতাত অৱতীর্ণ হয়। অৱশ্যে তেওঁলোকক সংস্কৃতিয়ে সামাজিক সম্পর্ক বর্তাই ৰাখে। দলীয় মনোভাৱ বহু পৰিমাণে সংস্কৃতিৰ ওপৰত নির্ভৰশীল হয়।
- সংস্কৃতিয়ে ব্যক্তিৰ জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰে। সংস্কৃতিয়ে সহযোগিতাৰ এক নতুন মূল্যবোধ প্রদান কৰি ব্যক্তিক এক নব্য দৃষ্টিভংগী প্রদান কৰে। ব্যক্তিগৰাকীয়ে নিজৰ উপৰিও আনৰ কথাও ভাৱে। সংস্কৃতিয়ে নিজকে এক বৃহৎ প্রক্রিয়াৰ অংশ হিচাপে ভাবিবলৈ শিকায়।

সংস্কৃতিয়ে ব্যক্তিক পৰিয়াল, দেশ, ৰাজ্য, গোষ্ঠী আদিৰ ধাৰণা প্ৰদান কৰি সহযোগিতা আৰু শ্ৰমৰ বিভাজন সম্ভৱ কৰি তোলে।

৩.৭ সংস্কৃতিৰ প্ৰকাৰ

- **জনপ্ৰিয় সংস্কৃতি আৰু সাৰ্বজনিক সংস্কৃতি**

জনপ্ৰিয় সংস্কৃতি আৰু সাৰ্বজনিক সংস্কৃতি এটাৰ লগত আনটো সম্পৰ্কিত।

Pop Culture হিচাপে জনাজাত জনপ্ৰিয় সংস্কৃতি হৈছে বিংশ শতিকাৰ আগভাগৰ পশ্চিমীয়া সংস্কৃতি আৰু বিংশ শতিকাৰ শেষৰপৰা একবিংশ শতিকাৰ আদি ভাগলৈ ব্যাপক হাৰত সংঘটিত হোৱাৰ বিশ্বায়নৰ ফলত সৃষ্ট ধাৰণা, দৃষ্টিভংগী, মনোভাৱ, কৌতুক, ছবি আৰু অন্যান্য প্ৰক্ৰিয়া যিবোৰে মূল সংস্কৃতিৰ লগত অনানুষ্ঠানিক স্বীকৃতি লাভ কৰিছে।

সাৰ্বজনিক সংস্কৃতিয়ে ব্যাপক হাৰত উৎপাদন, বিতৰণ আৰু বাণিজ্যিকীকৰণ কৰা সাংস্কৃতিক নিৰ্দেশ কৰে। এই সংস্কৃতিয়ে ব্যক্তিৰ উদাৰ মনোভাৱক পুনৰুৎপাদন কৰাৰ লগতে ক্ৰেতা হিচাপে এজন নাগৰিকৰ দৃষ্টিভংগীক বিচাৰ কৰি চায়। সাৰ্বজনিক সংস্কৃতি হৈছে এনে কিছুমান মূল্যবোধ আৰু ধাৰণাৰ সমষ্টি, যিবোৰ একে সাংস্কৃতিক কাৰ্য, যোগাযোগ, গণসংযোগ, সংগীত আৰু কলা আদিৰ ভিত্তিত গঠিত জনসাধাৰণৰ সাধাৰণ আচৰণৰ ওপৰত গঢ় লৈ উঠে।

- **বস্তুগত সংস্কৃতি**

যিবোৰ সংস্কৃতি বা সাংস্কৃতিক উপাদান খালী চকুৰে দেখা পোৱা যায়, সেইবোৰক বস্তুগত সংস্কৃতি আখ্যা দিয়া হয়। মালিকীস্বত্বৰ হস্তান্তৰ বস্তুগত সংস্কৃতিৰ এক প্ৰধান লক্ষণ। উদাহৰণস্বৰূপে আমি অট্টালিকা, গাড়ী, যন্ত্ৰ আৰু আচবাব আদি দেখা পাওঁ। এই বস্তুবোৰৰ একোগৰাকী মালিক থাকে আৰু মানুহে নিজৰ মতে ইয়াক কিনিব বা বিক্ৰী কৰিব পাৰে। এই বস্তুগত সংস্কৃতিবোৰক মানৱ নিৰ্মিত উপাদন আখ্যা দিয়া হয় আৰু এইবোৰ সময় অনুসৰি পৰিৱৰ্তন হয়। বস্তুগত সংস্কৃতিত বিভিন্ন প্ৰযুক্তিগত সামগ্ৰী যেনে মোবাইল, লেপটপ, ইলেক্ট্ৰিক ফেন আদিও অন্তৰ্ভুক্ত হয়।

- **অ-বস্তুগত সংস্কৃতি**

অ-বস্তুগত সংস্কৃতি বস্তুগত সংস্কৃতিৰ সম্পূৰ্ণ বিপৰীত। এইবোৰ খালী চকুৰে চাব নোৱাৰি আৰু এইবোৰৰ কোনো মালিকীস্বত্ব নাথাকে। নীতি, পৰম্পৰা, লোকসংস্কৃতি, মূল্যবোধ আদি হৈছে অ-বস্তুগত সংস্কৃতিৰ উদাহৰণ। এই প্ৰাকৃতিক, আভ্যন্তৰীণ আৰু আমাৰ বাবে যথেষ্ট গুৰুত্বপূৰ্ণ। আমি ভাষা ব্যৱহাৰ কৰি আনৰ সৈতে যোগাযোগ স্থাপন কৰোঁ। মনোভাৱ, অভিনয়, দৃষ্টিভংগী, অনুভৱ আদিৰ লগত জড়িত হৈ থকা সকলোবোৰ দিশেই অ-বস্তুগত সংস্কৃতি।

মন কৰিবলগীয়া যে বস্তুগত আৰু অ-বস্তুগত হিচাপে সংস্কৃতি এই বিভাজন সকলো সমাজতাত্ত্বিক আৰু নৃতাত্ত্বিকে মানি নলয়।

৩.৮ সাংস্কৃতিক স্থবিৰতা (CULTURAL LOG)

সংস্কৃতিৰ স্থবিৰতা ধাৰণা আৰু তত্ত্বটো জনপ্ৰিয় সমাজতাত্ত্বিক উইলিয়াম এফ অ'গবার্ণে আগবঢ়াইছিল। তেওঁৰ মতে, সমাজ এখনত বস্তুগত সংস্কৃতি আৰু অ-বস্তুগত সংস্কৃতিৰ মাজত এক প্ৰভেদ পৰিলক্ষিত হয়। এইদৰে বস্তুগত সংস্কৃতিয়ে অ-বস্তুগত সংস্কৃতিৰ সমানে সমানে আগবাঢ়িব নোৱাৰাই হ'ল সাংস্কৃতিক স্থবিৰতা।

পৰিবর্তন এক প্ৰাকৃতিক প্ৰক্ৰিয়া। আমি সকলো দিশে পৰিবর্তন দেখো। কোনো লোকে এই পৰিবর্তনৰ পৰা আঁতৰি থাকিব নোৱাৰে। পৰিবর্তনৰ এই পৰিঘটনাটো বস্তুগত আৰু অ-বস্তুগত উভয় সংস্কৃতিৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। ঘৰ, গাড়ী,স্থাপত্য, আচবাব, কাপোৰ, পৰম্পৰাগত বিশ্বাস, ৰীতি-নীতি, বিবাহ প্ৰথা, জীৱন ধাৰণৰ মানদণ্ড আদি সকলো পৰিবর্তন হয়। ইয়াৰে কিছুমান বস্তুগত হোৱাৰ বিপৰীতে আন কিছুমান অ-বস্তুগত। নিশ্চিতভাৱে বস্তুগত সংস্কৃতি অ-বস্তুগত সংস্কৃতিতকৈ অধিক ত্বৰিৎ গতিত পৰিবর্তন হয়। ইয়াৰ ফলশ্ৰুতিত অ-বস্তুগত সংস্কৃতি বস্তুগত সংস্কৃতিকৈ সদায় পিছপৰি ৰয় আৰু এই ঘটনাক সংস্কৃতিৰ সমাজতত্ত্বত সাংস্কৃতিক স্থবিৰতা বোলা হয়।

অ'গবার্ণে যুক্তি দৰ্শাই কৈছে যে বস্তুগত আৰু অ-বস্তুগত সংস্কৃতিৰ পৰিবর্তন একে সময়তে উদ্ভৱ নহয়। তেওঁৰ মতে, বস্তুগত সংস্কৃতিৰ পৰিবর্তন অ-বস্তুগত সংস্কৃতিৰ বাবে পথ-প্ৰদৰ্শক স্বৰূপ। ৰাতি-নীতি, সামাজিক নিয়ম-নীতি আদি অ-বস্তুগত সংস্কৃতিৰ তুলনাত দৈনন্দিন জীৱনত ব্যৱহৃত সাজপাৰ, গাড়ী আদি বস্তুগত সংস্কৃতিৰ উপাদানসমূহ অধিক ক্ষিপ্ৰ গতিত পৰিবর্তন হয়।

৩.৯ সংস্কৃতি আৰু সভ্যতাৰ মাজৰ পার্থক্য

বহু লিখকে সংস্কৃতি আৰু সভ্যতা এটাক আনটোৰ সমার্থক হিচাপে ব্যৱহাৰ কৰে। কিন্তু এই শব্দ দুটা সমার্থক নহয়। উভয় শব্দৰে পৃথক অর্থ আছে। সংস্কৃতিৰ বাহ্যিক ৰূপটো হ'ল সভ্যতা। এই সম্বন্ধে কিছু পার্থক্য তলত উল্লেখ কৰা হ'ল —

- সংস্কৃতি হৈছে আভ্যন্তৰীণ আৰু সভ্যতা হৈছে এক বাহ্যিক প্ৰক্ৰিয়া। সংস্কৃতি দৃষ্টিগোচৰ নহয় যদিও আমি সাংস্কৃতিক অনুভৱ কৰিব পাৰোঁ আৰু এই দিশৰপৰা সংস্কৃতি এক আভ্যন্তৰীণ প্ৰক্ৰিয়া। আমি সামাজিক সমৰূপতাৰ বাবে সংস্কৃতি মানি চলো। আনহাতে সভ্যতা হৈছে বাহ্যিক, কিয়নো সভ্যতাৰ বিভিন্ন দিশ যেনে উচ্চ অট্টালিকা, সুৰক্ষাৰ বাবে অত্যাধুনিক মাৰণাস্ত্ৰ আদি আমি চাব পাৰোঁ। সভ্যতাৰ বাহ্যিক ৰূপৰ উদাহৰণ আছে। কিন্তু ইয়াৰ অন্তৰালত নিহিত কৌশল আৰু সঁজুলিয়ে হৈছে সংস্কৃতি।
- সংস্কৃতিৰ তুলনাত সভ্যতাৰ পৰিবর্তন আৰু বিকাশ যথেষ্ট দ্ৰুত। গাড়ী, অস্ত্ৰ আদিৰ পৰিবর্তন আৰু বিকাশ ৰীতি-নীতি, পৰম্পৰা, মূল্যবোধ আদিৰ তুলনাত সদায় বেছি।
- আমি সভ্যতাহে পৰিমাপ কৰিব পাৰোঁ। সভ্যতাৰ বিভিন্ন স্তৰ বিভাজনৰ দ্বাৰা আমি

ইয়াৰ বিকাশৰ হাৰ নির্ধাৰণ কৰিব পাৰোঁ। পৰম্পৰাগত সঁজুলি আৰু অপৈণত বীজেৰে সৈতে খেতি কৰিবলৈ ৰুগীয়া আৰু দুর্বল গৰু ব্যৱহাৰ কৰা হৈছিল। প্রকৃতিৰ ওপৰত অধিক নির্ভৰশীলতা নিম্ন উৎপাদনৰ আন এটা কাৰণ। কিন্তু বর্তমানৰ সভ্যতাত আধুনিক সঁজুলি, বীজ, জলসিঞ্চন, সাৰ, কীটনাশক আদিৰ ব্যৱহাৰৰ জৰিয়তে উৎপাদন যথেষ্ট বৃদ্ধি পাইছে। এইদৰে সভ্যতা নির্ণয় কৰিব পাৰি। কিন্তু ধাৰণা, কৌশল আৰু নীতি-নিয়ম পৰিমাপ কৰাটো সহজ নহয়। গণতন্ত্র, সাম্যবাদ অথবা ব্যক্তিগতকৰণৰ ভিতৰত কোনটো ভাল সেয়া আমি ধার্য কৰিব নোৱাৰোঁ।

- সংস্কৃতি আৰু সভ্যতাৰ চতুর্থটো পার্থক্য উভয়ৰে অৱদানৰ কার্যকাৰিতাৰ মাজত পোৱা যায়। সভ্যতাৰ বিভিন্ন অৱদান যেনে গাড়ী, প্লেট, এৰ'প্লেন আদিৰ সুবিধা সকলোৱে উপভোগ কৰে। কিন্তু একে ঘটনা সংস্কৃতিৰ ক্ষেত্রত পৰিলক্ষিত নহয়। সাংস্কৃতিক অবদানসমূহ বিশ্বৰ প্রতিটো প্রান্তত সমানে গ্রহণযোগ্য নহয়।
- সভ্যতা জীৱনৰ ধাৰণৰ প্রক্রিয়াৰ লগত সম্পর্কিত। বিভিন্ন ধৰণৰ প্লেট, গাড়ী, মেচিন, উদ্যোগ, আচবাব পৰিলক্ষিত হয়। কিন্তু সংস্কৃতি হৈছে এক অনুভৱ আৰু বোধগম্যতাৰ প্রক্রিয়া। আমি আমাৰ সংস্কৃতি প্রতিষ্ঠিত ৰীতি-নীতিৰ জৰিয়তে প্রকাশ কৰাৰ লগতে প্রায়ে আমাৰ চিন্তা বিশ্বাস ইত্যাদিবোৰ প্রদর্শন কৰিবলৈ ভাষা বা অন্য প্রতীক ব্যৱহাৰ কৰোঁ।
- সংস্কৃতিত উভয় বস্তুগত আৰু অ-বস্তুগত দিশ অন্তর্ভূক্ত হয়। বস্তুগত সংস্কৃতিয়ে চকুৰে চাব পৰা বস্তুগত উপাদানবোৰক নির্দেশ কৰাৰ বিপৰীতে অ-বস্তুগত সংস্কৃতিয়ে চকুৰে চাব নোৱাৰা অথচ বুজি পোৱা অ-বস্তুগত উপাদানবোৰক সূচিত কৰে। সভ্যতাত সমাজৰ কেবল বস্তুগত দিশবোৰহে অন্তর্ভূক্ত হয়। এইবোৰ চকুৰে চাব পাৰি। অ-বস্তুগত সংস্কৃতিয়ে মানৱ সভ্যতাৰ এটা ৰূপ প্রকাশ কৰে।
- সভ্যতা সদায় উর্ধমুখী। ই সদায় আগলৈ গতি কৰে। উদাহৰণস্বৰূপে কম সময়ৰ ভিতৰতে নতুন প্রযুক্তিৰ অসংখ্য আহিলা বজাৰলৈ আহিছে যদিও সমাজত প্রচলিত কোনো ৰীতি বা পৰম্পৰা পৰিবর্তনৰ বাবে বহু বছৰ লাগে।

যদিও সভ্যতা আৰু সংস্কৃতিৰ মাজত বহুতো পার্থক্য আছে, তথাপিও এইবোৰৰ মাজত এক ওচৰ সম্পর্কও পৰিলক্ষিত হয়। আমি সংস্কৃতি আৰু সভ্যতা কোনোটোকে এককভাৱে আলোচনা কৰিব নোৱাৰোঁ।

৩.১০ সংস্কৃতি আৰু সমাজৰ মাজৰ সম্পর্ক

ব্যক্তিত্ব হৈছে কোনো এগৰাকী ব্যক্তিৰ ওচৰত থকা আৰু অভিজ্ঞতা থকা সকলো দিশ। কোনো ব্যক্তি বা বস্তুৰ অৱলম্বন কৰি কোনো কার্য সমাপন, আয়ত্ব, চিন্তা আৰু অনুভৱ কৰাৰ এক নির্দিষ্ট মনোভাৱ আৰু অভ্যাসে হৈছে ব্যক্তিত্ব। ব্যক্তিত্ব হৈছে সাংস্কৃতিক পৰিৱেশৰ

ফলশ্রুতি যাৰ ভিত্তিত ব্যক্তিয়ে জীৱন নির্বাহ আৰু কার্য সমাপন কৰে।

প্রতিগৰাকী ব্যক্তিয়ে এক নির্দিষ্ট সামাজিক সাংস্কৃতিক পৰিক্রমাত জন্ম গ্রহণ কৰে। কিন্তু তেওঁ সামাজিক জীৱ হিচাপে জন্ম গ্রহণ নকৰে। গতিকে সংস্কৃতিৰ ধৰণে কোনো ব্যক্তিৰ ব্যক্তিত্ব গঠন কৰে। মাছে যিদৰে পানীত বাস কৰে, তেনেদৰে এই প্রক্রিয়াটোও প্রাকৃতিক আৰু অনিবার্য। গতিকে মানুহে এক সাংস্কৃতিক পৰিৱেশত বাস কৰাটোৱে এক প্রাকৃতিক আৰু অনিবার্য প্রক্রিয়া। গতিকে কোনো লোকৰ ধাৰণা, মনোভাৱ, মূল্যবোধ আন এজনে কিদৰে অনুসৰণ আৰু গ্রহণ কৰিব, সেয়া সংস্কৃতিয়ে নির্ধাৰণ কৰে। কোনো ব্যক্তিয়ে তেওঁ জন্মগ্রহণ কৰা সাংস্কৃতিক পৰিৱেশৰ পৰা আঁতৰি স্বাধীনভাৱে ব্যক্তিত্ব গঠন কৰিব নোৱাৰে। সকলো ক্ষেত্রতে সংস্কৃতিৰ এক উপাদান থাকে যিয়ে ব্যক্তিয়ে কিদৰে আচৰণ কৰি এজন মানুহ হিচাপে পৰিগণিত হ'ব, তাৰ নির্দেশ প্রদান কৰে।

যিহেতু মূল্যবোধসমূহ সমাজ ভেদে বেলেগ-বেলেগ হয়, সেয়েহে আমি ব্যক্তিত্বৰো পার্থক্য দেখিবলৈ পাওঁ। পৃথক সংস্কৃতিয়ে প্রায়ে পৃথক ব্যক্তিত্বৰ ৰীতি ধার্য কৰে। এখন সমাজে যদি প্রতিযোগিতাৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰে, তেন্তে আন এখনে সহযোগিতা বিচাৰে। ভাৰত, ব্রিটেইন আৰু অন্যান্য দেশত কোনো উচ্চ প্রতিপত্তিসম্পন্ন ব্যক্তিৰ প্রতি কৰা ফুচ্-ফুচনিক যথেষ্ট বেয়া আচৰণ আৰু অসন্মান হিচাপে গণ্য কৰা হয়। ভাৰতত হিন্দু আৰু মুছলমানৰ ধর্মীয় মূল্যবোধক কেন্দ্র কৰি গঢ়ি উঠা ব্যক্তিত্ব পশ্চিমীয়া দেশৰ অধিক ব্যৱহাৰিক ধর্মীয় মূল্যবোধৰ পৰিণতিত গঢ়ি উঠা ব্যক্তিত্বতকৈ যথেষ্ট পৃথক।

অৱশ্যে ভাৰতীয়সকলৰ সকলো সমানে ধার্মিক নহয়। ইয়াৰ কাৰণ হ'ল কোনোলোক সাধাৰণ সংস্কৃতিৰ লগত পৰিচিত হোৱাৰ লগতে অন্য সমান্তৰাল সংস্কৃতি যেনে আঞ্চলিক, শ্রেণীগত সংস্কৃতিৰো মুখামুখি হয়। প্রতিটো দলৰে পৃথক মূল্যবোধ থাকে। অন্য ভাষাত ক'বলৈ গ'লে এক জাতীয় সংস্কৃতিৰ অন্তৰালত বহুতো উপ-সংস্কৃতি থাকে। ভাৰতৰ খ্রীষ্টান, মুছলিম অথবা আদিবাসী লোকসকলৰ সামগ্রিক ভাৰতীয় সংস্কৃতিৰ অধীনত এক স্বকীয় পৃথক সংস্কৃতি আছে। ব্যক্তিত্ব হৈছে সমাজৰ সামগ্রিক সংস্কৃতিৰ এক প্রক্রিয়া যিটো উপ-সংস্কৃতিৰ প্রভাৱত পৰিবর্তিত হয়। উভয় লিংগ আৰু বিভিন্ন বয়সৰ মানুহে বহুতো কথা সাধাৰণভাৱে শিকে যদিও সমান্তৰালভাৱে তেওঁলোক প্রত্যেকেই নির্দিষ্ট কিছুমান ভূমিকাৰ বিষয়ে আয়ত্ব কৰে। গ্রাম্য আৰু চহৰাঞ্চল — উভয় জীৱনে বিভিন্ন চিন্তা, অনুভৱ, অভিনয় আৰু অধিকাৰযুক্ত পৃথক লোক নির্মাণ কৰে।

চমুকৈ ক'বলৈ গ'লে, ব্যক্তি হৈছে তেওঁ, যি সংস্কৃতিত জন্ম গ্রহণ কৰে আৰু তাৰ ফলশ্রুতি। অৱশ্যে ইয়াৰ অর্থ এয়া নহয় যে সংস্কৃতিয়ে মানৱ জীৱনৰ প্রতিটো দিশ ধার্য কৰে। তথাপিও সংস্কৃতি আৰু ব্যক্তিত্বৰ মাজত এক গভীৰ সম্পর্ক আছে যিটোক আমি কেতিয়াও আওকাণ কৰিব নোৱাৰোঁ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সংস্কৃতিৰ প্রভাৱ দুটা উল্লেখ কৰক।

প্রশ্ন নং ৪ ঃ সাংস্কৃতিক স্থবিৰতাৰ ধাৰণাটো কোনে প্রদান কৰিছিল?



৩.১১ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সংস্কৃতি হৈছে জীৱনৰ এক প্রক্রিয়া।
- ই নিজৰ পৰিসৰ প্রতিটো দিশ সামৰি লয়।
- সংস্কৃতি আমাৰ সভ্যতাৰ অন্তৰালত নিহিত হৈ আছে।
- সংস্কৃতি হৈছে এখন দেশ, এটা দল বা এক নির্দিষ্ট সময়ৰ বৈশিষ্ট্য।



৩.১২ অধিক জানিবলৈ

- Haralambos, M.G. Heald M.R. 1980. Sociology. "Themes and Perspectives, Delhi, Oxford University Press
- Turner H. Jonathan. 1987. The Structure of Sociological Theory. Jaipur, Rawat Publications.



৩.১৩ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ঐতিহাসিক দুর্ঘটনা, ভৌগোলিক পৰিৱেশ, মানুহৰ সক্রিয়তা

২ নং প্রশ্নৰ উত্তৰ ঃ অংশীদাৰিত্ব, প্রতীকী, ধৰণ

৩ নং প্রশ্নৰ উত্তৰ ঃ জনপ্রিয় সংস্কৃতি আৰু সার্বজনিক সংস্কৃতি

৪ নং প্রশ্নৰ উত্তৰ ঃ উইলিয়া এফ. অ'গবার্ণ



৩.১৪ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰৰ প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সংস্কৃতি বুলিলে কি বুজা যায়?

প্ৰশ্ন ২ ঃ বস্তুগত সংস্কৃতি বুলি কি বুজা যায়?

(খ) দীঘল উত্তৰৰ প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সংস্কৃতিৰ কাৰ্যাৱলী আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সংস্কৃতি আৰু সমাজৰ মাজৰ সম্পৰ্ক ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ৪ ঃ সামাজিকৰণ

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৫.২ পৰিচয়
৪.৩ সামাজিকৰণৰ অর্থ
৪.৩.১ সামাজিকৰণৰ প্রকাৰ
৪.৪ সমাজত সামাজিকৰণৰ গুৰুত্ব
৪.৫ সামাজিকৰণৰ মাধ্যমসমূহ
৪.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.৭ অধিক জানিবলৈ
৪.৮ অগ্রগতিৰ খতিয়ান
৪.৯ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিকৰণৰ ধাৰণাৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব
- সমাজত সামাজিকৰণৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সামাজিকৰণৰ বিভিন্ন সংস্থাসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব।

৪.২ পৰিচয়

আমি এখন সমাজত জন্মগ্রহণ কৰিছোঁ। কোনো ব্যক্তিৰ প্রকৃতি গঠনৰ ক্ষেত্রত সমাজে যথেষ্ট গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। আমাৰ প্রকৃতি বা ব্যক্তিত্ব সামাজিক গাঁথনিৰ দ্বাৰা বহু পৰিমাণে প্রভাৱিত তথা গঠিত হয়। সমাজৰ নির্দিষ্ট কিছুমান নীতি-নিয়ম আছে। উদাহৰণস্বৰূপে, যেতিয়া আমাক কোনো জ্যেষ্ঠ ব্যক্তিৰ লগত পৰিচিত কৰায়, তেতিয়া তেওঁলোকৰ প্রতি সন্মান প্রদর্শন কৰিবলৈ আৰু তেওঁলোকৰ আশীর্বাদ ল'বলৈ আমাক শিকোৱা হয়। এনে আচৰণ আমাক আমাৰ পৰিয়াল বা জ্যেষ্ঠজনে শিকায়। ইয়াক সামাজিকৰণৰ প্রক্রিয়া আখ্যা দিয়া হয়। এই প্রক্রিয়াৰ জৰিয়তে আমাক কোনো সামাজিক অৱস্থাত এক নির্দিষ্ট ধৰণে আচৰণ কৰিবলৈ শিকোৱা হয়। ই কোনো সমাজৰ সদস্য হিচাপে মিলাপ্রীতিৰ ভাৰ জগাই তোলাৰ বাবে প্রয়োজনীয়। প্রস্তাৱিত এই অধ্যায়ত আমি সামাজিকৰণৰ ধাৰণা, ইয়াৰ গুৰুত্ব আৰু এই প্রক্রিয়াৰ লগত জড়িত সংস্থাসমূহৰ বিষয়ে আলোচনা কৰিম। প্রথমে, সামাজিকৰণৰ অর্থ আলোচনা কৰা হ'ল।

৪.৩ সামাজিকৰণৰ অর্থ

সামাজিকৰণ হৈছে এনে এক গুৰুত্বপূর্ণ প্রক্রিয়া (ই মূলতঃ এক অচেতন প্রক্রিয়া), যাৰ জৰিয়তে এটা সদ্যজাত কেঁচুৱাই সমাজত প্রচলিত মূল্যবোধ, বিশ্বাস, ৰীতি-নীতি, নিয়ম আদিৰ বিষয়ে শিকে। সামাজিকৰণৰ এই প্রক্রিৰয়াটো কেঁচুৱাৰ জন্মৰ লগে-লগে আৰম্ভ হয়। এটা কেঁচুৱাই সর্বপ্রথমে মাকৰ সংস্পর্শলৈ আহে। কেঁচুৱাই অভিভাৱক আৰু পৰিয়ালৰ সদস্যসকলৰ সংস্পর্শলৈ অহাৰ ফলত প্রথমাৱস্থাৰ সামাজিকৰণৰ প্রক্রিয়াটো পৰিয়ালৰ গাঁথনিৰ ভিতৰতে আৰম্ভ হয়। পাঁচ বছৰ বয়স পোৱালৈ শিশুটোৰ এক নির্দিষ্ট ৰূপত আচৰণ গঠন হয় আৰু ইয়াৰ ভেটি সামাজিকৰণ প্রক্রিয়াই নির্মাণ কৰে। এইদৰে এটা শিশুৱে সামাজিক গাঁথনিৰ সৈতে জড়িত হৈ পৰে।

গতিকে, সামাজিকৰণ হৈছে এটা মৌলিক সামাজিক প্রক্রিয়া, যাৰ জৰিয়তে এগৰাকী ব্যক্তিয়ে কোনো দলৰ সংস্কৃতি আহৰণ আৰু দলত তেওঁৰ ভূমিকাৰ বিষয়ে অবগত হৈ সামাজিক দলটোৰ অংশ হৈ পৰে। সামাজিকৰণত তিনিটা বিশেষ প্রক্রিয়াৰ বিষয়ে শিকাৰ ওপৰত গুৰুত্ব প্রদান কৰা হয় —

ক) জ্ঞান সম্বন্ধীয় (cognitive)

খ) অনুভূতি সম্বন্ধীয় (affective)

গ) মূল্যায়ন সম্বন্ধী (Evaluative)

অন্য ভাষাত ক'বলৈ গ'লে, সামাজিকৰণে ঘটনাসমূহ কিদৰে সংঘটিত হয়, তাৰ জ্ঞান আৰু সমাজৰ অন্যান্য সদস্যৰ লগত প্রতিষ্ঠিত আবেগিক সম্পর্কক সামৰি লয়। গতিকে সামাজিকৰণে এজন ব্যক্তিক এনেদৰে প্রস্তুত কৰি তোলে যাতে তেওঁ সমাজত নিজৰ দায়িত্ব পালন কৰিব পাৰে।

মেক্লেভাৰৰ মতে সামাজিকৰণ হৈছে এনে এক প্রক্রিয়া, যাৰ জৰিয়তে সামাজিক জীৱবোৰে ইজনে - আনজনৰ প্রতি অধিক ধাৰণা গ্রহণ কৰিব পাৰে তথা নিকট আৰু ব্যাপক অনুষ্ঠানৰ জটিল গাঁথনি নির্মাণ কৰে।

গিলিন আৰু গিলিনে লিখিছে, "সামাজিকৰণ হৈছে এনে এক প্রক্রিয়া, যাৰ জৰিয়তে ব্যক্তিয়ে কোনো দলৰ ধৰণৰ প্রতি আনুগত্য প্রকাশ কৰি, ইয়াৰ পৰম্পৰা মানি চলি আৰু নিজকে সামাজিক অৱস্থাৰ লগত খাপ খুৱাই দলটোৰ মানদণ্ড অনুসৰি এজন সক্রিয় সদস্য হিচাপে আত্মপ্রকাশ কৰে।"

হর্তন আৰু হান্টৰ ব্যাখ্যা অনুসৰি, "সামাজিকৰণ হৈছে আন এক প্রক্রিয়া য'ত এজনে তেওঁৰ দলৰ নীতি-নিয়মসমূহৰ লগত পৰিচিত হয়, যাতে তেওঁৰ স্বকীয় ব্যক্তিত্ব প্রকাশ পায়।"

বোগার্ডাচৰ মতে, "সামাজিকৰণ হৈছে সেইটো প্রক্রিয়া যাৰ সহায়ত এজন ব্যক্তিয়ে সামাজিক জীৱ হিচাপে আত্মপ্রকাশ কৰে।" অ'বার্ণে সামাজিকৰণক 'কোনো ব্যক্তিয়ে কোনো দলৰ ৰীতি-নীতি মানি চলাৰ এক প্রক্রিয়া' আখ্যা দিছে।

পীটাৰ ৰৰ্হলীয়ে সামাজিকৰণৰ বিষয়ে ব্যাখ্যা আগবঢ়াই কৈছে যে, "ই হৈছে সংস্কৃতি হস্তান্তৰৰ এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে মানুহে কোনো সামাজিক দলৰ নীতি-নিয়ম আৰু আচৰণৰ বিষয়ে শিকিব পাৰে।"

হেৰি এম. জনচন মতে সামাজিকৰণ হৈছে, "এক প্ৰক্ৰিয়া, যিয়ে শিকাৰুক সামাজিক নীতি-নিয়ম মানি চলিবলৈ শিকায়।" তেওঁ আকৌ কৈছে যে "ই হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে ব্যক্তিয়ে কোনো দলৰ ইতিমধ্যে প্ৰতিষ্ঠিত সংস্কৃতি আহৰণ কৰে।"

আৰ্ণল্ড গ্ৰীণে সামাজিকৰণক সাংস্কৃতিক বিষয় তথা নিজৰ স্বৰূপ আৰু ব্যক্তিত্ব আহৰণৰ এক প্ৰক্ৰিয়া বুলি কৈছে।

লণ্ডবাৰ্গৰ মতে, "সামাজিকৰণ হৈছে এন এক জটিল প্ৰক্ৰিয়া যাৰ জৰিয়তে ব্যক্তিয়ে কোনো দল আৰু সম্প্ৰদায়ত অংশগ্ৰহণ কৰিবলৈ প্ৰয়োজনীয় অভ্যাস, বিশ্বাস, কৌশল আৰু সিদ্ধান্ত গ্ৰহণৰ মানদণ্ড বিষয়ে শিকে।"

কিম্‌বল য়ঙে লিখিছে, "সামাজিকৰণৰ অৰ্থ হ'ল কোনো ব্যক্তিক সামাজিক আৰু সাংস্কৃতিক জগতত অন্তৰ্ভুক্ত কৰাৰ এক প্ৰক্ৰিয়া, লগতে ই হৈছে তেওঁলোকক সমাজ আৰু সমাজৰ বিভিন্ন দলৰ সদস্য হিচাপে অন্তৰ্ভুক্ত কৰা সমাজৰ ৰীতি-নীতি তথা প্ৰমূল্যবোধ আহৰণ কৰাৰ এক প্ৰক্ৰিয়া। ..... সামাজিকৰণ নিশ্চিতভাৱে এক আহৰণৰ প্ৰক্ৰিয়া; ই কোনো জন্মগত প্ৰক্ৰিয়া নহয়।"

এইদৰে সামাজিকৰণ হৈছে সেইটো প্ৰক্ৰিয়া, যাৰ দ্বাৰা এগৰাকী ব্যক্তি সামাজিক জীৱ হিচাপে পৰিগণিত হয়।

অৱশ্যে, 'সামাজিকৰণ' 'সামাজিকতা'তকৈ পৃথক। সামাজিকতা হৈছে মানদণ্ড আৰু সামাজিকৰণ হৈছে এক প্ৰক্ৰিয়া। সামাজিকতাই আনৰ সৈতে সহজে আৰু সাৱলীলভাৱে সম্বন্ধ স্থাপন কৰিবলৈ সংমিশ্ৰণৰ ক্ষমতাক নিৰ্দেশ কৰে। সামাজিকৰণৰ প্ৰক্ৰিয়াত মানৱ জীৱই সমাজৰ মানদণ্ড আহৰণ কৰে।

সামাজিকৰণ 'পৰিপক্কতা'তকৈ পৃথক। পৰিপক্কতাই মূলতঃ দৈহিক আৰু ৰাসায়নিক বিকাশৰ প্ৰক্ৰিয়াক নিৰ্দেশ কৰে। ই হৈছে কোনো জীৱৰ বিকাশ আৰু পৰিবৰ্তনৰ এক প্ৰক্ৰিয়া।

আমি কোনো ব্যক্তিৰ সামাজিকৰণ প্ৰক্ৰিয়াত ভূমিকা গ্ৰহণ কৰা তিনিটা উপাদানৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিব লাগিব। সেইকেইটা হ'ল —

- ব্যক্তিজনৰ দৈহিক আৰু মনস্তাত্বিক গঠন।
- ব্যক্তিজনে যিটো পৰিৱেশত জন্মগ্ৰহণ কৰিছে
- তেওঁ যিটো সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছে

সামাজিকৰণৰ বিভিন্ন সংজ্ঞা আৰু উপাদানৰ বিষয়ে আলোচনা কৰাৰ পিছত সামাজিকৰণৰ বিভিন্ন ধৰণৰ বিষয়ে আলোচনা কৰা হ'ব।

৪.৩.১ সামাজিকৰণৰ প্ৰকাৰ

১৯৭৭ চনত প্ৰকাশ পোৱা 'Sociology' নামৰ কিতাপখনত ইয়ান ৰবাৰ্টচনে সামাজিকৰণৰ চাৰিটা প্ৰকাৰৰ বিষয়ে উল্লেখ কৰিছে। সেইকেইটা হ'ল — প্ৰাথমিক সামাজিকৰণ, প্ৰত্যাশিত সামাজিকৰণ, উন্নয়নমূলক সামাজিকৰণ আৰু পুনৰ-সামাজিকৰণ।

- **প্ৰাথমিক সামাজিকৰণ** — ই হৈছে সামাজিকৰণৰ প্ৰথম প্ৰকাৰ। এই প্ৰকাৰৰ সামাজিকৰণ কোনো ব্যক্তিৰ প্ৰাৰম্ভিক জীৱন কালত পৰিলক্ষিত হয়। ভাষা শিক্ষণ, জ্ঞান সম্বন্ধীয় কৌশল, সাংস্কৃতিক ৰীতি আৰু মূল্যবোধক আয়ত্বকৰণ, আবেগিক বান্ধোন সুৰক্ষিত কৰা আৰু অন্যান্য ভূমিকা আৰু দৃষ্টিভংগীক স্বীকৃতি প্ৰদান আদি দিশ এই সামাজিকৰণ প্ৰক্ৰিয়াত অন্তৰ্ভূক্ত।
- **প্ৰত্যাশিত সামাজিকৰণ** — এই কথা প্ৰায়ে বিশ্বাস কৰা হয় যে যিহেতু ব্যক্তিয়ে এক নিৰ্দিষ্ট সাংস্কৃতিক দলৰ লগত জড়িত হৈ থাকে, গতিকে তেওঁ নিজৰ দলৰ পৰা সমাজৰ মূল্যবোধ, ৰীতি-নীতি আৰু ধৰণ আহৰণ কৰে। অৱশ্যে ব্যক্তিয়ে দলৰ পৰা তেওঁ জড়িত হৈ নথকা পৃথক জটিল সংস্কৃতি আৰু জীৱন ধাৰণৰ ধৰণ আয়ত্ব কৰে। মানুহে কোনো দলত যুক্ত হোৱাৰ উদ্দেশ্য তেওঁৰ সংস্কৃতি আহৰণৰ এই প্ৰক্ৰিয়াক মেৰ্টনৰ দৰে সমাজতাত্ত্বিকে 'প্ৰত্যাশিত সামাজিকৰণ' আখ্যা দিছে।
- **উন্নয়নৰ সামাজিকৰণ** — এই প্ৰকাৰৰ শিকন প্ৰাথমিক সামাজিকৰণৰ প্ৰাপ্তিৰ ওপৰত নিৰ্ভৰশীল। ইয়ান ৰবাৰ্টচনে কৈছে, "ব্যক্তিয়ে নতুন অৱস্থা যেনে বিবাহ বা চাকৰিৰ সন্মুখীন হোৱাৰ লগে-লগে ই ইতিমধ্যে আহৰিত কৌশল আৰু জ্ঞানৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে।" এইবোৰৰ বাবে নতুন প্ৰত্যাশা, নীতি আৰু ভূমিকা প্ৰয়োজনীয়। তুলনামূলকভাৱে এক সাৱলীল আৰু নীৰৱচ্ছিন্ন প্ৰক্ৰিয়াত নব্য আহৰিত জ্ঞানসমূহ পুৰণিৰ লগত যুক্ত হয়।
- **পুনৰ-সামাজিকৰণ** — সামাজিকৰণৰ এই প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে সমাজৰ সদস্য হিচাপে তেওঁলোকৰ ভূমিকাৰ বিষয়ে আহৰণ কৰে। পুনৰ সামাজিকৰণ প্ৰক্ৰিয়াৰ অৰ্থ হ'ল — "ই পুৰণি আহৰিত ধৰণবোৰ আঁতৰাই তাৰ ঠাইত নতুন ধৰণ প্ৰতিষ্ঠা কৰে।" পুনৰ-সামাজিকৰণ হৈছে নতুন ৰীতি-নীতি, মূল্যবোধ, মনোভাৱ আৰু আচৰণ আহৰণৰ এক প্ৰক্ৰিয়া। উদাহৰণস্বৰূপে — যেতিয়া এজন ব্যক্তিয়ে পোন প্ৰথমবাৰৰ বাবে হোষ্টেলৰ আবাসীক জীৱন আৰম্ভ কৰে, তেতিয়া তেওঁ নতুন পৰিৱেশৰ প্ৰতি সহযোগিতাৰ মনোভাৱ গ্ৰহণ কৰিব লাগে, নতুন সহযোগীসকল আৰু অগ্ৰজসকলৰ লগত খাপ খাব লাগে তথা হোষ্টেলৰ নিয়ম-নীতি মানি চলিব লাগে। তেওঁ বিভিন্ন সামাজিক ব্যৱস্থা অনুসৰি নতুন

ভূমিকা ল'ব লাগে।

সামাজিকৰণে কিদৰে বিভিন্ন ৰূপ গ্ৰহণ কৰে, সেয়া আলোচনা কৰা হ'ল। গতিকে সামাজিকৰণ হৈছে এক নিৰবচ্ছিন্ন প্ৰক্ৰিয়া আৰু ই ব্যক্তিৰ কোনো নিৰ্দিষ্ট সময়ৰ লগত জড়িত নাথাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সামাজিকতা বুলিলে কি বুজে?

প্ৰশ্ন নং ২ ঃ সামাজিকৰণ প্ৰক্ৰিয়াত ক্ৰিয়া কৰা তিনিটা উপাদান উল্লেখ কৰক।

৪.৪ সমাজত সামাজিকৰণৰ গুৰুত্ব


- সামাজিকৰণে মানুহক জৈৱিক জীৱৰ পৰা সামাজিক জীৱলৈ পৰিৱৰ্তন কৰে।
- সামাজিকৰণে ব্যক্তিত্বৰ বিকাশ সাধন কৰে।
- সামাজিকৰণে এজন ব্যক্তিক শৃংখলাৱদ্ধ কৰি তোলে।
- ই কৌশলৰ জ্ঞানো প্ৰদান কৰে।
- ই জীৱনত সঠিক আকাংক্ষাৰ বিকাশত সহায় কৰে।
- সামাজিকৰণে সামাজিক শৃংখলাৰ স্থায়ীত্বৰ ক্ষেত্ৰত অৱদান আগবঢ়ায়।
- ই সামাজিক ব্যৱধান হ্ৰাস কৰাৰ ক্ষেত্ৰত সহায় কৰে।
- কোনো ব্যক্তিক সমাজৰ এক দায়িত্বশীল নাগৰিক হিচাপে পৰিগণিত কৰি সামাজিকৰণে এক উজ্জ্বল ভৱিষ্যৎ গঠনত ভূমিকা গ্ৰহণ কৰে।

সামাজিকৰণে ব্যক্তিৰ জীৱনত যথেষ্ট গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ই কোনো ব্যক্তিক সামাজিক জীৱ হিচাপে পৰিগণিত কৰে।

এই গুৰুত্বৰ লগতে পৰৱৰ্তী পৰ্যায়ত আমি সামাজিকৰণৰ মাধ্যমসমূহৰ বিষয়ে আলোচনা কৰিম।


৪.৫ সামাজিকৰণ মাধ্যমসমূহ

সামাজিকৰণ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া আৰু সামাজিকৰণৰ মাধ্যমসমূহ ব্যক্তিৰ বয়সৰ লগত জড়িত। সামাজিকৰণৰ মাধ্যমসমূহ হ'ল — পৰিয়াল, বিদ্যালয়, বন্ধু বা সহপাঠিৰ দল, ধৰ্ম, ওচৰ-চুবুৰীয়া আৰু দেশ বা ৰাজ্য। তলৰ চিত্ৰত (চিত্ৰ- ১), কেন্দ্ৰীয় অৱস্থানত 'মই' (me) আছে আৰু 'মই'ক কেন্দ্ৰ কৰি বিভিন্ন ধৰণৰ সামাজিকৰণৰ প্ৰক্ৰিয়াৰ মাধ্যমসমূহ আছে। চিত্ৰত উল্লেখ থকা মাধ্যমবোৰ হ'ল — পৰিয়াল, শৈক্ষিক প্ৰতিষ্ঠান (বা বিদ্যালয়), কৰ্মস্থান, সহপাঠিৰ দল, গণমাধ্যম।



এতিয়া সামাজিকৰণৰ বিভিন্ন মাধ্যমৰ বিষয়ে আলোচনা কৰা হ'ব। সামাজিকৰণৰ এক মাধ্যম হিচাপে পৰিয়ালেৰে এই আলোচনা আৰম্ভ কৰা হ'ব।

➢ **পৰিয়াল ঃ—** পৰিয়াল হৈছে কোনো নৱজাতকৰ সামাজিকৰণৰ ভূমিকা গ্ৰহণ কৰা আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰাথমিক গোট। অভিভাৱক বা পৰিয়ালে সৰ্বপ্ৰথমে শিশুক সামাজিক কৰে। অভিভাৱকৰ পৰা শিশুৱে ভাষা আৰু মাত-কথা শিকে। শিশুৱে সহযোগিতা, সহনশীলতা, আত্মত্যাগ, প্ৰেম আৰু ভালপোৱাৰ প্ৰথম পাঠ পৰিয়ালৰপৰাই আহৰণ কৰে। পৰিয়ালৰ পৰিৱেশে শিশুৰ বিকাশৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। আমাৰ পৰিয়ালবোৰেই হৈছে আচৰণ, ভাষা, সাংস্কৃতিক জ্ঞান, মূল্যবোধ আৰু সামাজিক কৌশলৰ ক্ষেত্ৰত প্ৰাৰম্ভিক শিক্ষক।



ওপৰৰ চিত্ৰত (চিত্ৰ- ২) দেখিছোঁ যে এটা শিশুৱে এখন আইনাৰ সন্মুখত থিয় হৈ নিজকে পিতৃ / মাতৃৰ দৰে এজন ডাঙৰ ব্যক্তি হিচাপে কল্পনা কৰিছে। উদাহৰণস্বৰূপে যদি কোনোৱে এটা দুবছৰীয়া শিশুক প্ৰশ্ন কৰে যে, "তোমাৰ জীৱনৰ লক্ষ্য কি ?", তেতিয়া অধিকাংশ ক্ষেত্ৰতে শিশুটোৰ উত্তৰ হ'ব যে সি নিজৰ পিতৃ বা মাতৃৰ দৰে হ'ব বিচাৰে (চিত্ৰটোত কৰা প্ৰদৰ্শন অনুসৰি)। ই সামাজিকৰণ প্ৰক্ৰিয়াত পৰিয়ালে কিদৰে প্ৰভাৱ বিস্তৰ কৰিব পাৰে, তাকে সূচায়। এইদৰে এটা শিশুৱে জীৱনৰ বিভিন্নতাৰ বিষয়ে শিকে আৰু নিজৰ পৰিয়ালৰ পৰা আঁতৰৰ

বাহ্যিক পৃথিৱীখনৰ জ্ঞান লাভ কৰে। এই প্ৰক্ৰিয়াত শিশুটোৱে প্ৰাপ্তবয়স্ক হিচাপে আচৰণ বা কল্পনা কৰে। শিশুটোৱে সাজপাৰ পৰিধানৰ ধৰণ আৰু নিজৰ ব্যক্তিত্বক আনৰ আগত প্ৰদৰ্শন কৰাৰ ধৰণৰ বিষয়ে শিকে। গতিকে দেখা গ'ল পৰিয়ালে ব্যক্তিৰ সামাজিকৰণত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

- **বন্ধু বা সহপাঠিৰ দল ঃ** ই সামাজিকৰণৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। এটা সহপাঠিৰ দল হৈছে একে লক্ষ্য যুক্ত প্ৰায় একে বয়সৰ ব্যক্তিৰ একোটা দল। পাৰস্পৰিক বুজাবুজি অথবা সমতাৰ ভিত্তিত শিশু আৰু তাৰ খেলৰ লগৰীয়া বা সহপাঠিৰ লগত সম্পৰ্ক গঢ়ি উঠে। তেওঁলোকৰ অধিকাংশই সমান বয়সৰ হয় আৰু সেয়েহে অনানুষ্ঠানিক ৰূপত তথ্যৰ আদান-প্ৰদান কৰা হয়। অভিভাৱকৰ সৈতে কিছু পৰিমাণৰ সীমাৱদ্ধতা থাকিলেও বন্ধুৰ সৈতে কোনো সীমাবদ্ধতা নাথাকে। গতিকে ই শিশুক সমাজত অধিক ফলপ্ৰসুভাৱে মিলাপ্ৰীতি স্থাপনত সহায় কৰে। সহপাঠিৰ দলৰ উদাহৰণ হ'ল — বন্ধু, ক্লাৱ, গেং আৰু চুবুৰীয়াৰ শিশু। ওচৰ চুবুৰীয়াৰ পৰাও শিশুৱে সামাজিক মূল্যবোধ আৰু আনৰ সৈতে বুজাবুজিৰে থকাৰ কলাৰ বিষয়ে আহৰণ কৰে।
- **বিদ্যালয় (শৈক্ষিক প্ৰতিষ্ঠান) ঃ** বিদ্যালয় হৈছে সামাজিকৰণৰ দ্বিতীয় মাধ্যম। বিদ্যালয়ত শিশুৱে বিভিন্ন বিষয়ৰ শিক্ষা লাভ কৰে, যিবোৰে শিশুটোৰ চিন্তাধাৰা আৰু মনোভাৱলৈ যোগাত্মক পৰিবৰ্তন আনে। ভাল শিক্ষাই শিশুক এজন ভাল নাগৰিক হিচাপে গঢ়ি তোলাৰ বিপৰীতে বেয়া শিক্ষা বা শিক্ষাবিহীনতাই শিশুটোক অপৰাধী বা বিচ্ছিন্নতাবাদী হিচাপে গঢ়ি তুলিব পাৰে। এইদৰে সামাজিকৰণ প্ৰক্ৰিয়াৰ বাবে শিক্ষা যথেষ্ট গুৰুত্বপূৰ্ণ।

  এটা শিশুৱে সদায় আৱেষ্টিত হৈ থকা অভিভাৱকৰ ৰক্ষণাৱেক্ষণ আৰু মৰমৰ পৰিৱেশৰ পৰা আঁতৰি আহে। কিন্তু যেতিয়া বিদ্যালয়ত থাকে, শিশুটোৱে একে বয়সৰ এক বৃহৎ দলৰ অংশ হৈ পৰিবলৈ শিকে। ই ব্যক্তিত্বৰ গঠনত সহায় কৰে। বিদ্যালয়ে শিশুক নতুন-নতুন প্ৰত্যাহ্বানৰ লগত পৰিচয় কৰাই দিয়ে।
- **কৰ্মস্থান ঃ** কৰ্মস্থান সামাজিকৰণৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। কৰ্মস্থানত ব্যক্তিয়ে বিভিন্ন বয়সৰ আৰু পৃথক সামাজিক আৰু সাংস্কৃতিক প্ৰেক্ষাপটৰ ব্যক্তি লগ পায়। ই ব্যক্তিক তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰে। বহু সময়ত, 'উচিত' বা 'অনুচিত' সম্বন্ধীয় তেওঁলোকৰ ধাৰণা পৰিৱৰ্তনতো কৰ্মস্থানে ভূমিকা গ্ৰহণ কৰে।
- **ধৰ্ম ঃ** সামাজিকৰণ প্ৰক্ৰিয়াত ধৰ্মই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ধৰ্মই প্ৰতিখন সমাজক একতাৰ বান্ধোন প্ৰদান কৰে। বৰ্তমানেও ধৰ্মই নিৰৱচ্ছিন্নভাৱে আমাৰ বিশ্বাস আৰু জীৱনৰ ধৰণ প্ৰভাৱিত কৰি আহিছে। পৰিয়ালৰ ধৰ্মীয় আচৰণে শিশুটোক আৰু তেওঁৰ বিশ্বাসৰ প্ৰক্ৰিয়াক প্ৰভাৱিত কৰে। সিহঁতৰ জীৱনক প্ৰভাৱিত কৰিব পৰা আৰু পৰৱৰ্তী পৰ্যায়ত তেওঁৰ চিন্তাক নতুন ৰূপ প্ৰদান কৰিব পৰা ধৰ্মোপদেশ শুনে।

  ধৰ্মই নৈতিকতাই প্ৰভাৱিত কৰে আৰু সেয়েহে ই মানুহৰ শুদ্ধ আৰু অশুদ্ধৰ চিন্তাৰ গুৰুত্বপূৰ্ণ উপাদান হিচাপে চিহ্নিত। ধৰ্মীয় কাৰ্যসূচীত কৰা অংশগ্ৰহণে ব্যক্তিক বিশ্বাসৰ

উপৰিও সাজপাৰ, ভাষা আৰু আনুষ্ঠানিক উপলক্ষত উপযুক্ত আচৰণৰ বিষয়েও জ্ঞান প্ৰদান কৰে।

- **ৰাজ্য ঃ** ৰাজ্য হৈছে এটা কৰ্তৃত্বপূৰ্ণ মাধ্যম। ই মানুহৰ বাবে নীতি প্ৰস্তুত কৰে আৰু তেওঁলোকে কৰিবলগীয়া আচৰণ প্ৰস্তুত কৰে। মানুহে এই নীতিসমূহ মানি চলিব লাগে। এই নীতিসমূহে ব্যক্তিৰ আচৰণ পৰিবৰ্তন আৰু গঠন কৰে। ই হৈছে সামাজিকৰণৰ এক পৰোক্ষ কাৰক। ইয়াৰ অৰ্থ হ'ল — যদিও আমি সংস্থাটোৰ সৈতে পোনপটীয়া সংস্পৰ্শলৈ নাহো, তথাপিও আমাৰ সামাজিক জীৱন আৰু সুস্থ জীৱনৰ ওপৰত ইয়াৰ এক প্ৰভাৱ আছে।
- **গণমাধ্যম ঃ** গণমাধ্যম সামাজিকৰণৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। গণমাধ্যম বুলিলে বাতৰি কাকত, দূৰদৰ্শন, আলোচনী, চলচ্চিত্ৰ, ৰেডিঅ' আদিকে বুজা যায়। এই গণমাধ্যমসমূহৰ জৰিয়তে আমি বিভিন্ন আচৰণ, চিন্তা, বিশ্বাস আৰু মূল্যবোধৰ পৰিচয় লাভ কৰোঁ। গণমাধ্যমে আমাক কেবল মনোৰঞ্জন প্ৰদান নকৰে, বৰঞ্চ আমাৰ মনোভাৱ, মূল্যবোধ আৰু জীৱনৰ অন্য মৌলিক দিশো পৰিবৰ্তন কৰে। বৰ্তমান সময়ত শিশুৱে বহু সময়ৰ বাবে টি.ভি. চায় আৰু সিহঁতে দূৰদৰ্শনত প্ৰদৰ্শন কৰা কিছুমান চৰিত্ৰ অনুকৰণ কৰিবলৈ চেষ্টা কৰে। যিদৰে শিক্ষাৰ লগত জড়িত কিছুমান অনুষ্ঠান শিশুৰ জীৱনৰ বাবে উপকাৰী, তেনেদৰে হিংসা যুক্ত কিছুমান দৃশ্য শিশুৰ বাবে সমানে হানিকাৰক আৰু ই শিশুৰ ওপৰত ঋণাত্মক প্ৰভাৱ পেলায়। যিহেতু দূৰদৰ্শনৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী হয়, গতিকে ইয়াৰ প্ৰতি বিশেষ দৃষ্টি দিব লাগে।



অনুশীলনী ৪.১

সামাজিকৰণৰ আটাইকেইটা মাধ্যমৰ ভিতৰত আপুনি কোনটো অধিক ফলপ্ৰসু বুলি ভাবে?



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ কৰ্মস্থানক কিয় সামাজিকৰণৰ মাধ্যম হিচাপে গণ্য কৰা হয়?

প্ৰশ্ন নং ৪ ঃ সামাজিকৰণৰ মাধ্যমসমূহ কি কি?



৪.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সামাজিকৰণ হৈছে এনে এক গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া (ই মূলতঃ এক অচেতন প্ৰক্ৰিয়া), যাৰ জৰিয়তে এটা সদ্যজাত কেঁচুৱাই সমাজত প্ৰচলিত মূল্যবোধ, বিশ্বাস, ৰীতি-নীতি, নিয়ম

আদিৰ বিষয়ে শিকে।

- সামাজিকৰণ হৈছে এটা মৌলিক সামাজিক প্ৰক্ৰিয়া, যাৰ জৰিয়তে এগৰাকী ব্যক্তিয়ে কোনো দলৰ সংস্কৃতি আহৰণ কৰে আৰু তেওঁৰ ভূমিকাৰ বিষয়ে অবগত হৈ সামাজিক দলটো অংশ হৈ পৰে।
- সামাজিকৰণ হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা এগৰাকী ব্যক্তি সামাজিক জীৱ হিচাপে পৰিগণিত হয়।
- সামাজিকৰণ 'সামাজিকতা' আৰু 'পৰিপক্কতা' উভয়ৰে পৰা পৃথক এক প্ৰক্ৰিয়া।
- সামাজিকৰণৰ বিভিন্ন প্ৰকাৰবোৰ হ'ল — প্ৰাথমিক সামাজিকৰণ, প্ৰত্যাশিত সামাজিকৰণ, উন্নয়নৰ সামাজিকৰণ, লিংগ সামাজিকৰণ আৰু পুনৰ-সামাজিকৰণ।
- সামাজিকৰণ বিভিন্ন মাধ্যমসমূহ হ'ল — পৰিয়াল, বন্ধু বা সহপাঠি, বিদ্যালয় (শৈক্ষিক প্ৰতিষ্ঠান), কৰ্মস্থান, ধৰ্ম, ৰাজ্য আৰু গণমাধ্যম।



৪.৭ অধিক জানিবলৈ

- Haralambos, M.C. Heald M.R. 1980, Sociology : Themes and Perspectives, Delhi : OUP
- Johnson, Harry M. 1996. Sociology : A Systematic Introduction. New Delhi, Allied Publishers.



৪.৮ অগ্ৰগতি খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকতাই আনৰ সৈতে সহজে আৰু সাৱলীলভাৱে সম্বন্ধ স্থাপন কৰিবলৈ সংমিশ্ৰণৰ ক্ষমতাক নিৰ্দেশ কৰে। সামাজিকৰণৰ প্ৰক্ৰিয়াত মানৱ জীৱই সমাজৰ মানদণ্ড আহৰণ কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকৰণ প্ৰক্ৰিয়াত ভূমিকা গ্ৰহণ কৰা তিনিটা উপাদান হ'ল —

- ব্যক্তিজনৰ দৈহিক আৰু মনস্তাত্ত্বিক গঠন
- ব্যক্তিজনে যিটো পৰিৱেশত জন্মগ্ৰহণ কৰিছে
- তেওঁ যিটো সংস্কৃতিৰ সংস্পৰ্শলৈ আহিছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্মস্থান সামাজিকৰণৰ এক গুৰুত্বপূৰ্ণ মাধ্যম। কৰ্মস্থানত ব্যক্তিয়ে বিভিন্ন বয়সৰ আৰু পৃথক সামাজিক আৰু সাংস্কৃতিক পেক্ষাপটৰ ব্যক্তি লগ পায়। ই ব্যক্তিক

তেওঁলোকৰ জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ ক্ষেত্ৰত সহায় কৰে। বহু সময়ত 'উচিত' বা 'অনুচিত' সম্বন্ধীয় তেওঁলোকৰ ধাৰণা পৰিৱৰ্তনতো কৰ্মস্থানে ভূমিকা গ্ৰহণ কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সামাজিকৰণৰ মাধ্যমসমূহ হ'ল — পৰিয়াল, বন্ধু বা সহপাঠিৰ দল, বিদ্যালয়, কৰ্মস্থান, ধৰ্ম, ৰাজ্য, গণমাধ্যম।



৪.৯ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰৰ প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিকৰণ বুলিলে কি বুজা যায়?

প্ৰশ্ন ২ ঃ সামাজিকৰণ 'সামাজিকতা' আৰু 'পৰিপক্কতা'তকৈ কিদৰে পৃথক?

প্ৰশ্ন ৩ ঃ সামাজিকৰণৰ তিনিটা গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া কি কি?

প্ৰশ্ন ৪ ঃ উন্নয়নৰ সামাজিকৰণৰ এটি চমু ব্যাখ্যা আগবঢ়াওক।

(খ) দীঘলীয়া উত্তৰৰ প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিকৰণৰ বিভিন্ন প্ৰকাৰবোৰৰ বিষয়ে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ সামাজিকৰণৰ বিভিন্ন মাধ্যম সম্বন্ধে এটি ব্যাখ্যা দাঙি ধৰক।

*** ***** ***

অধ্যায় ৫ ঃ সামাজিক স্তৰীকৰণ

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ সামাজিক স্তৰীকৰণৰ অর্থ

৫.৪ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য

৫.৫ সামাজিক স্তৰীকৰণৰ বিভিন্ন ৰূপ

৫.৫.১ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে জাতি

৫.৫.২ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে শ্রেণী

৫.৫.৩ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে বর্ণ

৫.৫.৪ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে নৃগোষ্ঠীকেন্দ্রিকতা

৫.৫.৫ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে সামাজিক লিংগ

৫.৬ সামাজিক স্তৰীকৰণৰ কার্যকৰী দৃষ্টিভংগী

৫.৬.১ সামাজিক স্তৰীকৰণৰ কার্যকৰী দৃষ্টিভংগী

৫.৬.২ সামাজিক স্তৰীকৰণৰ মার্ক্সীয় দৃষ্টিভংগী

৫.৬.৩ সামাজিক স্তৰীকৰণৰ ৰেবেৰীয় দৃষ্টিভংগী

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক স্তৰীকৰণৰ অর্থ আৰু বৈশিষ্ট্য জানিব পাৰিব
- সামাজিক স্তৰীকৰণৰ বিভিন্ন ৰূপ বা প্রকাৰবোৰৰ বিষয়ে অৱগত হ'ব
- সামাজিক স্তৰীকৰণৰ বিভিন্ন দৃষ্টিভংগী সম্পর্কে ধাৰণা লাভ কৰিব।

৫.২ পৰিচয়

সৰল অথবা জটিল যিয়েই নহওক কি, সকলো মানৱ সমাজৰে কিছু প্রকাৰৰ সামাজিক বৈষম্য থাকে। সকলো সমাজতে সম্পদ, সন্মান আৰু ক্ষমতাকেন্দ্রিক বৈষম্য পৰিলক্ষিত হয়। ইয়াৰ অর্থ হ'ল ক্ষমতা, সন্মান আৰু সম্পদসমূহ মুষ্টিমেয় ব্যক্তি আৰু দলৰ মাজত অসমভাৱে

বিতৰণ কৰা হৈছে। অসম সম্পদৰ ভিত্তিত আমাৰ সমাজক স্তৰীকৰণ কৰা হৈছে। প্ৰস্তাৱিত এই অধ্যায়ত বিশদভাৱে সামাজিক স্তৰীকৰণৰ বিষয়ে আলোচনা কৰিম।

৫.৩ সামাজিক স্তৰীকৰণৰ অৰ্থ

সাধাৰণ অৰ্থত সামাজিক বৈষম্যই সামাজিকভাৱে সৃষ্ট অসমতাক সূচায়। সামাজিক স্তৰীকৰণ সামাজিক বৈষম্যৰ এক বিশেষ ৰূপ। ই ক্ষমতা, সম্পদ আৰু সন্মানৰ ভিত্তিত এটাৰ ওপৰত আনটোকৈ সামাজিক দলবোৰৰ বিভাজনক সূচায়। কোনো স্তৰৰ অন্তৰ্ভুক্ত লোকসকলে একেধৰণৰ জীৱন যাপনৰ পদ্ধতি অনুসৰণ কৰে। ই তেওঁলোকক সমাজৰ আন সদস্যৰ পৰা পৃথক কৰে। ভাৰততত প্ৰচলিত জাতি ব্যৱস্থা সামাজিক স্তৰীকৰণৰ এটা উদাহৰণ। এখন চাহ বাগিচাৰ সমাজতো স্পষ্ট সামাজিক দেখিবলৈ পোৱা যায় য'ত শ্ৰমিক শ্ৰেণী আৰু পৰিচালকৰ মাজত ক্ষমতা, সন্মান আৰু সম্পদক কেন্দ্ৰ কৰি বৈষম্যৰ উপস্থিতি ধৰা পৰে।

৫.৪ সামাজিক স্তৰীকৰণৰ বৈশিষ্ট্য

এম. এম টুমিনে তেওঁৰ জনপ্ৰিয় গ্ৰন্থ 'Social Stratification : The Forms and Functions of Inequality' ত সামাজিক স্তৰীকৰণৰ পাঁচটা প্ৰাথমিক বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰিছে।

সেইকেইটা তলত আলোচনা কৰা হ'ল —

- **প্ৰাচীনতা** — ঐতিহাসিক আৰু পুৰাতাত্ত্বিক তথ্য অনুসৰি মানৱ সমাজ ব্যৱস্থাৰ সৃষ্টিৰ আৰম্ভণিতে সীমিত পৰিসৰত স্তৰীকৰণ আছিল। এনে প্ৰাচীন সমাজত বয়স, লিংগ আৰু শাৰীৰিক শক্তিক স্তৰীকৰণৰ আধাৰ হিচাপে গণ্য কৰা হৈছিল।
- **সৰ্বব্যাপিতা** — সামাজিক স্তৰীকৰণ সকলো সমাজতে পৰিলক্ষিত হয়। এই ব্যৱস্থা মৌলিক পৰম্পৰাযুক্ত সমাজ আৰু উন্নত আধুনিক সমাজতো দেখা যায়।
- **সামাজিক গাঁথনি** — সামাজিক গাঁথনিৰ ক্ষেত্ৰত পাঁচটা পৃথক দিশ পৰিলক্ষিত হয় —
  - ক) **সামাজিক সংজ্ঞাৰ গুৰুত্ব** — সামাজিক স্তৰীকৰণ এটা জটিল সামাজিক আৰু সাংস্কৃতিক প্ৰক্ৰিয়াৰ অংশ। ইয়াৰ লগত জৈৱ বৈশিষ্ট্যৰ সম্পৰ্ক নাই বুলিব পাৰি।
  - খ) **নীতি আৰু প্ৰকাৰৰ গুৰুত্ব** — এখন সমাজত সামাজিক স্তৰীকৰণৰ ব্যৱস্থাটো নীতিৰ দ্বাৰা পৰিচালিত।
  - গ) **প্ৰতিটো প্ৰজন্মক সামাজিক কৰাৰ প্ৰয়োজনীয়তা** — সমাজত প্ৰচলিত স্তৰীকৰণৰ ব্যৱস্থাৰ লগত প্ৰতিটো শিশু পৰিচালিত হয়।
  - ঘ) **সামাজিক ব্যৱস্থাৰ আভ্যন্তৰীণ অস্থিৰতা** —সামাজিকৰণৰ প্ৰক্ৰিয়াৰ ফলত নীতিসমূহত স্থিৰতা আৰু অবিচ্ছিন্নতা পৰিলক্ষিত হয় আৰু বিভিন্ন শ্ৰেণীয়েও ইয়াৰ প্ৰতি সহমত পোষণ কৰিলেও সামাজিকৰণৰ আভ্যন্তৰীণ প্ৰক্ৰিয়াৰ ফলত

এই আটাইবোৰ অস্থিৰ আৰু বিচ্ছিন্ন হয় আৰু শ্ৰেণীবোৰেও সঠিক ৰূপত কার্য সম্পাদন নকৰে।

ঙ) **স্তৰীকৰণৰ লগত অন্যান্য প্ৰতিষ্ঠানৰ সম্পৰ্ক** — স্তৰীকৰণৰ লগত সমাজৰ অন্য দিশবোৰৰো সম্পৰ্ক আছে। এই সম্পৰ্ক বা যোগসূত্ৰক প্ৰতিষ্ঠানগত আন্তঃসম্পৰ্ক হিচাপে জনা যায়। ইয়াৰ অর্থ হ'ল বর্তমান প্ৰচলিত সামাজিক স্তৰীকৰণৰ ওপৰত ৰাজনীতি, সম্বন্ধ, বিয়া, পৰিয়াল, অর্থনীতি, শিক্ষা, ধর্মৰ দৰে সামাজিক প্ৰতিষ্ঠানৰ প্ৰভাৱ পৰে আৰু এই প্ৰতিষ্ঠানবোৰো সামাজিক স্তৰীকৰণৰ দ্বাৰা প্ৰভাৱিত হয়।

- **স্তৰীকৰণৰ ৰূপ আৰু পৰিমাণৰ ক্ষেত্ৰত বৈষম্য** — স্তৰীকৰণৰ অনৈক্যৰ দিশটো ৰূপ আৰু পৰিমাণৰ ভিত্তিত ব্যাখ্যা কৰিব পাৰি। ৰূপৰ ভিন্নতাৰ ভিত্তিত অতীত আৰু বর্তমানৰ সমাজত স্তৰীকৰণৰ অস্তিত্ব পৰিলক্ষিত হয়। জাতি, শ্ৰেণী, অঞ্চল আদিৰ দৰে শব্দবোৰৰ দ্বাৰা সমাজত প্ৰচলিত স্তৰক নির্দেশ কৰা হয়।
- **স্তৰীকৰণৰ পৰিণাম** — সামাজিক স্তৰীকৰণৰ পৰিণামসমূহ হ'ল — জীৱনৰ সুযোগৰ বৈষম্য, আনুষ্ঠানিক পৰিচালনাক ধৰণ, জীৱন ধাৰণ, বিভিন্ন মূল্যবোধ, মনোভাৱ আৰু আদর্শৰ ভিন্নতা। জীৱনৰ সুযোগ এজন ব্যক্তিয়ে তেওঁৰ জীৱনত উপভোগ কৰিব পৰা (বা নোৱাৰা) বিভিন্ন সুযোগ, সফলতা আৰু সন্তুষ্টিকৰ অভিজ্ঞতাক সুচায়। আনুষ্ঠানিক পৰিচালনাৰ ধৰণে সমাজৰ বিভিন্ন প্ৰাথমিক অনুষ্ঠান যেনে অর্থনীতি, ৰাজনৈতিক ব্যৱস্থা, শৈক্ষিক ব্যৱস্থা, পৰিয়াল আৰু ধর্মৰ দৰে দৈনন্দিন জীৱনৰ সকলো প্ৰকাৰৰ আচৰণক সূচায়। বিভিন্ন আয়ৰ লোকে তেওঁলোকৰ শিশুক পৃথক-পৃথক ৰূপত ডাঙৰ-দীঘল কৰে নেকি? যদি কৰে কিয়? জীৱন ধাৰণে মানুহে নির্দিষ্ট সন্মান অর্জনৰ বাবে কিদৰে নিজৰ সম্পদ, সময় ব্যয় কৰে তাকে সূচায়। তেওঁ কিদৰে কাপোৰ পিন্ধে আৰু চুলি ৰাখে? তেওঁলোকে কেনেকুৱা গাড়ী ক্ৰয় কৰে? তেওঁলোকে কেনেকুৱা ধৰণৰ গৃহ নির্মাণ কৰে? তেওঁলোকৰ গন্তব্য স্থান আৰু মনোৰঞ্জনৰ ধৰণ কেনেকুৱা? তেওঁলোকে পঢ়িবলৈ, শুনিবলৈ আৰু উপভোগ কৰিবলৈ কেনেধৰণৰ মাধ্যম ব্যৱহাৰ কৰে? তেওঁলোকৰ কথা কোৱাৰ ভংগী কেনেকুৱা? মূল্যবোধ, মনোভাৱ আৰু আদর্শই উত্থাপন কৰা প্ৰশ্নবোৰ এনেধৰণৰ — এখন ভাল সমাজে কি কি দিশক সূচায়? এটা সুন্দৰ ব্যক্তিগত জীৱনৰ কিহে গঠন কৰে? এজন ব্যক্তিৰ কিমান আৰু কেনেধৰণৰ স্বাধীনতাৰ প্ৰয়োজন?



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 'Social Stratification : The Forms and Functions of Inequality' গ্ৰন্থখনৰ ৰচক কোন?

প্ৰশ্ন নং ২ ঃ সামাজিক স্তৰীকৰণৰ তিনিটা বৈশিষ্ট্য লিখক।

৫.৫ সামাজিক স্তৰীকৰণৰ বিভিন্ন ৰূপ

সামাজিক স্তৰীকৰণৰ বিভিন্ন ৰূপ আছে। এইবোৰ তলত আলোচনা কৰা হ'ল —

৫.৫.১ সামাজিক স্তৰীকৰণৰ এটা ৰূপ হিচাপে জাতি

ভাৰতত পৰিলক্ষিত হোৱা সামাজিক স্তৰীকৰণৰ প্ৰভাৱী কাৰকবোৰৰ ভিতৰত এটা হ'ল জাতি ব্যৱস্থা। স্তৰীকৰণৰ এই ব্যৱস্থাই চাৰিটা বৰ্গক সামৰি লয় — শ্ৰেষ্ঠতম স্তৰত ব্ৰাহ্মণ আৰু তাৰ পিছত ক্ৰমে ক্ষত্ৰীয় বা যোদ্ধাসকল, বৈশ্য বা ব্যৱসায়ীসকল আৰু শূদ্ৰ বা শ্ৰমিক শ্ৰেণী। পঞ্চমসকলক জাতি প্ৰথাৰ বাহিৰত ৰাখি তেওঁলোকক শূদ্ৰসকলতকৈও নিকৃষ্ট হিচাপে গণ্য কৰা হয়। জাতি ব্যৱস্থাই ব্যক্তি বা সামাজিক দলক তেওঁলোক অন্তৰ্ভূক্ত হোৱা জাতিৰ ভিত্তিত বিভাজন কৰে। গতিকে জাতিগত শ্ৰেণীবিভাজনত সমাজত এজন ব্যক্তিৰ স্থান তেওঁৰ জাতিৰ ওপৰত নিৰ্ভৰ কৰে। এজন ব্যক্তিয়ে যি সামাজিক স্তৰত জন্মগ্ৰহণ কৰে, সেই স্তৰতে সমগ্ৰ জীৱন থাকিবলগীয়া হয়। জাতিগত ব্যৱস্থাৰ প্ৰতিটো স্তৰ অন্য জাতিৰ সম্পৰ্কত শুদ্ধ (pure) আৰু অশুদ্ধ (impure) ৰ ভিত্তিত নিৰূপিত হয়। সমাজত আটাইতকৈ শুদ্ধ বুলি গণ্য কৰা ব্ৰাহ্মণসকলক শ্ৰেষ্ঠ স্থান প্ৰদান কৰাই আছিল এনে স্থান প্ৰদানৰ অন্তৰালত নিহিত মূল লক্ষ্য। জাতিগত আদৰ্শ অনুসৰি প্ৰতিটো স্তৰৰ শুদ্ধতা আৰু অশুদ্ধতা অস্পৃশ্যতা আৰু স্বজাতিৰ মাজত সম্পন্ন বিবাহৰ জৰিয়তে ৰক্ষা কৰিব পাৰি। সেইদৰে, এজন ব্যক্তিয়ে আন এটা জাতিৰ ব্যক্তিৰু লগত কথোপকথনত অংশগ্ৰহণ কৰাৰ প্ৰক্ৰিয়াকো জাতিগত আদৰ্শই নিৰ্ধাৰণ কৰে। এই ব্যৱস্থাই সমাজত স্তৰীকৰণ বৰ্তাই ৰখাত ভূমিকা গ্ৰহণ কৰিছে।

ভাৰতৰ জাতিগত ব্যৱস্থাত বিগত সময়ত যথেষ্ট পৰিবৰ্তন পৰিলক্ষিত হৈছে। মধ্যযুগৰ ভাৰতৰ ভক্তি আন্দোলনে নতুন মূল্যবোধৰ জন্ম দিছিল, যিয়ে ব্ৰাহ্মণ্যবাদৰ বিৰুদ্ধে এক প্ৰত্যাহ্বানৰ সূচনা কৰিছিল। জাতিগত ব্যৱস্থাৰ পৰিৱৰ্তনৰ ক্ষেত্ৰত বৃটিছ শাসন আৰু তেওঁলোকে প্ৰৱৰ্তন কৰা সামাজিক-সাংস্কৃতিক আৰু প্ৰশাসনিক প্ৰতিষ্ঠানে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। পশ্চিমীয়াকৰণ, নগৰীকৰণ, ধৰ্ম নিৰপেক্ষতাবাদ আৰু নতুন অৰ্থনৈতিক সুযোগৰ সৃষ্টিয়ে কঠোৰ জাতি ব্যৱস্থাক যথেষ্ট শিথিল কৰি তুলিছে। বিভিন্ন ব্ৰাহ্মণ বিৰোধী আন্দোলন, উদাৱনৈতিক আদৰ্শৰ প্ৰসাৰ আৰু বৈষম্য বিৰোধী চৰকাৰী আঁচনিয়ে নিম্ন বুলি গণ্য কৰা জাতিৰ উন্নতি আৰু জাতি ভিত্তিক সামাজিক নিয়ম আৰু আচৰণ নোহোৱা কৰাত অৰিহণা যোগাইছে।

৫.৫.২ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে শ্ৰেণী

আধুনিক সমাজত স্তৰীকৰণৰ ৰূপ বুজিবলৈ শ্ৰেণীৰ ধাৰণা লাভ কৰাটো প্ৰয়োজনীয়। সামাজিক স্তৰ হিচাপে শ্ৰেণী হৈছে এনে একোটা গোট, যাৰ সদস্যসকলৰ আৰ্থিক অৱস্থা একে হোৱাৰ লগতে একে জীৱন ধাৰণৰ শৈলী আৰু একে আদৰ্শৰ লগত জড়িত হয়। কাৰ্লমাৰ্ক্স আৰু মেক্স ৱেবাৰে সামাজিক স্তৰ হিচাপে শ্ৰেণীৰ এক নিজস্ব ধাৰণা আগবঢ়াইছে। এই ক্ষেত্ৰত শ্ৰেণী সম্পৰ্কে মাৰ্ক্সৰ যি মন্তব্য, সেয়া উল্লেখযোগ্য। মাৰ্ক্সৰ মতে শ্ৰেণী একাধিক মানুহৰ গোট, যিয়ে উৎপাদনৰ প্ৰক্ৰিয়াত একে আচৰণ আৰু সম্পৰ্ক বজাই ৰাখে। মাৰ্ক্সে কৈছে যে সকলো সমাজতে বৈপৰীত্যৰ মনোভাৱযুক্ত দুটা প্ৰধান শ্ৰেণী থাকে — 'থকা' আৰু 'নথকা' (haves and have-nots)। 'থকা' সকলে উৎপাদনৰ প্ৰক্ৰিয়াক নিয়ন্ত্ৰণ কৰে (যেনে ভূমি, শ্ৰম, মূলধন আৰু প্ৰতিষ্ঠান)। আনহাতে 'নথকা' সকলে জীয়াই থাকিবলৈ 'থকা'সকলৰ অধীনত কাম কৰে। যেতিয়াই 'নথকা'সকলৰ মাজত শ্ৰেণী সচেতনাতাৰ সৃষ্টি হয়, তেতিয়াই তেওঁলোকে শোষক বা 'থকা' সকলৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। মাৰ্ক্সৰ মত অনুসৰি 'থকা' আৰু 'নথকা' সকলৰ মাজৰ দ্বন্দ্বই সমাজত উৎপাদনৰ নিয়ম আৰু নতুন সামাজিক গাঁথনিৰ সৃষ্টি কৰে। সামাজিক স্তৰীকৰণৰ মাৰ্ক্সীয় তত্ত্ব আলোচনা কৰোঁতে আমি এই ধাৰণা সম্পৰ্কে বিশদ ব্যাখ্যা দাঙি ধৰিম।

ৱেবাৰৰ মতে যিসকলৰ হাতত উৎপাদনৰ সমগ্ৰ প্ৰক্ৰিয়া থাকে আৰু যিসকলৰ হাতত নাথাকে, তেওঁলোকৰ মাজতে শ্ৰেণীৰ প্ৰধান বিভাজন পৰিলক্ষিত হয়। গতিকে যিসকলৰ পৰ্যাপ্ত সম্পত্তি থাকে, তেওঁলোকে জীৱনত অধিক সুযোগ লাভ কৰে। অৱশ্যে, ৱেবাৰে যিটো শ্ৰেণীৰ হাতত সম্পদ নাথাকে, তেওঁলোকৰ বজাৰ অৱস্থাত গুৰুত্বপূৰ্ণ বিভিন্নতা দেখা পাইছে। ৱেবাৰৰ শ্ৰেণী বিশ্লেষণৰ ধাৰণা ৱেবাৰৰ সামাজিক স্তৰীকৰণৰ তত্ত্বৰ আলোচনাৰ প্ৰসংগত দাঙি ধৰা হ'ব।

কোনো ব্যক্তিৰ শ্ৰেণীয়ে তেওঁৰ শিক্ষাগ্ৰহণ আৰু কৰ্মজীৱনৰ সুযোগত বিশেষ প্ৰভাৱ পেলায়। শ্ৰেণীৰ বৰ্ণ, জাতি, নৃগোষ্ঠীকতা আৰু সামাজিক লিংগৰ বিশেষ সম্পৰ্ক আছে। আমেৰিকাত উচ্চ শ্ৰেণীৰ স্থান অৰ্জন কৰি থকা লোকৰ অধিকাংশই শ্বেতাংগ। সেইদৰে ভাৰততো শ্ৰেণী আৰু জাতিৰ এক নিকট সম্পৰ্ক আছে। পৰম্পৰাগতভাৱে উচ্চ জাতিৰ লোকসকলে অধিক মাটি আৰু অন্যান্য সম্পত্তি ভোগ কৰি আহিছে। উচ্চ জাতিৰ ব্যক্তিয়ে মধ্যবিত্ত বা ধনী শ্ৰেণীৰ সদস্য হিচাপে জীৱন নিৰ্বাহ কৰাৰ সম্ভৱনাই অধিক হিচাপে পৰিগণিত হয়। পিতৃতান্ত্ৰিক সমাজত অধিকাৰসমূহ মহিলাক প্ৰদান কৰা নহয়।

৫.৫.৩ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে বর্ণ

দৈহিক গঠন (যেনে চুলি, ছালৰ বৰণ, দেহৰ গঠন, চকু আদি) ৰ ভিত্তিত বৈষম্য নিৰূপণৰ ব্যৱস্থা এতিয়াও বিশ্বৰ বিভিন্ন অঞ্চলত পৰিলক্ষিত হয়। শ্বেতাংগ আৰু কৃষ্ণাংগসকলৰ মাজৰ বৈষম্যই বর্ণ স্তৰীকৰণৰ এক উপযুক্ত উদাহৰণ প্রদান কৰে। মুঠ জনসংখ্যাৰ ১২ শতাংশ লোক থকা কৃষ্ণাংগ আমেৰিকানসকলে স্তৰীকৰণ ব্যৱস্থাটোৰ একেবাৰে নিম্নতম স্তৰত অৱস্থান গ্রহণ কৰি এক স্পষ্ট সামাজিক গোটৰ গঠন কৰিছে। আমেৰিকাৰ এই বর্ণবৈষম্যৰ অন্তৰালত নিহিত কাৰণটো হ'ল বৌদ্ধিক দিশৰপৰা কৃষ্ণাংগসকলক শ্বেতাংগসকলতকৈ নিম্নস্তৰৰ হিচাপে গণ্য কৰা হৈছিল। তেওঁলোকৰ অধিকাংশক দাস হিচাপে ব্যৱহাৰ কৰা হৈছিল আৰু উদ্যোগত তেওঁলোকে আটাইতকৈ নিকৃষ্ট চাকৰি লাভ কৰিছিল। কৃষ্ণাংগ পৰিয়ালৰ গঢ় আয় এটা শ্বেতাংগ পৰিয়ালতকৈ যথেষ্ট কম। পৰিসংখ্যাৰপৰা এইটো স্পষ্ট হয় যে কৃষ্ণাংগসকলৰ হাতত অতি সীমিত ৰাজনৈতিক শক্তি থাকে আৰু তেওঁলোকে স্থানীয় আৰু ৰাষ্ট্রীয় চৰকাৰত প্রতিনিধিত্ব কৰাৰো অতি সীমিত সুযোগ পায়। অৱশ্যে বর্ণৰ ভিত্তিত বুদ্ধিমত্তা আৰু সামাজিক বৈষম্যৰ সম্পর্ক নিৰূপণ কৰা প্রথাটো যথেষ্ট বিতর্কিত। এম. হাৰালম্বচে তেওঁৰ গ্রন্থ 'Sociology : Themes and Perspective' ত এই ক্ষেত্রত কিছুমান প্রাথমিক মন্তব্য আগবঢ়াইছে। প্রথমে, বুদ্ধিমত্তা উভয় জিনীয় আৰু পৰিৱেশিক কাৰকৰ ওপৰত নির্ভৰশীল। উভয়ৰ এটাক আনটোৰ পৰা পৃথক কৰিব নোৱাৰি। এইদৰে এজন ব্যক্তিৰ সামাজিক পটভূমিয়ে বুদ্ধিমত্তাৰ পৰীক্ষাত তেওঁৰ প্রদর্শনৰ ওপৰত প্রভাৱ বিস্তাৰ কৰে। নিম্ন সামাজিক স্তৰত অন্তর্ভুক্ত হোৱাৰ ফলত বৈষম্যৰ বলি হোৱা কোনো শিশুৰ বুদ্ধিমত্তাৰ ফলাফলো নিম্ন হ'ব। দ্বিতীয়তে, বুদ্ধিমত্তাৰ পৰীক্ষাবোৰ নিৰপেক্ষ নহয়, যিহেতু সেইবোৰ শ্বেতাংগসকলৰ দক্ষতাৰ ওপৰত ভিত্তি কৰি নির্মিত। তৃতীয়তে, এই পৰীক্ষাই সামগ্রিক মানসিক ক্ষমতাৰ এক ক্ষুদ্র অংশকহে সামৰি লয়। সেয়েহে বহুতো সমাজতত্ত্ববিদে মন্তব্য কৰিছে যে আমেৰিকাত কৃষ্ণাংগসকলৰ সামাজিক মর্যাদা জৈৰিক কাৰকতকৈ সামাজিক কাৰকৰহে পৰিণতি।

৫.৫.৪ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে নৃগোষ্ঠীকেন্দ্রিকতা

'Oxford Dictionary of Sociology' ৰ মতে যিসকল ব্যক্তিয়ে একে বৈশিষ্ট্য প্রদর্শন কৰে, যিবোৰে তেওঁলোকক সমাজৰ অন্য দলৰপৰা পৃথক কৰে আৰু য'ৰ পৰা তেওঁলোকে এক স্পষ্ট সাংস্কৃতিক আচৰণ গঠন কৰে, তেওঁলোকে এটা নৃগোষ্ঠী নির্মাণ কৰে। 'নৃগোষ্ঠীকেন্দ্রিকতা' অভিধাটো বর্ণ বা জাতিৰ বিপৰীতার্থক হিচাপে প্রয়োগ কৰা হৈছে, যিটো প্রায়ে জৈৰিক ভিত্তিতহে ব্যৱহাৰ কৰা হয়। এটা নৃগোষ্ঠীৰ সদস্যসকলক জাতিগত দিশৰ ভিত্তিত চিনাক্ত কৰিব পাৰি। তেওঁলোক ধর্ম,

সংস্থাপন, ভাষা বা ৰাজনীতি আদিৰ দৰে অন্য সাংস্কৃতিক বৈশিষ্ট্যবোৰৰো অধিকাৰী হয়। সামাজিক শ্ৰেণীৰ ভিত্তিত নৃগোষ্ঠীয় দলবোৰ বিভাজন কৰিব পাৰি, যিহেতু একোটা নৃগোষ্ঠীয় দলৰ সদস্যপদে সমাজৰ বিভিন্ন সামাজিক-সাংস্কৃতিক দলক অতিক্ৰম কৰি যায়। এটা নৃগোষ্ঠীয় গোটে শ্ৰেণীক অতিক্ৰম কৰি উমৈহতীয়া বৈশিষ্ট্যৰ লোকৰ দ্বাৰা গঠিত হয়।

৫.৫.৫ সামাজিক স্তৰীকৰণৰ এক ৰূপ হিচাপে সামাজিক লিংগ

সমাজতত্ত্বত 'gender' (সামাজিক লিংগ) অভিধাটো এন. অ'কলে পোনপ্ৰথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল। তেওঁৰ মতে লিংগই (sex) পুৰুষ আৰু মহিলাৰ মাজৰ জৈৱিক পাৰ্থক্যক সূচোৱাৰ বিপৰীতে সামাজিক লিংগই পুৰুষত্ব আৰু নাৰীত্বক নিৰ্দেশ কৰে। অন্য ভাষাত ক'বলৈ গ'লে সামাজিক লিংগ হৈছে পুৰুষ আৰু মহিলাৰ সামাজিক আৰু সাংস্কৃতিক দায়িত্ব নিৰ্দেশ কৰা এক সামাজিক ধাৰণা। সামাজিক লিংগৰ ধাৰণাটো কেৱল ব্যক্তিৰ পৰিচয় আৰু ব্যক্তিত্বৰ লগত জড়িত নহয়; ই ঘৰ আৰু কৰ্মস্থানত কৰ্মৰ লিংগগত পাৰ্থক্যক, সাংস্কৃতিক পৰিচয় আৰু পুৰুষত্ব আৰু নাৰীত্বৰ গতানুগতিকতাকো নিৰ্দেশ কৰে। The Second Sex পুথিত ছিমন ডে বভুৱা আগবঢ়োৱা 'এগৰাকী নাৰীৰ জন্ম নহয়, পৰৱৰ্তী সময়ত নাৰী হিচাপে পৰিগণিত হয়' শীৰ্ষক মন্তব্যই সামাজিক লিংগ যে এক আহৰিত পৰিচয়, তাকে সূচায়। নাৰীৰ দৈহিক গাঁঠনিয়ে (অৰ্থাৎ লিংগই) এক সাংস্কৃতিক পৰিচয় (অৰ্থাৎ সামাজিক লিংগ) লাভ কৰে। উদাহৰণস্বৰূপে, ৰজঃস্বলা হোৱাৰ সময়ত নাৰীদেহৰ লগত অশুদ্ধিৰ ধাৰণাটো জড়িত হৈ থাকে আৰু ফলত নাৰীক ধৰ্মীয় অনুষ্ঠানত অংশগ্ৰহণৰ ক্ষেত্ৰত বাধা প্ৰদান কৰা হয়। ই সামাজিক লিংগ যে এক সাংস্কৃতিক গাঁথনি, তাক সূচায়।

সমাজতাত্ত্বিকসকলে যুক্তি আগবঢ়াই কৈছে যে পুৰুষত্ব আৰু নাৰীত্ব সম্পৰ্কীয় সাংস্কৃতিকভাৱে প্ৰভাৱী ধাৰণাসমূহ পুৰুষ আৰু নাৰীৰ প্ৰকৃত বৈশিষ্ট্য প্ৰকাশ নকৰে বাবে গতানুগতিক বা নতুনত্ববিহীন হয়। সামাজিক লিংগৰ গতানুগতিকতাই পুৰুষ আৰু মহিলাৰ এটা দিশৰ আৰু অতিৰঞ্জিত ছবি আহিছে। এই গতানুগতিকতাক এটা প্ৰক্ৰিয়াৰ অংশ হিচাপে গ্ৰহণ কৰা হৈ আহিছে। এই গতানুগতিকতাক এটা প্ৰক্ৰিয়াৰ অংশ হিচাপে গ্ৰহণ কৰা হৈছে, যাৰ সহায়ত শিশুসকলক লিংগগত ভূমিকা গ্ৰহণৰ দ্বাৰা সামাজিক কৰি তোলা হয়।

সামাজিক লিংগৰ ভূমিকাৰ নিৰ্মাণত সামাজিকৰণে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। শিশুৰ প্ৰতিপালন, শিক্ষা, কৰ্মসংস্থাপন, পৰিয়াল আৰু ধৰ্ম আদি সামাজিকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ল'ৰা আৰু ছোৱালীবোৰ প্ৰাপ্তবয়স্ক পুৰুষ আৰু মহিলাত পৰিণত হয়। অধ্যয়নৰ পৰা প্ৰাপ্ত তথ্য অনুসৰি য'ত কৰ্মসংস্থাপন আৰু পদোন্নতি ধাৰ্য কৰাৰ ক্ষেত্ৰত লিংগই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, তাত পুৰুষ আৰু মহিলাৰ

মাজত কর্মসংস্থাপনকেন্দ্রিক বৈষম্যৰ সৃষ্টি হয়। ঘৰৰ বাহিৰত পূর্ণ সময়ৰ বাবে কর্মত নিয়োজিত পুৰুষ আৰু মহিলাৰ মাজত ঘৰুৱা পৰিৱেশতো বৈষম্য থাকে।

৫.৬ সামাজিক স্তৰীকৰণৰ বিভিন্ন তত্ত্ব

সামাজিক স্তৰীকৰণৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা বিভিন্ন সমাজতাত্ত্বিক তত্ত্ব আছে। তলত এইবোৰৰ একাংশ আগবঢ়োঁ হ'ল —

৫.৬.১ সামাজিক স্তৰীকৰণৰ কার্যকৰী দৃষ্টিভংগী

সামাজিক স্তৰীকৰণৰ কার্যকৰী দৃষ্টিভংগীটো সমাজৰ প্রতি কার্যকৰী দৃষ্টিভংগীৰ ভিত্তিত বুজিব লাগিব। কার্যকৰী দৃষ্টিভংগীৰ গুৰুত্বপূর্ণ দিশবোৰ এটা জীৱৰ সৈতে অনুৰূপ। উদাহৰণস্বৰূপে, মানৱ দেহক বুজিবলৈ ব্যক্তিয়ে ইয়াৰ বিভিন্ন অংগ যেনে মগজু, হাওফাও, হৃদপিণ্ড আৰু যকৃতৰ কার্যপ্রণালীবোৰ বুজিব লাগিব। মন কৰিবলগীয়া যে কোনো অংগকে অকলশৰীয়াভাৱে বুজিব নোৱাৰি। যিহেতু জৈৱিক কার্য চলাই নিবলৈ অংগবোৰে একেলগে কাম কৰে, সেয়েহে পৰস্পৰৰ সংযোগতহে অংগসমূহ বুজি পাব লাগিব। কার্যকৰী দৃষ্টিভংগীৰ বিশেষজ্ঞসকলেও একেধৰণৰ মনোভাৱ গ্রহণ কৰে। তেওঁলোকৰ মতে, সমাজৰ বিভিন্ন অংশবোৰ আভ্যন্তৰীণভাৱে যুক্ত হৈ থকাৰ লগতে পৰস্পৰে-পৰস্পৰৰ ওপৰত নির্ভৰশীল হৈ আছে। কার্যকৰী দৃষ্টিভংগীৰ দিশৰপৰা সমাজ হৈছে এক ব্যৱস্থা আৰু কোনো ব্যৱস্থা ইয়াৰ আভ্যন্তৰীণভাৱে যুক্ত হৈ থকা আৰু পৰস্পৰৰ ওপৰত নির্ভৰশীল অংগৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠে। অর্থাৎ প্রতিটো অংগই আন প্রতিটো অংগত আৰু সমগ্র ব্যৱস্থাটোক প্রভাৱিত কৰে। বিশেষজ্ঞসকলৰ মতে সমাজ বর্তি থাকিবলৈ কিছুমান মৌলিক বা কার্যকৰী প্রয়োজন পূৰণ কৰাটো প্রয়োজনীয়। উদাহৰণস্বৰূপে, খাদ্য উৎপাদনৰ উপায় আৰু বাসগৃহক কার্যকৰী প্রয়োজন হিচাপে গণ্য কৰিব পাৰি; কিয়নো এইবোৰৰ অবিহনে এখন সমাজৰ সদস্যসকল বাচি নাথাকে। সেইদৰে এখন সমাজত নতুন সদস্যৰ সামাজিকৰণৰ প্রক্রিয়াকো কার্যকৰী প্রয়োজন আখ্যা দিব পাৰি; কিয়নো ইয়াৰ অবিহনে সামাজিক জীৱন প্রণালীবদ্ধ ৰূপত আগ নাবাঢ়ে। সমাজৰ বিভিন্ন অংগ যেনে পৰিয়াল, ধর্ম, ৰাজনীতি, অর্থনীতিয়ে এই মৌলিক প্রয়োজনসমূহ পূৰণ কৰাৰ ক্ষেত্রত অৰিহণা যোগাইছে। কার্যকৰী দৃষ্টিভংগী অনুসৰি যিহেতু সমাজ হৈছে এক ব্যৱস্থা, সেয়েহে ইয়াৰ অংশবোৰৰ মাজত মিলন থকাটো প্রয়োজনীয়। সেয়েহে এক ন্যূনতম মিলনৰ প্রক্রিয়াক সমাজৰ বাবে এক কার্যকৰী প্রয়োজন হিচাপে গণ্য কৰা হয়।

কার্যকাৰিতাৰ বিশেষজ্ঞসকলে পুনৰ কৈছে যে স্তৰীকৰণৰ ব্যৱস্থাই সমাজত শৃংখলা আৰু স্থিৰতা বজাই ৰখাত সহায় কৰিছে। অন্য শব্দত ক'বলৈ গ'লে, এই

দৃষ্টিভংগীৰ বিশেষজ্ঞসকল সামাজিক স্তৰীকৰণৰ কার্যাৱলী আৰু সমাজ বর্তি থকাৰ ক্ষেত্রত ইয়াৰ অৱদানৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এইসকল কার্যকৰী দৃষ্টিভংগীৰ বিশেষজ্ঞৰ দৃষ্টিভংগী তলত আলোচনা কৰা হ'ল।

- **তালকোট পাৰচনচে দৃষ্টিভংগী ঃ**

কার্যকৰী দৃষ্টিভংগীৰ বিশেষজ্ঞ হিচাপে তালকোট পাৰচনচে বিশ্বাস কৰে যে প্রমূল্যৰ সর্বসন্মতি সমাজত শৃংখলা, স্থিৰতা আৰু সহযোগিতা বর্তাই ৰাখিবলৈ প্রয়োজনীয়। প্রমূল্যৰ সর্বসন্মতি বুলিলে কোনো সমাজৰ সদস্যসকলৰ ভাল আৰু সার্থক দিশবোৰৰ স্বীকৃতিক বুজা যায়। এইদৰে সমাজৰ প্রমূল্যৰ প্রসংগত যিসকল লোকে সফলভাৱে কার্য সম্পাদন কৰে, তেওঁলোকে সমাজত উচ্চ স্থান লাভ কৰাৰ লগতে বিভিন্ন স্বীকৃতিও অর্জন কৰে। গতিকে তেওঁলোক উচ্চ সন্মানৰো অধিকাৰী হয়। উদাহৰণস্বৰূপে, আমাৰ সমাজত সাহস আৰু দেশপ্রেমক উচ্চ মূল্য প্রদান কৰা হয় আৰু সেয়েহে দেশ ৰক্ষাৰ কাৰণে যুঁজ কৰা সৈনিক আৰু সেনা বিষয়াসকলক স্তৰীকৰণ ব্যৱস্থাত উচ্চ স্তৰত ৰখা হয়। পৰম্পৰাগত ভাৰতীয় সমাজ ব্যৱস্থাত শিকন প্রক্রিয়াৰ লগত উচ্চ মূল্যবোধ জড়িত হৈ থাকে আৰু সেয়েহে বৈদিক জ্ঞানযুক্ত ব্রাহ্মণসকলে সমাজত উচ্চ স্থান অর্জন কৰে। একেদৰে, পাৰচনচৰ দৃষ্টিভংগী অনুসৰি আমেৰিকাৰ সমাজ ব্যৱস্থাত ব্যক্তিগত উন্নতি আৰু দক্ষতাক অধিক গুৰুত্ব প্রদান কৰা হয় আৰু সেয়েহে সফল ব্যৱসায়ীসকলে উচ্চ স্থান লাভ কৰে।

পাৰচনচৰ মতে স্তৰীকৰণ ব্যৱস্থা সকলো মানৱ সমাজৰে এক এৰাব নোৱাৰা অংশ। যিহেতু মূল্যবোধৰ সর্বসন্মতি সমাজ ব্যৱস্থাৰ এক উল্লেখযোগ্য অংশ, গতিকে স্তৰীকৰণৰ একাংশ এই মূল্যবোধৰ পৰাও সৃষ্টি হয়। তেওঁ আকৌ কৈছে যে সামাজিক স্তৰীকৰণ এক সঠিক ব্যৱস্থা যিহেতু ই মূল্যবোধৰ পৰা সৃষ্ট।

এইদৰে তেওঁ স্তৰীকৰণক সমাজ ব্যৱস্থাৰ এক এৰাব নোৱাৰা আৰু কার্যকৰী ব্যৱস্থা বুলি কৈছে। ই সাধাৰণ মূল্যবোধৰপৰা সৃষ্টি বাবে ইয়াক আঁতৰাব পৰা নাযায়। সমাজৰ বিভিন্ন গোটক একত্রিত কৰে বাবে ই এক কার্যকৰী ব্যৱস্থা।

- **কিংছলে ডেভিছ আৰু উইলবার্ট ই মুৰেৰ দৃষ্টিভংগী ঃ**

১৯৪৫ চনত কিংছলে ডেভিছ আৰু উইলবার্ট ই মুৰে তেওঁলোকৰ ৰচনা 'Some Principle of Stratification' ত স্তৰীকৰণৰ আটাইতকৈ জনপ্রিয় তত্ত্বটো আগবঢ়ায়। তেওঁলোকৰ মতে সকলো মানৱ সমাজতে স্তৰীকৰণৰ ব্যৱস্থাৰ অস্তিত্ব আছে। অন্য কার্যকৰী সূত্রৰ বিশেষজ্ঞৰ দৰে ডেভিছ আৰু মুৰেৰ সমাজে ব্যক্তিৰ জীৱন ধাৰণৰ সকলো প্রয়োজন পূৰণ কৰিব লাগে। এনে এটা কার্যকৰী প্রয়োজন হৈছে প্রভাৰী দায়িত্ব প্রদান আৰু প্রদর্শন। তেওঁলোকৰ মতে মানুহ দক্ষতা আৰু বুদ্ধিমত্তাৰ দিশৰপৰা পৃথক পৃথক হয় আৰু কিছুমান দায়িত্ব অন্যৰ তুলনাত অধিক গুৰুত্বপূর্ণ বুলি

বিবেচনা কৰা হয়। যিসকল লোকে দায়িত্বসমূহ পূৰণ কৰিবলৈ উপযুক্ত, তেওঁলোকক এই দায়িত্বসমূহ প্রদান কৰিব লাগে। তদুপৰি, এনে দায়িত্বৰ পালনৰ বাবে বিশেষ দক্ষতাৰ প্রয়োজন। সমাজত এনে দক্ষ ব্যক্তিৰ সংখ্যা সীমিত। সেয়েহে সমাজে এনে দক্ষতাসম্পন্ন ব্যক্তিক উচ্চ মানৰ পুৰস্কাৰ প্রদান কৰে। এনে উচ্চ স্বীকৃতিয়ে ব্যক্তিক প্রয়োজনীয় প্রশিক্ষণ আৰু কঠিন আৰু সন্মানীয় কৰ্মত নিয়োজিত হ'বলৈ উদগণি যোগায়। এইদৰে ডেভিচ আৰু মুৰেৰ যুক্তি অনুসৰি সামাজিক স্তৰীকৰণ এনে এটা ব্যৱস্থা, য'ত আটাইতকৈ গুৰুত্বপূৰ্ণ কৰ্মসমূহ আটাইতকৈ শ্রেষ্ঠ ব্যক্তিক প্রদান কৰা হয়। সেয়েহে এই ক্ষেত্রত বৈষম্যক যুক্তিসংগত আৰু কার্যকৰী বুলিব পাৰি।

৫.৬.২ সামাজিক স্তৰীকৰণৰ মার্ক্সীয় দৃষ্টিভংগী

কার্যকৰী তত্ত্বৰ সমর্থকসকলৰ বিপৰীতে, মার্ক্সীয় দৃষ্টিভংগী অনুসৰি স্তৰীকৰণ ব্যৱস্থা হৈছে এনে এক ব্যৱস্থা, য'ত এক সংখ্যালঘূ গোটে আন লোকসকলক শোষণ কৰে। সর্বপ্রথমে স্তৰীকৰণ সম্বন্ধে মার্ক্সৰ দৃষ্টিভংগী বুজিব লাগিব। মার্ক্সে তেওঁৰ জনপ্রিয় গ্রন্থ Communist Menifesto ৰ আৰম্ভণিতে কৈছে যে, "বর্তমানলৈ প্রচলন থকা সকলো সমাজ হৈছে শ্রেণী সংগ্রামৰ ইতিহাসৰ পৰিণতি।" সকলো মানৱ সমাজত দুটা গুৰুত্বপূৰ্ণ সামাজিক দল আছে। সেই দুটা হৈছে — শাসক শ্রেণী আৰু শাসিত শ্রেণী। কিন্তু কিদৰে এই শ্রেণীৰ সৃষ্টি হ'ল? মার্ক্সৰ মতে উৎপাদনৰ প্রক্রিয়াত ব্যক্তিয়ে পালন কৰা দায়িত্ব বা স্থানৰ ওপৰত ভিত্তি কৰিয়ে শ্রেণীৰ সৃষ্টি হৈছে। শাসক শ্রেণীৰ ক্ষমতা তেওঁলোকৰ মালিকীস্বত্ব আৰু উৎপাদন প্রক্রিয়াত নিয়ন্ত্রণৰ দ্বাৰা সৃষ্ট হয়। শাসক শ্রেণীয়ে শাসিত শ্রেণীৰ ওপৰত শোষণ চলায় আৰু অবদমিত কৰি ৰাখে। মার্ক্সৰ মতে, উৎপাদনৰ নিয়ম (যাক তেওঁৰ উৎপাদনৰ কাৰক বুলিছে) ৰ ক্ষেত্রত সামাজিক দলৰ মাজৰ সম্পর্কৰ পৰা স্তৰীকৰণ সৃষ্ট। গতিকে এটা শ্রেণী হৈছে এটা সামাজিক গোট যাৰ সদস্যসকলে উৎপাদনৰ প্রক্রিয়াত একে সম্বন্ধ আৰু দায়িত্ব পালন কৰে। এইদৰে সামন্তবাদৰ সময়ত সমাজৰ এই দুই মুখ্য শ্রেণীৰ উপস্থিতি উৎপাদন প্রক্রিয়াৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰক ভূমিৰ অধিকাৰ আৰু সম্পর্কৰ ভিত্তিত নিৰূপিত হয়। সামন্ত প্রভূসকলৰ ওচৰত ভূমি থাকে আৰু ভূমিহীনসকলে ইয়াত কাম কৰে। একেদৰে পুঁজিপতি সমাজ ব্যৱস্থাতো দুটা মূল শ্রেণী থাকে — বুর্জোৱা বা পুঁজিপতি শ্রেণী আৰু শ্রমিক শ্রেণী। বুর্জোৱাসকলৰ মূলধন, উদ্যোগ, কেঁচামাল আদি উৎপাদনৰ কাৰকৰ ওপৰত নিয়ন্ত্রণ থকাৰ বিপৰীতে শ্রমিক শ্রেণীটোৰ হাতত শ্রম শক্তিৰ বাহিৰে একো নাথাকে। শ্রমিক শ্রেণীটোৱে জীৱন নির্বাহৰ বাবে তেওঁলোকৰ শ্রম শক্তি বুর্জোৱা শ্রেণীটোৰ হাতত কম দৰতে বিক্রী কৰিবলৈ বাধ্য হয়।

'থকা' শ্রেণীটো অর্থাৎ যাৰ ওচৰত উৎপাদনৰ কাৰকবোৰ থাকে, তেওঁলোক শোষক হিচাপে আৰু 'নথকা'সকল, যাৰ ওচৰত উৎপাদনৰ একো কাৰকৰ ওপৰত

নিয়ন্ত্রণ নাথাকে, তেওঁলোক শোষিত হিচাপে চিহ্নিত। এই উভয় শ্রেণীৰ মাজৰ সম্পর্ক বৈষম্যমূলক হয়।

৫.৬.৩ সামাজিক স্তৰীকৰণৰ ৱেবেৰীয় দৃষ্টিভংগী

মেক্স ৱেবাৰে সম্পত্তি, ক্ষমতা আৰু সন্মানক সামাজিক স্তৰীকৰণৰ তিনিটা পৃথক অথচ পাৰস্পৰিক সম্পর্কযুক্ত ভিত্তি বুলি কৈছে। ৱেবাৰে এটা শ্রেণীক ব্যক্তিৰ এটা দল আখ্যা দিছে, যিয়ে বজাৰ অর্থনীতিত একেধৰণৰ স্থানত অধিষ্ঠিত হয়। এইদৰে ৱেবাৰৰ মতে, এজন ব্যক্তিৰ শ্রেণী অৱস্থা হৈছে মূলতঃ তেওঁৰ বজাৰৰ অৱস্থা। যিসকল একে ধৰণৰ শ্রেণী অৱস্থাত অধিষ্ঠিত, তেওঁলোকে জীৱনতো একেজাতীয় সুযোগ লাভ কৰে। উদাহৰণস্বৰূপে, যিসকল ব্যক্তিৰ আর্থিক স্থান উচ্চ হয়, তেওঁলোকে শিক্ষা, গৃহ নির্মাণ আৰু চিকিৎসাৰ সুবিধাৰ ক্ষেত্রতো উচ্চ স্থান লাভ কৰে।

ৱেবাৰৰ মতে, পদমর্যাদাৰ দলসমূহ একেজাতীয় সামাজিক সন্মানৰ ভিত্তিত গঠিত হয়। পদমর্যাদাৰ পার্থক্যই জীৱন ধাৰণত বিভিন্নতাৰ সৃষ্টি কৰে যিয়ে বিভিন্ন পদমর্যাদাৰ দলক এক গুৰুত্বপূর্ণ কাৰকৰ সূচনা কৰে।

ৱেবাৰে গুৰুত্ব আৰোপ কৰা তৃতীয় প্রকাৰৰ সংগঠন হ'ল দল। বিভিন্ন গুৰুত্বপূর্ণ দিশৰপৰা দলবোৰ শ্রেণী আৰু পদমর্যাদাৰ দলতকৈ পৃথক হয়। অর্থনৈতিক আৰু সন্মান হৈছে ক্রমে শ্রেণী আৰু পদমর্যাদাৰ দলৰ আটাইতকৈ গুৰুত্বপূর্ণ কাৰক। আনহাতে দলবোৰ ক্ষমতাৰ ভিত্তিত গঠন কৰা হয়। ৱেবাৰৰ মতে, "দলবোৰ ক্ষমতাৰ পৰিসীমাত আৱদ্ধ হৈ থাকে।" দলবোৰে সামাজিক ক্ষমতা আহৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

ৱেবাৰৰ শ্রেণী, পদমর্যাদাৰ গোট আৰু দল (party) ৰ ব্যাখ্যাই এটা কথাকে সূচায় যে কোনো তত্ত্বই সামাজিক স্তৰীকৰণৰ ব্যৱস্থাৰ সঠিক ব্যাখ্যা আগবঢ়াব নোৱাৰে। সামাজিক গোটৰ সৃষ্টিৰ ক্ষেত্রত শ্রেণী, পদমর্যাদাৰ গোট আৰু দলৰ মাজত এক আভ্যন্তৰীণ ভূমিকা আছে। এই প্রক্রিয়া নির্দিষ্ট সমাজত নির্দিষ্ট সময়ত পর্যবেক্ষণ কৰিব লাগে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ 'Some Principles of Stratification' গ্রন্থখনৰ ৰচক কোন?

প্রশ্ন নং ৪ ঃ সমাজতত্ত্বত 'সামাজিক লিংগ' (gender) অভিধাটোৰ প্রয়োগ কোনে পোনপ্রথমে কৰিছিল?



৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সামাজিক স্তৰীকৰণ সামাজিক বৈষম্যৰ এটা বিশেষ ৰূপ
- সামাজিক স্তৰীকৰণে ক্ষমতা, সম্পদ আৰু সন্মানৰ ভিত্তিত এটাৰ ওপৰত আনটোতকৈ সামাজিক দলবোৰৰ বিভাজনক সূচায়।
- ভাৰতত পৰিলক্ষিত হোৱা সামাজিক স্তৰীকৰণৰ প্ৰভাৱী কাৰকবোৰৰ ভিতৰত এটা হ'ল জাতি ব্যৱস্থা।
- জাতিগত শ্ৰেণীবিভাজনত সমাজত এজন ব্যক্তিৰ স্থান তেওঁৰ জাতিৰ ওপৰত নিৰ্ভৰ কৰে।
- আধুনিক সমাজ ব্যৱস্থাত সামাজিক স্তৰীকৰণৰ বিষয়ে বুজিবলৈ শ্ৰেণীৰ ধাৰণা কৰাটো প্ৰয়োজনীয়।
- সামাজিক স্তৰ হিচাপে শ্ৰেণী হৈছে এনে একোটা গোট, যাৰ সদস্যসকলৰ আৰ্থিক অৱস্থা একে হোৱাৰ লগতে একে জীৱন ধাৰণৰ শৈলী আৰু একে আদৰ্শৰ লগত জড়িত হয়।
- দৈহিক গঠন (যেনে চুলিৰ বৰণ, ছালৰ বৰণ, দেহৰ গঠন, চকু আদি) ৰ ভিত্তিত বৈষম্য নিৰূপণৰ ব্যৱস্থা এতিয়াও বিশ্বৰ বিভিন্ন অঞ্চলত পৰিলক্ষিত হয়।
- শ্বেতাংগ আৰু কৃষ্ণাগসকলৰ মাজৰ বৰ্ণ স্তৰীকৰণৰ এক উপযুক্ত উদাহৰণ প্ৰদান কৰে।
- একাধিক নৃগোষ্ঠীয় গোটযুক্ত সমাজবোৰত কিছুমান সামাজিক-আৰ্থিক আৰু ৰাজনৈতিক শক্তিয়ে এটা গোটক আন এটাৰ ওপৰত প্ৰভাৱশালী কৰি তোলে।
- অন্য গৌণ নৃগোষ্ঠীয় দলবোৰৰ সামাজিক স্তৰব্যৱস্থাৰ স্থানৰ ভিত্তিত সীমিত শক্তি থাকে। ইয়াৰ আটাইতকৈ তলত থকা দলবোৰৰ একেবাৰে কম ক্ষমতা থাকে বা ক্ষমতাবিহীন হয়।
- সমাজতাত্ত্বিকসকলৰ যুক্তি অনুসৰি সামাজিক লিংগ হৈছে পুৰুষ আৰু মহিলাৰ সামাজিক আৰু সাংস্কৃতিক দায়িত্ব নিৰ্দেশ কৰা এক ধাৰণা।
- সমাজতাত্ত্বিকসকলে যুক্তি আগবঢ়াই কৈছে যে পুৰুষত্ব আৰু নাৰীত্ব সম্পৰ্কীয় সাংস্কৃতিকভাৱে প্ৰভাৱী ধাৰণাসমূহ পুৰুষ আৰু নাৰীৰ প্ৰকৃত বৈশিষ্ট্য প্ৰকাশ নকৰে বাবে গতানুগতিক বা নতুনত্ববিহীন হয়।
- কাৰ্যকৰী তত্ত্বৰ বিশেষজ্ঞসকলৰ মতে স্তৰীকৰণৰ ব্যৱস্থাই সমাজত শৃংখলা আৰু স্থিৰতা বজাই ৰখাত সহায় কৰে।
- মাৰ্ক্সৰ মতে, উৎপাদনৰ নিয়ম (যাক তেওঁৰ উৎপাদনৰ কাৰক বুলিছে) ৰ ক্ষেত্ৰত সামাজিক দলৰ মাজৰ সম্পৰ্কৰ পৰা স্তৰীকৰণ সৃষ্ট।
- মেক্স ৱেবাৰে সম্পত্তি, ক্ষমতা আৰু সন্মানক সামাজিক স্তৰীকৰণৰ তিনিটা পৃথক অথচ পাৰস্পৰিক সম্পৰ্কযুক্ত ভিত্তি বুলি কৈছে।



৫.৮ অধিক জানিবলৈ

- Tumin, M.M. 1985. Social Stratification. New Delhi. Prentice Hall of India.
- Haralambos, M. 2012. Sociology : Themes and Perspectives. New Delhi : Oxford University Press



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ এম. এম. টুমিন।

২ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাচীনতা, সৰ্ব্বব্যাপিতা, স্তৰীকৰণৰ ৰূপ আৰু পৰিমাণৰ ক্ষেত্ৰত বৈষম্য।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ কিংছলে ডেভিছ আৰু উইলবার্ট ই মুৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ এন. অ'কলে।



৫.১০ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰৰ প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিক স্তৰীকৰণ বুলিলে কি বুজা যায়?

প্ৰশ্ন ২ ঃ লিংগ আৰু সামাজিক লিংগৰ মাজৰ পাৰ্থক্য উল্লেখ কৰক।

(খ) দীঘল উত্তৰৰ প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ স্তৰীকৰণৰ বিভিন্ন ৰূপবোৰৰ বিষয়ে এক আলোচনা দাঙি ধৰক।

প্ৰশ্ন ২ ঃ সামাজিক স্তৰীকৰণৰ মাৰ্ক্সীয় আৰু ৱেবেৰীয় দৃষ্টিভংগীৰ মাজত এক বিশ্লেষণাত্মক তুলনা আগবঢ়াওক।

*** ***** ***

অধ্যায় ৬ঃ সামাজিক পৰিৱৰ্তন

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ সামাজিক পৰিৱৰ্তনৰ অৰ্থ

৬.৩.১ সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি

৬.৪ সামাজিক পৰিৱৰ্তনৰ তত্ত্বসমূহ

৬.৪.১ সামাজিক পৰিৱৰ্তনৰ দিশ

৬.৪.২ সামাজিক পৰিৱৰ্তনৰ কাৰক অথবা উপাদান

৬.৫ সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া

৬.৫.১ উন্নয়ন

৬.৫.২ গোলকীকৰণ

৬.৫.৩ আধুনিকীকৰণ

৬.৬ অন্যান্য সামাজিক প্ৰক্ৰিয়া

৬.৭ সামাজিক পৰিৱৰ্তন অধ্যয়নৰ সমস্যা

৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৯ অধিক জানিবলৈ

৬.১০ অগ্ৰগতিৰ খতিয়ান

৬.১১ আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক পৰিৱৰ্তনৰ প্ৰকৃত অৰ্থ সম্পৰ্কে জানিব পাৰিব
- সামাজিক পৰিৱৰ্তনত অৰিহণা যোগোৱা কাৰকসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব
- সামাজিক পৰিৱৰ্তনত অৰিহণা যোগোৱা কাৰকসমূহৰ বিষয়ে জানিব পাৰিব
- উন্নয়নৰ এক সম্যক ধাৰণা লাভ কৰিব
- গোলকীকৰণ কিদৰে সংঘটিত হৈছে, সেই সম্পৰ্কে এক ধাৰণা লাভ কৰিব
- আধুনিককৰণৰ প্ৰক্ৰিয়াটোৰ বিষয়ে অবগত হ'ব।

৬.২ পৰিচয়

পৰিবৰ্তন এখন সমাজৰ এক এৰাব নোৱৰা দিশ। ঔদ্যোগিকৰণৰ প্ৰক্ৰিয়াই সমাজলৈ কঢ়িয়াই আনে। ই মানুহৰ মাজত শ্ৰমৰ পাৰ্থক্য সৃষ্টি কৰি তেওঁলোকৰ মাজৰ সম্পৰ্কৰ পৰিৱৰ্তন

সাধন কৰে। আকৌ, যন্ত্ৰ-পাতিৰ আৱিষ্কাৰে বিভিন্ন পৰোক্ষ পৰিৱৰ্তন (যেনে শ্ৰমিক আইনৰ কাৰ্যকৰীকৰণত) পৰিৱৰ্তনৰ সূচনা কৰে। এই প্ৰক্ৰিয়াত, মানুহৰ মূল্যবোধ আৰু সংস্কৃতিৰো পৰিৱৰ্তিত পৰিৱেশৰ লগত সংগতি ৰাখি সালসলনি হয়। কেতিয়াবা, পৰিৱৰ্তনে আনকি সমাজত অস্থিৰতাৰো সৃষ্টি কৰে। এই অধ্যায়ত সামাজিক পৰিৱৰ্তন আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশসমূহ বিস্তৃতভাৱে আলোচনা কৰা হ'ব।

৬.৩ সামাজিক পৰিৱৰ্তনৰ অৰ্থ

পৰিৱৰ্তন শব্দটোৱে যিকোনো বস্তু বা প্ৰক্ৰিয়াত এক নিৰ্দিষ্ট সময়ত পৰিলক্ষিত হোৱা নতুনত্ব বা পাৰ্থক্যক বুজায়। পৰিৱৰ্তন সকলো সময়তে, সকলো স্থানতে সংঘটিত হৈ আছে।

সংজ্ঞা

জৰ্জ এ, লুণ্ডবাৰ্গ, ক্লেৰেঞ্চ, চি. ষ্ৰাগ আৰু অ'ট' এন. লাৰ্চেনৰ মতে, "সামাজিক পৰিৱৰ্তন হৈছে সামাজিক আচৰণৰ পৰিৱৰ্তনৰ এক নিৰৱচ্ছিন্ন প্ৰক্ৰিয়া, যিটো সকলো সমাজত, জীৱনৰ প্ৰতিটো ৰূপ আৰু অভিব্যক্তিত পৰিলক্ষিত হয়।" আকৌ ই হৈছে সামাজিক সম্বন্ধ, সামাজিক মূল্যবোধ বা সমাজত কাৰ্যকৰী হৈ থকা গাথনি আৰু উপ-ব্যৱস্থাৰ পৰিচিত গাঁথনিৰ পৰিৱৰ্তন। যদিও অধিকাংশ ক্ষেত্ৰত সামাজিক পৰিৱৰ্তন আশিংকভাৱে পৰিলক্ষিত হয়, তথাৰি কোনো-কোনো ক্ষেত্ৰত এই পৰিৱৰ্তন সামগ্ৰিক ৰূপত ধৰা দিয়ে।

এম. ই. জেমচৰ মতে, সামাজিক পৰিৱৰ্তন অভিধাটোৰ জৰিয়তে সামাজিক প্ৰক্ৰিয়া, সামাজিক গাঁথনি, সামাজিক আদান-প্ৰদান অথবা সামাজিক অনুষ্ঠানৰ পৰিৱৰ্তন অথবা নৱীকৰণক নিৰ্দেশ কৰে।

কিংছলে ডেভিছৰ মতে, সামাজিক পৰিৱৰ্তনে কেৱল সেইসমূহ ৰূপান্তৰক বুজোৱা হয়, যিবোৰ সামাজিক অনুষ্ঠান অৰ্থাৎ সমাজৰ গঠন আৰু কাৰ্যকলাপৰ ক্ষেত্ৰত ৰক্ষিত হয়। সামাজিক পৰিৱৰ্তন আভ্যন্তৰীণ আৰু বাহ্যিক সূত্ৰৰ মাধ্যমেৰে সমাজৰ গাঁথনি আৰু সংস্কৃতিৰ ক্ষেত্ৰত পৰিলক্ষিত হয়। একাংশ সমাজতত্ত্ববিদে আভ্যন্তৰীণ পৰিৱৰ্তন (যিবোৰ পৰিৱৰ্তন সমাজৰ ভিতৰত সংঘটিত হৈছে) আৰু বাহ্যিক পৰিৱৰ্তন (যিবোৰ পৰিৱৰ্তন সমাজৰ বাহিৰৰ পৰা সূত্ৰপাত হৈছে) — এই দুটা ভাগত সমাজৰ পৰিৱৰ্তনক ভাগ কৰিছে। অৱশ্যে, প্ৰকৃততে পৰিৱৰ্তনৰ এই দুটা দিশৰ বিভাজন কৰাটো সম্ভৱ নহয়। উদাহৰণস্বৰূপে, কিছুমান সমাজত, পশ্চিমীয়া প্ৰযুক্তিৰ বাবে পৰিৱৰ্তনৰ সূচনা হোৱা বুলি কোনোৱে ক'ব পাৰে। কিন্তু, একে সময়তে, সমাজত এনে কিছুমান পৰিৱৰ্তন আছে যিবোৰ সমাজৰ আভ্যন্তৰৰ বিভিন্ন সামাজিক দলৰ পৰা সূত্ৰপাত হয়।

সামাজিক পৰিৱৰ্তনৰ দিশসমূহ ঊৰ্ধমুখী, অধঃমুখী, ৰৈখিক আথবা চক্ৰাকাৰ হ'ব পাৰে। সাধাৰণতে ই প্ৰমূল্য নিৰপেক্ষ হোৱা দেখা যায়। অৱশ্যে কিছুমান ক্ষেত্ৰত আদৰ্শগত প্ৰকাশৰ ফলতো সামাজিক পৰিৱৰ্তন সংঘটিত হয়। ই প্ৰকৃতিগতভাৱে ৰক্ষণশীল বা সংস্কাৰমুখী হ'ব পাৰে।

প্ৰক্ৰিয়া, উদ্ভৱ আৰু বিকাশ ঃ

মেক্লভাৰ আৰু পেজৰ মতে, সমাজতাত্ত্বিক অধ্যয়নত পৰিৱৰ্তনৰ দৃষ্টিভংগীৰ লগতে, ইয়াৰ লগত সম্পৰ্কিত কিছুমান ধাৰণা যেনে প্ৰক্ৰিয়া (process), উদ্ভৱ (evalution) আৰু বিকাশ (progress) লক্ষ্য কৰিব পাৰি। প্ৰক্ৰিয়াৰ জৰিয়তে, নিৰ্দিষ্ট কিছুমান পৰিৱৰ্তনক বুজোৱা হয়, য'ত এটা স্তৰ বা অৱস্থা আন এটাৰ লগত মিলি যায়। এটা প্ৰক্ৰিয়া উৰ্ধমুখী, অধঃমুখী, অগ্ৰগামী বা পশ্চাৎমুখী হোৱাৰ লগতে একীকৰণ অথবা অনা-একীকৰণ দিশে অগ্ৰসৰ হ'ব পাৰে। প্ৰক্ৰিয়া মূল্যবোধৰ দ্বাৰা ভাৰাক্ৰান্ত নহয়। নিৰৱচ্ছিন্নভাৱে উৰ্ধমুখী বা অধঃমুখী হৈ থকা কাৰ্যই ই ভাল নে বেয়া তাক নিৰ্দেশ নকৰে।

পৰিৱৰ্তনৰ লগত সম্পৰ্কিত আন এটা ধাৰণা হ'ল উদ্ভৱ। উদ্ভৱ হৈছে সকলো অৱস্থিতিৰে দুটা স্তৰৰ পৰিৱৰ্তনৰ শ্ৰেণী হিচাপে পৰিগণিত হোৱাৰ এক প্ৰক্ৰিয়া। মেক্লেভাৰৰ মতে, উদ্ভৱ হৈছে এনে এটা প্ৰক্ৰিয়া য'ত কোনো বস্তুৰ আভ্যন্তৰীণ বা গোপন দিশ বা বৈশিষ্ট্যই নিজকে প্ৰকাশ কৰে। ই হৈছে পৰিৱৰ্তনৰ এক প্ৰক্ৰিয়া যিয়ে পৰিৱৰ্তিত বস্তুৰ বিভিন্ন দিশ মোকলাই দিয়ে আৰু য'ত ইয়াৰ অন্তৰালত নিহিত হৈ থকা সম্ভাৱনাসমূহ বাস্তৱিক হয়। একে সময়তে উদ্ভৱ হৈছে এনে এক প্ৰক্ৰিয়া যি একে সময়তে বস্তুটোৰ পৰিৱেশৰ লগত পৰিৱৰ্তিত অভিযোজন আৰু স্বকীয় প্ৰকৃতিৰ অভিব্যক্তিক সামৰি লয়। সেইদৰে, ই হৈছে কোনো বস্তুৰ সম্পূৰ্ণ প্ৰকৃতিৰ সামৰি লোৱা এক পৰিৱৰ্তন, য'ত তাৰ সম্পূৰ্ণ কাঠামোৰ ভাৰসাম্যৰ পৰিৱৰ্তন হয়।

মেক্লেভাৰ আৰু পেজৰ মতে, "উদ্ভৱ বিকাশতকৈ এটা পৃথক প্ৰক্ৰিয়া। ই আৰু কিছুমান অন্তৰ্নিহিত দিশক সামৰি লয়। পৰিৱৰ্তন কেৱল আকাৰতে সীমাৱদ্ধ হৈ নাথাকে, ই গাঁথনিক দিশকো অন্তৰ্ভুক্ত কৰে। উদ্ভৱ প্ৰক্ৰিয়াটোৰ লগত 'উন্নয়ন' আৰু 'পশ্চাদগতি' — এই অভিধা দুটাও জড়িত।" উদ্ভৱে পৰিৱৰ্তনৰ বিভিন্ন দিশক সূচিত কৰে। সমাজ এখনত পৰিৱৰ্তনৰ কিদৰে সূচনা হয়, সেই সম্পৰ্কে জানিবলৈ মানুহে বিভিন্ন প্ৰচেষ্টা চলোৱা পৰিলক্ষিত হয়। পৰিৱৰ্তন সদায় এটা স্তৰৰ পিছত আনটোতকৈ ৰৈখিক গতিত আগবাঢ়ে। এই ধৰণৰ পৰিৱৰ্তনবোৰ স্পেন্সাৰ, কমেট আৰু মাৰ্ক্সে উল্লেখ কৰিছে। চাৰ্লছ ডাৰউইনে প্ৰদান কৰা জৈৱ বিৱৰ্তনৰ সূত্ৰৰ পৰাই পৰৱৰ্তী কালত বিৱৰ্তনৰ সূত্ৰটো অধিক জনপ্ৰিয় হৈ পৰিছে। এই বিৱৰ্তনৰ ধাৰণাটো পৰৱৰ্তী কালত সমাজ অধ্যয়নৰ বাবে হাৰ্বাৰ্ট স্পেন্সাৰে গ্ৰহণ কৰিছে।

বিকাশে এটা দিশৰ উপৰিও এটা সম্পূৰ্ণ লক্ষ্য, কিছুমান আদৰ্শৰ ভিত্তিত নিৰ্ধাৰিত উদ্দেশ্যক নিৰ্দেশ কৰে। আৰ্জিত লক্ষ্যটো ভাল নে বেয়া সেয়া নিৰ্ভৰ কৰে, ইয়াক বিচাৰ কৰা মানুহজনৰ ওপৰত। শৰ্মাৰ মতে, বিকাশে এটা আকাংক্ষিত পৰিৱৰ্তনক সূচায়। আকাংক্ষিত সামাজিক পৰিৱৰ্তনকে বিকাশ আখ্যা দিয়া হয়। বিকাশ হৈছে এটা আপেক্ষিক ধাৰণা, কিয়নো ই অতীত আৰু বৰ্তমানৰ মাজৰ তুলনাক সামৰি লয়।

সামাজিক আন্দোলন ঃ

সামাজিক আন্দোলনৰ ফলতো সামাজিক পৰিৱৰ্তনৰ সূচনা হয়। সামাজিক আন্দোলনে সামাজিক পৰিৱৰ্তনৰ বাবে চলোৱা একাধিক সামাজিক প্ৰয়াসক সূচায়।

সামাজিক আন্দোলন হৈছে প্ৰতিষ্ঠিত স্বতঃস্ফূৰ্ত আৰু স্থায়ী সামাজিক মূল্যবোধ, নীতি আৰু সমাজৰ সামাজিক সম্বন্ধ পৰিৱৰ্তনৰ বাবে এক বা একাধিক দলৰ এক প্ৰচেষ্টা। এই প্ৰচেষ্টাসমূহে সামাজিক প্ৰতিষ্ঠানত নিৰ্দিষ্ট কিছুমান পৰিৱৰ্তনৰ সূচনা কৰাৰ লগতে এক নতুন সামাজিক শৃংখলাৰ সৃষ্টি কৰে। সামাজিক আন্দোলনে কোনো ব্যক্তিক তেওঁৰ দৃষ্টিভংগী প্ৰকাশ আৰু সমাজত এটা ভূমিকা গ্ৰহণৰ সুবিধা প্ৰদান কৰে। সামাজিক আন্দোলনে সু-সংগঠিত দল গঠন কৰে, যিয়ে কৰ্তৃপক্ষক তেওঁলোকৰ আঁচনি আৰু পৰিকল্পনাসমূহ ৰূপায়ন কৰিবলৈ হেঁচা প্ৰদান কৰে। সামাজিক আন্দোলনে নতুন নতুন ধাৰণাৰ সৃষ্টি কৰি ইয়াৰ বিকাশ সাধন কৰে, যিয়ে দলীয় সচেতনতাৰ সৃষ্টি কৰে।

৬.৩.১ সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতি

পূজা মণ্ডলে সামাজিক পৰিৱৰ্তনৰ প্ৰকৃতিক বিস্তৃত ভাৱে আলোচনা কৰিছে —

- সামাজিক পৰিৱৰ্তন হৈছে সকলো প্ৰকাৰৰ সমাজত পৰিলক্ষিত হোৱা এক বিশ্বজনীন প্ৰক্ৰিয়া। সমাজৰ বিভিন্ন উপাদান যেনে জনসংখ্যা, আদৰ্শ আৰু মূল্যবোধসমূহ সমাজ ভেদে পৃথক পৃথক হয়।
- সামাজিক পৰিৱৰ্তনৰ গতিও সকলোতে একে নহয়। সমাজ ভেদে এই গতিৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰযুক্তিৰ উপলব্ধতাৰ পাৰ্থক্য ইয়াৰ সাম্ভাব্য কাৰণ হ'ব পাৰে। উদাহৰণস্বৰূপে, চহৰাঞ্চলত গ্ৰাম্যাঞ্চলৰ তুলনাত প্ৰযুক্তিৰ অধিক বিকাশ দেখা যায়।
- সামাজিক পৰিৱৰ্তন হৈছে সাম্প্ৰদায়িক পৰিৱৰ্তন। এজন ব্যক্তিৰ জীৱনত সংঘটিত পৰিৱৰ্তনক সামাজিক পৰিৱৰ্তন আখ্যা দিয়া নহয়। এটা সামাজিক পৰিৱৰ্তন হ'বলৈ, গোটেই সমাজখনে এই পৰিৱৰ্তন অনুভৱ কৰিব লাগিব।
- সামাজিক পৰিৱৰ্তন প্ৰয়োজনীয়। মানুহে তেওঁলোকৰ প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ পৰিৱৰ্তন বিচাৰে। গতিকে সামাজিক পৰিৱৰ্তন এক প্ৰয়োজন হৈ পৰিছে।
- সামাজিক পৰিৱৰ্তনক পূৰ্বানুমান কৰিব নোৱাৰি। এনে কোনো নীতি নাই যিয়ে সাম্ভাব্য পৰিৱৰ্তনৰ সঠিক পূৰ্বাভাস আমাক প্ৰদান কৰিব পাৰে। গতিকে, সমাজত কিদৰে পৰিৱৰ্তন হ'ব, তাক সঠিককৈ কোৱাটো টান।
- বিভিন্ন কাৰকৰ সংমিশ্ৰণৰ ফলত সামাজিক পৰিৱৰ্তনৰ সূচনা হয়। একাকীভৱে কোনো পৰিৱৰ্তনে সমাজত স্থান নাপায়। এটা ক্ষেত্ৰত হোৱা পৰিৱৰ্তনে আন এটা ক্ষেত্ৰতো পৰিৱৰ্তনৰ সৃষ্টি কৰে। যেনে প্ৰযুক্তিয়ে অৰ্থনৈতিক জীৱনত পৰিৱৰ্তনৰ সূচনা কৰে আৰু অৰ্থনীতিৰ পৰিৱৰ্তনে পাৰিৱেশিক পৰিৱৰ্তনৰ সূচনা কৰে।
- সামাজিক পৰিৱৰ্তন এটা ৰৈখিক গতিত সংঘটিত হয়। সমাজৰ এটা দিশত হোৱা পৰিৱৰ্তনে আন এটা দিশতো পৰিৱৰ্তনৰ সূচনা কৰে। ই সমাজৰ বিভিন্ন

উপাদানৰ মাজত সম্পৰ্কক নিৰ্দেশ কৰে।

- সামাজিক পৰিৱৰ্তনে পৰিৱৰ্তন আৰু প্ৰতিষ্ঠাপনক সূচায়। সামাজিক পৰিৱৰ্তনে বিভিন্ন কায়িক বস্তু বা সামাজিক সম্বন্ধ সলনি হোৱা প্ৰক্ৰিয়াক নিৰ্দেশ কৰে। মণ্ডলে এই প্ৰসংগত এটা উদাহৰণ প্ৰদান কৰিছে। পুৱাৰ আহাৰত গ্ৰহণ কৰা খাদ্যবস্তুৰ ধৰণ সলনি হৈছে। যদিও একে প্ৰথমিক খাদ্যবস্তু যেনে কণী, মাকৈ, গম একে আছে যদিও খাদ্য তালিকাত পূৰ্ব প্ৰস্তুত খাদ্য সামগ্ৰী যেনে কৰ্ণফ্লেক্স, ব্ৰেড, অমলেট আদি নতুন নতুন বস্তু সংযোজিত হৈছে। আন এটা উদাহৰণ সামাজিক সম্বন্ধৰ পৰা প্ৰদান কৰিব পাৰি। অতীতৰ কৰ্তৃত্ববাদী পৰিয়াল বৰ্তমান সৰু সাম্যবাদী পৰিয়ালত পৰিণত হোৱাৰ বিপৰীতে এটা কক্ষৰ স্কুলবোৰ কেন্দ্ৰভূত বিদ্যালয় হৈছে। নাৰীৰ অধিকাৰ, ধৰ্ম, চৰকাৰ আৰু সম-অধিকাৰকেন্দ্ৰিক ধাৰণাত বৰ্তমান সলনি হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে সমাজ অধ্যয়নৰ ক্ষেত্ৰত উদ্ভৱমূলক ধাৰণা গ্ৰহণ কৰিছিল?

৬.৪ সামাজিক পৰিৱৰ্তনৰ তত্ত্বসমূহ

সামাজিক পৰিৱৰ্তনৰ ধৰণসমূহক বহলভাৱে দুটা ভাগত ভগাব পাৰি —

ক) সামাজিক পৰিৱৰ্তনৰ দিশ

খ) সামাজিক পৰিৱৰ্তনৰ কাৰক অথবা উপাদান

৬.৪.১ সামাজিক পৰিৱৰ্তনৰ বিভিন্ন দিশ

সামাজিক পৰিৱৰ্তনৰ দিশত মূলতঃ দুই ধৰণৰ সামাজিক পৰিৱৰ্তন অন্তৰ্ভুক্ত হয় — ৰৈখিক আৰু চক্ৰাকাৰ।

- **ৰৈখিক সামাজিক পৰিৱৰ্তন**

সামাজিক পৰিৱৰ্তনৰ ৰৈখিক তত্ত্ব অনুসৰি, সামাজিক পৰিৱৰ্তনৰ উদ্ভৱমূলক তত্ত্বক অন্তৰ্ভূক্ত কৰিব পাৰি। একাংশ গৱেষক আৰু সমালোচকে, সমাজ বিভিন্ন স্তৰৰ মাজেৰে আগবঢ়া এক প্ৰক্ৰিয়া হিচাপে গণ্য কৰে। আগষ্ট কমটে এন এগৰাকী সমালোচক। তেওঁ সামাজিক পৰিৱৰ্তনৰ তিনিটা স্তৰৰ কথা আঙুলিয়াই দিছে — আধ্যাত্মিক, অধিবিদ্যামূলক আৰু ইতিবাচক স্তৰ। প্ৰথম স্তৰত, মানুহে এটা অতি-প্ৰাকৃতিৰ শক্তিক বিশ্বাস কৰে, যিয়ে এই বিশ্বক নিয়ন্ত্ৰণ আৰু নিৰ্মাণ কৰে। তেওঁলোকে

একাধিক দেৱ-দেৱীৰ বিশ্বাসৰপৰা একেশ্বৰবাদলৈ অগ্রসৰ হয়। এই পর্যায়ে অধিবিদ্যামূলক স্তৰৰ দুৱাৰ মুকলি কৰি দিয়ে। এই স্তৰত মানুহে বিমূর্তৰ ভিত্তিত ঘটনাসমূহ ব্যাখ্যা কৰাৰ প্রয়াস কৰে। ইতিবাচক স্তৰত মানুহে অনুসন্ধান কৰা বা বিবেচ্য তথ্যবোৰৰ ভিত্তিত বিভিন্ন পৰিঘটনাৰ কার্যকাৰণ নির্ণয় কৰিবলৈ প্রয়াস কৰে। গতিকে, কমটেৰ মতে প্রাকৃতিক আৰু সামাজিক পৰিঘটনা নির্ণয়ৰ ক্ষেত্রত মানুহে যদি ইতিবাচক দৃষ্টিভংগী গ্রহণ কৰে, তেন্তে তেনে সমাজৰ উন্নয়ন হোৱাটো নিশ্চিত। হার্বার্ট স্পেন্সাৰৰ মতে, মানৱ সমাজে ক্রমান্বয়ে উন্নত অৱস্থালৈ আগবাঢ়িছে। আদিম ৰাষ্ট্র, সামৰিক ৰাষ্ট্রত সমাজত বিভিন্ন দলৰ দ্বাৰা সংঘটিত হোৱা যুদ্ধ — বিগ্রহেৰে পৰিপূর্ণ আছিল। সামৰিক ৰাষ্ট্রৰ পৰা সমাজে ঔদ্যোগিত স্তৰলৈ গতি কৰিলে। ঔদ্যোগিক স্তৰত এখন সমাজ ইয়াৰ বিভিন্ন অংশৰ মাজৰ ব্যাপক পার্থক্য আৰু সংহতিৰ ভিত্তিত চিহ্নিত হয়। এটা সমন্বিত ব্যৱস্থা প্রতিষ্ঠাৰ ফলত সমাজ এখন সামাজিক, অর্থনৈতিক আৰু জাতিগত বিভিন্ন দলৰ মাজত শান্তি স্থাপন সম্ভৱ হয়।

➢ চক্রাকাৰ সামাজিক পৰিৱৰ্তন

অ'চৱাল স্পেংগলাৰৰ বিশ্বাস অনুসৰি, সমাজত এটা পূর্ব নির্ধাৰিত জীৱন পৰিক্রমা থাকে। এই পৰিক্রমাত জন্ম, বিকাশ, পৰিপক্কতা আৰু অৱনতি আদি প্রক্রিয়াসমূহ জড়িত হৈ আছে। তেওঁ সমাজৰ চক্রাকাৰ পৰিৱৰ্তনৰ আৰু এটা দৃষ্টিভংগী গ্রহণ কৰিছে। তেওঁ বিশ্বৰ বিভিন্ন আগশাৰীৰ সভ্যতা যেনে ইজিপ্ত, গ্রীক আৰু ৰোমান সভ্যতাৰ কথা বিশ্লেষণ কৰিছে আৰু ইয়াৰ সভ্যতাসমূহো জন্ম, পৰিপক্কতা আৰু মৃত্যু — এই চক্রাকাৰ পৰিক্রমাৰ মাজেৰে আগবাঢ়িছে।

ভিলফ্রেডো পাৰেটোৰে আগবঢ়োৱা তত্ত্ব অনুসৰি এখন সমাজ ৰাজনৈতিক শাসন, পৰাক্রম আৰু অৱনতিৰ মাজেৰে আগবাঢ়ে আৰু এই প্রক্রিয়া চক্রাকাৰ গতিত পুনৰাবৃত্তি হয়। তেওঁৰ মতে, সমাজ দুই প্রকাৰৰ লোকৰ দ্বাৰা গঠন হয় —

ক) প্রথম, যিয়ে পৰম্পৰাগত ৰীতিবোৰ অনুসৰণ কৰে। এওঁলোকক পাৰেটোৰে rentiers আখ্যা দিছে

খ) দ্বিতীয়, যিয়ে সম্ভাৱনাসমূহক গ্রহণ কৰি লক্ষ্যত উপনীত হ'বলৈ ভাল পায়। তেওঁ এওঁলোকক speculators বুলিছে। সমাজত ৰাজনৈতিক পৰিৱৰ্তনসমূহ একোটা শক্তিশালী আভিজাত-তন্ত্রৰদ্বাৰা নিয়ন্ত্রিত হয়। speculators এ পৰৱর্তী কালত তেওঁৰ সামর্থ্য আৰু শক্তি হেৰুৱাই পেলায় আৰু পৰাক্রমী দায়িত্বৰ বাবে ক্রমে সামর্থ্যহীন হৈ পৰে। এইদৰে, শাসক শ্রেণীয়ে rentier সকলৰ মানসিকতাৰ দৰে কৌশলৰ আশ্রয় লয়। সমাজ অৱনতিৰ সন্মুখীন হয়। কিন্তু একে সময়তে অৱদমিত শ্রেণীৰ মাজৰপৰা নতুন speculators ৰ জন্ম হয় আৰু পুৰণি শ্রেণীটোক আঁতৰাই নতুন শ্রেণীটোৰে শাসনভাৰ গ্রহণ কৰে। এইদৰে পুনৰ এই চক্রাকাৰ প্রক্রিয়া আৰম্ভ হয়।

৬.৪.২ সমাজ পৰিৱৰ্তনৰ কাৰক অথবা উপাদান

মেক্লেভাৰ আৰু পেজে সামাজিক পৰিৱৰ্তনৰ বিভিন্ন কাৰক অথবা উপাদানৰ কথা উল্লেখ কৰিছে। তাৰ ভিতৰত কায়িক, জৈৱিক, প্ৰযুক্তিগত আৰু সাংস্কৃতিক আদি উপাদান গুৰুত্বপূৰ্ণ।

- **কায়িক কাৰক** — সমাজ পৰিৱৰ্তনৰ কায়িক কাৰকবোৰে ভৌগোলিক পৰিৱৰ্তন তথা জলবায়ু বা বতৰৰ অৱস্থা যেনে ধুমুহা, ভূমিকম্প, বানপানী, বতৰৰ পৰিৱৰ্তন, উষ্ণতাৰ পৰিৱৰ্তন আদিক সামৰি লয়। এই পৰিৱৰ্তনবোৰ একমুখী হয় যিহেতু এনে ধৰণৰ পৰিৱৰ্তনবোৰ মানুহৰ কাৰ্যৰ দ্বাৰা প্ৰভাৱিত নহয়।
- **জৈৱিক পৰিৱৰ্তন** — সমাজ পৰিৱৰ্তনৰ জৈৱিক কাৰকবোৰে জন্মৰ হাৰ বৃদ্ধি বা হ্ৰাসৰ ভিত্তিত জনসংখ্যাৰ হ্ৰাস-বৃদ্ধি, এটা প্ৰজন্মৰপৰা আন এটা প্ৰজন্মলৈ হোৱা মূল্যবোধ আৰু মনোভাৱৰ পৰিৱৰ্তন আদি ঘটনাক সামৰি লয়।
- **প্ৰযুক্তিগত কাৰক** — প্ৰযুক্তিগত কাৰকে সৃষ্টি হোৱা আৰু অন্তৰ্ভুক্ত হোৱা নতুন প্ৰযুক্তিক সামৰি লয়। ই সমাজৰ মানুহৰ সামাজিক সম্বন্ধৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। নতুন মেচিন, শ্ৰমৰ দক্ষতা আদিয়ে মানুহৰ মাজৰ সম্বন্ধত প্ৰভাৱ বিস্তৰ কৰে।
- **সাংস্কৃতিক কাৰক** — সাংস্কৃতিক কাৰকে নগৰীকৰণ, ঔদ্যোগিকৰণক সামৰি লয়। এইবোৰ মানুহৰ প্ৰয়োজনীয়তাৰ বাবে সৃষ্টি হয়। তাৰোপৰি, ষ্টিৱার্ড আৰু গ্লীনে সমাজ পৰিৱৰ্তনৰ চাৰিটা উপাদানৰ কথা উল্লেখ কৰিছে। সেয়া হৈছে — আৱিষ্কাৰ, সম্প্ৰসাৰণ, যুদ্ধ আৰু প্ৰাকৃতিক দুৰ্যোগ। আৱিষ্কাৰক আকৌ দুটা ভাগত ভগাব পাৰি। গাড়ী, বন্দুক আৰু পাৰমাণৱিক বিক্ৰিয়া আদিক ভৌতিক আৰু বেংক ব্যৱস্থা তথা সামাজিক সুৰক্ষাৰ অ-ভৌতিক — এই দুটা ভাগত ভগাব পাৰি। সম্প্ৰসাৰণ বুলিলে এটা সংস্কৃতিৰপৰা আন এটা সংস্কৃতিলৈ সাংস্কৃতিক উপাদান প্ৰসাৰ কৰা কাৰ্যক বুজা যায়। ই ধনু-কাড়, কাপোৰ বোৰা, ধাতুৰ ব্যৱহাৰ আদিক সামৰি লয়। অস্ত্ৰ-শস্ত্ৰ আৱিষ্কাৰে যুদ্ধত পেলোৱা প্ৰভাৱ, বৈকল্পিক ধাৰণাৰ প্ৰচাৰ, বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে বানপানী, খৰাং, আদিও সমাজ পৰিৱৰ্তনৰ একোটা গুৰুত্বপূৰ্ণ উপাদান।

৬.৫ সামাজিক পৰিৱৰ্তনৰ প্ৰক্ৰিয়া

৬.৫.১ উন্নয়ন

সাধাৰণ অৰ্থত, উন্নয়ন মানে হৈছে এক ক্ৰমাগত প্ৰকাশ। সামাজিক প্ৰক্ৰিয়াৰ প্ৰসংগত উন্নয়ন হৈছে সমগ্ৰ সমাজৰ উৰ্ধমুখী গতি। সাধাৰণ অৰ্থনৈতিক কাৰকবোৰৰ

উপৰিও, সকলো অনা-অৰ্থনৈতিক কাৰক, যেনে বিভিন্ন দ্ৰব্যৰ ব্যৱহাৰ, শিক্ষা আৰু জনস্বাস্থ্যৰ সুবিধা তথা সমাজত ক্ষমতাৰ বিতৰণ আদিক সমাজ এখনৰ উন্নয়নৰ সূচক হিচাপে গণ্য কৰিব পাৰি।

উন্নয়ন হৈছে এটা মূল্যবোধ জড়িত ধাৰণা। ই এখন সমাজ, অঞ্চল আৰু ইয়াৰ মানুহৰ সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক প্ৰয়োজনৰ লগত সম্পৰ্কিত। এইদৰে, এখন সমাজৰ উন্নয়নৰ প্ৰক্ৰিয়াত বিভিন্ন দিশ যেনে বাণিজ্য, কৃষি, উদ্যোগ, শিক্ষা, স্বাস্থ্য আদিৰ উপৰিও দুৰ্বল শ্ৰেণী, নাৰী, শিশু, ৰোগী, নিবনুৱা, বৃদ্ধ আৰু পিছপৰা শ্ৰেণীৰ লোকৰ উন্নয়নৰ দিশবোৰো অন্তৰ্ভুক্ত হৈ থাকে।

সমাজতত্ত্বত উন্নয়নৰ লগত জড়িত তত্ত্বসমূহ আলোচনা কৰিবলৈ এটা সুকীয়া শাখা আছে। ইয়াক উন্নয়নৰ সমাজতত্ত্ব (Sociology of Development) আখ্যা দিয়া হয়। উন্নয়নৰ অধ্যয়নত কিছুমান নিৰ্দিষ্ট অভিধা আছে। যেনে — প্ৰথম বিশ্ব, দ্বিতীয় বিশ্ব, তৃতীয় বিশ্ব, চতুৰ্থ বিশ্ব, অনুন্নত, উন্নয়নশীল, উন্নত আদি। ১৯৫১ চনত ৰাষ্ট্ৰসংঘই অনুন্নত (underdeveloped) শব্দটোৰ ব্যৱহাৰৰ ওপৰত বাধা আৰোপ কৰিছিল যদিও পাশ্চাত্যৰ দেশসমূহৰ ৰাজনীতিকে এতিয়াও এই অভিধাটো ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। ১৯৬০ আৰু ১৯৭০ ৰ দশকত যেতিয়া উন্নয়নৰ অধ্যয়নক গ্ৰহণ কৰা হৈছিল, সমাজতত্ত্ববিদসকলে পাশ্চাত্যৰ প্ৰমূল্যবোধ, চিন্তা আৰু সাংস্কৃতিক অনুশীলনৰ ভিত্তিত এই নব্য দৃষ্টিভংগীক অধ্যয়ন কৰিছিল। এই ক্ষেত্ৰত তেওঁলোকে পাশ্চাত্যৰ এই দৃষ্টিভংগীক আন দৃষ্টিভংগীতকৈ অধিক উন্নত বুলি গণ্য কৰিছিল। ১৯৭০ ৰ দশকলৈ, উন্নয়নৰ অধ্যয়নে পাশ্চাত্য সমাজতত্ত্ববিদসকলে ব্যৱহাৰ কৰা কিছুমান অভিধাক (যেনে সমাজবোৰ 'আমাৰ দৰে' হৈছে) অন্তৰ্ভুক্ত কৰিলে। ই সমাজৰ এক প্ৰক্ৰিয়া হিচাপে উন্নয়নৰ ধাৰণাটোক বুজাৰ এক সীমিত ক্ষমতাক ইংগিত কৰিছে।



অগ্ৰগতি নিৰীক্ষণ

২/ সমগ্ৰ সমাজ ব্যৱস্থাটোৰ উৰ্ধমুখী গতিক কি বুলি জনা যায় ?

৩/ খালী ঠাই পূৰণ কৰক

ক) উন্নয়নক দুটা সামাজিক প্ৰক্ৰিয়াৰ লগত সম্পৰ্কিত কৰিব পাৰি ----------

আৰু ----------।

খ) এখন সমাজৰ উন্নয়নে বিভিন্ন ক্ষেত্ৰৰ ---------- ক সামৰি লয়।

৬.৫.২ গোলকীকৰণ

গোলকীকৰণ হৈছে বিভিন্ন অৰ্থনৈতিক কাৰ্যকলাপৰ এক সংহত ৰূপ। এই প্ৰক্ৰিয়াই সমাজৰ ওপৰতো প্ৰভাৱ বিস্তাৰ কৰে। এই প্ৰক্ৰিয়াত, বজাৰ আৰু চৰকাৰ পৰিচালনা অৰ্থনীতিৰ গুৰুত্বপূৰ্ণ উপাদান গঠন কৰে। গোলকীকৰণে পাৰস্পৰিক নিৰ্ভৰশীলতা

হ্ৰাস বা উন্নত কৰাৰ লগতে মেৰুকৰণৰ সৃষ্টি কৰে। শেহতীয়া সময়ত গোলকীকৰণে উত্তৰৰ পৰিৱেশ 'সেউজীয়া' (greening) আৰু দক্ষিণৰ পৰিৱেশ 'মটিয়া' (browning) কৰা পৰিলক্ষিত হৈছে।

গোলকীকৰণৰ মূল দিশ হৈছে আন্তঃৰাষ্ট্ৰীয় স্তৰত শ্ৰমৰ বিভাজন। এই প্ৰক্ৰিয়াত পশ্চিমীয়া দেশসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। বহু অ-পশ্চিমীয়া দেশে নিজৰ দেশত বহুতো পশ্চিমীয়া উৎপাদন কোম্পানী স্থাপন কৰি দেশৰ লোকক প্ৰশিক্ষণ প্ৰদান কৰিছে। মাৰ্ক্সৰ মতে গোলকীকৰণে আমাৰ চিন্তা আৰু কাম কৰাৰ প্ৰয়াক বিশেষভাৱে প্ৰভাৱিত কৰে।

মৈত্ৰেয়ী কৃষ্ণৰাজে কৈছে যে তথ্য, বাণিজ্য, অৰ্থনীতি আৰু দুখন দেশৰ মানুহৰ বিনিময়ৰ ক্ষেত্ৰত গোলকীকৰণ এটা দ্বি - মাত্ৰিক প্ৰক্ৰিয়া হিচাপে পৰিগণিত হোৱা উচিত। কিন্তু বাস্তৱত এয়া হোৱা নাই। কিয়নো উন্নত দেশসমূহে অনুন্নত বা উন্নয়নশীল দেশৰপৰা বস্তু আমদানি কৰোঁতে কৰ আৰোপ কৰিছে। একে সময়তে, যেতিয়া এখন দেশৰপৰা আন এখন দেশলৈ মূলধনৰ প্ৰৱাহৰ ওপৰতো যথেষ্ট কঠোৰ নীতি -নিয়ম আৰোপ কৰা হৈছে।

উদ্যোগ, গণসংযোগ আদিৰ গোলকীকৰণে সীমিত সংখ্যক 'গোলকীয়' প্ৰতিষ্ঠানক বৃহৎ হাৰত সম্পদ আহৰণৰ বাট মোকলাই দিছে। কিন্তু মানুহৰ বিভিন্ন সমস্যা (যেনে জনসংখ্যা বৃদ্ধি, পৰিৱেশ প্ৰদুষণ আদি) বুজি পোৱাৰ ক্ষমতা সকলো লোকৰে সমান। যদিও বৰ্তমান সময়ত সম্পদসমূহ একাংশ সীমিত সংখ্যক লোকৰ মাজতে সীমাৱদ্ধ হৈ আছে, কিন্তু পৰৱৰ্তী কালত ই উন্নত আৰু অনুন্নত দেশসমূহৰ মাজত এক ব্যৱধানৰ সৃষ্টি কৰিব। তথাপিও পীডেনে কৈছে যে, "গোলকীকৰণে বিশ্বৰ সমাজসমূহৰ মাজত ক্ৰমৱৰ্ধমান পাৰস্পৰিক নিৰ্ভৰশীলতাক প্ৰকাশ কৰে।" তেখেতে আকৌ কৈছে যে নাগৰিকসকলৰ মাজত একতা আৰু পাৰ্থক্য সৃষ্টি কৰাৰ ক্ষেত্ৰত গোলকীকৰণৰ বিশেষ ভূমিকা আছে।

ভাৰতত নব্বৈৰ দশকত অৰ্থনীতিৰ উদাৰীকৰণৰ জৰিয়তে গোকীকৰণৰ প্ৰক্ৰিয়াৰ আৰম্ভণি হৈছিল। এই নতুন অৰ্থনৈতিক সংস্কাৰ আৰম্ভ হোৱাৰ আগতে, ভাৰতৰ অৰ্থনীতিত যিকোনো ব্যয়ৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমতি ল'ব লাগিছিল। বিভিন্ন সামগ্ৰীৰ ৰপ্তানীৰ ওপৰত বাধা আৰোপ কৰাৰ উপৰিও ৰপ্তানিৰ প্ৰক্ৰিয়াত এক ব্যাপক হাৰত কৰ চৰকাৰক প্ৰদান কৰিবলগীয়া হৈছিল। চৰকাৰে কৃষিজাত আৰু দৰিদ্ৰতা নিৰ্মূলকৰণ আঁচনিবোৰৰ ওপৰত ৰাজসাহায্য প্ৰদান কৰিলেও জনস্বাস্থ্য, শিক্ষা, শ্ৰমিকৰ নিম্ন মজুৰি, চাকৰিয়ালৰ দৰমহা বৃদ্ধি নোহোৱা আদি দিশ্যে ভাৰতৰ অৰ্থনীতিত পৰিলক্ষিত হৈছিল। এই সময়চোৱাত, দেশৰ অৰ্থনীতি বিপৰ্যয়ৰ সন্মুখীন হৈছিল আৰু সেয়েহে আন্তঃৰাষ্ট্ৰীয় মূদ্ৰা নিধিৰপৰা ভাৰতে যথেষ্ট ধন ঋণ হিচাপে গ্ৰহণ কৰিবলগীয়া হৈছিল। ইয়াৰ ফলতে অৰ্থনীতিত উদাৰীকৰণৰ প্ৰয়োজনীয়তা আহিক পৰিছিল। একে

সময়তে, ৰপ্তানিতকৈ আমদানিৰ পৰিমাণ বৃদ্ধি হৈ যোৱাৰ বাবে ভাৰতেও ইয়াৰ থলুৱা সামগ্ৰীৰ বাবে এখন বজাৰ বিচাৰিবলৈ আৰম্ভ কৰিছিল। নব্বেৰ দশকত মধ্যবিত্ত শ্ৰেণীটোৰ সমৃদ্ধিকেন্দ্ৰিক এটা ধাৰণা গঢ় লৈ উঠিছিল আৰু ভোগ্য পণ্য (consumer products) ৰ প্ৰতি এই দলৰ লোকসকলৰ বিশেষ আগ্ৰহ আছিল। তদুপৰি, ভাৰতে অৰ্থনীতিৰ নীতি গ্ৰহণ কৰাৰ এটা বাহ্যিক কাৰণ হ'ল — প্ৰথম বিশ্বৰ বজাৰসমূহৰ গতি হ্ৰাস হৈ অহা আৰু লাভ্যাংশ বৃদ্ধিৰ বাবে অধিক চাহিদাযুক্ত বজাৰৰ সন্ধান কৰা। গতিকে, অৰ্থনৈতিক নীতিসমূহৰ পৰিৱৰ্তনৰ বাবে এটা প্ৰয়োজনীয় আছিল।

গোলকীকৰণে জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ব্যাপক পৰিৱৰ্তনৰ সূচনা কৰিছে। ই বিশ্বখনক এখন গাঁৱত পৰিণত কৰিছে। বিশ্বৰ বিভিন্ন সংস্কৃতি আৰু ধাৰণাৰ প্ৰভাৰ সকলো অংশতে দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ গোলকীকৰণৰ কেন্দ্ৰীয় ধাৰণাটো কি?

প্ৰশ্ন নং ৫ ঃ ভাৰতৰ অৰ্থনীতিত উদাৰীকৰণৰ প্ৰক্ৰিয়া কেতিয়া আৰম্ভ হৈছিল?

৬.৫.৩ আধুনিকীকৰণ

আধুনিকীকৰণ হৈছে, "সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তন যিটো ইয়াৰ বৈশিষ্ট্য অনুসৰি সঞ্চয়ী আৰু অভিযোজনমূলক হয় আৰু যিয়ে সমাজত গাঁথনিক পৰিৱৰ্তন আৰু প্ৰতিস্থাপনৰ সূচনা কৰে।" ১৯৬০ আৰু ৭০ ৰ দশকত আধুনিকীকৰণ এটি ৰাজহুৱা বিতৰ্কৰ বিষয় হৈ পৰে। এই বিতৰ্কৰপৰা এটাই সিদ্ধান্তত উপনীত হৈছিল যে পৰম্পৰাগত প্ৰতিষ্ঠান, বিশ্বাস আৰু সামাজিক গাঁথনিয়ে আধুনিকীকৰণৰ প্ৰক্ৰিয়াৰে যোগাত্মকভাৱে সঁহাৰি জনায়।

আধুনিকীকৰণৰ প্ৰক্ৰিয়াই প্ৰাকৃতিক, আচৰণকেন্দ্ৰিক তথা সামাজিক প্ৰক্ৰিয়াক বুজি পোৱা, মানুহৰ জীৱনত নতুন জ্ঞান আৰোপ কৰাৰ উপৰিও ই প্ৰতিগৰাকী ব্যক্তিক আত্মনিৰ্ভৰ আৰু উন্নতিমুখী কৰি তোলাৰ ক্ষেত্ৰতো গুৰুত্ব প্ৰদান কৰে লগতে দক্ষতা আৰু সৃষ্টিশীলতাৰ প্ৰশিসনৰ লগতে শৈক্ষিক পাঠ্যসূচীৰ বিকাশ সাধন কৰি নতুন জ্ঞান প্ৰদানৰ ক্ষেত্ৰতো ভূমিকা গ্ৰহণ কৰে।

আধুনিকতাই পৰম্পৰাগত সমাজ ব্যৱস্থাত যতি আৰোপ কৰে। পৰম্পৰা হৈছে কিছুমান সামাজিক অনুশীলনৰ সমষ্টি যিবোৰ অতীতৰ ভেটিত নিৰ্দিষ্ট কিছুমান মুল্যবোধ আৰু আচৰণক আশ্ৰয় কৰি গঠিত হৈছে। ই সাধাৰণতে ব্যাপক হাৰত অনুসৰণ কৰা মূল্যবোধ আৰু অন্য প্ৰতীকী আচৰণৰ ভিত্তিত গঠিত হয়। আনহাতে,

আধুনিকতাই নতুন সামাজিক, অর্থনৈতিক, ৰাজনৈতিক, ধর্মীয় আৰু বৌদ্ধিক ব্যৱস্থা এটাক সূচায়। ই পৰম্পৰাগত ব্যৱস্থাটোৰ পৰা সম্পূর্ণ পৃথক। অৱশ্যে, যদিও পৰম্পৰাগতৰ পৰা আধুনিকলৈ হোৱা এই পৰিৱৰ্তন শক্তিশালী, তথাপিও ই সম্পূর্ণ নহয়। ভাৰত ইয়াৰ এটা উৎকৃষ্ট উদাহৰণ। প্রযুক্তি আৰু বিজ্ঞানৰ গৱেষণাৰ দ্রুত বিকাশ স্বত্ত্বেও ই এতিয়াও যথেষ্ট পৰম্পৰাগত আৰু ৰক্ষণশীল। ইয়াৰ সমাজক বিভিন্ন পৰম্পৰাই এতিয়াও আবৰি ৰাখিছে।

ৰাম অহুজাৰ মতে, আধুনিকতাৰ বৈশিষ্ট্যসমূহ হৈছে — "বিজ্ঞানৰ মনোভাৱ, যুক্তি আৰু যুক্তিবাদৰ ওপৰত নির্ভৰশীলতা, ধর্মনিৰপেক্ষতা, উচ্চ মনোবৃত্তি আৰু লক্ষ্য, মনোবৃত্তিৰ সামগ্রিক পৰিৱৰ্তন, মূল্যবোধ আৰু নীতি, মানৱ সম্পদৰ ওপৰত বিনিয়োগ, বিকাশমূলক অর্থনীতি, সম্বন্ধ, জাতি, ধর্ম, অঞ্চল বা ভাষাকেন্দ্রিকতাৰ পৰিৱর্তে সমাজৰ আগ্রহৰ ওপৰত গুৰুত্ব দিয়া, এখন মুক্ত সমাজ আৰু গতিশীল ব্যক্তিত্ব।" এই বৈশিষ্ট্যবোৰৰ ওপৰত ভিত্তি কৰি যিকোনো লোকে ক'ব পাৰিব যে ভাৰত এখন সম্পূর্ণ আধুনিক ৰাষ্ট্র হিচাপে পৰিগণিত হোৱাৰ ক্ষেত্রত এতিয়াও বহুদূৰ যাবলৈ বাকী।

আধুনিকতাৰ বাবে, সমাজ এখনক বুজি পোৱাৰ প্রতি আগ্রহী হোৱাৰ লগতে আন সমাজত কি হৈ আছে তাক বুজি পাব লাগিব। লগতে সমাজসমূহৰ এটা ভৱিষ্যতমুখী দৃষ্টীভংগী, যিকোনো প্রয়োজনীয় কার্য আৰু ত্যাগৰ বাবে আবেগিক সন্তুলন তথা দক্ষ নেতা আৰু বিভিন্ন দায়িত্ব আৰু সুযোগ থাকিব লাগিব।

প্রতিযোগিতামূলক পৰীক্ষাৰ ভিত্তিত প্রশাসনিক বিষয়াসকলক বাচনি কৰা আৰু কেন্দ্রক উচ্চ স্তৰত আৰু গ্রাম্য স্তৰৰ কর্মীসকলক নিম্ন স্তৰত ৰাখি আমোলাতান্ত্রিক ব্যৱস্থাটোৰ পৰা আধুনিকীকৰণৰ ধাৰণাটো বুজিব পাৰি। সম্পূর্ণ সাক্ষৰতাৰ বাবে শৈক্ষিক সুবিধাসমূহ বৃদ্ধি কৰা, বিভিন্ন বৃত্তিৰ বাবে প্রশিক্ষণৰ ব্যৱস্থা কৰা, জনস্বাস্থ্যৰ হেতু বিভিন্ন সুবিধা প্রদান কৰা আদিও আধুনিকীকৰণৰ ধাৰণাই সামৰি লয়। আধুনিকতাই গ্রাম্যাঞ্চলৰ পৰা চহৰাঞ্চললৈ মানুহৰ প্রব্রজন বৃদ্ধি কৰিছে। অৱশ্যে ইয়াৰ পৰিণতিত চহৰ আৰু গাৱত বিভিন্ন ধৰণৰ সমস্যাৰো উদ্ভৱ হৈছে। অৱশ্যে, আধুনিকতাৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্যটো হ'ল এখন মুক্ত সমাজ নির্মাণ কৰা, য'ত নিজৰ লক্ষ্যত উপনীত হ'বলৈ দক্ষ ব্যক্তি, প্রতিষ্ঠান তথা উপযুক্ত প্রশিক্ষণে পূর্ণ মর্যাদা লাভ কৰিব পাৰে।

আধুনিকীকৰণ আৰু পশ্চিমীয়াকৰণ ঃ

আধুনিকীকৰণৰ ধাৰণাৰ লগত প্রায়ে পশ্চিমীয়াকৰণৰ ধাৰণাটো জড়িত হৈ থকা পৰিলক্ষিত হয়। পশ্চিমীয়াকৰণৰ ইংৰাজী প্রতিশব্দ হ'ল Westernisation। এই শব্দটো পোনপ্রথমে এম.এন. শ্রীনিৱাসে বৃটিছ শাসনৰ সময়ত দেশলৈ অহা পৰিৱর্তন অধ্যয়ন কৰিবলৈ প্রয়োগ কৰিছিল। তেওঁ এই শব্দটো মূলতঃ খাদ্য বা পানীয় গ্রহণ, পিন্ধন-উৰণ, নৃত্য পৰিৱেশন, সাহিত্য, বিজ্ঞান আদিৰ জ্ঞান, মানৱীয়, ধর্ম নিৰপেক্ষতা আদিৰ ক্ষেত্রত অহা পৰিৱর্তনক সূচাবলৈ প্রয়োগ কৰিছিল। তেওঁ পশ্চিমীয়াকৰণৰ

ধাৰণাটোৰ লগত নগৰীকৰণ বা প্ৰাক্-ঔদ্যোগিক সমাজৰ লগত জড়িত কৰোৱাটো বিচৰা নাছিল। তেওঁৰ মতে, পশ্চিমীয়াকৰণে মূল্যবোধৰ ক্ষেত্ৰত কিছুমান প্ৰাথমিক পৰিৱৰ্তন অনাৰ লগতে মূল্যবোধৰ অগ্ৰাধিকাৰ, গুৰুত্ব আদিৰো সলনি কৰিছিল। ইয়াৰ অৰ্থ হ'ল জাতি, বৰ্ণ, ধৰ্ম, লিংগ নিৰ্বিশেষে ই এক সক্ৰিয় ধাৰণাত পৰিণত হৈছিল।

৬.৬ অন্যান্য সামাজিক প্ৰক্ৰিয়া

ওপৰত উল্লেখ কৰা সামাজিক পৰিৱৰ্তনৰ এই তিনিটা প্ৰক্ৰিয়াৰ উপৰিও, সামাজিক পৰিৱৰ্তনৰ অন্যান্য কিছুমান সামাজিক প্ৰক্ৰিয়া আছে। সেইবোৰ হ'ল — আৱিষ্কাৰ, উদ্ভাৱন, সম্প্ৰসাৰণ আৰু সমাহৰণ। আৱিষ্কাৰ (discovery) তেতিয়া সমাজ পৰিৱৰ্তনৰ কাৰক হৈ পৰে, যেতিয়া আৱিষ্কৃত বস্তুক ব্যৱহাৰ কৰা হয়। এটা আৱিষ্কাৰ কোনো জ্ঞানৰ পটভূমিৰ এটা অংশ হ'ব পাৰে, যিটো মানুহে মানুহে তেওঁলোকৰ বৰ্তমানৰ কাৰ্যক মূল্যায়ন কৰিবলৈ ব্যৱহাৰ কৰে। আকৌ, যেতিয়া নতুন জ্ঞান নতুন প্ৰযুক্তি নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা হয়, তেতিয়া সমাজত ব্যাপক পৰিৱৰ্তন সংঘটিত হয়।

উদ্ভাৱনক (Invention) প্ৰায়ে পুৰণি সংস্কৃতিক নতুন ব্যৱহাৰ আখ্যা দিয়া হয়। উদ্ভাৱনক বিভিন্ন ভাগত ভগাব পাৰি — ভৌতিক উদ্ভাৱন (যেনে ধনু আৰু কাড়), ফোন, আকাশী জাহাজ, সামাজিক উদ্ভাৱনৰ ক্ষেত্ৰত আখৰৰ উদ্ভাৱন, সাংবিধানিক শাসন ব্যৱস্থা আদিয়ে প্ৰধান। প্ৰতিটো ক্ষেত্ৰত, পুৰণি উপাদানবোৰ ব্যৱহাৰ কৰা হৈছে আৰু এক নতুন ৰূপত ইয়াক সজোৱা হৈছে। গতিকে এইদৰে উদ্ভাৱন হৈছে এটা গাণনিক প্ৰক্ৰিয়া। ই হৈছে এটা সামাজিক প্ৰক্ৰিয়া য'ত অসীম প্ৰকাৰৰ নৱীকৰণ, উন্নতকৰণ আৰু পুনৰ্নিমাণ অন্তৰ্ভুক্ত হৈ থাকে।

সম্প্ৰসাৰণ — অধিকাংশ জ্ঞাত সমাজৰ বেছিভাগ পৰিৱৰ্তনে সম্প্ৰসাৰণৰ বাবে হৈছে। সম্প্ৰসাৰণ হৈছে সাংস্কৃতিক প্ৰক্ৰিয়াসমূহ এটা দলৰ পৰা আন এটা দললৈ বাগৰি যোৱা। সম্প্ৰসাৰণ এখন সমাজৰ মাজত আৰু বিভিন্ন সমাজৰ মাজত, উভয়তে প্ৰযোজ্য হয়। যেতিয়া বিভিন্ন সমাজ পৰস্পৰে পৰস্পৰৰ সম্পৰ্কলৈ আহে তেতিয়াই সম্প্ৰসাৰণে স্থান পায়। উদাহৰণস্বৰূপে, পশ্চিমীয়া সাজ-পাৰ পৰিধান, পশ্চিমীয়া সংস্কৃতি গ্ৰহণ আদি। অৱশ্যে, সম্প্ৰসাৰণ হৈছে এক নিৰ্বাচিত প্ৰক্ৰিয়া। এটা দলে আন এটা দলৰ কিছুমান সাংস্কৃতিক বৈশিষ্ট্য গ্ৰহণ কৰে, যাৰ লগত তেওঁলোক ইতিমধ্যে সম্পৰ্কলৈ আহিছে। অৱশ্যে একে সময়তে তেওঁলোকে সংস্পৰ্শলৈ অহা আন দলৰ সংস্কৃতিক বৰ্জন কৰিব লাগিব। সম্প্ৰসাৰিত এনে সংস্কৃতিও বিভিন্ন পৰিৱৰ্তনৰ মাজেৰে গতি কৰে।

৬.৭ সামাজিক পৰিৱৰ্তন অধ্যয়নৰ সমস্যা

সামাজিক পৰিৱৰ্তন অধ্যয়নৰ ক্ষেত্ৰত যিকোনো ব্যক্তিয়ে কিছুমান সমস্যাৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। প্ৰথমতে, কোনো সামাজিক পৰিৱৰ্তনক নিৰ্দিষ্ট কৰা যে ই ব্যক্তিগত হ'ব

নে কোনো সমাজকেন্দ্রিক হ'ব। দ্বিতীয়তে, কাৰকবোৰ চিহ্নিত কৰা। উদাহৰণস্বৰূপে, কোনো ব্যক্তিৰ যেতিয়া পৰিৱৰ্তন অধয়ন কৰা হয়, কোনোৱে ই দৃষ্টিভংগী নে মূল্যবোধ আধাৰিত সেয়া নির্দিষ্ট কৰিব লাগিব। তৃতীয়তে, কোনো সমাজত প্রকৃততে কিহে পৰিৱৰ্তনৰ সূচনা কৰে সেই সম্পর্কে কোনো সুস্পষ্ট ধাৰণা নাই। উদাহৰণস্বৰূপে, সামাজিক স্থানান্তৰণৰ ক্ষেত্রত, ই প্রকৃত পৰিৱৰ্তন বা পুৰণি বৈশিষ্ট্যৰ নব্য প্রকাশ হ'ব পাৰে। চতুর্থতে, পৰিৱৰ্তনৰ হাৰ আৰু দিশ মূল্যায়ন কৰা। পৰিৱৰ্তনৰ লগত সম্পর্কিত এনে কিছুমান ধাৰণা আছে, যিবোৰৰ হাৰ নিৰূপণ কৰা সহজ নহয়। উদাহৰণস্বৰূপে, জনমূৰি আয় বা মানুহৰ উর্ধমুখী বা অধোমুখী গতি আদি।



৬.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- সামাজিক পৰিৱৰ্তন হৈছে মূল্যবোধ, বিশ্বাস আৰু সমাজৰ গাঁথনিৰ পৰিৱৰ্তন। যিবোৰ উৎসৰ জৰিয়তে এই পৰিৱৰ্তনবোৰ সংঘটিত হয়, সেইবোৰক বহলকৈ দুটা ভাগত ভগাব পাৰি — আভ্যন্তৰীণ কাৰক আৰু বাহ্যিক কাৰক।
- সামাজিক পৰিৱৰ্তন হৈছে এক বিশ্বজনীন পৰিৱৰ্তন। ই বিভিন্ন কাৰকৰ প্রভাৱত একোটা নিৰৱচ্ছিন্ন প্রক্রিয়া ৰূপে সংঘটিত হয়।
- এই পৰিৱৰ্তনবোৰ প্রক্রিয়া, বিবর্তন আৰু উন্নতিৰ ফলত হোৱা ৰূপৰ সলনিৰ লগত সম্পর্কিত।
- নতুন ধাৰণাৰ সৃষ্টিৰ জৰিয়তেও সামাজিক পৰিৱৰ্তন সংঘটিত হয়।
- পৰিৱৰ্তনৰ দিশ আৰু উপাদানৰসমূহ লক্ষ্য কৰি সামাজিক পৰিৱৰ্তনক বুজিব পাৰি।
- সামাজিক পৰিৱৰ্তন বিভিন্ন দিশত সংঘটিত হয়। এইবোৰৰ ভিতৰত উর্ধমুখী, ৰৈখিক, নিম্নমুখী, বহুমুখী চক্রাকাৰ আদি। এইবোৰৰ ভিতৰত ৰৈখিক আৰু চক্রাকাৰ এই দুটাই প্রধান।
- বিভিন্ন জৈৱিক কাৰকৰ প্রভাৱতো সামাজিক পৰিৱৰ্তন সংঘটিত হয়। ইয়াৰ লগতে কিছুমান প্রযুক্তিগত কাৰকো নিহিত হৈ আছে।
- ইয়াৰ উপৰিও সামাজিক পৰিৱৰ্তনৰ আন কিছুমান প্রক্রিয়া আছে। তাৰ ভিতৰত উন্নয়ন, গোলকীকৰণ, আধুনিকীকৰণ আদিয়ে প্রধান।



৬.৯ অধিক জানিবলৈ বাবে

1) Ahuja, Ram 1999. Society in India : Concepts, Theories and Recent Trends; Jaipur: Rawat Publication.

2) Gidders, Anthony, 1990, The Conserveroes of Moderity. Jroha Wiley and Sons.

3) Krishnarah. Maithreyi. 1999. Globalisation and Women in India. Development in Practise.



৬.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ হাৰবাৰ্ট স্পেন্সাৰ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ উন্নয়ন।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) জ্ঞানৰ বিকাশ আৰু মানৱ নিয়ন্ত্ৰণ উন্নতি

(খ) উন্নতি

৪ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰমৰ আন্তৰ্জাতিক বিভাজন।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ১৯৯০ ৰ দশকত।



৬.১১ আৰ্হি প্ৰশ্ন

(ক) চমু উত্তৰৰ প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।

প্ৰশ্ন ১ ঃ বিৱৰ্তন বুলিলে কি বুজা যায়?

(খ) দীঘল প্ৰশ্নৰ উত্তৰ (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিক পৰিৱৰ্তন মানে কি? সামাজিক পৰিৱৰ্তনৰ তিনিটা প্ৰক্ৰিয়া ক্ৰমে উন্নয়ন, গোলকীকৰণ আৰু আধুনিকীকৰণৰ বিষয়ে আলোচনা কৰঁক।

*** ***** ***

অধ্যায় ৭ ঃ সামাজিক বিশৃংখলতা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ সামাজিক বিশৃংখলতাৰ অর্থ আৰু সংজ্ঞা
৭.৩.১ সামাজিক বিশৃংখলতাৰ প্রকাৰ
৭.৪ সামাজিক বিশৃংখলতাৰ কাৰক
৭.৪.১ সামাজিক বিশৃংখলতা দূৰ কৰাৰ উপায়
৭.৫ সামাজিক বিশৃংখলতা প্রতিৰোধ আৰু নির্মূলৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক বিশৃংখলতাৰ অর্থ কি তাক জানিবলৈ সক্ষম হ'ব
- আধুনিক সমাজ ব্যৱস্থাত সামাজিক বিশৃংখলতাৰ প্রভাৱ চিনাক্ত কৰিবলৈ সক্ষম হ'ব
- সামাজিক বিশৃংখলতা সৃষ্টি কৰা কাৰকবোৰৰ বিষয়ে অৱগত হ'ব
- সামাজিক বিশৃংখলতা প্রতিৰোধ আৰু নির্মূল কৰাৰ ক্ষেত্রত শিক্ষাৰ ভূমিকাৰ বিষয়ে ব্যাখ্যা কৰিব পৰিব।

৭.২ পৰিচয়

প্রকৃতিগতভাৱে সকলো সমাজেই শৃংখলাবদ্ধ বা সু-সংহত। আমি সকলোৱে জানো যে যেতিয়া এখন সমাজৰ প্রতিজন সদস্যই তাৰ বাসিন্দাসকলৰ মংগলৰ বাবে সকলো নীতি-নিয়মৰ ওপৰত বিশ্বাস কৰি মানি চলে, তেতিয়াই সেই সমাজখনক এখন শৃংখলাবদ্ধ বা সু-সংহত সমাজ আখ্যা দিয়া হয়। কিন্তু, সকলো সময়তে এখন সমাজৰ বাবে এই আটাইবোৰ নিয়ম মানি চলাটো সম্ভৱ নহয়। ইয়ে সমাজখনত এখন বিশৃংখলাতাৰ সৃষ্টি কৰে। সমাজ এখনত এনে সীমাজিক নীতি অমান্য কৰাৰ দৰে পৰিস্থিতিৰ সৃষ্টি হ'লে কি হয়? ইয়ে পৰৱর্তী সময়ত সমাজখনত সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। এই অধ্যায়ত, আমি আপোনাক সামাজিক বিশৃংখলতাৰ ধাৰণা, ইয়াৰ প্রকাৰ, সমাজত ইয়াৰ প্রভাৱ আৰু ইয়াৰ নির্মূলত শিক্ষাই কি ভূমিকা

পালন কৰিব পাৰে, সেই সম্বন্ধে ধাৰণা প্ৰদান কৰা হ'ব। তলত এই দিশবোৰৰ বিষয়ে বিস্তৃত আলোচনা আছে।

৭.৩ সামাজিক বিশৃংখলতাৰ অৰ্থ আৰু সংজ্ঞা

এই কথা সকলোৱে জ্ঞাত যে এখন সু-সংহত সমাজৰ বৈশিষ্ট্য হ'ল সমাজৰ প্ৰতিগৰাকী সদস্যই ইয়াৰ নীতি, নিয়ম, আইন-কানুনৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি ইয়াক বিনা দ্বিধাই আন্তৰিকতাপূৰ্ণভাৱে মানি চলা। অৱশ্যে ইয়াৰ মাজতো মানুহৰ মাজত এনে নিয়ম-কানুন ভংগ কৰাৰ বা আনুগত্য প্ৰকাশ কৰাৰ প্ৰতি কিছু প্ৰৱণতাৰ সৃষ্টি হোৱা দেখা যায়। আধুনিক সমাজতাত্ত্বিক সাহিত্যত 'বিশৃংখলতা'ৰ ধাৰণাটোৱে এটা গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰি আহিছে। এই ধাৰণাটো প্ৰথমে থমাছ আৰু জেনিয়াকে তেওঁলোকৰ জনপ্ৰিয় গ্ৰন্থ 'The Polish Peasant in Europe and America' ত আগবঢ়াইছিল। তেওঁলোকৰ মতে, 'সামাজিক বিশৃংখলতা' মানে হ'ল সমাজৰ সদস্যসকলৰ ব্যৱহাৰৰ ওপৰত প্ৰতিষ্ঠিত সামাজিক নীতি-নিয়মৰ প্ৰভাৱ হ্ৰাস পোৱা। ইয়াৰ ফলত, সমাজত একতাৰ মনোভাৱ হ্ৰাস পায়। তেওঁলোকৰ ব্যাখ্যা অনুসৰি ই হৈছে এনেকুৱা এটা প্ৰক্ৰিয়া, যিয়ে স্বতঃস্ফূৰ্তভাৱে আৰু বাধাহীনভাৱে সমাজত সমস্যাৰ সৃষ্টি কৰে। গতিকে চমুকৈ আমি ক'ব পাৰোঁ যে সামাজিক বিশৃংখলতা হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ ফলত সমাজৰ সদস্যসকলৰ মাজৰ সম্পৰ্ক ভাঙি যায়। যেতিয়া সমাজৰ সমতাক এইবোৰ দিশে প্ৰভাৱিত কৰে, তেতিয়াই সমাজত অসমতাৰ সৃষ্টি হয়। সমাজৰ পৰিৱৰ্তনৰ প্ৰক্ৰিয়াৰ ফলত সামাজিক গাঁথনিৰ ওপৰত বিৰূপ প্ৰভাৱ পৰে। এখন গতিশীল সমাজত সামাজিক নীতি-নিয়মৰ ক্ষিপ্ৰ পৰিৱৰ্তন হয়। সেয়েহে এনে পৰিৱৰ্তনৰ ফলত সমাজৰ সমতা আৰু বিভিন্ন শ্ৰেণীৰ মাজত একতা ভংগ হোৱা পৰিলক্ষিত হয়। ইয়াৰ ফলত সামাজিক বিশৃংখলতা অথবা ভাঙোনৰ সৃষ্টি হয়।

বিভিন্ন সমাজতাত্ত্বিকে সামাজিক বিশৃংখলতাৰ ধাৰণাটো বিভিন্ন ধৰণে আগবঢ়াইছে। এওঁলোকৰ ভিতৰত কেইটামান গুৰুত্বপূৰ্ণ সংজ্ঞা আলোচনা কৰা হ'ল। Emile Durkheim ৰ মতে সামাজিক বিশৃংখলতা হ'ল "এটা অসমতাৰ পৰিস্থিতি আৰু সমাজৰ সদস্যসকলৰ মাজত সামাজিক সংহতি তথা সহমতৰ অভাৱ।

অ'গবার্ণ আৰু নিমকফৰ মতে "সামাজিক বিশৃংখলতা হৈছে বিভিন্ন সমন্বয় তথা গাঁথনিত ভাঙোন আৰু ব্যাঘাতৰ সৃষ্টি।" আনহাতে এলিয়ট আৰু ফ্ৰেন্সিচৰ মতে, "সামাজিক বিশৃংখলতা হৈছে এনে এটা প্ৰক্ৰিয়া যাৰ জৰিয়তে সমাজৰ কোনো গোটৰ সদস্যসকলৰ মাজৰ সম্পৰ্ক ভাঙি যায় অথবা সম্পৰ্ক তিক্ত হৈ পৰে।"

গতিকে সামাজিক বিশৃংখলতাই সামাজিক নাতি-নিয়ম তথা পৰম্পৰাৰ অগতানুগতিকতা অথবা ভাঙোনক সূচায়। ইয়াৰ ফলত সমাজত সমতা নোহোৱা হয়। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে সমাজত একতাৰ সম্পৰ্ক একেবাৰে নোহোৱা হৈ যায়; কিন্তু সামাজিক বিশৃংখলতাৰ ফলত এনে মনোভাৱ লক্ষণীয়ভাৱে হ্ৰাস পাই আহে। সেয়েহে সামাজিক বিশৃংখলতাক আমি সমাজৰ মানুহৰ অগ্ৰাধিকাৰ বা হাবিয়াসৰ বৈষম্যৰ পৰিণতি বুলি ক'ব পাৰি।



জানি থোৱা ভাল

সামাজিক বিশৃংখলতাৰ প্ৰকৃতি তলত উল্লেখ কৰা দিশবোৰৰ সহায়ত জানিব পৰা যায় —

- সামাজিক বিশৃংখলতাৰ এটা বৈশিষ্ট্য হৈছে সামাজিক প্ৰথা আৰু অনুষ্ঠানৰ মাজত বৈষম্যৰ সৃষ্টি।
- সামাজিক বিশৃংখলতাৰ আন এটা বৈশিষ্ট্য হৈছে এটা দলৰ পৰা আন এটা দললৈ কাৰ্যৰ হস্তান্তৰ।
- ব্যক্তিগত বা স্বাতন্ত্ৰ্যৰ মনোভাৱ সামাজিক বিশৃংখলতাৰ আন এটা গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। ইয়াৰ অৰ্থ হ'ল ব্যক্তিয়ে তেওঁলোক জড়িত হৈ থকা এটা ব্যৱস্থা বা অনুষ্ঠানৰ অংশ হিচাপে আশা-আকাংক্ষাবোৰ প্ৰকাশ কৰাৰ সলনি ব্যক্তিগত স্বাৰ্থক আগত ৰাখিহে এই আশাবোৰ ব্যক্ত কৰে। এই প্ৰক্ৰিয়াই সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে।
- মানুহৰ আকাংক্ষা আৰু প্ৰাপ্তিৰ মাজত সামঞ্জস্য নথকাটো সামাজিক বিশৃংখলতাৰ আন এটা বৈশিষ্ট্য।
- এখন বিশৃংখল সমাজত সমাজৰ সদস্যসকল আৰু প্ৰতিষ্ঠানসমূহৰ মাজত তেওঁলোকে পালন কৰিবলগীয়া দায়িত্ব আৰু সমাজত তেওঁলোকৰ ভূমিকা সম্বন্ধে অসংগতি আৰু অনিশ্চয়তা পৰিলক্ষিত হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোনে সৰ্বপ্ৰথমে বিশৃংখলতাৰ ধাৰণাটো আগবঢ়াইছিল?

প্ৰশ্ন নং ২ ঃ সামাজিক বিশৃংখলতা বুলিলে কি বুজা যায়?

৭.৩.১ সামাজিক বিশৃংখলতাৰ প্ৰকাৰ

বিভিন্ন সমাজতাত্ত্বিকে সামাজিক বিশৃংখলতাৰ বিভিন্ন উল্লেখ কৰিছে। ইয়াত আমি এলিয়েট আৰু মেৰিলে আগবঢ়োৱা বিভাজনবোৰৰ বিষয়ে উল্লেখ কৰিব পাৰোঁ। তেওঁলোকে তিনি প্ৰকাৰৰ সামাজিক বিশৃংখলতাৰ কথা কৈছে। এইবোৰ পৰস্পৰে - পৰস্পৰৰ লগত সম্পৰ্কযুক্ত। এইবোৰ হ'ল —

- **ব্যক্তিগত বিশৃংখলতা** — এনে বিশৃংখলতাই অপৰাধ, উন্মাদনা, মস্তিষ্ক বিকৃতি, বেশ্যা বৃত্তি গ্ৰহণ, কিশোৰৰ দ্বাৰা সংঘটিত অপৰাধ, ড্ৰাগচ বা অন্যান্য নিচাজাতীয় দ্ৰব্যৰ প্ৰতি আসক্তি, জুৱা খেল আৰু আত্মহত্যাৰ প্ৰতি প্ৰৱণতা আদি ঘটনাক সামৰি লয়।

- **পৰিয়ালকেন্দ্রিক বিশৃংখলতা** — এনে বিশৃংখলতাত বিবাহ বিচ্ছেদ, ছলনা, বিচ্ছেদ, ঘৰৰ ভাঙোন, বিয়া নোহোৱা মাতৃসকল, অবৈধ গর্ভধাৰণ বা জন্ম, যৌন ব্যাধি আদি অন্তর্ভুক্ত।
- **সামাজিক বিশৃংখলতা** — এনে বিশৃংখলতাত দৰিদ্রতা, বর্ধিত ভিক্ষাৰীৰ সমস্যা, নিৰনুৱা সমস্যা, জনসংখ্যা বিস্ফোৰণ, নীতিহীনতা, ৰাজনৈতিক দুর্নীতি, অপৰাধ আদি অন্তর্ভুক্ত।

বিভিন্ন সমাজতাত্ত্বিকে আগবঢ়োৱা বিভিন্ন বিভাগ বিশ্লেষণ কৰি আমি সামাজিক বিশৃংখলতাক তলত দিয়া ধৰণে বিভাজন কৰিব পাৰোঁ —

ব্যক্তিগত বিশৃংখলতা ঃ

এখন বিশৃংখল সমাজ একাংশ বিশৃংখল মানুহৰ দ্বাৰা গঠন হয়। কোনো ব্যক্তিৰ ব্যক্তিত্ব গঠন হয় সমাজৰ অন্য গোটৰ পৰা নির্দিষ্ট গাঁথনি আৰু নীতি আহৰণৰ জৰিয়তে। এই গাঁথনিসমূহক কেন্দ্র কৰি বিভ্রান্তিৰ সৃষ্টি হ'লে ব্যক্তিসকলে সমাজে তেওঁৰ পৰা কি আশা কৰে, সেয়া নির্ধাৰণ কৰিবলৈ অসমর্থ হয়। এনে পৰিস্থিতিত সেই ব্যক্তিগৰাকীৰ বাবে এক সংগত ব্যক্তিত্ব গঢ়ি তোলাটো সহজ নহয়। ইয়াৰ ফলত মানুহে এক বিক্ষিপ্ত ব্যক্তিত্বৰ অধিকাৰী হয়। তলত ব্যক্তিগত বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰ উল্লেখ কৰা হ'ল —

ক) **অপৰাধ প্রৱণতা** — অপৰাধ প্রৱণতা সমাজৰ বাবে এক গুৰুতৰ সমস্যা। ই এক প্রকাৰৰ অস্বাভাৱিকতা। যেতিয়া কোনো ব্যক্তিয়ে গতানুগতিক জীৱনৰ পৰা আঁতৰি আহে, তেতিয়াই তেওঁক বা তেওঁৰ আচৰণক অপৰাধ প্রৱণ বুলি কোৱা হয়।

খ) **প্রাপ্তবয়স্ক অপৰাধী** — প্রাপ্তবয়স্ক অপৰাধীসকলে নিজৰ প্রাপ্তবয়স্ক দলৰ স্বকীয় লক্ষ্যসমূহক অধিক গুৰুত্ব প্রদান কৰে আৰু সমাজ, ৰাজ্য অথবা দেশত সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। এনে কিছুমান বিশৃংখলতাৰ উদাহৰণ হ'ল — ডকাইটি, চুৰি, হত্যাকাণ্ড ইত্যাদি।

গ) **যৌন অপৰাধী** — সামাজিক পৰিৱর্তন আৰু সামাজিক আৰু ৰাজনৈতিক বিশৃংখলতাই কঠোৰ যৌন নিয়ম কানুনক ভংগ কৰাৰ প্রৱণতাৰ সৃষ্টি কৰে। ইয়াৰ কিছুমান উদাহৰণ হ'ল — ধর্ষণকাৰী, শিশুক যৌন নির্যাতন কৰা আদি।

ঘ) **শিশু শ্রমিক** — শিশু শ্রমিকৰ দৰে বিশৃংখল ব্যৱস্থা এটা শাৰীৰিক বিপত্তি আখ্যা দিব পাৰি। সাধাৰণতে শিশুসকল উপযুক্ত শিক্ষাৰ পৰা বঞ্চিত হোৱাৰ ফলত মানসিক অসন্তুষ্টিৰ সৃষ্টি হয়। এনে মানসিক অসন্তুষ্টিয়ে বিশৃংখল ব্যক্তিত্বৰ সৃষ্টি কৰে।

ঙ) **মদ, ড্রাগচ আৰু অন্যান্য নিচাজাতীয় দ্রব্যৰ প্রতি আসক্তি** — মদ, ভাং, ড্রাগচ অথবা অন্যান্য নিচাজাতীয় দ্রব্যবোৰে সমাজত শৃংখলাহীন একাংশ মানুহৰ জন্ম

দিয়ে। এই অসন্তুষ্টিত ভোগা লোকসকলে তেওঁলোকৰ পৰিয়ালৰ বৃত্তিগত বা ব্যৱসায়ীক দিশবোৰক আগবঢ়াই নিবলৈ অসমর্থ হয়।

পৰিয়ালৰ বিশৃংখলতা ঃ

পৰিয়ালত সৃষ্টি হোৱা বিশৃংখলতা সামাজিক বিশৃংখলতাৰে এটা প্ৰকাৰ, কিয়নো এনে বিশৃংখলতাই সমাজত পৰিয়ালকেন্দ্রিক ভাঙোনৰ সৃষ্টি কৰে। ইয়াৰ ফলত পৰিয়ালৰ সদস্যসকলে পালন কৰিবলগীয়া ভূমিকা আৰু দায়িত্বৰ পৰিৱর্তন আৰু শিথিল হৈ আহে। ইয়াৰ ফলত কেৱল স্বামী-স্ত্রীৰ মাজতে নহয় পিতৃ-মাতৃ আৰু সন্তান তথা ককায়েক-ভায়েকৰ মাজতো খামখেয়ালিৰ সৃষ্টি হয়।

তলত পৰিয়ালৰ বিশৃংখলতাৰ বিভিন্ন দিশবোৰ আলোচনা কৰা হ'ল —

ক) **পৰিয়ালকেন্দ্রিক চিন্তা অথবা উদ্বেগ** — পৰিয়ালকেন্দ্রিক চিন্তা বা উদ্বেগ কেতিয়াবা কেৱল স্বামী আৰু স্ত্রীৰ মাজৰ বিবাদতেই সীমাবদ্ধ থাকে। ইয়াৰ ফলত তেওঁলোকৰ বৈবাহিক জীৱন অনিশ্চয়তাপূর্ণ হয় আৰু তেওঁলোকৰ জীৱন বিশৃংখল হৈ পৰে। ইয়াৰ উপৰিও অভিবাৱক আৰু সন্তান, ককাই-ভাই অথবা ভায়েক-ভনীয়েকসকল, আইন আৰু বৃহৎ বন্ধুবর্গ আৰু সম্বন্ধীয়ৰ মাজতো উদ্বেগ বা বিবাদৰ সৃষ্টি হোৱা পৰিলক্ষিত হয়।

খ) **গৃহ ত্যাগ** — গৃহ ত্যাগ হৈছে বৈবাহিক সম্বন্ধৰ অনানুষ্ঠানিক ভাঙোন। কিন্তু একে সময়তে নিজৰ পৰিয়ালক ত্যাগ কৰা বাবে এই কার্যক এটা আইন ভংগকাৰী কার্য হিচাপে গণ্য কৰা হয়। গতিকে সাধাৰণ অর্থত গৃহ ত্যাগ কৰা কার্যই স্বামী বা পত্নী গৃহৰ পৰা দায়িত্বহীনভাৱে আঁতৰি অহাটোকে বুজায়।

গ) **বিবাহ বিচ্ছেদ** — বিবাহ বিচ্ছেদ হৈছে পৰিয়ালৰ সম্পর্কত অহা আনুষ্ঠানিক ভাঙোন। বিবাহ বিচ্ছেদ পৰিয়ালকেন্দ্রিক বিশৃংখলতা অথবা উভয় পক্ষৰে সহ-সন্মতি আৰু তীব্র ইচ্ছাৰ ফলত সৃষ্টি হয়।

সাম্প্রদায়িক বিশৃংখলতা ঃ

সাম্প্রদায়িক বিশৃংখলতা সহযোগিতা আৰু ঐক্যমতৰ ওপৰত নির্ভৰ কৰে। সকলো সমাজ বা সম্প্রদায়ৰ মাজত কিছুমান বিবাদ অথবা উদ্বেগজনক পৰিস্থিতি থাকে। এটা সম্প্রদায়ৰ বিশৃংখলতা বিভিন্ন মাপকাঠি যেনে জনসসংখ্যা, জনস্বাস্থ্য, সমাজ কল্যাণ, শিক্ষা, গৃহ পৰিৱেশ তথা এইবোৰৰ সমন্বয়ৰ দ্বাৰা পৰিমাপ কৰিব পাৰি। এই দিশৰ পৰা চাবলৈ গ'লে, সাম্প্রদায়িক বিশৃংখলতাই সামাজিক সম্বন্ধৰ নীতিহীনতাক বুজায়।

তলত সাম্প্রদায়িক বিশৃংখলতাৰ বিভিন্ন প্ৰকাৰবোৰ উল্লেখ কৰা হ'ল —

ক) **গ্রাম্য সম্প্রদায়ৰ মাজত সৃষ্টি হোৱা বিশৃংখলতা** — ধনী, মধ্যবিত্ত অথবা দুখীয়া যিয়েই নহওক কিয় যুক্তৰাষ্ট্রীয় আইন ব্যৱস্থা, কৃষিখণ্ডত হোৱা বৈজ্ঞানিক প্রয়োগ তথা আধুনিক আৱিষ্কাৰৰ ফলত সমাজলৈ অহা ব্যাপক পৰিৱর্তনবোৰৰ ফলত

বহুতো গ্রাম্য সম্প্রদায় বিশৃংখলতাৰ সন্মুখীন হৈছে। কৃষি খণ্ডৰ লগত জড়িত ব্যক্তি তথা গাঁৱৰ ব্যৱস্থাটো কৃষি বিপ্লৱ সৃষ্টিৰ লগত জড়িত কাৰকসমূহৰ বাবে প্রায় ধ্বংস হোৱাৰ উপক্রম হৈছে। গ্রাম্য সমাজত সৃষ্টি হোৱা বিশৃংখলতা সৃষ্টিৰ মূলতে হ'ল দৰিদ্রতা, গুৰুত্বহীনতা আৰু গাঁও অঞ্চলত সেৱা আগবঢ়োৱা বিভিন্ন অনুষ্ঠানৰ অক্ষমতা।

খ) **গ্রাম্য সম্প্রদায়ৰ অনুষ্ঠানৰ বিশৃংখলতা** — কৃষিকার্য কৰাৰ পদ্ধতি আৰু গ্রাম্য জনবসতিৰ স্থানান্তৰণে কৃষকৰ প্রয়োজন পূর্তিৰ বাবে কাম কৰা অনুষ্ঠানবোৰৰ ওপৰত যথেষ্ট প্রভাৱ পেলাইছে। আনহাতে গ্রাম্য আৰু ক্ষুদ্র চহৰৰ অনুষ্ঠানবোৰে জনসাধাৰণৰ প্রয়োজন পূৰণত অসমর্থতা গ্রাম্য সম্প্রদায়ৰ বিশৃংখলতাৰ আন এটা কাৰণ। এনেধৰণৰ গুৰুত্বপূর্ণ গ্রাম্য অনুষ্ঠানসমূহ হ'ল — ধর্মীয় অনুষ্ঠান, স্বাস্থ্য খণ্ড আৰু বেংক ব্যৱস্থা।

গ) **দুর্নীতি** — সামাজিক বিশৃংখলতাৰ এই ব্যাপক প্রক্রিয়াটোৰ এটা অংশ হ'ল দুর্নীতি। পৰম্পৰাগত স্থানীয় গণতান্ত্রিক চৰকাৰসমূহ এনে এখন সমাজত প্রতিষ্ঠিত হয়, য'ত সামাজিক বিচৰণ সীমিত হোৱাৰ লগতে সমাজৰ সদস্যসকল সমৰূপী হয় তথা অধিকাংশ লোক কেন্দ্রীয় সামাজিক আৰু ৰাজনৈতিক সমস্যাৰ প্রতি আগ্রহী হোৱা দেখা যায়। সাধাৰণতে ৰাজনীতি, ব্যৱসায় আদি ক্ষেত্রসমূহত অধিক দেখা যায়। এইবোৰে সমাজত বিশৃংখলতাৰ সৃষ্টি কৰি আহিছে।

ঘ) **নিবনুৱা সমস্যা** — মানৱ সভ্যতাৰ বিকাশ লক্ষ্য কৰিলে এটা কথা স্পষ্ট হয় যে নিবনুৱা সমস্যা উভয় স্থানীয় আৰু ৰাষ্ট্রীয় স্তৰত এটা সাম্প্রদায়িক সমস্যা হিচাপে চিহ্নিত। ই হৈছে এনে এক অর্থনৈতিক প্রক্রিয়া, যিটো কেৱল এখন দেশৰ চাৰিসীমাতে উপলব্ধ নহয়, নিবনুৱা সমস্যা সম্পূর্ণ নির্মূলৰ বাবে উপযুক্ত সামাজিক পৰিকল্পনা আৰু চৰকাৰী ব্যয় প্রয়োজনীয়। এই নিবনুৱা সমস্যা হৈছে এখন দেশৰ সাম্প্রদায়িক বিশৃংখলতাৰ কাৰণ।

আন্তঃৰাষ্ট্রীয় বিশৃংখলতা ঃ

আন্তঃৰাষ্ট্রীয় বিশৃংখলতাৰ অর্থ হ'ল দেশসমূহৰ মাজত পৰিলক্ষিত হোৱা বিশৃংখলতা। যেতিয়া বিভিন্ন দেশৰ মাজত সম্পর্ক ভাল হৈ নাথাকে তেতিয়াই আন্তঃৰাষ্ট্রীয় বিশৃংখলতাৰ সৃষ্টি হয়। আন্তঃৰাষ্ট্রীয় বিশৃংখলতাৰ বিভিন্ন বিভাগবোৰ হ'ল —

ক) **বিপ্লৱ** — একেবাৰে সাধাৰণ অর্থত বিপ্লৱ হৈছে এটা সামাজিক বিশৃংখলতা। বিপ্লৱৰ বাবে এটা বৃহৎ দলৰ মাজত সম্পর্কৰ যি বান্ধোন, সেয়া পৰিৱর্তন হয়। এই সম্পর্কত বিভিন্ন নিজস্ব কাৰণত আংশিকভাৱে ফাঁট মেলাৰ লগতে বিপ্লৱৰ নেতাসকলৰ প্রচেষ্টাৰ বাবেও সম্পর্কত ভাঙোনৰ সৃষ্টি হয়।

খ) **সর্বগ্রাসিতা** — সর্বগ্রাসিতা আন্তঃৰাষ্ট্রীয় বিশৃংখলতাৰ সৃষ্টিৰ আন এটা কাৰণ। সর্বগ্রাসিতাৰ অধীনত নেতাসকল আইন প্রস্তুতকাৰী কর্তৃপক্ষ হিচাপে চিহ্নিত হয়। সর্বগ্রাসিতাৰ মূল লক্ষ্য হ'ল তৎকালীনভাৱে চৰকাৰৰ ক্ষমতা দখল কৰি সম্পূর্ণ নিয়ন্ত্রণ স্থাপন কৰা।

গ) **যুদ্ধ** — যুদ্ধ হৈছে এটা অতি আগ্রাসী ৰূপত প্রচলিত সামাজিক বিশৃংখলতাৰ প্রকাৰ। ই হৈছে এখন দেশক এক কৰি ৰখাত সম্বন্ধত ভাঙোন সৃষ্টি কৰাৰ এক প্রক্রিয়া। যুদ্ধই বিশ্বৰ একতা, শান্তি তথা ব্যৱসায়ৰ ওপৰত বিৰূপ প্রভাৱ পেলায়। গতিকে যুদ্ধক আন্তঃৰাষ্ট্রীয় বিশৃংখলতাৰ এটা প্রকাৰ হিচাপে আখ্যা দিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ সামাজিক বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰ কি কি ?

প্রশ্ন নং ৪ ঃ ব্যক্তিগত বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰ উল্লেখ কৰক।



অনুশীলনী

আপুনি আপোনাৰ চৌপাশে কেনেধৰণৰ বিশৃংখলতা দেখিবলৈ পায়। এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰক।

৭.৪ সামাজিক বিশৃংখলতাৰ কাৰক

বিশৃংখলতাৰ দৰে এটা জটিল সামাজিক প্রক্রিয়া বিভিন্ন কাৰকৰ প্রভাৱত সংঘটিত হয়। এই কাৰকবোৰ তলত দিয়াৰ দৰে দেখুৱাব পাৰি —

- **মনোবৈজ্ঞানিক কাৰক ঃ** কেতিয়াবা সামাজিক বিশৃংখলতাৰ কাৰকবোৰ মানুহৰ মনস্তাত্ত্বিক দিশৰ ওপৰতো নির্ভৰ কৰে। মনোবৈজ্ঞানিক কাৰকবোৰে সামাজিক বিশৃংখলতা দুই ধৰণে সৃষ্টি কৰিব পাৰে —
  - ✓ আন আন সদস্যৰ সৈতে উপযুক্ত সম্পর্ক বজাই ৰাখিবলৈ অসমর্থ হোৱা।
  - ✓ সময়ৰ লগত খাপ খুৱাই এজন ব্যক্তিয়ে নিজৰ মানসিকতা পৰিৱর্তন কৰিবলৈ অসমর্থ হোৱা।
- **সাংস্কৃতিক স্থবিৰতা ঃ** সাংস্কৃতিক স্থবিৰতা ভৌতিক সংস্কৃতি আৰু অ-ভৌতিক সংস্কৃতিৰ পৰিৱর্তনৰ গতিৰ মাজত সম্পর্ক ৰক্ষা কৰিবলৈ অসমর্থ হোৱাকে সূচায়। ভৌতিক সংস্কৃতিৰ বিভিন্ন দিশ যেনে গৃহ নির্মাণৰ পদ্ধতি, পৰিৱহন আৰু যোগাযোগ ৰক্ষাৰ বিভিন্ন উপায়, সাজ-পাৰৰ প্রকাৰ, অলংকাৰৰ প্রকাৰ আদি ক্ষিপ্র গতিত পৰিৱর্তন হয়।

কিন্তু চিন্তা-ধাৰা, বিশ্বাস, আদর্শ, স্বভাৱ আদি অ-ভৌতিক সংস্কৃতিৰ উপাদানবোৰ তুলনামূলকভাৱে ধীৰ গতিত পৰিৱর্তন হয়। ফলত উভয় সাংস্কৃতি প্রক্রিয়াৰ মাজত এটা ব্যৱধানৰ সূচনা হয়। ইয়াক সাংস্কৃতিক স্থবিৰতা বোলা হয়। ই সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে।

- **ভৌগোলিক কাৰক ঃ** কোনো ব্যক্তিৰ সংস্কৃতি কোনো ভৌগোলিক পৰিস্থিতিৰ লগত মিলিব নোৱৰাৰ বাবেই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। সাধাৰণতে বিভিন্ন প্রাকৃতিক দুর্যোগ যেনে ধুমুহা, ঘূর্ণীবতাহ, দুর্ভিক্ষ, ভূমিকম্প আদিৰ বাবে এনে অৱস্থাৰ সৃষ্টি হয়।
- **জৈৱিক কাৰক ঃ** জনসংখ্যা বিস্ফোৰণ, জাতিগত মিশ্রণ, সমস্যাযুক্ত জৈৱিক কাৰক আৰু অন্যান্য জৈৱিক কাৰকেও সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে।
- **পৰিস্থিতিতন্ত্রৰ লগত জড়িত কাৰক ঃ** সামাজিক বিশৃংখলতাৰ পৰিঘটনাটো ইয়াৰ চৌপাশৰ পৰিস্থিতিতন্ত্রৰ বিভিন্ন কাৰকৰ জড়িত হৈ আছে। এই ক্ষেত্রত আমি অধ্যাপক শ্ব আৰু তেওঁৰ সহকর্মীসকলৰ উদাহৰণ প্রদান কৰিব পাৰোঁ। এওঁলোকে অধ্যয়নৰ পৰা প্রাপ্ত তথ্য অনুসৰি চিকাগো চহৰত দেখা পোৱা বিশৃংখলতাৰ দিশটো দুখীয়া মানুহৰ ঘৰ, অধিক অনসংখ্যা থকা অঞ্চল আৰু চিনেমা হল, হোটেল, নৈশ ক্লাৱ আদি থকা অঞ্চলত অধিক পৰিমাণে পোৱা যায়।
- **প্রমূল্যবোধৰ অৱক্ষয় ঃ** সামাজিক প্রমূল্যবোধসমূহক সমাজ এখন গতিশীল ৰূপত থকাৰ এক গুৰুত্বপূর্ণ কাৰক হিচাপে গণ্য কৰা হয়। এইবোৰে সমাজ এখনক শক্তিশালী কৰি তোলাত আৰু সমাজত সুস্থিৰতা বজাই ৰখাত সহায় কৰে। কিন্তু সমাজত হোৱা ক্ষিপ্র পৰিৱর্তনৰ ফলত নতুন নতুন প্রমূল্যবোধৰ অপমান হৈছে আৰু পুৰণি মূল্যবোধবোৰ ক্রমে আঁতৰি গৈছে। একে সময়তে, মানুহে পুৰণি মূল্যবোধসমূহক সম্পূর্ণৰূপে নস্যাৎ কৰি নতুনখিনিক আকোঁৱালি ল'বও নিবিচাৰে। গতিকে, পুৰণি আৰু নতুনৰ মাজত যি সংঘাত, তাক আঁতৰাই ৰাখিব নোৱাৰি। ই সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে।

ওপৰত উল্লেখ কৰা কাৰকবোৰৰ উপৰিও, সামাজিক বিশৃংখলতাৰ আন কিছুমান কাৰকৰ উপস্থিতিও পৰিলক্ষিত হয়। সেইবোৰ হৈছে —

- **লক্ষ্যত উপনীত হোৱাৰ আহিলাৰ অভাৱ ঃ** অধিকাংশ লোকে সমাজ অনুসৰি তেওঁলোকৰ লক্ষ্যসমূহ নির্ধাৰণ কৰে আৰু সেই অনুসৰি কার্য কৰে। কিন্তু এই লক্ষ্যসমূহত উপনীত হ'বলৈ উপযুক্ত হ'বলৈ উপযুক্ত আহিলা বা উপায়ৰ অভাৱ হোৱা পৰিলক্ষিত হয়। সেয়েহে একাংশ লোকে কিছুমান বে-আইনী কার্য যেনে অপৰাধত লিপ্ত হয়।
- **সামাজিক নিয়ন্ত্রণৰ অৱনতি ঃ** মানুহৰ ব্যৱহাৰৰ ওপৰত ধর্ম, নৈতিকতাবোধ, ৰীতি-নীতি, পৰম্পৰা আৰু অন্যান্য দিশৰ নিয়ন্ত্রণৰ অৱনতি হোৱাৰ ফলত বিশৃংখলতাৰ হাৰ হ্রাস পাইছে।
- **শ্রমৰ চৰম বিভাজন ঃ** Emile Durkheim ৰ মতে, সাধাৰণ ক্ষেত্রত হোৱা শ্রমৰ চৰম বিভাজনে সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। সাধাৰণতে শ্রমৰ বিভাজনে সমাজত একতা

আৰু সহযোগিতাৰ মনোভাৱ সৃষ্টি কৰে যদিও যেতিয়া এই বিভাজন চৰম আৰু জটিল হৈ পৰে, তেতিয়াই সহযোগিতাৰ মনোভাৱ বিপন্ন হৈ পৰা দেখা যায়।

- **বিঘ্নিত সামাজিক পৰিৱৰ্তন ঃ** সমাজ এখনত মূলতঃ কায়িক, জৈৱিক, প্রযুক্তিগত কাৰকৰ বাবে পৰিৱৰ্তনৰ সূচনা হয়। অৱশ্যে হঠাৎ অহা পৰিৱৰ্তনে কেতিয়াবা সমাজৰ স্থিতি আৰু সংহতি বিঘ্নিত কৰিব পাৰে। ইয়াৰ পৰিণতিত সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়।



জানি থোৱা ভাল

'সাংস্কৃতিক স্থবিৰতা' (Cultural Lag)ৰ ধাৰণাটো ডব্লিউ. এ. অ'বার্ণে ব্যহাৰ কৰিছিল। সাংস্কৃতিক স্থবিৰতাই ভৌতিক সংস্কৃতি আৰু অ-ভৌতিক সংস্কৃতিৰ পৰিৱৰ্তনৰ গতিৰ মাজত সম্পর্ক ৰক্ষা কৰিবলৈ অসমর্থ হোৱাকে সূচায়। ই সামাজিক বিশৃংখলতা সৃষ্টিৰ এটা মূল কাৰক। উদাহৰণস্বৰূপে, যদিও বহু সংখ্যক ভাৰতীয়ই পাশ্চাত্য সংস্কৃতি গ্রহণ কৰিছে, তথাপিও তেওঁলোকৰ পৰম্পৰাগত বিশ্বাস, ধ্যান-ধাৰণা, পৰম্পৰা আদি পৰিৱৰ্তন কৰা নাই। ই প্রায়ে প্রায়ে সমাজত সাংস্কৃতিক বিতৰকৰ সৃষ্টি কৰে। ইয়াৰ ফলত সমাজত সামাজিক বিশৃংখলতাৰ সৃষ্টি হয়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সামাজিক বিশৃংখলতা সৃষ্টিৰ কাৰকবোৰ উল্লেখ কৰক।

৭.৪.১ সামাজিক বিশৃংখলতা দূৰ কৰাৰ উপায়

আধুনিক সমাজব্যৱস্থাটোত বিভিন্ন স্তৰৰ মানুহৰ মাজত সামাজিক বিশৃংখলতাৰ সৃষ্টি হৈছে। এনে বিশৃংখলতাই শৈক্ষিক সমাজতাত্ত্বিক আৰু কোনো সভাত আয়োজকসকলৰ আগত প্রত্যাহ্বানৰ সৃষ্টি কৰিছে। এই সমস্যাৰ সমাধানৰ উপায় হিচাপে আমি নিম্নোক্ত দিশবোৰৰ বিষয়ে উল্লেখ কৰিব পাৰোঁ —

- **অর্থনৈতিক বৈষম্য দূৰ কৰা ঃ** এখন আধুনিক সমাজত অর্থনৈতিক বৈষম্যই গোটেই সমাজখনত যথেষ্ট সমসাৰ সৃষ্টি কৰে। এই দিশলৈ লক্ষ্য ৰাখি ধনী আৰু দুখীয়াৰ মাজত সমাজত সৃষ্টি হোৱা বৈষম্য দূৰ কৰিবলৈ চৰকাৰে অর্থনৈতিক পৰিকল্পনা আৰু দেশৰ মানৱ সম্পদৰ উপযুক্ত ব্যৱহাৰৰ বাবে ব্যৱস্থা গ্রহণ কৰিব লাগে। উৎপাদন বৃদ্ধিৰ আধুনিক বৈজ্ঞানিক আৰু প্রযুক্তিগত আহিলা ব্যৱহাৰ কৰি সকলো লোকৰে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব লাগে।গণতন্ত্রৰ নীতি আৰু সমতাৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্রীয় সম্পদ আৰু শ্রমৰ বিপৰীতে

প্রদান কৰিবলগীয়া মজুৰিৰ সম-বিতৰণ হ'ব লাগে।

- **সামাজিক সংস্কাৰৰ প্রক্রিয়াটো অধিক নমনীয় আৰু গতিশীল কৰি তোলা ঃ** সমাজৰ ৰক্ষণশীল লোকসকলে ধৰি ৰখা সমাজৰ কঠোৰ আৰু অনমনীয় নীতিসমূহ সমাজত বিশৃংখলতা সৃষ্টিৰ বাবে বহু পৰিমাণে দায়ী। এখন উন্নয়নশীল সমাজত প্রতিষ্ঠিত সামাজিক নিয়ম আৰু পৰম্পৰাক সময়ৰ প্রয়োজন অনুসৰি পৰিৱর্তন আৰু উন্নয়ন সাধন কৰা হয়। নতুন প্রজন্মৰ প্রয়োজন আৰু চিন্তা-ধাৰাৰ প্রতি লক্ষ্য ৰাখি পুৰণি নীতি-নিয়মসমূহৰ পৰিৱর্তন সাধন হ'ব লাগে। এনে পৰিৱর্তনত সমাজৰ অশিক্ষিত আৰু দুখীয়া শ্রেণীৰ লোকসকলৰ মনত পৰিৱর্তিত ব্যৱস্থা আৰু উন্নয়ন সম্পর্কে সজাগ কৰি তোলাৰ লগতে তেওঁলোকৰ মনত বিশ্বাস জন্মাব লাগে।
- **সামাজিক ঐতিহ্যৰ প্রশিক্ষণ ঃ** বিদ্যালয়ৰ পাঠ্যক্রমে কেৱল ব্যক্তিৰ বৈজ্ঞানিক আৰু প্রযুক্তিগত দিশটোৰ প্রয়োজন পূৰণ কৰাৰ লগতে সামাজিক ঐতিহ্যৰ ভৱিষ্যতৰ প্রয়োজনসমূহো পূৰ কৰিব লাগিব। ই সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ আৰু সমাজৰ মানুহৰ সামাজিক উন্নয়নৰ দিশ দুটাৰ লগত সামঞ্জস্য ৰক্ষা কৰিব লাগিব। যুৱ সমাজক এই নতুন সাংস্কৃতিক আৰু সভ্যতাৰ দিশসমূহৰ লগত পৰিচিত হ'বলৈ সুযোগ প্রদান কৰিব লাগিব। অতীত আৰু বর্তমানৰ মাজত এক সম্পর্ক ৰক্ষা কৰিবলৈ পাঠ্যক্রমে ভষ্যিতৰ আশা আৰু প্রয়োজনসমূহ ফুটাই তুলিব পৰাকৈ এক বহল দৃষ্টিভংগী গ্রহণ কৰিব লাগিব।
- **শিক্ষাৰ সার্বজনীনকৰণ ঃ** শিক্ষাৰ অভাৱ আৰু এই দিশৰ প্রতি থকা গুৰুত্বহীনতা এখন উন্নয়নশীল সমাজৰ বাবে উদ্বেগৰ কাৰণ। ই সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। গতিকে সমাজৰ লোকসকলৰ বাবে শিক্ষা উপলব্ধ কৰি মানুহৰ মাজত থকা নিৰক্ষৰতা আৰু এই দিশৰ প্রতি থকা অনীহা দূৰ কৰিব লাগে। শিক্ষাক সকলো নাগৰিকৰ জন্মগত অধিকাৰ হিচাপে গণ্য কৰিব লাগে আৰু চৰকাৰেও ইয়াৰ সুবিধা যাতে প্রতিগৰাকী নাগৰিকে লাভ কৰে তাৰ বাবে ব্যৱস্থা গ্রহণ কৰিব লাগে। দেশত শিক্ষাক সকলোৰে বাবে উপলব্ধ কৰা আৰু ব্যাপক ৰূপত অনানুষ্ঠানিক শিক্ষা ব্যৱস্থাৰ প্রয়োগে সমাজৰ পৰা বিশৃংখলতা দূৰ কৰাত সহায় কৰে।.



অনুশীলনী

আপোনাৰ সমাজত পৰিলক্ষিত হোৱা সামাজিক বিশৃংখলতাসমূহৰ এখন তালিকা প্রস্তুত কৰক।

৭.৫ সামাজিক বিশৃংখলতা প্রতিৰোধ আৰু নির্মূলৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা

সামাজিক বিশৃংখলতাৰ দৰে সমস্যাবোৰৰ মোকাবিলা কৰিবলৈ, আমি প্রথমে সামাজিক বিশৃংখলতাৰ প্রকৃতি আৰু প্রভাৱ সম্পর্কে অধ্যয়ন কৰিব লাগিব। ইয়াৰ প্রকৃতি আৰু প্রকাৰৰ ওপৰত নির্ভৰ কৰি, সামাজিক বিশৃংখলতা নির্মূলৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা তলত পর্যায়ক্রমে আলোচনা কৰা হ'ল —

- অপৰাধবোধৰ দৰে সামাজিক সমস্যাবোৰ নির্মূলৰ বাবে বিদ্যালয়সমূহত আবেগ আৰু বিশ্বাসেৰে পৰিপূর্ণ এটা উপযুক্ত পৰিৱেশ সৃষ্টি কৰিব লাগিব। আকৌ, শিক্ষকসকল এনে সামাজিক সমস্যাত ভুগি থকা শিশুসকলৰ প্রতি সহানুভূতিশীল হ'ব লাগিব।
- ব্যক্তিৰ মাজৰ পৰা বিশৃংখলতা আঁতৰ কৰিবলৈ, বিদ্যালয়ত যৌন শিক্ষা প্রদান কৰিব লাগিব। এনে শিক্ষাই জীৱন আৰু যৌন আকাংক্ষাৰ প্রতি এটা স্বাস্থ্যকৰ, বিজ্ঞানসম্মত আৰু যুক্তিসংগত মনোভাৰ জন্ম দিয়ে।
- পৰিয়ালকেন্দ্রিক বিশৃংখলতাৰ জন্ম দিয়া জনসংখ্যা বৃদ্ধিৰ দৰে ঘটনা নিয়ন্ত্রণক শিক্ষাই সহায় কৰে।
- শিক্ষাৰ সহায়ত, পৰিয়ালত উদ্ভৱ হোৱা বিভিন্ন বিয়োগাত্মক চিন্তাৰ সমস্যা দূৰ কৰিব পাৰি। ইয়াৰ বাবে, পৰিয়াল পৰামর্শদানৰ সংস্থাসমূহৰ প্রশিক্ষিত কর্মীসকলে পৰিয়ালত সৃষ্টি হোৱা এনে সমস্যা দূৰ কৰি স্বামী-স্ত্রীৰ মাজত বুজাবুজি সৃষ্টি কৰাৰ ক্ষেত্রত সহায় কৰে।
- পৰিয়ালৰ বিশৃংখলতা আঁতৰ কৰিবলৈ, প্রাপ্তবয়স্ক শিক্ষা যথেষ্ট গুৰুত্বপূর্ণ। আমাৰ সমাজৰ প্রাপ্তবয়স্ক শিক্ষিত লোকসকল যথেষ্ট ৰক্ষণশীল মনোভাৱৰ হয় আৰু তেওঁলোকে পুৰণি মূল্যবোধসমূহক এৰি দিব নিবিচাৰে। প্রাপ্তবয়স্ক শিক্ষাৰ জৰিয়তে এনে ৰক্ষণশীল মনোভাৱ দূৰ কৰিব পাৰি।
- নিবনুৱা সমস্যাৰ দৰে সমস্যাসমূহ আঁতৰ কৰিবলৈ উপযুক্ত শিক্ষাৰ প্রসাল কৰিব লাগিব। ইয়াৰ বাবে এখন দেশে সমগ্র শিক্ষা ব্যৱস্থাটো নতুনকৈ নির্মাণ কৰিব লাগিব।
- শিক্ষাই শান্তি স্থাপনৰ আলোচনা চক্র আয়োজন কৰি আন্তঃৰাষ্ট্রীয় বিশৃংখলতাক নির্মূল কৰিব পাৰি। এনে আলোচনা চক্রৰ জৰিয়তে এখন দেশে সন্মুখীন হৈ থকা সমস্যাসমূহ চিনাক্ত কৰি সেইবোৰ আঁতৰ কৰিব পাৰি।
- যদিহে দেশসমূহৰ মাজত একতা আৰু সহযোগিতাৰ মনোভাৱ অক্ষুণ্ণ থাকে, তেন্তে আন্তঃৰাষ্ট্রীয় স্তৰত বিশৃংখলতাৰ সৃষ্টি নহয়। শিক্ষাই দেশসমূহৰ মাজত আন্তঃৰাষ্ট্রীয় স্তৰত ভ্রাতৃত্ববোধৰ সৃষ্টি কৰে।
- প্রতিখন দেশৰ চৰকাৰে আন্তঃৰাষ্ট্রীয় আলোচনা চক্র অনুষ্ঠিত কৰিব লাগে। এই আলোচনা চক্রৰ পৰা এখন দেশে সমসাময়িক সমস্যাবোৰ চিহ্নিত কৰিব পাৰিব আৰু সেইবোৰ সমাধান কৰিব পাৰিব।

গতিকে ওপৰৰ আলোচনাৰ পৰা এটা কথা ক'ব পাৰি যে সামাজিক বিশৃংখলতা দূৰ কৰাৰ ক্ষেত্ৰত শিক্ষাৰ বিশেষ ভূমিকা আছে। সামাজিক বিশৃংখলতা সামাজিক শৃংখলাৰ সম্পূৰ্ণ বিপৰীত অৱস্থা। সামাজিক বিশৃংখলতাক নিৰ্মূল কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।



৭.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- আধুনিক সমাজতাত্ত্বিক সাহিত্যত 'বিশৃংখলতা'ৰ ধাৰণাটোৱে এটা গুৰুত্বপূৰ্ণ স্থান গ্ৰহণ কৰি আহিছে। এই ধাৰণাটো প্ৰথমে থমাছ আৰু জেনিয়াকে তেওঁলোকৰ জনপ্ৰিয় গ্ৰন্থ 'The Polish Peasant in Europe and America' ত আগবঢ়াইছিল।
- সামাজিক বিশৃংখলতাই সামাজিক নীতি-নিয়ম তথা পৰম্পৰাৰ অগতানুগতিকতা অথবা ভাঙোনক সূচায়। ইয়াৰ ফলত সমাজত সামাজিক শক্তিসমূহৰ সমতা নোহোৱা হয়। অৱশ্যে ইয়াৰ অৰ্থ এইটো নহয় যে সমাজত একতাৰ সম্পৰ্কে একেবাৰে নোহোৱা হৈ যায়; কিন্তু সামাজিক বিশৃংখলতাৰ ফলত এনে মনোভাৱ লক্ষণীয় ভাৱে হ্ৰাস পাই আহে। সেয়েহে সামাজিক বিশৃংখলতাৰ আমি সমাজৰ মানুহৰ অগ্ৰাধিকাৰ বা হাবিয়াসৰ বৈষম্যৰ পৰিণতি বুলি ক'ব পাৰি।
- এলিয়ট আৰু মেৰিলে আগবঢ়োৱা বিভাজন অনুসৰি সামাজিক বিশৃংখলতাক চাৰিটা ভাগত ভগাব পাৰি — ব্যক্তিগত বিশৃংখলতা, পৰিয়ালকেন্দ্ৰিক বিশৃংখলতা, সাম্প্ৰদায়িক বিশৃংখলতা আৰু আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতা।
- কোনো ব্যক্তিৰ ব্যক্তিত্ব গঠন হয় সমাজৰ অন্য গোটৰ পৰা নিৰ্দিষ্ট গাঁথনি আৰু নীতি আহৰণ ৰ জৰিয়তে। এই গাঁথনিসমূহক কেন্দ্ৰ কৰি বিভ্ৰান্তিৰ সৃষ্টি হ'লে ব্যক্তিসকলে সমাজে তেওঁৰ পৰা কি আশা কৰে, সেয়া নিৰ্ধাৰণ কৰিবলৈ অসমৰ্থ হয়। এনে পৰিস্থিতিত, অসংহত ব্যক্তিত্বৰ সৃষ্টি হয়। ইয়াক ব্যক্তিগত অসংহতি বোলা হয়।
- পৰিয়ালত সৃষ্টি হোৱা বিশৃংখলতাৰে এটা প্ৰকাৰ, কিয়নো এনে বিশৃংখলতাই সমাজত পৰিয়ালকেন্দ্ৰিক ভাঙোনৰ সৃষ্টি কৰে। ইয়াৰ ফলত পৰিয়ালৰ সদস্যসকলে পালন কৰিবলগীয়া ভূমিকা আৰু দায়িত্বৰ পৰিৱৰ্তন আৰু শিথিল হৈ আহে। ইয়াৰ ফলত কেৱল স্বামী-স্ত্ৰীৰ মাজতে নহয় পিতৃ-মাতৃ আৰু সন্তান তথা ককায়েক-ভায়েকৰ মাজতো খামখেয়ালিৰ সৃষ্টি হয়।
- সাম্প্ৰদায়িক বিশৃংখলতা সহযোগিতা আৰু ঐক্যমতৰ ওপৰত নিৰ্ভৰ কৰে। সকলো সমাজ বা সম্প্ৰদায়ৰ মাজত কিছুমান বিবাদ অথবা উদ্বেগজনক পৰিস্থিতি থাকে। এটা সম্প্ৰদায়ৰ বিশৃংখলতা বিভিন্ন মাপকাঠি যেনে জনসংখ্যা, জনস্বাস্থ্য, সমাজ কল্যাণ, শিক্ষা, গৃহ পৰিৱেশ তথা এইবোৰৰ সমন্বয়ৰ দ্বাৰা পৰিমাপ কৰিব পাৰি। এই দিশৰ পৰা চাবলৈ গ'লে,

সাম্প্রদায়িক বিশৃংখলতাই সম্বন্ধৰ নীতিহীনতাক বুজায়।

- আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতাৰ অর্থ হ'ল দেশসমূহৰ মাজত পৰিলক্ষিত হোৱা বিশৃংখলতা। যেতিয়া বিভিন্ন দেশৰ মাজত সম্পর্ক ভাল হৈ নাথাকে তেতিয়াই আন্তঃৰাষ্ট্ৰীয় বিশৃংখলতাৰ সৃষ্টি হয়।
- সামাজিক বিশৃংখলতা সৃষ্টিৰ কিছুমান কাৰক হ'ল — মনোবৈজ্ঞানিক কাৰক, ভৌগোলিক কাৰক, জৈৱিক কাৰক, পৰিস্থিতিতন্ত্ৰৰ লগত জড়িত কাৰক, মূল্যবোধৰ অৱক্ষয় আদি।
- সামাজিক বিশৃংখলতা নির্মূল কৰাৰ বিভিন্ন উপায়বোৰ হ'ল — অর্থনৈতিক বৈষম্য দূৰ কৰা, সামাজিক সংস্কাৰৰ প্ৰক্ৰিয়াটো অধিক নমনীয় আৰু গতিশীল কৰি তোলা, সামাজিক ঐতিহ্যৰ প্ৰশিক্ষণ, শিক্ষাৰ সার্বজনীকৰণ আদি।
- সামাজিক বিশৃংখলতা নির্মূল কৰাৰ ক্ষেত্ৰত শিক্ষাই এক গুৰুত্বপূর্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। বিভিন্ন শৈক্ষিক পদক্ষেপ যেনে যৌন শিক্ষাৰ প্ৰসাৰ, জনসংখ্যা নির্মূলৰ জ্ঞান, শান্তিৰ শিক্ষা প্ৰদান, আন্তঃৰাষ্ট্ৰীয় আলোচনা চক্ৰ আৰু কর্মশালাৰ আয়োজন আদি পদক্ষেপ গ্ৰহণ কৰি সামাজিক বিশৃংখলতা নির্মূল কৰিব পাৰি।



৭.৭ অধিক জানিবলৈ

1) Chaube & Chaube : Philosophical and Sociological foundations of Education. Mathur S.S.: A Sociological Approach to Indian Education.



৭.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আধুনিক সমাজতাত্ত্বিক সাহিত্যত 'বিশৃংখলতা'ৰ ধাৰণাটোৱে এটা গুৰুত্বপূর্ণ স্থান গ্ৰহণ কৰি আহিছে। এই ধাৰণাটো প্ৰথমে থমাছ আৰু জেনিয়াকে তেওঁলোকৰ জনপ্ৰিয় গ্ৰন্থ 'The Polish Peasant in Europe and America' ত আগবঢ়াইছিল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সাম্প্রদায়িক বিশৃংখলতা সহযোগিতা আৰু ঐক্যমতৰ ওপৰত নির্ভৰ কৰে। সকলো সমাজ বা সম্প্রদায়ৰ মাজত কিছুমান বিবাদ অথবা উদ্বেগজনক পৰিস্থিতি থাকে। এটা সম্প্রদায়ৰ বিশৃংখলতা বিভিন্ন মাপকাঠি যেনে জনসংখ্যা, জনস্বাস্থ্য, সমাজ কল্যাণ, শিক্ষা, গৃহ পৰিৱেশ তথা এইবোৰৰ সমন্বয়ৰ দ্বাৰা পৰিমাপ কৰিব পাৰি। এই দিশৰ পৰা চাবলৈ গ'লে, সাম্প্রদায়িক বিশৃংখলতাই সামাজিক সম্বন্ধৰ নীতিহীনতাক বুজায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ এলিয়ট আৰু মেৰিলে আগবঢ়োৱা বিভাজন অনুসৰি সামাজিক বিশৃংখলতাক চাৰিটা ভাগত ভগাব পাৰি — ব্যক্তিগত বিশৃংখলতা, পৰিয়ালকেন্দ্ৰিক বিশৃংখলতা,

সাম্প্রদায়িক বিশৃংখলতা আৰু আন্তঃৰাষ্ট্রীয় বিশৃংখলতা।

৪ নং প্রশ্নৰ উত্তৰ ঃ ব্যক্তিগত বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰ হ'ল — অপৰাধ প্রৱণতা, প্রাপ্তবয়স্ক অপৰাধী, যৌন অপৰাধী, শিশু শ্রমিক, নিচাজাতীয় দ্রব্যৰ প্রতি আসক্তি আদি।

৫ নং প্রশ্নৰ উত্তৰ ঃ সামাজিক বিশৃংখলতা সৃষ্টিৰ কিছুমান কাৰক হ'ল — মনোবৈজ্ঞানিক কাৰক, ভৌগোলিক কাৰক, জৈৰিক কাৰক, পৰিস্থিতিতন্ত্রৰ লগত জড়িত কাৰক, মূল্যবোধৰ অৱক্ষয় আদি। এইবোৰৰ বাহিৰেও অন্য কিছুমান উপাদানো পোৱা যায়, যিবোৰে সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। সেইবোৰ হ'ল — লক্ষ্য আৰু উপায়ৰ মাজত সংঘাত, সামাজিক নিয়ন্ত্রণ হ্রাস, শ্রমৰ চৰম বিভাজন, বিক্ষিপ্ত সামাজিক পৰিৱর্তন আদি।



৭.৯ আৰ্হি প্রশ্ন

(ক) অতি চমু উত্তৰৰ প্রশ্ন (৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ সামাজিক বিশৃংখলতা বুলিলে কি বুজা যায়?

প্রশ্ন ২ ঃ সামাজিক বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰ কি কি?

প্রশ্ন ৩ ঃ সাংস্কৃতিক স্থবিৰতা বুলিলে কি বুজা যায়?

(খ) চমু উত্তৰৰ প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ সামাজিক বিশৃংখলতাৰ প্রকৃতি আলোচনা কৰক।

প্রশ্ন ২ ঃ ব্যক্তিগত বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰ আলোচনা কৰক।

প্রশ্ন ৩ ঃ "সাম্প্রদায়িক বিশৃংখলতাৰ এটা প্রধান কাৰক হ'ল নিবনুৱা সমস্যা" — আলোচনা কৰক।

(গ) বর্ণনাধর্মী উত্তৰৰ প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ সামাজিক বিশৃংখলতাৰ বিভিন্ন প্রকাৰবোৰৰ সম্বন্ধে এটি বিস্তৃত আলোচনা দাঙি ধৰক।

প্রশ্ন ২ ঃ সামাজিক বিশৃংখলতা সৃষ্টি কৰা বিভিন্ন কাৰকবোৰৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ সামাজিক বিশৃংখলতা আঁতৰ কৰাৰ বিভিন্ন উপায়বোৰ ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ "সামাজিক বিশৃংখলতা নির্মূল কৰাৰ এটি প্রভাৱশালী কাৰক হ'ল শিক্ষা" — আলোচনা কৰক।..

*** ***** ***

অধ্যায় ৮ ঃ সামাজিক নিয়ন্ত্রণ

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য

৮.২ পৰিচয়

৮.৩ সামাজিক নিয়ন্ত্রণ

৮.৪ সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহ

৮.৪.১ সামাজিকৰণ

৮.৪.২ ৰীতিনীতি

৮.৪.৩ আইন

৮.৪.৪ শিক্ষা

৮.৫ সামাজিক নিয়ন্ত্রণৰ প্ৰকাৰ

৮.৬ সামাজিক নিয়ন্ত্রণৰ গুৰুত্ব

৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৮.৮ অধিক জানিবলৈ

৮.৯ অগ্ৰগতিৰ খতিয়ান

৮.১০ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- আমাৰ জীৱন আৰু ক্ৰিয়াকলাপ কিদৰে নিয়ন্ত্ৰিত হয় সেইবিষয়ে জানিব পাৰিব
- আমাৰ ৰাজনীতি, আইন-কানুন আৰু শিক্ষাই কিদৰে আমাৰ ব্যৱহাৰ ৰূপায়িত আৰু পৰিৱৰ্তিত কৰে সেই সম্পৰ্কে জানিব পাৰিব
- সামাজিক নিয়ন্ত্ৰণৰ মাধ্যমসমূহৰ বিষয়ে ধাৰণা লাভ কৰিব
- সামাজিক শৃংখলা সুনিশ্চিত কৰাত আৰু এক সুষম জীৱন যাপন কৰাত সামাজিক নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব।

৮.২ পৰিচয়

মানুহে সমাজৰ পৰা বিচ্ছিন্ন হৈ কাম কৰিব নোৱাৰে। সেইবাবে সমাজত কিছুমান নিয়মৰ আৱশ্যক। সামাজিক প্ৰতিষ্ঠানসমূহে তেওঁলোকৰ কাম-কাজসমূহ সূচাৰুৰূপে সম্পাদন কৰিবৰ বাবে সমাজত মানুহৰ ক্ৰিয়া-কলাপসমূহ নিয়ন্ত্ৰণ কৰাৰ প্ৰয়োজন। দৰাচলতে, সামাজিক নিয়ন্ত্ৰণ অবিহনে কোনো সমাজ বৰ্তি থাকিব নোৱাৰে। এক সুসংগত আৰু কাৰ্যকৰী সামাজিক

ব্যৱস্থা অবিহনে কোনো সমাজ পৰিচালিত হ'ব নোৱাৰে। এনে সামাজিক ব্যৱস্থাই দৈনন্দিন জীৱন সহজ আৰু জটিল শ্ৰমৰ বিভাজন সম্ভৱ কৰি তোলে। ইয়াৰ অবিহনে বিশৃংখল আৰু বিভ্ৰান্তিয়ে গ্ৰাস কৰিব।

সামাজিক চাপ, সামাজিকীকৰণ, আইন প্ৰয়োগ আদি বিভিন্ন উপায়ৰ জৰিয়তে মানুহৰ সন্মতি সুনিশ্চিত কৰিব পাৰি।

মানুহে সমাজৰ নীতি-নিয়মৰ অবাধ্য হ'লে বিভিন্ন শাস্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। এনে শাস্তিৰ অনুমোদন বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে ঃ সাধাৰণ জৰিমনা, কাৰাবাস আনকি মৃত্যুদণ্ডৰ নিচিনা চৰম শাস্তিৰ অনুমোদনো দিয়া হয়। অন্য শাস্তিসমূহ হ'ল — বিভ্ৰান্ত বা অস্বীকৃতিমূলক চাৱনি, পৰিয়াল, বন্ধুবৰ্গ আৰু জ্যেষ্ঠজনৰ অস্বীকৃতি আৰু সামাজিক বহিস্কাৰ। সেইবাবে, এনে যিবোৰ পৰিকল্পিত আৰু অপৰিকল্পিত প্ৰক্ৰিয়াই মানুহক সমাজৰ সামগ্ৰিক নীতি-নিয়মবোৰ মানি চলিবলৈ সহায় কৰে, তেনে প্ৰক্ৰিয়াসমূহক সামাজিক নিয়ন্ত্ৰণ বোলা হয়।

এই অধ্যায়ত আমি সামাজিক নীতি-নিয়মসমূহৰ ওপৰিও বিভিন্ন নিয়ম, আইন-কানুন আৰু সামাজিক, অৰ্থনৈতিক, প্ৰতিষ্ঠানিক সংগঠনৰ জৰিয়তে কেনেদৰে সামাজিক নিয়ন্ত্ৰণ অৰ্জন কৰিব পাৰি, সেই সম্পৰ্কে আলোচনা কৰিম।

৮.৩ সামাজিক নিয়ন্ত্ৰণ

সমাজৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি সামাজিক নিয়ন্ত্ৰণ অথবা প্ৰক্ৰিয়াসমূহক প্ৰধানকৈ দুটা ভাগত ভগাব পাৰি। জদচন আৰ লেণ্ডিছ (Judson R. Landis) এ কৈছিল যে শক্তিশালী বুনিয়াদী সম্পৰ্ক থকা সৰল সমাজে অবিহিত সামাজিক নিয়ন্ত্ৰণৰ সৃষ্টি কৰে, য'ত নিয়মসমূহ প্ৰায়েই লিখিত ৰূপত পোৱা নাযায়। আনহাতে, কঠোৰ নীতি-নিয়মৰ দ্বাৰা পৰিচালিত জটিল সমাজ ব্যৱস্থাত নিয়মসমূহ লিখিত ৰূপত থাকে। সেইবাবে এনে সমাজে বিহিত সামাজিক নিয়ন্ত্ৰণক প্ৰতিফলিত কৰে। ইয়াৰ ওপৰিও লেণ্ডিছে কৈছিল যে, সৰল সমাজত সামাজিক নিয়ন্ত্ৰণৰ বিভিন্ন ৰূপসমূহ হৈছে পৰচৰ্চা আৰু উপহাস, জনমত, সামাজিক দলৰ পৰা বৰ্জন। আনহাতে, জটিল সমাজ ব্যৱস্থাত সামাজিক নিয়ন্ত্ৰণ সুনিশ্চিত কৰিবৰ বাবে আৰক্ষী, কাৰাগাৰ আদি দেখিবলৈ পোৱা যায়।

উইলিয়াম ক'ল (William Cole) ৰ মতে সামাজিক নিয়ন্ত্ৰণ হৈছে এনে কিছুমান মাধ্যম, যিয়ে নীতি-নিয়মসমূহৰ প্ৰতি মানুহৰ সন্মতি সুনিশ্চিত কৰে, যাৰ জৰিয়তে মানুহে তেওঁলোকৰ প্ৰত্যাশ্যসমূহ পূৰণ কৰিব পাৰে। এই 'মাধ্যম'ৰ জৰিয়তে ক'ল-এ কিছুমান দল বা গোষ্ঠীক অন্তৰ্ভুক্ত কৰিছে যিয়ে প্ৰত্যাশিত ভূমিকা পালন কৰিবৰ বাবে মানুহৰ ব্যৱহাৰ নিয়ন্ত্ৰিত কৰে। উদাহৰণস্বৰূপে, এটা পৰিয়ালে তেওঁলোকৰ সন্তানক নীতি-নিয়মসমূহ মানি চলিবলৈ উপদেশ দিব পাৰে, গীৰ্জা বা চৰকাৰে তেওঁলোকৰ শিক্ষণ অথবা সেৱা আৰু আইন ব্যৱস্থাৰ জৰিয়তে নীতি-নিয়মসমূহৰ প্ৰতি মানুহৰ সন্মতি অৰ্জন কৰিব পাৰে, খুচুৰা ব্যৱসায় প্ৰতিষ্ঠান এটাই আমানতৰ মান নিৰ্ধাৰণ কৰাৰ অৰ্থে অথবা প্ৰতিযোগিতামূলক বাণিজ্য ব্যৱস্থাত প্ৰবেশ

কৰাৰ বাবে কিছুমান নিয়ন্ত্রণ প্রতিষ্ঠা কৰিব পাৰে।

সামাজিক নিয়ন্ত্রণ হৈছে বিহিত নীতি-নিয়ম আৰু মূল্যবোধৰ জৰিয়তে মানুহৰ আচৰণ নিয়ন্ত্রিত কৰা এক আহিলা। এনে সামাজিক নিয়ন্ত্রণে সমাজত সংহতি বজাই ৰাখে। টি.বি. ব'ট'ম'ৰ (T.B. Bottomore) এ কৈছিল যে শক্তি প্রদর্শন, নীতি-নিয়ম আৰু মূল্যবোধৰ জৰিয়তে আচৰণ নিয়ন্ত্রণ কৰিব পাৰি। ইয়াৰে পিছৰটোৱে (latter) সামাজিক নিয়ন্ত্রণৰ সৃষ্টি কৰে। ইয়াৰ অর্থ হ'ল সামাজিক নিয়ন্ত্রণে এটা নির্দিষ্ট দলৰ নীতি-নিয়ম আৰু মূল্যবোধ মানি চলাতো বুজায়। এনেদৰে উদ্বেগ আৰু সংঘর্ষ ৰোধ কৰিব পাৰি আৰু সমাজত সংহতি বজাই ৰাখিব পাৰি। তদুপৰি, তেওঁ কিছুমান নীতি-নিয়ম আৰু মূল্যবোধ উল্লেখ কৰিছে যিবোৰে সামাজিক নিয়ন্ত্রণক সূচায় যেনে — ৰীতি-নীতি আৰু মতামত, আইন, ধর্ম, নৈতিকতা, শিক্ষা ইত্যাদি। তেওঁ সামাজিক নিয়ন্ত্রণৰ মাধ্যম কিছুমানো উল্লেখ কৰিছে, যেনে, শিক্ষা ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা, গীর্জা, পৰিয়াল, অন্যান্য ধর্মীয় সংস্থা আৰু আন বিশেষায়িত সংগঠনসমূহ।

ইয়াৰোপৰি, আচৰণৰ বিচ্যুতি নিয়ন্ত্রণ কৰা কৌশল বা পদ্ধতিসমূহকো সামাজিক নিয়ন্ত্রণ বোলা হয়। এম. এফ. নিমকফ্ (M.F. Nimkoff) আৰু পল বি. ফ'ৰমেন (Paul B. Foreman) ৰ মতে যেতিয়া দল বা গোষ্ঠীসমূহ গঠন হয়, তেতিয়া তেওঁলোকৰ কিছুমান নিজস্ব নীতি আৰু মূল্যবোধ থাকে, যিবোৰ সামাজিক মূল্যবোধতকৈ বেলেগ হ'ব পাৰে। ফলস্বৰূপে, যদি এই দল-সংগঠনসমূহ ভাঙি যায়, তেতিয়া এইটো সামাজিক নিয়ন্ত্রণৰ বাবে সমস্যা হিচাপে পৰিগণিত হ'ব পাৰে।

শাস্তিসমূহো সামাজিক নিয়ন্ত্রণৰ অন্তর্ভূক্ত। শাস্তি হৈছে পথভ্রষ্ট আচৰণৰ প্রতিক্রিয়া। ড'নাল্ড ব্লেক (Donald Black) ৰ মতে যদি এজন ব্যক্তি সমাজস্বীকৃত ৰীতি-নীতি আৰু মূল্যবোধৰ পৰা বিচ্যুত হয়, তেন্তে তেওঁলোকক শাস্তি প্রদান কৰা হয়। তেনে শাস্তিসমূহ বিভিন্ন ধৰণৰ হ'ব পাৰে যেনে সম্পত্তি ধ্বংস বা বাজেয়াপ্ত কৰা, নির্বাসন, অপমান কৰা, প্রহাৰ কৰা, মৃত্যুদণ্ড, মন্দা আচৰণৰ বাবে তেনে ব্যক্তিৰ পৰা ক্ষতিপূৰণৰ দাবী, মায়াবিদ্যা, পৰচর্চা, তিৰস্কাৰ কৰা অথবা অস্বীকৃত মুখৰ অভিব্যক্তি যেনে পোন্দোৰাকৈ চোৱা (scowl) আৰু স্থিৰদৃষ্টি (stare)। ইয়াৰোপৰি, তৃতীয় পক্ষৰ হস্তক্ষেপৰ দ্বাৰাও বিভিন্ন শাস্তি ব্যৱস্থা কৰা হয় যেনে মধ্যস্থতা (mediation), মীমাংসা (arbitration) আৰু ন্যায়বিচাৰ (adjudication)।

বহল অর্থত সামাজিক নিয়ন্ত্রণ হৈছে এনে এক আহিলা, যিয়ে সামাজিক শৃংখলা আৰু সমাজৰ স্থায়ীত্ব বজাই ৰাখে আৰু সমাজখনক এটা গোট হিচাপে পৰিচালনা কৰাত সহায় কৰে। আৰ. এম. মেকআইভাৰ (R. M. MacIver) আৰু চার্লচ্ এইচ্. পেজ (Charles H. Page) ৰ মতে সামাজিক নিয়ন্ত্রণ বুজিবৰ বাবে এজন ব্যক্তিয়ে প্রথমতে সমাজখন কিদৰে সংগঠিত হয়, সমাজে কিদৰে ব্যক্তি আচৰণক নিয়ন্ত্রিত কৰে আৰু কেনেদৰে এই সংগঠিত আচৰণসমূহে সামাজিক সংগঠন বজাই ৰাখে সেই সম্পর্কে বুজি পাব লাগিব। পল বি. হর্টন (Paul B. Horton) আৰু চেষ্টাৰ এল. হান্ট (Chester L. Hunt) এ কৈছিল যে প্রত্যেক ব্যক্তিয়ে সমাজত যথানুক্রমিকভাৱে নিজস্ব ভূমিকা কার্যকৰী ৰূপে পালন কৰাৰ জৰিয়তে সামাজিক শৃংখলা বজাই

ৰাখিব পাৰি। তাৰোপৰি তেওঁলোকে কৈছিল যে সমাজৰ বিভিন্ন সম্পৰ্ক আৰু ৰীতি-নীতিসমূহ সুচাৰুৰূপে পৰিচালিত হোৱাৰ আৱশ্যক। কিয়নো এই সম্পৰ্কসমূহ সূচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰত্যেক ব্যক্তিয়ে ইজনে আনজনৰ প্ৰতি থকা তেওঁলোকৰ কৰ্তব্য আৰু প্ৰত্যাশিত ভূমিকাসমূহৰ বিষয়ে জনাটো অতি প্ৰয়োজন। প্ৰত্যাশিত ভূমিকাসমূহ প্ৰদৰ্শন কৰাৰ জৰিয়তে সমাজত সুশৃংখলা আৰু ভাৱসাম্যতা আনিব পাৰি।

মেকআইভাৰ আৰু পেজে চাৰিপ্ৰকাৰৰ নিয়মাৱলী আৰু সেইবোৰৰ কাৰ্যকৰীকৰণ বিষয়ে উল্লেখ কৰিছে — সাংগঠনিক নিয়মাৱলী, সাম্প্ৰদায়িক নিয়মাৱলী, নৈতিক নিয়মাৱলী আৰু বিধিসম্মত নিয়মাৱলী। সাংগঠনিক নিয়মাৱলী (Associational codes) এ বিভিন্ন সংগঠন যেনে চিকিৎসালয় বা কাৰখানাৰ নিয়মসমূহক সূচায়। কোনো ব্যক্তিয়ে নিৰ্দিষ্ট সংগঠনৰ তেনে নিয়মসমূহ অমান্য কৰিলে সংগঠনৰ সদস্যপদ, তেওঁৰ জীৱিকা অথবা অনুজ্ঞাপত্ৰ হেৰুৱাব পাৰে। সাম্প্ৰদায়িক নিয়মাৱলী (Commucal codes) কাৰ্যকৰী হোৱা নিয়মাৱলীসমূহৰ ভিতৰত সবাতোকৈ শক্তিশালী। এইবোৰ এনে কিছুমান ৰীতি-নীতি, যিবোৰ মানুহৰ অসন্তুষ্টি আৰু সামাজিক বহিষ্কাৰৰ জৰিয়তে কাৰ্যকৰী কৰা হয়। কোনো ব্যক্তিয়ে সাম্প্ৰদায়িক নিয়মাৱলী অমান্য কৰিলে মানুহৰ মাজত সৃষ্টি হোৱা পৰচৰ্চাৰ জৰিয়তে সাম্প্ৰদায়িক নিয়মাৱলীসমূহ বজাই ৰখা হয়। মেকআইভাৰ আৰু পেজে নৈতিক নিয়মাৱলীসমূহক দুই ধৰণেৰে বৰ্ণনা কৰিছে। প্ৰথমতে, প্ৰথা (mores) হিচাপে আৰু দ্বিতীয়তে, ব্যক্তিৰ বিবেকৰ ওপৰত নিৰ্ভৰ কৰি। প্ৰথা হিচাপে নৈতিক নিয়মাৱলী (Moral codes) সমূহ হৈছে "এনে কিছুমান ৰীতি-নীতি, যিবোৰ খৰ্ব কৰাটো সমাজত ভুল বুলি গণ্য কৰা হয়"। অন্য অৰ্থত, নৈতিক নিয়মাৱলী হৈছে "এনে কিছুমান নিয়মাৱলী, যিবোৰ ব্যক্তি বিবেকে সঠিক গঠন অথবা সদাচাৰ হিচাপে পোষকতা কৰে"। সামাজিক নিয়মাৱলী শেষৰটো হৈছে বিধিসম্মত নিয়মাৱলী (Legal code)।

বিধিসম্মত নিয়মাৱলী হৈছে এনে কিছুমান নিয়মাৱলী, "যিবোৰ নিঃচৰ্ত জৰিমনা, কাৰাদণ্ড বা মৃত্যুদণ্ডৰ জৰিয়তে শাৰীৰিভাৱে বলবৎ কৰা হয়। অৰ্থাৎ, বিধিসম্মত নিয়মাৱলী সমূহেই হৈছে ৰাষ্ট্ৰৰ আইন আৰু এই আইনসমূহৰ অপৰাধীৰ ওপৰত শক্তি প্ৰদৰ্শন কৰাৰ ক্ষমতা থাকে। পৰিয়াল, বিদ্যালয় আৰু মহাবিদ্যালয়ৰ নিয়মসমূহ ৰাষ্ট্ৰৰ বিধিসম্মত নিয়মাৱলীৰ সৈতে ঐক্যবদ্ধ হ'ব লাগে।" বিধিসম্মত নিয়মাৱলী বিশেষকৈ আধুনিক ৰাষ্ট্ৰসমূহত পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ মেকআইভাৰ আৰু পেজৰ মতে চাৰিপ্ৰকাৰৰ নিয়মাৱলী কি কি?

প্ৰশ্ন নং ২ ঃ ক'লে উল্লেখ কৰা সামাজিক নিয়ন্ত্ৰণৰ "মাধ্যম" সমূহ বৰ্ণনা কৰক।

সামাজিক নিয়ন্ত্ৰণৰ বৈশিষ্ট্যসমূহ ঃ

সামাজিক নিয়ন্ত্ৰণৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি। সেইবোৰ তলত উল্লেখ

কৰা হ'ল —

- সামাজিক নিয়ন্ত্রণ হৈছে এনে এক প্রভাৱ, যিটো সামাজিক পৰামর্শ, জনমত, ধর্ম আৰু আহ্বানৰ জৰিয়তে প্রকাশ কৰিব পাৰি।
- এই প্রভাৱ সামাজিক দল বা গোট যেনে পৰিয়াল, জোট, সংগ আদিৰ জৰিয়তে কার্যকৰী কৰা হয়। একক ব্যক্তি বা ব্যক্তিগতভাৱে এই প্রভাৱ কার্যকৰী নহয়।
- অসমষ্টিগত দল এটাৰ ব্যক্তিবিশেষৰ কিছুমান নির্দিষ্ট লক্ষ্য আৰু উদ্দেশ্য পূৰণ কৰিবৰ বাবে সামাজিক নিয়ন্ত্রণ কার্যকৰী কৰা হয়।

৮.৪ সামাজিক নিয়ন্ত্রণৰ মাধ্যমসমূহ

টি. বি. বট'ম'ৰ (T.B. Bottomore) ৰ মতে মাধ্যমসমূহ হৈছে সামাজিক নিয়ন্ত্রণ অর্জন কৰাৰ উপায়। তেওঁ সামাজিক নিয়ন্ত্রণৰ বিভিন্ন মাধ্যমসমূহৰ বিষয়ে উল্লেখ কৰিছে, যেনে - শিক্ষা ব্যৱস্থা, ৰাজনৈতিক ব্যৱস্থা, পৰিয়াল, ধর্মীয় অনুষ্ঠান আৰু অন্যান্য বিশেষায়িত সংগঠনসমূহ।

সামাজিক নিয়ন্ত্রণৰ মাধ্যম অথবা আহিলাসমূহ যেনে জনমত, পৰামর্শ, ব্যক্তিগত আদর্শ, ধর্ম, কলা আৰু সামাজিক মূল্যায়ন আদিয়ে এইবোৰৰ প্রবলতা প্রাথমিক নৈতিক অনুভূতিৰ পৰা আহৰণ কৰে। এই মাধ্যমসমূহ উপযোগী হোৱাৰ উপৰিও ভাৱপ্রৱণ। এইবোৰে পুৰুষ আৰু মহিলা উভয়কে বিভিন্ন দিশত নিয়ন্ত্রিত কৰে, যাৰ সমাজক কল্যাণৰ সৈতে বিশেষ সম্পর্ক নাথাকে। এইবোৰৰ প্রধান উদ্দেশ্য হৈছে নৈতিক শৃংখলা বজাই ৰখা, সামাজিক শৃংখলা নহয়। এইবোৰক নৈতিক নিয়মাৱলী (Ethical codes) বোলা হয়।

আনহাতে, আইন, বিশ্বাস, অনুষ্ঠান, শিক্ষা আদিবোৰ নৈতিক অনুভূতিৰ পৰা উৎপত্তি নহয়। এইবোৰ এনে আহিলা, যিবোৰ নির্দিষ্ট কিছুমান উদ্দেশ্যত উপনীত হ'বৰ বাবে ইচ্ছাকৃতভাৱে নির্বাচিত কৰা হয়।

এই অধ্যায়টিৰ উদ্দেশ্যৰ বাবে সামাজিক নিয়ন্ত্রণৰ চাৰিটা মাধ্যমক নির্বাচিত কৰা হৈছে, সামাজিকৰণ, ৰীতি-নীতি, আইন আৰু শিক্ষা। পৰৱর্তী উপশাখাত এইবিষয়ে আলোচনা কৰা হৈছে।

৮.৪.১ সামাজিকীকৰণ

যি প্রাথমিক উপায়ৰ জৰিয়তে সামাজিক শৃংখলা অর্জন কৰা হয়, সেই জীৱনব্যাপী চলা প্রক্রিয়াই হৈছে সামাজিকীকৰণ। সামাজিকীকৰণৰ অভিজ্ঞতা প্রত্যেক মানুহেই লাভ কৰে। এই প্রক্রিয়াৰ জৰিয়তে জন্মৰ পৰা এজন ব্যক্তিয়ে তেওঁৰ পৰিয়াল, বন্ধুবর্গ, সম্প্রদায় আৰু সমাজৰ বিভিন্ন ৰীতি-নীতি, নিয়ম, আচৰণমূলক আৰু কথোপকথনমূলক প্রত্যাশ্যসমূহৰ বিষয়ে শিক্ষা লাভ কৰে। আমি কিদৰে চিন্তা কৰিব

লাগে আৰু গ্ৰহণযোগ্য আচৰণ দেখুৱাব লাগে, সামাজিকীকৰণে সেইসম্পৰ্কেও শিক্ষা দিয়ে আৰু এনেদৰে সমাজত আমাৰ অংশগ্ৰহণ সুনিশ্চিত কৰে। সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে শিশুয়ে শুদ্ধ আৰু ভুলৰ বিবেচনা কৰিব পাৰে। সামাজিকীকৰণ কেৱল পৰিয়ালতেই সংঘটিত নহয়, পৰিয়ালৰ লগতে বন্ধুবৰ্গ, বিদ্যালয়ৰ শিক্ষক, গীৰ্জা আৰু গণমাধ্যমৰ জৰিয়তেও সামাজিকীকৰণ প্ৰক্ৰিয়া চলি থাকে। যদি এই মাধ্যমসমূহে সূচাৰুৰূপে কাৰ্য্য সম্পাদন কৰাত ব্যৰ্থ হয়, তেন্তে সংশ্লিষ্ট আচৰণৰ বাবে নিষেধাজ্ঞা আৰোপ কৰা হয়।

সামাজিকীকৰণ হৈছে এনে এক প্ৰক্ৰিয়া, যাৰ জৰিয়তে ব্যক্তিয়ে বিভিন্ন সামাজিক মূল্যবোধ আৰু কৌশল আয়ত্ব কৰে। এন্থনী গিডেন্স (Anthony Giddens) এ কৈছিল যে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে এটি শিশু এজন তথ্যভিজ্ঞ আৰু সচেতন ব্যক্তিলৈ পৰিণত হয় আৰু নিজৰ সংস্কৃতিৰ বিভিন্ন কৌশলসমূহ আয়ত্ব কৰে। গ্ৰহণ কৰাৰ উপৰিও শিশুয়ে এই প্ৰক্ৰিয়াৰ জৰিয়তে অভিভাৱকলৈ বিভিন্ন দাবী জনায়। ইয়াৰোপৰি, সামাজিকৰণ প্ৰক্ৰিয়া বিভিন্ন মাধ্যমৰ যোগেৰে সম্পাদিত হয়, যেনে, পৰিয়াল — য'ত শিশুৱে ক্ৰমান্বয়ে পৰিয়ালৰ মূল্যবোধসমূহ আয়ত্ব কৰে, বন্ধুবৰ্গ — যিয়ে ব্যক্তিজীৱনৰ বিভিন্ন ক্ষেত্ৰত প্ৰভাৱিত কৰে, বিদ্যালয় — য'ত শিশুক আনুষ্ঠানিক শিক্ষা আৰু শৃংখলাবদ্ধতা বজাই ৰাখিবলৈ শিক্ষা প্ৰদান কৰা হয়; গণমাধ্যম — যিয়ে ব্যক্তিক বিভিন্ন সংস্কৃতি আৰু জীৱনধাৰাৰ সৈতে পৰিচিত কৰি তোলে। মাইকেল হাৰালাম্বোস (Michael Haralambos) এ কৈছিল যে সামাজিকীকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে ব্যক্তিয়ে তেওঁলোকৰ সমাজৰ সংস্কৃতিৰ বিষয়ে শিকিব পাৰে। সামাজিকীকৰণ প্ৰক্ৰিয়া বিশেষকৈ প্ৰাথমিক সামাজিকীকৰণ শৈশৱকাল (Infancy) ত সম্পাদিত হয়। শিশুয়ে নিজৰ পিতৃ-মাতৃৰ ভাষা, তেওঁলোকৰ সন্মতি আৰু অসন্মতিমূলক আচৰণৰ আদৰ্শসমূহ অনুকৰণ কৰি সামাজিকীকৰণ সম্পন্ন কৰে। পৰিয়ালৰ উপৰিও সামাজিকীকৰণৰ আন এক মাধ্যম হৈছে বন্ধুবৰ্গ, যাৰ জৰিয়তে শিশুৱে আনন্দ উপভোগ কৰিবলৈ নীতি-নিয়মসমূহ মানি চলিবলৈ শিকে। কিন্তু, ইয়াৰ অৰ্থ এইটো নহয় যে সামাজিকীকৰণ কেৱল বাল্যকালতেই সীমাবদ্ধ; এই প্ৰক্ৰিয়া ব্যক্তিৰ সমগ্ৰ জীৱনব্যাপী চলি থাকে। সামাজিকীকৰণ এটা অতি গুৰুত্বপূৰ্ণ প্ৰক্ৰিয়া আৰু ইয়াৰ অবিহনে ব্যক্তিয়ে সামাজিক মূল্যবোধসমূহৰ সৈতে একগোট হৈ পৰিচালিত হোৱাত অসুবিধাৰ সন্মুখীন হ'ব।

নিমকফ (Nimkoff) আৰু ফ'ৰমেন (Foreman) ৰ মতে, সামাজিকীকৰণে "সঠিক, সুবিধাজনক আৰু প্ৰত্যাশিত দলীয় ৰীতি-নীতিসমূহ শিক্ষণৰ জৰিয়তে আয়ত্ব কৰা সূচায়"।

সামাজিকীকৰণৰ প্ৰভাৱ ইমানেই বহল যে প্ৰত্যেক ব্যক্তিয়ে যদি একে সংস্কৃতিত সামাজিকীকৰণ কৰে, তেন্তে সকলোৱে একেধৰণৰ অভ্যাস, ইচ্ছা আৰু ৰীতি-নীতি

আয়ত্ব কৰিব। হৰ্টন আৰু হান্ট (Horton and Hunt) এ কৈছে যে সামাজিকীকৰণ প্ৰক্ৰিয়াই ব্যক্তিজীৱনত এক গভীৰ প্ৰভাৱ পেলায়, কিয়নো প্ৰক্ৰিয়াই এজন ব্যক্তিৰ ইচ্ছা; ৰীতি-নীতি আৰু অভ্যাস নিৰ্ধাৰিত কৰে। তাৰোপৰি, তেওঁলোকে উল্লেখ কৰিছে যে মানুহে যদি একেধৰণৰ সামাজিকীকৰণৰ অভিজ্ঞতা লাভ কৰে, তেন্তে তেওঁলোকে অজানিতেই সমাজৰ যিকোনো ধৰণৰ প্ৰত্যাশাৰ সৈতে নিজকে খাপ খুৱাব পাৰিব। একে সংস্কৃতিৰ মানুহে একে ধৰণৰ অভ্যাস বিকশিত কৰে। সামাজিকীকৰণৰ জৰিয়তে সমাজৰ ভুল আৰু শুদ্ধ বিচাৰ কৰিব পৰা শিক্ষা লাভ কৰি ব্যক্তিয়ে সমাজৰ গ্ৰহণযোগ্য ৰাতি-নীতিসমূহৰ লগত খাপখুৱাই চলিব পৰাকৈ নিজৰ আচৰণ পৰিচালিত কৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ সামাজিকীকৰণৰ মাধ্যমসমূহ কি কি ?

৮.৪.২ ৰীতি-নীতি

ৰীতি-নীতিসমূহ আমাৰ জীৱনৰ এনে এক অবিচ্ছেদ্য অংগ যে আমাৰ সামাজিক জীৱনৰ লগত সেইবোৰ কিদৰে জড়িত সেইবিষয়ে আমি প্ৰায়েই উনুকিয়াই চাবলগীয়া হয়। মেকআইভাৰ (MacIver) আৰু পেজে (Page) উল্লেখ কৰিছে যে ৰীতি-নীতিসমূহ আমাৰ সামাজিক নিয়মাৱলীৰ ভিতৰত সবাতোকৈ স্বতঃস্ফূৰ্ত আৰু বাধ্যতামূলক। ৰাতি-নীতিসমূহৰ প্ৰৰোচিত প্ৰকৃতি থকা সত্বেও, এইবোৰ বিভিন্ন ধৰণৰ অনানুষ্ঠানিক সামাজিক চাপৰ জৰিয়তে কাৰ্যকৰী কৰা হয়। ৰাতিপুৰা শুই উঠাৰ পৰা দিনটোৰ সমস্ত ক্ৰিয়াকলাপ ৰীতি-নীতিৰ অন্তৰ্ভুক্ত হয়। বৃদ্ধাৱস্থালৈ কৰা আমাৰ সকলো ধৰণৰ কামেই ৰীতি-নীতিৰ লগত জড়িত হৈ আছে।

ৰীতি-নীতিসমূহ কোনো ধৰণৰ কৰ্তৃপক্ষৰ দ্বাৰা পোষকতা কৰা নহয়, এইবোৰ মানুহৰ নিত্যকৰ্মৰ যোগেৰে প্ৰচলিত হৈ থাকে। মেকআইভাৰ আৰু পেজে কৈছে যে ৰীতি-নীতি এক দলীয় প্ৰক্ৰিয়া, যিবোৰ ক্ৰমান্বয়ে সৃষ্টি হয়। এইবোৰ ৰক্ষা কৰাৰ বাবে কোনো কৰ্তৃপক্ষ দায়বদ্ধ নহয়। কিন্তু, এই ৰীতি-নীতিসমূহ মানুহৰ 'সাধাৰণ গ্ৰহণযোগ্যতা' (Common acceptance) ৰ দ্বাৰা বজাই ৰখা হয়। প্ৰচেষ্টা আৰু ভূল পদ্ধতি, সুযোগ আৰু অভিজ্ঞতাৰ যোগেৰে নিৰ্দিষ্ট কিছুমান প্ৰক্ৰিয়াৰ সৃষ্টি কৰা হয়। সমাজৰ প্ৰত্যেক ব্যক্তিয়ে অনুসৰণ আৰু অনুকৰণ কৰা এই প্ৰক্ৰিয়াসমূহক সৰ্বসন্মতিক্ৰমে সামাজিক প্ৰথা হিচাপে গ্ৰহণ কৰা হয়। উদাহৰণস্বৰূপে, মেকআইভাৰ আৰু পেজে কৈছে যে ৰেস্তোৰাঁত বক্সিছ দিয়া অথবা মহিলাৰ সন্মুখত টুপী মূৰৰ পৰা খুলি সন্মান প্ৰদৰ্শন কৰা আদি নিয়মসমূহ কোনোধৰণৰ কৰ্তৃপক্ষই নিৰ্ধাৰণ কৰি নিদিয়ে, বৰঞ্চ, এইবোৰ পশ্চিমীয়া ৰাতি-নীতিৰ অন্তৰ্ভুক্ত কিছুমান অব্যক্ত নিয়ম। বট'ম'ৰ (Bottomore) এ উল্লেখ কৰিছে

যে ৰীতিনীতি আৰু জনমতক আইনৰ নূন্যতম আনুষ্ঠানিক ৰূপৰ সামাজিক নিয়ন্ত্রণ বুলি গণ্য কৰিব পাৰি, কিয়নো ৰীতিনীতি আৰু জনমতে "নির্ধাৰণ কৰা আচৰণ আৰু শাস্তিব্যৱস্থাত কিছু নির্দিষ্ট অস্পষ্টতা দেখিবলৈ পোৱা যায়"। আনহাতে, আইনৰ ক্ষেত্রত অধিক "প্রণালীবদ্ধ বিৱৰণ" দেখা যায়। ফলস্বৰূপে, বট'ম'ৰ এ কৈছে যে "ৰীতি-নীতিসমূহ আইনৰ বিপৰীত"। সেয়েহে, আইন ব্যৱস্থা কার্যকৰী কৰা সমাজ আৰু ৰীতিনীতি গ্রহণ কৰা সমাজৰ মাজত পার্থক্য পৰিলক্ষিত হয়।

যিবোৰ সমাজ প্রাথমিক সম্পর্কৰ দ্বাৰা পৰিচালিত হয়, তেনে সমাজত ৰীতি-নীতি আৰু জনমতৰ প্রভাৱ অধিক শক্তিশালী, আনহাতে আধুনিক সমাজত আইনব্যৱস্থা অধিক ফলপ্রসু। বট'ম'ৰে উল্লেখ কৰিছে যে আদিম সমাজসমূহত ৰীতি-নীতিৰ বহল প্রভাৱ দেখিবলৈ পোৱা গৈছিল, আনহাতে আধুনিক ঔদ্যোগিক সমাজসমূহত আইনব্যৱস্থা অধিক সক্রিয়। মেকআইভাৰ আৰু পেজ এ কৈছে যে সৰল সমাজসমূহত প্রাথমিক সম্পর্ক থকা বাবেই মানুহৰ মাজত হোৱা পৰচর্চাই সামাজিক আচৰণক ব্যাপকভাৱে প্রভাৱিত কৰে।

৮.৪.৩ আইন

মেকআইভাৰ (MacIver) আৰু পেজ (Page) এ আইনৰ সংজ্ঞা এনেদৰে দিছে যে আইন হৈছে "ৰাষ্ট্রৰ ন্যায়ালয়ৰ দ্বাৰা স্বীকৃতিপ্রাপ্ত, ব্যাখ্যায়িত আৰু পৰিস্থিতি অনুযায়ী প্রয়োগ হোৱা কিছুমান নিয়মাৱলী। ৰীতি-নীতিকে ধৰি বিভিন্ন উৎসৰ পৰা আইনসমূহ আহৰণ কৰা হয় কিন্তু ত্রইবোৰ তেতিয়াহে আইনত পৰিণত হয়, যেতিয়া ৰাষ্ট্রই নিজৰ অধিকাৰক্ষেত্রৰ ভিতৰুৱা কিছুমান নিয়ম নাগৰিকসকলৰ বাবে বাধ্যতামূলক হিচাপে কার্যকৰী কৰি দিয়ে।"

অন্য সামাজিক নিয়মাৱলীৰ তুলনাত আইনৰ কার্যকৰীকৰণত কিছু প্রভেদ দেখিবলৈ পোৱা যায়। মেকআইভাৰ আৰু পেজ এ কৈছে যে সংগঠনসমূহত সদস্যপদৰ পৰা বহিষ্কৃত কৰা, বর্জন কৰা আৰু সদস্যসকলক বিভিন্ন অধিকাৰ আৰু সুবিধাসমূহৰ পৰা বঞ্চিত কৰাৰ জৰিয়তে আইন কার্যকৰীকৰণ কৰা হয়। কিন্তু আইনগত বিধিসমূহৰ ক্ষেত্রত কৰা কার্যকৰীকৰণ অধিক বলপূর্বকভাৱে কৰা হয়।

বট'ম'ৰ (Bottomore) এ ও কৈছে যে আইনগত বিধিসমূহ আনবোৰ নিয়মাৱলী যেনে নৈতিক আৰু আইন কার্যকৰীকৰণৰ তুলনাত অধিক স্পষ্ট। এই নিয়মাৱলী বা বিধিসমূহ নৈতিকতাৰ বিধিসমূহতকৈ অধিক ফলপ্রসূ আৰু সুনির্দিষ্ট। কিন্তু, আইনগত আৰু নৈতিক বিধিসমূহ এটা আনটোৰ ওপৰত নির্ভৰশীল।

বিধিগত আইনসমূহৰ ফলপ্রসূতা মানুহৰ নৈতিক অনুমোদনৰ ওপৰত নির্ভৰ কৰে। বট'ম'ৰে কৈছে যে "আইনী আদেশসমূহৰ ৰক্ষণাবেক্ষণ সমাজৰ নৈতিক বাতাবৰণৰ ওপৰত নির্ভৰ কৰে। আইনী নিয়ন্ত্রণৰ ফলপ্রসূতা শাৰীৰিক কার্যকৰীকৰণৰ

শংকাৰ ওপৰত নির্ভৰ নকৰে, বৰঞ্চ আইন আৰু আইনী আদেশৰ প্রতি থকা সন্মানসূচক দৃষ্টিভংগীৰ ওপৰত হে নির্ভৰ কৰে আৰু আইনৰ নৈতিক অনুমোদন নির্ধাৰণ কৰা এই দৃষ্টিভংগীয়ে সামাজিক ন্যায়ক প্রতিফলিত কৰে।" ইয়াৰ অর্থ হ'ল মানুহৰ আইনৰ প্রতি থকা সন্মান অথবা অসন্মানৰ মানুহৰ নৈতিকতাৰ ওপৰত নির্ভৰ কৰে। ভাৰতবর্ষৰ নিচিনা ধর্মীয় ৰাষ্ট্রসমূহত ধর্মীয় আইনসমূহক অধিক গুৰুত্ব দিয়া হয়। সেইবাবে এনে আইনৰ ৰূপায়ণ অধিক ফলপ্রসূ হয়।

বট'ম'ৰে কৈছে যে আইনে "মানুহৰ আচৰণত কিছু পৰিমাণৰ নিশ্চয়তা আনি দিয়ে"। ৰাষ্ট্রীয় আৰু বিধিসন্মত সংগঠনসমূহে কার্যকৰী কৰা আইনসমূহে কিছুমান নির্দিষ্ট কার্যকলাপ প্রণোদিত কৰিব পাৰি। কচ্ল (Cole) ৰ মতে "কিছুমান সন্তোষজনক আতৰণ উৎসাহিত বা প্রণোদিত কৰাৰ বাবে আইনসমূহ ৰচনা কৰা হয়, উদাহৰণস্বৰূপে নিৰাপদভাৱে বাহন চালনা কৰা (safe driving)। আন আইনসমূহ কিছুমান নির্দিষ্টধৰণৰ আচৰণ নিৰুৎসাহিত কৰাৰ বাবে সৃষ্টি কৰা হয়, যেনে হত্যা, চৌর্যক্রিয়া, সশস্ত্র ডাকাইতি, মদ্যপান কৰি যান-বাহন চলোৱা।" তদুপৰি তেওঁ উল্লেখ কৰিছে যে আইনসমূহ সম্প্রদায় অনুযায়ী ভিন্ন হোৱা দেখা যায়, কিয়নো সমাজখন বিভিন্ন শৈক্ষিক আৰু অর্থনৈতিক সম্প্রদায়ৰ দ্বাৰা গঠিত।

অন্য কিছুমান চৰকাৰী সংস্থাইও সামাজিক নিয়ন্ত্রণ কার্যকৰী কৰে, যেনে কিছুমান সংস্থাই আইনগতভাৱে বিক্রি কৰিব পৰা খাদ্যবস্তু নির্দ্ধাৰণ কৰে আৰু আন কিছুমান সংস্থাই নিয়মাৱলী কার্যকৰী কৰে। যেতিয়া কোনো ব্যক্তিয়ে আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ নির্দ্ধাৰণ কৰা আইনসমূহ মানি চলাত ব্যর্থ হয়, তেতিয়া ন্যায়ালয় অথবা দণ্ডব্যৱস্থাৰ নিচিনা আনুষ্ঠানিক সংগঠনসমূহে তেনে ব্যক্তিৰ ওপৰত জৰিমনা আৰোপ কৰিব পাৰে।

৮.৪.৪ শিক্ষা

শিক্ষা হৈছে নৱপ্রজন্মক জ্ঞান প্রদান কৰা এক মাধ্যম। বট'ম'ৰ (Bottomore) এ কৈছে যে "শৈশৱকালৰ পৰা প্রাপ্তবয়স্ক কাললৈকে শিক্ষা হৈছে সামাজিক নিয়ন্ত্রণৰ এক গুৰুত্বপূর্ণ মাধ্যম আৰু বিগত দুই দশকত বিভিন্ন পর্যায়ত শিক্ষাৰ দ্রুত প্রসাৰণৰ ফলত ইয়াৰ গুৰুত্ব ব্যাপকভাৱে বৃদ্ধি পাইছে। শিক্ষাৰ জৰিয়তে নৱপ্রজন্মই সামাজিক ৰাতি-নীতি আৰু এই ৰাতি-নীতিসমূহ লংঘনৰ বাবে ভৰিব লগা জৰিমনাৰ বিষয়ে জানিব পাৰে। শিক্ষাই সাধাৰণতে সামাজিকীকৰণ প্রক্রিয়া আৰু বিদ্যালয়ে আনুষ্ঠানিক নির্দেশনাসমূহক সূচায়। লেণ্ডিচ (Landis) ৰ মতে, "শিক্ষা হৈছে এক সাধাৰণ প্রকাশভংগী আৰু ই সামাজিকীকৰণ প্রক্রিয়াক সূচায়, যেনে জ্ঞান আৰু অর্হতা আহৰণ কৰা আৰু এই বৃহত্তৰ সমাজত জীৱন ধাৰণ কৰি চলিবৰ বাবে নির্দিষ্ট আচৰণ প্রদর্শন কৰা। তেওঁ ইয়াকো কৈছিল যে ঠেক অর্থত বিদ্যালয়ে শ্রেণীকোঠাৰ শিক্ষণ প্রক্রিয়াক

সূচায়।

প্রাচীন সমাজ ব্যৱস্থাৰ তুলনাত আধুনিক সমাজত, শিক্ষা ব্যৱস্থাত নতুন প্রযুক্তিৰ প্রচলন দেখিবলৈ পোৱা যায়। বট'মৰে কৈছে যে "শিক্ষা জীৱন প্রণালী হস্তান্তৰিত কৰাৰ লগত জড়িত, আনহাতে আধুনিক ঔদ্যোগিক সমাজসমূহত ব্যাপক উপলব্ধ জ্ঞান, বৈজ্ঞানিক উৎপাদন আৰু জটিল শ্রমৰ বিভাজনৰ ফলত, আনুষ্ঠানিক শিক্ষা সমগ্র শিক্ষা ব্যৱস্থাৰ কেৱল আৰম্ভণিয়েই নহয়, ই পৰীক্ষামূলক বা অভিজ্ঞতাজনিত জ্ঞানৰো আদান-প্রদানৰ মাধ্যম"। বট'ম'ৰে উল্লেখ কৰা দ্বিতীয়টো পার্থক্য হ'ল আদিম সমাজত তুলনামূলকভাৱে অপৰিৱর্তনীয় জীৱনধাৰণ প্রণালী আৰু জ্ঞানৰ হস্তান্তৰ কৰা হৈছিল। কিন্তু বৈজ্ঞানিক জ্ঞানৰ প্রৱর্তন কৰা আধুনিক শিক্ষা ব্যৱস্থা পৰিৱর্তনশীল আৰু এনে শিক্ষা ব্যৱস্থাই ব্যক্তিক এক গতিশীল সমাজত জীৱন নির্বাহ কৰিবৰ বাবে প্রস্তুত কৰি তোলে। আধুনিক বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই "প্রকৃতি আৰু সামাজিক জীৱনৰ যুক্তিসংগত পদ্ধতিৰ শিক্ষা দিয়ে, যি পদ্ধতিয়ে সামাজিক সহযোগিতাৰ প্রতিষ্ঠা আৰু ৰক্ষণাবেক্ষণত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে"। তাৰোপৰি, আধুনিক শিক্ষাব্যৱস্থাই ব্যক্তিক স্বাধীন মূল্যবোদ আৰু ধাৰণাৰ শিক্ষা দিয়ে, যিয়ে আচৰণ নিয়ন্ত্রণত এক ভূমিকা পালন কৰে।

৮.৫ সামাজিক নিয়ন্ত্রণৰ প্রকাৰ

আনুষ্ঠানিক আৰু অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ

ক'ল (Cole) এ সামাজিক নিয়ন্ত্রণক অনানুষ্ঠানিক আৰু আনুষ্ঠানিক — এই দুই ভাগত ভাগ কৰিছে। পৰম্পৰা, কাহিনী, সমাজৰ বিভিন্ন কিংবদন্তিসমূহ অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ অন্তর্ভূক্ত। ক'ল এ কৈছে যে সামাজিক নিয়ন্ত্রণৰ এই পদ্ধতিসমূহে মানুহক আচৰণ, পৰস্পৰৰ প্রতি থকা আনুগত্য, স্বদেশানুৰাগ, আৰু আন আন অনুপ্রেৰণাসমূহৰ শিক্ষা দিয়ে। অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ আন পদ্ধতিসমূহ হ'ল ব্যক্তিগত উদাহৰণ আৰু জনমত।

পুৰস্কাৰ আৰু শাস্তি ব্যৱস্থাৰ জৰিয়তে অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ কার্যকৰী কৰা হয়। সাধাৰণতে প্রশংসাৰ জৰিয়তে ব্যক্তিক পুৰষ্কৃত হয়। বিদ্যালয়ত সর্বোচ্চ নম্বৰ লাভ কৰা, কর্মক্ষেত্রত পদোন্নতি আৰু সামাজিক জনপ্রিয়তা আদিক পুৰস্কাৰৰ ৰূপ দিব পাৰি। শাস্তিৰ জৰিয়তেও অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ কার্যকৰী কৰা হয়। সাধাৰণতে সম্পর্কৰ সমাপ্তি, ইতিকিং কৰা, বিদ্যালয়ত কম নম্বৰ লাভ কৰা, কর্মক্ষেত্রৰ পৰা বর্খাস্ত কৰা ইত্যাদিৰ জৰিয়তে শাস্তি ব্যৱস্থা কার্যকৰী কৰা হয়।

ক'লে সৈন্যদল গঠন, আইন-কানুন, প্রচাৰকার্য, পুৰস্কাৰ আৰু নিজকে ভবাৰ সুযোগ নিদিয়াকৈ জোৰ বা চলনা কৰি ব্যক্তিক আনৰ কথা মানিবলৈ বাধ্য কৰোৱা (Brainwashing) আদি কার্যক আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ অন্তর্ভূক্ত কৰিছে। কোনো এক নির্দিষ্ট উদ্দেশ্য

আহৰণৰ বাবে জীৱনৰ বিভিন্ন পর্যায়সমূহক নিয়ন্ত্রিত কৰাই হৈছে সৈন্যদল গঠন। সৈন্যদল গঠন সাধাৰণতে পৰিমাণগত নিয়ন্ত্রণৰ যুদ্ধ আৰু যুদ্ধজয়ৰ লক্ষেৰে ব্যৱহাৰ কৰা উপাদান আৰু অস্ত্র-শস্ত্রৰ নিয়ন্ত্রিতকৰণত পৰিলক্ষিত হয় আইন ব্যৱস্থা সাধাৰণতে কিছুমান সন্তোষজনক আচৰণ, যেনে নিৰাপদ বাহন চালনা আদি উৎসাহিত কৰিবৰ বাবে আৰু কিছুমান অসন্তোষজনক আচৰণ, যেনে হত্যা, ডকাইতি ইত্যাদি নিৰুৎসাহিত কৰিবলৈ কার্যকৰী কৰা হয়। আইন ব্যৱস্থা এটা জাতিৰ প্রকৃতিৰ ওপৰত নির্ভৰ কৰে আৰু ইয়াৰ কার্যকৰীকৰণ ঠাই অনুযায়ী ভিন্ন হয়। প্রচাৰকৰ উদ্দেশ্যসমূহ প্রতিফলিত কৰাৰ বাবে অথবা তেওঁলোকে সন্তোষজনক ফলাফল লাভ কৰাৰ বাবে প্রচাৰকার্য্য চলোৱা হয়। প্রচাৰকৰ স্বার্থসমূহ জনতাৰ সু-দৃষ্টিত ৰাখি প্রচাৰকার্য পৰিচালনা কৰা হয়। প্রতিদ্বন্দ্বীসকলক জনসাধাৰণৰ অসন্তোষজনক দৃষ্টিগোচৰত ৰাখিও প্রচাৰকৰ স্বার্থসিদ্ধি কৰিব পৰা যায়। প্রৰোচিত কৰা অথবা brainwashing হৈছে সামাজিক নিয়ন্ত্রণৰ আন এক পদ্ধতি। "অত্যাচাৰ আৰু উদাৰতাক বেত্রাঘাত, অনাহাৰ আৰু পর্যাপ্ত আহাৰ যোগান ধৰি পৰিৱর্তন কৰাই হৈছে" প্রৰোচিত কৰা। ভাল আচৰণ প্রদর্শন কৰাৰ বাবে সাধাৰণতে অভিভাৰক আৰু বিদ্যালয়ে শিক্ষার্থীক পুৰষ্কৃত কৰে।

ইয়ান মার্শ্ (Ian Marsh), এম কিটিং (M. Keating), এ এয়াৰ (A. Eyre), আৰ কেম্প্বেল (R. Cambell) আৰু জে মেকেঞ্জি (J. McKenzie) এ আন কেইবাপ্রকাৰৰ আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ বিষয়ে উল্লেখ কৰিছে যেনে — পুলিচ, শুল্ক আৰু আবকাৰী, বেচৰকাৰী সুৰক্ষা সংস্থা, বিপনী চোৰাংচোৱা আৰু নিয়ন্ত্রক সংস্থা যেনে কাৰখানা পৰিদর্শক।

কিন্তু, সামাজিক নিয়ন্ত্রণৰ এই আনুষ্টানিক আৰু অনানুষ্ঠানিক বিভাজন স্থায়ী নহয়। ক'ল (ওপৰত উল্লেখ কৰা প্রকাৰসমূহৰ প্রসংগত) এ কৈছে যে সামাজিক নিয়ন্ত্রণৰ অনানুষ্ঠানিক পদ্ধতিসমূহ সৰল সমাজ ব্যৱস্থাত আৰু আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণসমূহ জটিল সমাজ ব্যৱস্থাত অধিক সুস্পষ্ট। সামাজিক নিয়ন্ত্রণৰ এই প্রভেদ সকলো পৰিস্থিতিতে শুদ্ধ নহয়। মার্শ্ এ কৈছে যে "যদিও পুলিচ সামাজিক নিয়ন্ত্রণৰ সর্বাধিক দৃশ্যমান প্রতিনিধি; সামাজিক নিয়ন্ত্রণৰ আনুষ্ঠানিক আৰু অনানষ্ঠানিক বিভাজন (ওপৰত উল্লেখ কৰা) নিশ্চিত নহয়"।

বহুক্ষেত্রত, পুলিচৰ সাধাৰণ উপস্থিতিয়েই আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ সৃষ্টি কৰিবলৈ যথেষ্ট। আন বহুক্ষেত্রত, পুলিচে সামাজিক নিয়ন্ত্রণ বজাই ৰাখিবলৈ বেআইনী বা বিপদজনক আচৰণ প্রকাশ পোৱা পৰিস্থিতিত হস্তক্ষেপ কৰিব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ অনানুষ্ঠানিক আৰু আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণৰ উদাহৰণ দিয়ক।

৮.৬ সামাজিক নিয়ন্ত্রণৰ গুৰুত্ব

সামাজিক নিয়ন্ত্রণ দুটা গুৰুত্বপূর্ণ কাৰণত কার্যকৰী কৰা হয়। প্রথমটো কাৰণ হ'ল — হার্টন (Horton) আৰু হান্ট (Hunt) এ কোৱামতে সমাজত সামাজিক শৃংখলা বজাই ৰখাৰ প্রয়োজন আৰু সেইবাবেই সামাজিক নিয়ন্ত্রণ সুনিশ্চিত কৰাৰ আৱশ্যক। দ্বিতীয়তে, ক'ল (Cole) এ কোৱা ধৰণেৰে সামাজিক নিয়ন্ত্রণ সম্পর্ক আৰু চর্ত নিয়ন্ত্রণৰ বাবে প্রয়োজন। সম্পর্ক নিয়ন্ত্রণ বিভিন্ন ব্যক্তি, ব্যক্তিৰ পৰা দল আৰু বিভিন্ন দলৰ মাজত হোৱা পাৰস্পৰিক ক্রিয়াৰ সৈতে জড়িত। উদাহৰণস্বৰূপে, পৰিয়ালৰ কোনো সদস্যই উত্তেজিত হৈ পিতৃ-মাতৃ অথবা ভাতৃ-ভগ্নীৰ সৈতে কাজিয়া কৰিব পাৰে। ইয়াৰ ফলত সম্পর্কত কিছুমান সমস্যাৰ সৃষ্টি হ'ব পাৰে, যিবোৰ নিয়ন্ত্রণ কৰাৰ প্রয়োজন। কিছুমান সৰল সমাজত যেতিয়া এটা পৰিয়ালৰ কোনো এগৰাকী সদস্যই আন এক পৰিয়ালৰ সদস্য এজনৰ বিৰুদ্ধে অপৰাধ কৰে, তেতিয়া অপৰাধী গৰাকীক নিজ পৰিয়ালৰ সদস্যই অথবা আনটো পৰিয়ালে শাস্তি দিব পাৰি। এই শাস্তিব্যৱস্থা মৃত্যুদণ্ডও হ'ব পাৰে। এই উদাহৰণটোৱে ইয়াকে সূচায় যে প্রত্যেক সামাজিক প্রতিষ্ঠানে মানুহৰ মাজৰ সম্পর্কত সামাজিক নিয়ন্ত্রণৰ ব্যৱস্থা কৰে।

সামাজিক নিয়ন্ত্রণ আৰু সামাজিক বিচ্যুতি

সামাজিক নিয়ন্ত্রণ আৰু সামাজিক বিচ্যুতি ওতঃপ্রোতভাৱে জড়িত। কোনো সমাজেই প্রত্যেক ব্যক্তিক সকলো সময়তে প্রত্যাশিতভাৱে আচৰণ প্রদর্শন কৰিবলৈ বাধ্য কৰিব নোৱাৰে। সমাজত প্রচলিত ৰীতি-নীতিসমূহ মানি চলাত ব্যর্থ হোৱাটোকেই 'সামাজিক বিচ্যুতি' বুলি কোৱা হয়। বিচ্যুতিৰ বিভিন্ন ৰূপ আছে। কিশোৰ অপৰাধী, সাধু, সন্ন্যাসী — এই আটাইবোৰে প্রচলিত সামাজিক ৰীতি-নীতিৰ পৰা বিচ্যুত হৈছে।

সৰল সমাজব্যৱস্থাত সকলো সদস্যই একে ধৰণৰ ৰীতি-নীতি গ্রহণ কৰে, সেয়েহে বিচ্যুতিৰ অর্থ সহজ হৈ পৰে। আনহাতে জটিল সমাজ ব্যৱস্থাত বিভিন্ন ধৰণৰ ৰীতি-নীতিৰ ফলত সমস্যাসমূহ অধিক জটিল হৈ পৰে। ইয়াৰোপৰি সমাজত কিছুমান বিচ্যুত সহসংস্কৃতি দেখিবলৈ পোৱা যায়, যিবোৰ সংস্কৃতিৰ ৰীতি-নীতি সমাজৰ প্রচলিত নৈতিকতাই অস্বীকাৰ কৰে।

বিচ্যুতসকলক দুটা ভাগত ভগাব পাৰি। বিচ্যুত ব্যক্তি আৰু বিচ্যুত দল। বিচ্যুত ব্যক্তি সকলে প্রচলিত নীতি-নিয়মসমূহ অস্বীকাৰ কৰে আৰু তেওঁলোকৰ সংস্কৃতিৰ পৰা বিচ্যুত হয়। আনহাতে বিচ্যুত দলৰ ক্ষেত্রত বিচ্যুত ব্যক্তিসকল বিচ্যুত দলৰ সদস্য।

বিচ্যুত সাংস্কৃতিক আৰু মনোবৈজ্ঞানিক — এই দটা ভাগটো ভগাব পাৰি। সাংস্কৃতিকভাৱে বিচ্যুত লোকসকলে প্রত্যাশিত আচৰণৰ ৰীতি-নীতিৰ পৰা বিচ্যুত হয়। মনোবৈজ্ঞানিকভাৱে বিচ্যুত লোকসকলে তেওঁলোকৰ ব্যক্তিত্ব সংগঠনৰ নিয়মসমূহৰ পৰা বিচ্যুত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ 'সম্পর্ক নিয়ন্ত্রণ' আৰু 'চর্ত নিয়ন্ত্রণ'ৰ মাজত পার্থক্য কি ?



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সমাজখনে কার্যনির্বাহ কৰিবৰ বাবে প্রয়োজনীয় ব্যক্তি আচৰণ নিয়ন্ত্রিত কৰাৰ বাবে সামাজিক নিয়ন্ত্রণৰ প্রয়োজন।
- সামাজিক নিয়ন্ত্রণ হৈছে এনে এক মাধ্যম, যাৰ জৰিয়তে মানুহে ৰীতি-নীতিসমূহ মানি চলিবলৈ বাধ্য হয়। ইয়াত পৰিয়াল, গীর্জা, সংগঠন আদি অন্তর্ভূক্ত হয়।
- সামাজিক নিয়ন্ত্রণ বিভিন্ন প্রকাৰৰ — আনুষ্ঠানিক আৰু অনানুষ্ঠানিক
- অনানুষ্ঠানিক সামাজিক নিয়ন্ত্রণ সৰল সমাজত পোৱা যায় আৰু এনে সামাজিক নিয়ন্ত্রণ পুৰস্কাৰ, প্রশংসা আৰু সামাজিক চাপৰ জৰিয়তে কার্যকৰী কৰা হয়।
- আনুষ্ঠানিক সামাজিক নিয়ন্ত্রণ জটিল সমাজত পোৱা যায় আৰু প্রধানকৈ আইনব্যৱস্থা আৰু সৈন্যদলৰ জৰিয়তে এইবোৰ কার্যকৰী কৰা হয়।
- এনে ধৰণৰ সামাজিক নিয়ন্ত্রণ বিভিন্ন মাধ্যমৰ জৰিয়তে কার্যকৰী কৰা হয়, যেনে সামাজিকীকৰণ, চৰকাৰী শিক্ষা, ৰীতি-নীতি, বিশ্বাস ইত্যাদি।
- এই বিভিন্ন মাধ্যমৰ উপস্থিতিৰ পিছতো সকলো মানুহে সামাজিক নিয়মাৱলী মানি নচলে। তেনে ব্যক্তিক বিভিন্ন শাস্তি প্রদান কৰা হয় অথবা সামাজিকভাৱে বহিষ্কাৰ কৰা হয়।
- কিন্তু, সকলো মানুহে সামাজিক ৰীতি-নীতিসমূহ মানি চলিব নিবিচাৰে। যিবোৰ মানুহে এই ৰীতিনীতিসমূহ মানি চলাত ব্যর্থ হয়, তেনে ব্যক্তিসকলক সামাজিকভাৱে বিচ্যুত ব্যক্তি বোলা হয়।

  উদাহৰণস্বৰূপে — কিশোৰ অপৰাধী, সাধু, সন্ন্যাসী ইত্যাদি।



৮.৮ অধিক জানিবলৈ

1) Bottomore, T.B. 1978. Sociology : A Guide to problems and Literature India : Blackie and Son Ltd.

2) Marsh, Ian, M. Keating, A Eyre, R. Camphell and J. Mackenzie. 1996. Making sense of society : In Introduction to Sociology.



৮.৯ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ সাংগঠনিক, সাম্প্ৰদায়িক, নৈতিক আৰু বিধিসন্মত

২ নং প্ৰশ্নৰ উত্তৰ ঃ "মাধ্যম" ৰ জৰিয়তে ক'লে কিছুমান দল বা সংগঠনক সূচাইছে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰিয়াল, বন্ধুবৰ্গ আৰু বিদ্যালয়

৪ নং প্ৰশ্নৰ উত্তৰ ঃ অনানুষ্ঠানিক সামাজিক নিয়ন্ত্ৰসমূহ হ'ল পৰম্পৰা, গল্প, কিংবদন্তী আৰু দলসমূহৰ বিভিন্ন কাহিনীসমূহ। আনুষ্ঠানিক সামাজিক নিয়ন্ত্ৰণ হ'ল সৈন্যদল, আইন, প্ৰচাৰকাৰ্য, প্ৰৰোচন আৰু পুৰস্কাৰ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বিভিন্ন লোকৰ মাজত হোৱা পাৰস্পৰিক কাৰ্য সম্পৰ্ক নিয়ন্ত্ৰণৰ লগত জড়িত আৰু চৰ্ত নিয়ন্ত্ৰণ ব্যক্তিয়ে বাসকৰা বসতিস্থলৰ লগত জড়িত।



৮.১০ আৰ্হি প্ৰশ্ন

ক) চমুটোকা লিখা (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ ক'ল মতে সামাজিক নিয়ন্ত্ৰণ কি?

খ) ৰচনাধৰ্মী উত্তৰৰ প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিক নিয়ন্ত্ৰণৰ মাধ্যমসমূহ কি কি? প্ৰতিটো মাধ্যমৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৯ ঃ সামাজিক প্রক্রিয়া

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ অর্থ আৰু সংজ্ঞা

৯.৪ সহযোগিতা

- ৯.৪.১ অর্থ আৰু সংজ্ঞা
- ৯.৪.২ বৈশিষ্ট্য
- ৯.৪.৩ প্রকাৰ
- ৯.৪.৪ সমাজত ইয়াৰ ভূমিকা

৯.৫ প্রতিযোগিতা

- ৯.৫.১ অর্থ আৰু সংজ্ঞা
- ৯.৫.২ বৈশিষ্ট্য
- ৯.৫.৩ প্রকাৰ
- ৯.৫.৪ সমাজত ইয়াৰ ভূমিকা

৯.৬ সংঘর্ষ

- ৯.৬.১ অর্থ আৰু সংজ্ঞা
- ৯.৬.২ বৈশিষ্ট্য
- ৯.৬.৩ প্রকাৰ
- ৯.৬.৪ সমাজত ইয়াৰ ভূমিকা

৯.৭ উপযোজন

- ৯.৭.১ অর্থ আৰু সংজ্ঞা
- ৯.৭.২ বৈশিষ্ট্য
- ৯.৭.৩ প্রকাৰ
- ৯.৭.৪ সমাজত ইয়াৰ ভূমিকা

৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৯ অধিক জানিবলৈ

৯.১০ অগ্রগতিৰ খতিয়ান

৯.১১ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক প্রক্রিয়াৰ অর্থ বর্ণনা কৰিবলৈ সক্ষম হ'ব
- সামাজিক যোগাযোগৰ বিভিন্ন দিশৰ সৈতে পৰিচিত হ'ব
- বিভিন্ন প্রকাৰৰ সামাজিক প্রক্রিয়াসমূহ আলোচনা কৰিব পাৰিব
- সমাজত এই প্রক্রিয়াসমূহৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

আমি ইতিমধ্যে বিভিন্ন ধৰণৰ সামাজিক দৃষ্টিকোণৰ বিষয়ে কি কথা জানিলো। আমি ইয়াকো জানিলো যে সামাজিক সম্পর্কৰ দ্বাৰা সমাজ গঠিত হয়। সামাজিক সম্পর্কসমূহ পৰিয়াল, ধর্ম, অর্থনৈতিক আৰু ৰাজনৈতিক প্রতিষ্ঠানলৈ পৰিৱর্তিত হয়। সামাজিক সম্পর্কৰ ওপৰত ভিত্তি কৰি মানুহে বিভিন্ন সামাজিক দল গঠন কৰে। এই সামাজিক সম্পর্কসমূহ সামাজিক যোগাযোগৰ লগত জড়িত। সামাজিক যোগাযোগ বিভিন্ন প্রকাৰৰ। এইসমূহক সহযোগিতা, প্রতিযোগিতা, সংঘর্ষ আৰু উপযোজন — এই চাৰিটা ভাগত ভাগ কৰিব পাৰি। এই অধ্যায়ত আমি এনে ধৰণৰ মৌলিক অথবা সামাজিক প্রক্রিয়াৰ বিষয়ে জানিব পাৰিম।

৯.৩ অর্থ আৰু সংজ্ঞা

আমি ইতিমধ্যে শিকি আহিছো যে সমাজৰ সদস্যসকলে তেওঁলোকৰ কর্তব্যসমূহ পালন কৰে। এই ভূমিকা বা কর্তব্য পালন প্রক্রিয়াত সদস্যসকলে পৰস্পৰে পৰস্পৰৰ মাজত যোগাযোগ স্থাপন কৰে। এয়েই সামাজিক যোগাযোগ। সামাজিক যোগাযোগ স্থাপনৰ বাবে অন্ততঃ দুজন ব্যক্তিৰ প্রয়োজন। সেয়েহে এই যোগাযোগ দ্বায়িক (Dyadic) ৰূপৰ। সামাজিক যোগাযোগ সামাজিক সম্পর্কৰ ভেটিস্বৰূপ। বিভিন্ন সামাজিক সম্পর্ক যেনে বন্ধু, ভাতৃ-ভগ্নী, ৰোগী-চিকিৎসক, নিয়োগকর্তা-কর্মচাৰী, আৰক্ষী-অপৰাধী আৰু বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ মাজত সামাজিক যোগাযোগ দেখিবলৈ পোৱা যায়। সামাজিক যোগাযোগক বিশ্লেষণ কৰিলে এইবোৰক বিভিন্ন প্রক্রিয়া যেনে সহযোগিতা, প্রতিযোগিতা, সংঘর্ষ, উপযোজন, সংমিশ্রণ, আত্মীয়কৰণ ইত্যাদিত শ্রেণীবদ্ধ কৰিব পৰা যায়। ইয়াত আমি আমেৰিকান সমাজতত্ত্ববিদ ৰবার্ট পার্ক (Robert Park) (1864-1944) এ উল্লেখ কৰা শ্রেণীবিভাজনৰ বিষয়ে আলোচনা কৰিছো। ইয়াকে সামাজিক প্রক্রিয়া বুলি কোৱা হয়। বিভিন্ন ব্যক্তি আৰু সামাজিক দলৰ মাজত সংঘটিত যোগাযোগৰ এনে মৌলিক মাধ্যমসমূহকে সামাজিক প্রক্রিয়া বোলা হয়। তলত দুজন বিশিষ্ট সমাজতত্ত্ববিদে প্রদান কৰা সামাজিক প্রক্রিয়াৰ দুটা গুৰুত্বপূর্ণ সংজ্ঞা উল্লেখ কৰা হ'ল।

এ. ডব্লিউ গ্রীণ (A.W. Green) এ কৈছে, "সামাজিক প্রক্রিয়াসমূহ যোগাযোগ সংঘটিত হোৱাৰ একমাত্র বিশিষ্ট উপায়।"

গীনচ্‌বার্গ (Ginsbarg) ৰ মতে, "সামাজিক প্রক্রিয়াই বিভিন্ন ব্যক্তি আৰু দলসমূহৰ মাজত সংঘটিত যোগাযোগৰ বিভিন্ন মাধ্যম যেনে সহযোগিতা, সংঘর্ষ, সামাজিক পার্থক্য আৰু সংংমিশ্রণ, উন্নয়ন, গ্রেপ্তাৰ আৰু অৱক্ষয় আদিকে বুজায়।"

যোগাযোগৰ এই মৌলিক উপায়সমূহকে সামাজিক প্রক্রিয়া বুলি কোৱা হয় কিয়নো যোগাযোগ এক প্রক্রিয়াৰ সৈতে জড়িত। আমি জানো যে ব্যক্তি আৰু দলসমূহৰ মাজত সামাজিক যোগাযোগ সংঘটিত হয়। এই যোগাযোগ আন কিছুমান ক্রিয়াৰ প্রতিক্রিয়া হিচাপেও হ'ব পাৰে। কিছুমান ব্যক্তি বা দলৰ পৰা কিছুমান প্রতিক্রিয়া পাবৰ বাবেও এই যোগাযোগ স্থাপন হয়। উদাহৰণস্বৰূপে যেতিয়া শিক্ষকে শিক্ষাদান কৰে শিক্ষার্থীসকলে মনোযোগেৰে শুনে আৰু নুবুজা বিষয়সমূহ আগলৈ শিক্ষকৰ পৰা স্পষ্টভাৱে জানি লয়। ইয়াত, শিক্ষার্থীৰ ক্রিয়া শিক্ষকৰ ক্রিয়াৰ প্রতিক্রিয়াস্বৰূপে সম্পন্ন হয়। একে সময়তে শিক্ষার্থীৰ পৰা কিছুমান প্রতিক্রিয়া পাবৰ বাবে শিক্ষকে ক্রিয়া সম্পন্ন কৰে। যেতিয়া শিক্ষার্থীয়ে শিক্ষকৰ পৰা নজনা বিষয়সমূহ জানিব বিচাৰে, শিক্ষকে তেতিয়া পুনৰ প্রতিক্রিয়া প্রকাশ কৰে। এইদৰে, সামাজিক যোগাযোগৰ এই উদাহৰণটিত আমি প্রতিক্রিয়াৰ এক শৃখল পাইছো, য'ত এটা আনটোৰ সৈতে যোগ হৈ আছে। এইটোৰে সামাজিক যোগাযোগক এক প্রতিক্রিয়া হিচাপে গঢ়ি তুলিছে। সামাজিক যোগাযোগে এক মৌলিক মাধ্যম অথবা গাঠনিৰ ৰূপ লয়। সেইবাবে, সামাজিক যোগাযোগৰ প্রতিটো মাধ্যমেই হৈছে এটা প্রক্রিয়া। সামাজিক যোগাযোগৰ এই মাধ্যমসমূহক সামাজিক প্রক্রিয়া হিচাপে আখ্যা দিয়া হৈছে। ওপৰৰ উদাহৰণটোত সামাজিক যোগাযোগে সহযোগিতা কৰিছে। সামাজিক যোগাযোগ প্রক্রিয়াই আন কিছুমান মাধ্যম বা গাঠনিৰো ৰূপ ল'ব পাৰে। এতিয়া সামাজিক যোগাযোগৰ আন মাধ্যমসমূহ যেনে সহযোগিতা, উপযোজন, প্রতিযোগিতা আৰু সংঘর্ষৰ বিষয়ে আলোচনা কৰো আহক।

৯.৪ সহযোগিতা

৯.৪.১ অর্থ আৰু সংজ্ঞা

সহযোগিতাৰ অর্থ হৈছে একেলগে কাম কৰা। অর্থাৎ, সহযোগিতাই কিছুমান উমৈহতীয়া লক্ষ্য বা উদ্দেশ্যক সূচায়। ব্যক্তি অথবা দলসমূহে তেনে নির্দিষ্ট উদ্দেশ্যসমূহ পূৰণ কৰিবৰ বাবে একেলগে কাম কৰে। তেওঁলোকৰ মাজত স্থাপন হোৱা যোগাযোগৰ জৰিয়তে উমৈহতীয়া লক্ষ্য বা উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ চেষ্টা কৰে। উদাহৰণস্বৰূপে, পৰিয়াল হৈছে এক সামাজিক দল। পৰিয়ালৰ সকলো সদস্যৰে কিছুমান উমৈহতীয়া লক্ষ্য বা উদ্দেশ্য থাকে। এই লক্ষ্য বা উদ্দেশ্যসমূহ পূৰণৰ বাবে পৰিয়ালটোৰ সদস্যসকলে বিভিন্ন ধৰণৰ কার্য সম্পাদন কৰে আৰু তেওঁলোকৰ মাজত যোগাযোগ স্থাপন হয়। সেয়েহে তেওঁলোকৰ মাজৰ যোগাযোগ আৰু সম্পর্ক হৈছে সহযোগিতামূলক।

ফেয়াৰচাইলড্ (Fairchild) এ সহযোগিতাক এনেদৰে বৰ্ণনা কৰিছে — "সহযোগিতা হৈছে এনে এক প্রক্রিয়া যাৰ জৰিয়তে ব্যক্তি বা দলসমূহে উমৈহতীয়া উদ্দেশ্য পূৰণ কৰিবলৈ তেওঁলোকৰ প্রচেষ্টা সমূহ সংঘবদ্ধভাৱে একত্রিত কৰে।"

৯.৪.২ বৈশিষ্ট্য

তলত সহযোগিতাৰ কিছুমান বৈশিষ্ট্য উল্লেখ কৰা হ'ল —

- সহযোগিতা সার্বজনীন।
- ই উমৈহতীয়া লক্ষ্যৰ উপস্থিতিৰ লগত জড়িত।
- ই একত্রিত প্রচেষ্টাৰ লগত জড়িত।
- ই সমাজৰ সদস্যসকলৰ মাজত আন্তঃনির্ভৰশীলতাৰ বিকাশ সাধন কৰে।

৯.৪.৩ প্রকাৰ

প্রত্যক্ষ সহযোগিতা

কেতিয়াবা একে ধৰণৰ কার্য সম্পাদনৰ জৰিয়তেও উমৈহতীয়া লক্ষ্যত উপনীত হ'ব পাৰি। ইয়াকে প্রত্যক্ষ সহযোগিতা বুলি কোৱা হয়। প্রত্যক্ষ সহযোগিতাৰ উদাহৰণ হ'ল — একেলগে মাটি চহ কৰা, একেলগে প্রার্থনা কৰা আৰু বোজা কঢ়িওৱা।

পৰোক্ষ সহযোগিতা

যেতিয়া মানুহে বেলেগ বেলেগ কামৰ জৰিয়তে উমৈহতীয়া লক্ষ্যত উপনীত হয়, তাক পৰোক্ষ সহযোগিতা বোলে। আমাৰ সমাজত খাদ্য-বস্তু বিতৰণৰ উমৈহতীয়া উদ্দেশ্য পূৰণত বিভিন্ন লোক জড়িত হৈ থাকে, যেনে কৃষক আৰু খাদ্য নিয়ন্ত্রক, পাইকাৰী আৰু খুচুৰা বিক্রেতা। এই ব্যক্তিসকলৰ মাজত পৰোক্ষ সহযোগিতা চলি থাকে। জটিল সমাজত গৌণ দলসমূহৰৰ মাজত পৰোক্ষ সহযোগিতা চলে। এনে সমাজসমূহত বিশেষীকৰণ আৰু শ্রমৰ বিভাজন দেখিবলৈ পোৱা যায়। ইয়াৰ অর্থ হ'ল কিছুমান ব্যক্তি আৰু দল নির্দিষ্ট কিছুমান কর্মক্ষেত্রত বিশেষজ্ঞ। উদাহৰণস্বৰূপে, চিকিৎসকসকল চিকিৎসাক্ষেত্রত বিশেষজ্ঞ। শ্রমৰ বিশেষীকৰণ শ্রমৰ বিভাজনত পৰিণত হয়। বিভিন্ন ব্যক্তিয়ে বিভিন্ন ধৰণৰ কাম কৰে। কিছুমান উদ্দেশ্য পূৰণ কৰিবলৈ এই বিশেষ শ্রমসমূহক একত্রিত কৰা হয়। লক্ষ্য বা উদ্দেশ্যসমূহ পূৰণ কৰিবলৈ সহযোগিতাৰ আৱশ্যক। পৰোক্ষ সহযোগিতা সকলো সমাজতে দেখিবলৈ পোৱা যায়।



জানি থোৱা ভাল

উমৈহতীয়া লক্ষ্যসমূহৰ উপৰিও সমাজত ব্যক্তি আৰু দলসমূহৰ কিছুমান নির্দিষ্ট ব্যক্তিগত আৰু দলীয় লক্ষ্য বা উদ্দেশ্য থাকে। আমাৰ ব্যক্তিগত আৰু দলীয় লক্ষ্য-উদ্দেশ্যসমূহ এনেদৰে সংযুক্ত হৈ থাকে যে ব্যক্তি এজনে নিজৰ লক্ষ্যসমূহ পূৰণ কৰিবলৈ গৈ আনৰ লক্ষ্যসমূহো পূৰণ কৰিবলগীয়া হয়। আমি জানো যে কৃষকে মাটি চহ কৰি, শস্য উৎপাদন কৰি, বজাৰত বিক্রী কৰে। পাইকাৰী বিক্রেতাসমূহে এই শস্য ক্রয় কৰি খুচুৰা বিক্রেতাক বিক্রী কৰি দিয়ে। খুচুৰা বিক্রেতাই এই শস্য গ্রাহকৰ ওচৰত বিক্রী কৰে। গতিকে এই শৃংঙ্খলৰ প্রত্যেক ব্যক্তিয়েই দুটাকৈ লক্ষ্য পূৰণ কৰিছে। প্রথমটো হৈছে খাদ্যৰ উমৈহতীয়া প্রয়োজন আৰু আনটো হৈছে জীৱন নির্বাহৰ বাবে অর্থ উপার্জন কৰা। আনহাতে, শৃখলটোৰ প্রত্যেকজন সদস্যই আন সদস্যসকলৰ ব্যক্তিগত প্রয়োজন পূৰণ কৰাতো সহায় কৰিছে। আন কিছুমান ব্যক্তিগত প্রয়োজনো থাকিব পাৰে। এইদৰে সমাজৰ সদস্যসকলে এজনে আনজনৰ ওপৰত নির্ভৰশীল হৈ থাকে আৰু সহযোগিতা কৰে। এই সহযোগিতাৰ দ্বাৰা সামাজিক জীৱন সম্ভৱ হৈ উঠে। ইয়ে সমাজত সহযোগিতাৰ গুৰুত্বৰ কথা সূচায়।

৯.৪.৪ সমাজত ইয়াৰ (সহযোগিতাৰ) ভূমিকা

সমাজত কিছুমান উমৈহতীয়া মৌলিক উদ্দেশ্য আছে। সমাজৰ ধাৰাবাহিকতা অব্যাহত ৰখাটো প্রত্যেক সমাজৰে উমৈ হতীয়া মৌলিক উদ্দেশ্য। সমাজৰ ধাৰাবাহিকতা অব্যাহত ৰখাটো প্রত্যেক ব্যক্তিয়ে ইজন আনজনৰ সৈতে সহযোগিতা কৰি বিভিন্ন উমৈহতীয়া উদ্দেশ্য পূৰণ কৰে। উমৈহতীয়া উদ্দেশৰ আন এটা উদাহৰণ হৈছে খাদ্য। খাদ্যবস্তুৰ উমৈহতীয়া প্রয়োজন পূৰণ কৰাৰ বাবে সমাজে সহযোগিতাৰে বিভিন্ন কার্য সম্পাদন কৰে, যেনে খাদ্য উৎপাদন, খাদ্য নিয়ন্ত্রণ, বিতৰণ, গুণগত ব্যৱস্থাপনা আৰু বিপণন, যাৰ জৰিয়তে খাদ্যবস্তুৰ প্রয়োজন পূৰণ হয়। ইয়াৰ অবিহনে সমাজত বিশৃংখলতা আৰু অৰাজকতাৰ সৃষ্টি হ'ব।

এই উমৈহতীয়া লক্ষ্যসমূহৰ মাজত সমাজৰ সদস্যসকলৰ বিভিন্ন ব্যক্তিগত আৰু তাৎক্ষণিক লক্ষ্য বা উদ্দেশ্য থাকে। কৃষক, পাইকাৰী বিক্রেতা আৰু খুচুৰা বিক্রেতাৰ উদাহৰণটিত আমি দেখিছিলো যে ব্যক্তিগত লক্ষ্যসমূহ এনেধৰণে পূৰণ কৰা হয় যে ই উমৈহতীয়া লক্ষ্য পূৰণত সহায়ক হয়। এই প্রক্রিয়াৰ জৰিয়তে সমাজত সহযোগিতা আৰু সামাজিক জীৱন বর্তাই ৰাখিব পাৰি। অর্থাৎ, আমি সকলোৱে এনে ধৰণেৰে কাম কৰো যে আমাৰ লক্ষ্য-উদ্দেশ্যসমূহ পূৰণ হয়।

সহযোগিতাৰ জৰিয়তে

- উমৈহতীয়া আৰু ব্যক্তিগত লক্ষ্যসমূহ পূৰণ কৰিব পাৰি।

- ইয়ে সমাজত শান্তি-শৃংখলাৰ সৃষ্টি কৰে।
- সহযোগিতাই সামাজিক আৰু দলীয় পৰিচয় বজাই ৰাখে।
- এই প্রক্রিয়াই সমাজ চিৰস্থায়ী কৰে।

৯.৫ প্রতিযোগিতা

৯.৫.১ অর্থ আৰু সংজ্ঞা

মানুহৰ বিভিন্ন প্রয়োজন থাকে। কিন্তু প্রয়োজন অনুসৰি সম্পদ অথবা পণ্যবস্তুৰ যোগান সীমিত হয়। সেইবাবে, এই সম্পদসমূহ সকলো মানুহৰ মাজত ভাগ কৰিব পৰা নাযায়। ইয়াৰ পৰিণাম স্বৰূপে প্রত্যেক ব্যক্তিয়ে তেওঁলোকৰ সকলো প্রয়োজন পূৰণ কৰিব নোৱাৰে। ইয়াৰ ফলত বিভিন্ন সম্পদৰ বাবে মানুহৰ মাজত প্রতিযোগিতাৰ সৃষ্টি হয় যেনে পণ্যবস্তু, ক্ষমতা, জ্ঞান, পদমর্যাদা আৰু সমাজে মূল্যবান হিচাপে গণ্য কৰা সকলো ধৰণৰ বস্তু।

হর্টন আৰু হাণ্ট (Horton and Hunt) এ এনেদৰে বর্ণনা কৰিছে ঃ "প্রতিযোগিতা হৈছে পুৰস্কাৰ দখলৰ বাবে কৰা সংগ্রাম যিবোৰ যোগান, পণ্যবস্তু, পদমর্যাদা, ক্ষমতা, স্নেহ- সকলো ক্ষেত্রতেই সীমিত।"

বিজান্স আৰু বিজান্স (Biesanz and Biesanz) ৰ মতে, "প্রতিযোগিতা হৈছে দুজন বা ততোধিক ব্যক্তিৰ মাজত একে লক্ষ্য আহৰণৰ বাবে কৰা প্রয়াস, যিবোৰ সীমিত হোৱা বাবে সকলো মানুহে ইয়াৰ অংশ ল'ব নোৱাৰে।"

৯.৫.২ বৈশিষ্ট্য

প্রতিযোগিতাৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল

- দুষ্প্রাপ্য সম্পদৰ বাবে প্রতিযোগিতাৰ সৃষ্টি হয়।
- প্রতিযোগিতা ব্যক্তিগত অথবা অব্যক্তিগত এই দুই ধৰণৰ হ'ব পাৰে। ব্যক্তিগত প্রতিযোগিতা পৰিচিত ব্যক্তিৰ মাজত হয়। আনহাতে অব্যক্তিগত প্রতিযোগিতা দুজন অপৰিচিত ব্যক্তিৰ মাজত হ'ব পাৰে।
- প্রতিযোগিতা সার্বজনীন। সৰল আৰু জটিল সকলো সমাজত বিভিন্ন ৰূপত প্রতিযোগিতাৰ উপস্থিতি দেখিবলৈ পোৱা যায়।
- বিভিন্ন সামাজিক সম্পর্ক যেনে শিক্ষার্থী, চাকৰিৰ পদপ্রার্থী, ৰাজনৈতিক দল আদিৰ মাজত প্রতিযোগিতা লক্ষ্য কৰিব পাৰি।

৯.৫.৩ প্রকাৰ

বার্নার্দ (Bernard) এ তিনি প্রকাৰৰ প্রতিযোগিতাৰ বিষয়ে উল্লেখ কৰিছে।

এইবোৰ হ'ল —

অর্থনৈতিক প্রতিযোগিতা

এই প্রতিযোগিতাই বিভিন্ন অর্থনৈতিক সুবিধা, যেনে চাকৰি, দৰমহা, পদোন্নতি আৰু উৎপাদক আৰু বিক্রেতাৰ মাজত বজাৰত সৃষ্টি হোৱা প্রতিযোগিতা আদিক অন্তর্ভুক্ত কৰে।

ৰাজনৈতিক প্রতিযোগিতা

ব্যক্তি আৰু দলসমূহৰ মাজত ৰাজনৈতিক ক্ষমতাৰ বাবে এই প্রতিযোগিতাৰ সৃষ্টি হয়। গণতান্ত্রিক সমাজ ব্যৱস্থাত এনে প্রতিযোগিতাৰ ব্যাপক প্রভাৱ পৰিলক্ষিত হয়। ৰাজনৈতিক দলসমূহে চৰকাৰ গঠন কৰিবলৈ প্রতিযোগিতাত লিপ্ত হয়।

সামাজিক প্রতিযোগিতা

ব্যক্তিয়ে যেতিয়া নিজৰ সামাজিক পদমর্যাদাৰ অগ্রগতিৰ বাবে প্রতিযোগিতাত অৱতীর্ণ হয়, তাকেই সামাজিক প্রতিযোগিতা বুলি কোৱা হয়। সামাজিক পদমর্যাদা বিভিন্ন অর্থনৈতিক, ৰাজনৈতিক, ধর্মীয় আৰু অন্য উপায়েৰেও অর্জন কৰিব পাৰি। শৈক্ষিক ক্ষেত্রত আনুষ্ঠানিক ডিগ্রী, অথবা উচ্চমানৰ উপার্জন থকা চাকৰি আৰু বিভিন্ন অর্থনৈতিক সুবিধাৰ জৰিয়তেও ব্যক্তিৰ পদমর্যাদা উন্নীত কৰিব পৰা যায়। ব্যক্তিৰ সামাজিক পদমর্যাদাৰ অগ্রগতিৰ বাবে কৰা প্রতিযোগিতা আন প্রতিযোগিতাসমূহৰ বাবে অনুপ্রেৰণাৰ কাৰক হ'ব পাৰে।



অনুশীলনী ১

আপুনি আপোনাৰ বন্ধুসকলৰ সৈতে থকা সম্পর্ক লক্ষ্য কৰা। বন্ধুৰ সৈতে থকা সহযোগিতা আৰু প্রতিযোগিতাৰ ক্ষেত্রসমূহ বাচি উলিয়াওক।

.....

.....

.....

.....

আপুনি হয়তো আপোনাৰ পৰিয়ালৰ সদস্য আৰু বন্ধুবর্গৰ মাজত প্রতিযোগিতা লক্ষ্য কৰিছে। সামাজিক যোগাযোগৰ এই দুয়োটা মাধ্যম আপুনি কেনেদৰে তদাৰক কৰিব?

.....

.....

.....

.....

৯.৫.৪ সমাজত ইয়াৰ (প্রতিযোগিতাৰ) ভূমিকা

প্রতিযোগিতাই সমাজত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

- ই প্রতিদ্বন্দ্বীসকলৰ মাজত সীমিত সম্পদ বিতৰণত সহায় কৰে।
- ই ব্যক্তিক পদমর্যাদা প্রদান কৰে। প্রতিযোগিতাৰ জৰিয়তে এজন ব্যক্তিয়ে নতুন পদমর্যাদা অর্জন কৰিব পাৰে। উদাহৰণস্বৰূপে, চাকৰিৰ বাবে কৰা প্রতিযোগিতাই এজন ব্যক্তিৰ চাকৰি সুনিশ্চিত কৰিব পাৰে। ইয়ে ব্যক্তিক নতুন পদমর্যাদা প্রদান কৰে।
- ই সামাজিক গতিশীলতাৰ সুবিধা প্রদান কৰে।
- প্রতিযোগিতাই শ্রেষ্ঠত্ব অর্জন কৰিবলৈ আৰু দক্ষতা বৃদ্ধিত অনুপ্রেৰণা যোগায়। প্রতিযোগিতা হ'ল আনক চেৰ পেলাই সীমিত সম্পদ আহৰণ কৰাৰ প্রচেষ্টা। ই এজন ব্যক্তিক দক্ষতা বৃদ্ধি কৰিবলৈ আৰু শ্রেষ্ঠতম কৰিবলৈ অনুপ্রেৰিত কৰে। মানৰ সমাজত সহযোগিতা আৰু প্রতিযোগিতা উভয়ৰে উপস্থিতি দেখিবলৈ পোৱা যায়।

৯.৬ সংঘর্ষ

৯.৬.১ অর্থ আৰু সংজ্ঞা

সহযোগিতা আৰু প্রতিযোগিতাৰ উপৰিও সামাজিক সম্পর্ক আৰু যোগাযোগে সংঘষৰো ৰূপ ল'ব পাৰে। আমি ইতিমধ্যে 'সামাজিক পৰিৱর্তন' নামৰ অধ্যায়টিত দেখি আহিছো যে সমাজত সংঘর্ষ বিদ্যমান আৰু সংঘর্ষ কিদৰে সামাজিক পৰিৱর্তনৰ এক উৎস হ'ব পাৰে।

এ. ডব্লিউ গ্রীণ (A.W. Green) এ সংঘর্ষক এইদৰে বর্ণনা কৰিছে, "অন্য ব্যক্তি বা লোকসকলৰ ইচ্ছাক বিৰোধিতা কৰা, প্রতিহত কৰা দমন কৰাৰ ইচ্ছাকৃত প্রয়াস।"

হর্টন আৰু হাণ্ট (Horton and Hunt) এ কৈছে, "প্রতিদ্বন্দ্বীক দূৰ কৰি অথবা দূর্বল কৰি পুৰস্কাৰ একচেটিয়াকৰণ কৰা প্রক্রিয়াই হৈছে সংঘর্ষ।"

এইটোৱে ইয়াকে সূচায় যে যেতিয়া ব্যক্তি অথবা দলসমূহৰ মাজত কিছুমান লক্ষ্য-উদ্দেশ্যক লৈ বিৰোধিতা হয়, তেতিয়াই তাত সংঘর্ষৰ সূত্রপাত হয়। নিজৰ ইচ্ছাক আনৰ ওপৰত আৰোপ কৰি, প্রতিহিত কৰি অথবা বিৰোধিতা কৰি লক্ষ্য অর্জনৰ প্রচেষ্টা চলোৱা হয়। এই প্রক্রিয়াৰ জৰিয়তে আনক নিষ্কাশন অথবা দূর্বল কৰাৰ চেষ্টা কৰা হয়। এয়াই সামাজিক সংঘর্ষ।

৯.৬.২ বৈশিষ্ট্য

সংঘর্ষৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

- সংঘর্ষ সজ্ঞানে সংঘটিত হয়। ই এক ইচ্ছাকৃত আৰু উদ্দেশ্যমূলক প্রচেষ্টা।
- সংঘর্ষ ব্যক্তিগত কিয়নো বিৰোধী পক্ষ এটা আনটোৰ সৈতে ব্যক্তিগতভাৱে পৰিচিত। দুখন দেশৰ মাজত যুদ্ধৰ সূত্রপাত হ'লে দুয়োখন দেশেই এখনে আনখনৰ বৈশিষ্ট্য সম্পর্কে অৱগত হৈ থাকে। সেয়েহে এই প্রক্রিয়া প্রতিযোগিতাৰ পৰা কিছু পৃথক কিয়নো প্রতিযোগিতাত সদস্যসকলে পৰস্পৰৰ সৈতে পৰিচিত নহ'বও পাৰে।
- সংঘর্ষ সার্বজনীন। সমাজৰ বিভিন্ন ব্যক্তি আৰু দলসমূহৰ লক্ষ্য আৰু স্বার্থৰ বিভিন্নতাৰ বাবে সংঘর্ষৰ সৃষ্টি হয়। এই অর্থত, সংঘর্ষ সমাজৰ অন্তর্নিহিত প্রক্রিয়া।
- সংঘর্ষৰ সমাধানৰ বাবে সমাজে বিভিন্ন ব্যৱস্থা হাতত লয়, কাৰণ তীব্র আৰু দীর্ঘম্যাদী সংঘর্ষই সমাজ জীৱন ব্যাহত কৰিব পাৰে আৰু সামাজিক সমস্যাৰ সৃষ্টি কৰিব পাৰে।

৯.৬.৩ প্রকাৰ

দলীয় সংঘর্ষ

দলীয় সংঘর্ষ দলসমূহৰ মাজত সংঘটিত হ'ব পাৰে। এই দলসমূহে এখন সমাজ অথবা ৰাষ্ট্রৰ অন্তর্ভূক্ত। বিভিন্ন ৰাষ্ট্র আৰু সমাজৰ মাজতো দলীয় সংঘর্ষ হ'ব পাৰে। দলীয় পৰিচয় সমাজৰ এক দৃঢ় শক্তি। ই দলীয় স্বার্থ বজাই ৰখাৰ ওপৰত নির্ভৰ কৰে। কিন্তু, ই বিভিন্ন দলসমূহৰ মাজত সংঘর্ষৰ সূত্রপাত কৰিব পাৰে। দলীয় সংঘর্ষৰ উদাহৰণ হ'ল জাতিগত সংঘর্ষ আৰু বিভিন্ন ৰাষ্ট্রৰ মাজত হোৱা যুদ্ধ। সংঘর্ষই শ্রেণী সংঘর্ষ, বর্ণ সংঘর্ষ আৰু আন্তঃৰাষ্ট্রীয় সংঘর্ষৰ ৰূপ ল'ব পাৰে।

ব্যক্তিগত সংঘর্ষ

ব্যক্তিগত সংঘর্ষ বিভিন্ন ব্যক্তিৰ মাজত সংঘটিত হ'ব পাৰে। এই সংঘর্ষই আইনী মোকর্দ্দমাৰ ৰূপ ল'ব পাৰে। ই হৈছে দুজন ব্যক্তিৰ মাজৰ ন্যায়িক সংগ্রাম (দলীয় সংঘর্ষৰ ক্ষেত্রত আইনী মোকর্দ্দমা দুটা বা তাতোধিক দলৰ মাজত সংঘটিত হ'ব পাৰে)।

৯.৬.৪ সমাজত ইয়াৰ (দলীয় সংঘর্ষ)ৰ ভূমিকা

সংঘর্ষই সমাজত যোগাত্মক আৰু বিয়োগাত্মক এই দুই ধৰণৰ ভূমিকা পালন কৰে।

যোগাত্মক ভূমিকা

- সংঘর্ষৰ সমাধানৰ বাবে সমাজে বিভিন্ন সংঘর্ষ সমাধানৰ ব্যৱস্থা গ্রহণ কৰে।
- সংঘর্ষ সমাধানৰ প্রচেষ্টাই নতুন পৰিস্থিতিৰ সৃষ্টি কৰে। পুৰণি সংঘর্ষৰ অন্ত পৰে আৰু নতুন পৰিস্থিতিৰ বিকাশ সাধন হয়।
- নতুন পৰিস্থিতিয়ে নতুন ৰীতি-নীতি আৰু প্রতিষ্ঠানৰ সৃষ্টি কৰে। এনেদৰে সংঘর্ষই সামাজিক পৰিৱর্তনৰ সূচনা কৰে।
- সংঘর্ষৰ যুক্তিবাদীসকলৰ মতে নির্যাতিতসকলৰ অৱস্থাৰ উৎকর্ষ সাধনৰ ফলতো সংঘর্ষৰ সূত্রপাত হ'ব পাৰে।
- দলীয় সংঘর্ষই দলসমূহত একতা আৰু সংহতিৰ বিকাশ সাধন কৰে।
- দলীয় সংঘর্ষই এটা দলক আন দলসমূহৰ সৈতে মিত্রজোঁট গঠন কৰাত সহায় কৰে।

ঋণাত্মক ভূমিকা

- এটা দলৰ ভিতৰত সংঘটিত সংঘর্ষই দলীয় সংহতিক দুর্বল কৰি তোলে। ই দলীয় অস্তিত্বৰ প্রতি ভাবুকিৰ সৃষ্টি কৰে।
- এটা দলৰ ভিতৰত অথবা বিভিন্ন দলৰ মাজত সংঘটিত হোৱা সংঘর্ষই শৃংখলা আৰু সহযোগিতা নষ্ট কৰিব পাৰে আৰু ইয়ে বিশৃংখলতাৰ সৃষ্টি কৰে। দুখন দেশৰ মাজত হোৱা যুদ্ধই দুয়োখন দেশলৈ সমস্যা কঢ়িয়াই আনে।



অনুশীলনী ২

- যোৱা তিনি বছৰত আপুনি আপোনাৰ চুবুৰী অথবা জিলাত কোনো সংঘর্ষ লক্ষ্য কৰিছা নে?
- সংঘর্ষ কিদৰে নিয়ন্ত্রণ কৰা হয় সেইবিষয়ে এটি চমুটোকা লিখক।

৯.৭ উপযোজন

৯.৭.১ অর্থ আৰু সংজ্ঞা

সাধাৰণতে বাহ্যিক পৰিৱেশৰ সৈতে সমযোজন কৰা সামাজিক প্রক্রিয়াই হৈছে উপযোজন। এই প্রক্রিয়াৰ জৰিয়তে ব্যক্তি অথবা দলীয় আচৰণত কিছুমান পৰিৱর্তন অনা হয় যাতে তেওঁলোকে আন লোকৰ সৈতে সমযোজন কৰিব পাৰে।

সংঘর্ষৰ পৰিস্থিতি বহুদিনলৈ চলি থাকিব নোৱাৰে। বিভিন্ন শক্তিয়ে এই সংঘর্ষৰ সমাধান অথবা নিয়ন্ত্রণৰ বাবে ব্যৱস্থা হাতত লয়। উপযোজন সংঘর্ষ ব্যৱস্থাপনাৰ এক মাধ্যম।

জে.এম. বল্ডউইন (J.M. Boldwin) এ কৈছে যে, "উপযোজনে পৰিৱেশৰ লগত সমযোজন কৰিব পৰাকৈ ব্যক্তিৰ আচৰণৰ আৰ্জিত পৰিৱৰ্তনকে বুজায়।"

অ'গবার্ণ্ আৰু নিমকফ্ (Ogurn and Nimkoff) ৰ মতে, "শত্রুপৰায়ণ ব্যক্তি অথবা দলৰ সমাযোজন প্রক্রিয়াক বুজাবলৈ সমাজতত্ত্ববিদসকলে উপযোজন শব্দটি ব্যৱহাৰ কৰে।"

৯.৭.২ বৈশিষ্ট্য

- উপযোজন সমাযোজনৰ এক প্রকাৰ। ব্যক্তি আৰু দলৰ মাজত পার্থক্য বিদ্যমান, কিন্তু এই পার্থক্যসমূহ মানি লোৱা হয়।
- অর্থাৎ, সংঘর্ষ অন্তর্নিহিত ৰূপত থাকিব পাৰে। প্রকাশ্যভাৱে, সমঘর্ষ নিয়ন্ত্রিত হৈ থাকে।
- উ পযোজন হ'ল এক সমাজ নির্মিত পদ্ধতি। সমাজত বিভিন্ন ধৰণৰ আচৰণ আৰু সহ-সংস্কৃতি দেখিবলৈ পোৱা যায়। সংস্কৃতিয়ে মানুহক উপযোজন কৰিবলৈ আৰু সংঘর্ষ অবিহনে চলি থকাৰ প্রশিক্ষণ দিয়ে। উদাহৰণস্বৰূপে, এটি পৰিয়ালত সদস্যসকলে তেওঁলোকৰ ব্যক্তিগত দৃষ্টিভংগী, বিশ্বাস আৰু আচৰণৰ বিভিন্নতা থকা স্বত্বেও পাৰিবাৰিক জীৱন চলাই যায়। সেয়েহে, উপযোজন অৱচেতনভাৱে সংঘটিত হয়।
- উ পযোজন এক ইচ্ছাকৃত অনুশীলন যেনে মীমাংসা, মধ্যস্থতা, মিলা-প্রীতি আদিও হ'ব পাৰে। এইবোৰৰ বিষয়ে আমি প্রকাৰ উপশাখাত আলোচনা কৰিম।
- উ পযোজন এক সার্বজনীন আৰু অবিৰত প্রক্রিয়া।

৯.৭.৩ প্রকাৰ

বলপূর্বক উপযোজন

যেতিয়া দুটা পক্ষ সমানে শক্তিশালী নহয়, তেতিয়া দুর্বল পক্ষ বা দলটোৱে শক্তিশালী দলটোৰ ওচৰত সমর্পন কৰে। যেতিয়া দুর্বল দলে শক্তিশালী দলক কোনো ধৰণেৰে প্রতিৰোধ কৰিব নোৱাৰে, তেতিয়াই তেওঁলোকে বশ্যতা স্বীকাৰ কৰে। এয়াই বলপূর্বক উপযোজন।

এৰা ধৰা / আপোচ কৰা

সাধাৰণতে, যেতিয়া দুয়োপক্ষ সমানে শক্তিশালী হয়, তেতিয়া এৰাধৰা বা আপোচ কৰা হয়। বিৰোধী দল/পক্ষই নিজৰ দাবী ত্যাগ কৰে। ইয়াৰ জৰিয়তে দুয়োপক্ষই আনটো পক্ষৰ দাবীসমূহ উপযোজন কৰিবলৈ সক্ষম হয়।

তৃতীয় পক্ষৰ হস্তক্ষেপ

তৃতীয় পক্ষৰ হস্তক্ষে পে মীমাংসা, মধ্যস্থতা বা মিলা-প্রীতি ৰূপ ল'ব পাৰে।

মীমাংসাৰ ক্ষেত্ৰত তৃতীয় পক্ষ অথবা বিচাৰকৰ সিদ্ধান্ত বাধ্যতামূলক। মধ্যস্থতাৰ ক্ষেত্ৰত তৃতীয় পক্ষৰ সিদ্ধান্ত বিবাদী পক্ষৰ ক্ষেত্ৰত বাধ্যতামূলক নহয়। মিলাপ্ৰীতিৰ ক্ষেত্ৰত তৃতীয় পক্ষই এনে এক পৰিৱেশৰ সৃষ্টি কৰে, য'ত বিবাদী পক্ষসমূহে নিজেই এক চুক্তিত সন্মিলিত হয়।

সহনশীলতা

ই হৈছে বিভিন্নতাৰ সৈতে সহবাস কৰাৰ এক উপায়। বিবাদী পক্ষসমূহে এটাই আনটোৰ প্ৰভেদসমূহ মানি হয়। সহনশীলতা হৈছে পৰিহাৰ কৰা এক কৌশল, যাৰ জৰিয়তে বিবাদসমূহ এৰাই চলিব পাৰি। কেতিয়াবা সংঘাতৰ সমাধান আৰু নিষ্পত্তি ইমানেই বেছি জটিল হৈ পৰে যে এইবোৰ সাধাৰণ চুক্তি অথবা এৰাধৰাৰ জৰিয়তে সমাধান নহয়। এনে পৰিস্থিতিত ব্যক্তি আৰু দলসমূহে সংঘৰ্ষৰ সূত্ৰপাত হ'ব পৰা দিশসমূহ পৰিহাৰ কৰে। এয়াই সহনশীলতা।

ৰূপান্তৰ

এনে উপযোজনত এটা বিবাদী দলে আনটো দলৰ মতাদৰ্শ গ্ৰহণ কৰে। ইয়াৰ জৰিয়তে সংঘৰ্ষৰ নিষ্পত্তি কৰা হয়।

৯.৭.৪ সমাজত উপযোজনৰ ভূমিকা

সংঘৰ্ষ সৃষ্টি হোৱাত বাধা দিয়ে ঃ

উপযোজন এক অবিচ্ছেদ্য সামাজিক প্ৰক্ৰিয়া। সমাজত বিভিন্ন পদমৰ্যাদা আৰু ভূমিকা, সামাজিক সম্পৰ্ক, বিভিন্ন স্বাৰ্থ, মূল্যবোধ আৰু লক্ষ্য দেখিবলৈ পোৱা যায়। এই আটাইবোৰ লগ লাগিয়েই সামাজিক জীৱন গঠিত হয়। সমাজত সংঘৰ্ষ লুপ্ত হৈ থাকে। একে সময়তে, সামাজিকীকৰণ প্ৰক্ৰিয়াই ব্যক্তি আৰু দলসমূহক সূচাৰুৰূপে নিজৰ বিভিন্ন ভূমিকা পালন কৰিবলৈ আৰু পাৰস্পৰিক যোগাযোগৰ প্ৰশিক্ষণ দিয়ে। এনেদৰে ব্যক্তি আৰু দলসমূহক পৰস্পৰৰ আচৰণৰ প্ৰতি মনযোগী কৰা হয়। ইয়াৰ অৰ্থ হৈছে প্ৰভেদ অথবা বিভিন্নতাসমূহক স্বীকৃত আৰু গ্ৰহণ কৰা। এয়াই উপযোজন। ওপৰত উল্লেখ কৰা পৰিয়ালৰ উদাহৰণটিত আমি ইতিমধ্যে দেখিছো যে পৰিয়ালৰ সদস্যসকলে ইজনে আনজনৰ সৈতে উপযোজন কৰে। ইয়েই সম্ভাব্য সংঘৰ্ষৰ পৰা বিৰত ৰাখে। উপযোজনে সামাজিক সম্পৰ্ক সম্ভৰ কৰি তোলে আৰু এইদৰে সামাজিক জীৱন সহজসাধ্য হৈ পৰে।

সংঘৰ্ষ দমন কৰে ঃ

সামাজিক বিভিন্নতাই কেতিয়াবা সংঘৰ্ষৰ পৰিস্থিতিৰ সৃষ্টি কৰে। সংঘৰ্ষৰ সৈতে সমাজ বৰ্তি থাকিব নোৱাৰে। সেয়েহে বিভিন্ন প্ৰক্ৰিয়াৰ জৰিয়তে এই সংঘৰ্ষ দমন কৰা হয়। উপযোজনো হৈছে এনে এক প্ৰক্ৰিয়া। তেনে পৰিস্থিতিত সংঘৰ্ষৰ পিছতে উপযোজন সংঘটিত হয়। উপযোজনে বিপক্ষক ধ্বংস নকৰাকৈয়ে সংঘৰ্ষ

অৱদমিত কৰে।

সামাজিক জীৱন সম্ভৱ কৰি তোলে ঃ

সংঘর্ষৰ সূত্রপাত ৰোধ কৰি আৰু সংঘটিত সংঘর্ষ অৱদমিত কৰি উপযোজনে দলীয় জীৱন আৰু সমাজৰ অক্ষুন্নতা অব্যাহত ৰাখে আৰু সহযোগিতা আৰু প্রতিযোগিতা সক্ষম কৰি তোলে। ইয়াৰ ফলত সামাজিক জীৱন সম্ভৱপৰ হৈ উঠে।



অনুশীলনী ৩

আপোনাৰ চুবুৰীয়াসকলে জীৱন নির্বাহ কৰিবৰ বাবে সামাজিক জীৱনৰ বিভিন্ন ক্ষেত্রত উপযোজন কৰিছে। তেনে তিনিটা ক্ষেত্রৰ বিষয়ে চমুটোকা প্রস্তুত কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধভাৱে মিলাওক

i) সহযোগিতা	a) লক্ষ্য বিৰোধী
ii) উপযোজন	b) উমৈহতীয়া লক্ষ্যপূৰণৰ বাবে ঐক্যবদ্ধভাৱে কাম কৰা
iii) সংঘর্ষ	c) সীমিত সম্পদ আৰু আনক অতিক্রম কৰা
iv) প্রতিযোগিতা	d) বিভিন্নতাৰ সৈতে সমাযোজন কৰা

প্রশ্ন নং ২ ঃ শুদ্ধ/অশুদ্ধ বাচি উলিয়াওক

i) উপযোজনে সংঘর্ষ অৱদমিত কৰাত সহায় কৰে।

ii) সংঘর্ষই দলীয় সংহতিৰ সৃষ্টি কৰে।

iii) সংঘর্ষই সামাজিক বিভাজনৰ সৃষ্টি কৰে।

iv) একেধৰণৰ কাম কৰাই হৈছে পৰোক্ষ সহযোগিতা

v) প্রতিযোগিতাই সামাজিক গতিশীলতাৰ সৃষ্টি কৰে।



৯.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

ওপৰৰ আলোচনাৰ পৰা আমি জানিলোঁ যে —

- সামাজিক প্রক্রিয়া হ'ল সামাজিক যোগাযোগৰ বিভিন্ন মাধ্যম।
- সামাজিক যোগাযোগৰ কিছুমান মৌলিক উপায় অথবা মাধ্যম হ'ল সহযোগিতা, প্রতিযোগিতা, সংঘর্ষ আৰু উপযোজন।
- এই প্রত্যেকটো উপায় সকলো সমাজতে সার্বজনীনভাৱে সংঘটিত হয়।

- প্রতিটো সামাজিক প্রক্রিয়া আনবোৰৰ সৈতে জড়িত।
- সামাজিক জীৱন অব্যাহত ৰখাত এই প্রক্রিয়াসমূহে অৱদান আগবঢ়ায়।



৯.৯ অধিক জানিবলৈ

1) Rawat, H.K. 2007. Sociology : Basic Concepts. Jaipur : Rawat Publication.

2) Park, Robot, et. al. 1921. Introduction, to the Science of Sociology, Chicago University Press.



৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ i-bb, ii-d, iii-a, iv-c

২ নং প্রশ্নৰ উত্তৰ ঃ i) শুদ্ধ ii) শুদ্ধ iii) শুদ্ধ
iv) অশুদ্ধ v) শুদ্ধ



৯.১১ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ সামাজিক প্রক্রিয়াৰ অর্থ নিৰূপণ কৰক। বিভিন্ন সামাজিক প্রক্রিয়াৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ ঃ সহযোগিতা কি? সহযোগিতাৰ বিভিন্ন প্রকাৰ আৰু বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৩ ঃ উপযোজন বুলিলে কি বুজে? ইয়াৰ বিভিন্ন প্রকাৰসমূহ কি কি? উপযোজনৰ বৈশিষ্ট্যসমূহ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ সংঘর্ষৰ অর্থ নিৰূপণ কৰা। সমাজত সংঘর্ষই কেনেধৰণৰ ভূমিকা পালন কৰে?

প্রশ্ন ৫ ঃ সংঘর্ষৰ বৈশিষ্ট্যসমূহ কি কি? ইয়াৰ বিভিন্ন প্রকাৰসমূহৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৬ ঃ সামাজিক প্রক্রিয়া হিচাপে প্রতিযোগিতা বুলিলে কি বুজে? ইয়াৰ বৈশিষ্ট্যসমূহ কি কি?

প্রশ্ন ৭ ঃ প্রতিটো সামাজিক প্রক্রিয়াই সমাজত কি ধৰণৰ ভূমিকা পালন কৰে?

*** ***** ***

অধ্যায় ১০ ঃ সামাজিক গতিশীলতা

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ সংজ্ঞা
১০.৪ সামাজিক গতিশীলতাৰ বৈশিষ্ট্য
১০.৫ সামাজিক গতিশীলতাৰ প্ৰকাৰ
১০.৬ সামাজিক গতিশীলতাৰ কাৰকসমূহ
১০.৭ সামাজিক গতিশীলতাৰ প্ৰতিবন্ধকতাৰ কাৰকসমূহ
১০.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৯ অধিক জানিবলৈ
১০.১০ অগ্ৰগতিৰ খতিয়ান
১০.১১ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সামাজিক গতিশীলতাক বিস্তৃতভাৱে উপলব্ধি কৰিবলৈ সক্ষম হ'ব
- সামাজিক গতিশীলতাৰ সংজ্ঞা আৰু বৈশিষ্ট্য সম্পৰ্কে ধাৰণা লাভ কৰিব
- সামাজিক গতিশীলতাৰ বিভিন্ন প্ৰকাৰসমূহৰ বিষয়ে জানিব পাৰিব।

১০.২ পৰিচয়

গতিশীলতাৰ অৰ্থ হৈছে গতিবিধি অথবা চলা-ফিৰা কৰা। সামাজিক গতিশীলতাৰ জৰিয়তে সমাজতত্ত্ববিদসকলে ব্যক্তি অথবা দলসমূহৰ এটা সামাজিক স্থানৰ পৰা আন এটা স্থানলৈ কৰা গতিবিধিকে সূচায়। ইয়াৰ জৰিয়তে ব্যক্তিৰ আৰ্থ-সামাজিক স্থানৰ পৰা পৰিৱৰ্তন ঘটে। এজন ব্যক্তিৰ সামাজিক স্থান বিভিন্ন কৰকৰ দ্বাৰা নিৰ্ধাৰিত কৰা হয়। কিছুমান পদ ব্যক্তিয়ে জন্মগতভাৱে অৰ্জন কৰে আৰু আন কিছুমান স্থান ব্যক্তিয়ে নিজৰ সামৰ্থ্য আৰু পৰিশ্ৰমৰ যোগেদি অৰ্জন কৰে। প্ৰত্যেক সমাজতে সামাজিক গতিশীলতা দেখিবলৈ পোৱা যায়। এই অধ্যায়ত আমি সামাজিক গতিশীলতাৰ বিভিন্ন দিশসমূহৰ বিষয়ে আলোচনা কৰিম।

১০.৩ সংজ্ঞা

ডিক্সনাৰী অফ চছিঅ'লজী (Dictionary of Sociology) ৰ মতে সামাজিক

গতিশীলতা হৈছে, "সাধাৰণতে ব্যক্তি আৰু কেতিয়াবা সম্পূৰ্ণ দলটোৰ সামাজিক স্তৰবিন্যাসৰ বিভিন্ন পদ/স্থানলৈ কৰা গতিবিধি।"

ইয়ং (Young) আৰু মেক (Mack) এ সামাজিক গতিশীলতাৰ জৰিয়তে এজন ব্যক্তি, এটা দল অথবা এটা শ্ৰেণীৰ পদমৰ্যাদাৰ পৰিৱৰ্তনক বুজায়। সামাজিক গতিশীলতাৰ দ্বাৰা আমি সামাজিক গাঁথনিৰ ভিতৰুৱা গতিবিধিক বুজো। ইয়ং আৰু মেক - এ সামাজিক গতিশীলতাৰ এটা সাধাৰণ সংজ্ঞা প্ৰদান কৰিছে। তেওঁলোকে যুক্তি দিছে যে এটা দল অথবা এজন ব্যক্তিৰ সামাজিক স্থান আৰু পদমৰ্যাদাৰ পৰিৱৰ্তনকে সামাজিক গতিশীলতা বুলি কোৱা হয়।

এনেদৰে, আমি ক'ব পাৰো যে সামাজিক গতিশীলতাই ব্যক্তিৰ স্থান পৰিৱৰ্তনৰ গতিবিধিকে বুজায়। কিন্তু, ব্যক্তিৰ সামাজিক মৰ্যাদা আৰু সন্মানৰ পৰিৱৰ্তন নহ'বও পাৰে। গতিশীলতা অসমানভাৱে সংঘটিত হয়।

১০.৪ সামাজিক গতিশীলতাৰ বৈশিষ্ট্য

সামাজিক গতিশীলতাৰ বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল —

সাৰ্বজনীনতা ঃ সামাজিক গতিশীলতাৰ প্ৰাথমিক বৈশিষ্ট্য হৈছে ইয়াৰ সাৰ্বজনীনতা। সামাজিক গতিশীলতা সকলো সমাজত পৰিলক্ষিত হয়। কিন্তু, উল্লেখযোগ্য যে কিছুমান সমাজত বদ্ধমূলক সামাজিক গতিশীলতাৰ প্ৰচলিত হয় যেনে ভাৰতবৰ্ষৰ বৰ্ণভিত্তিক সমাজ ব্যৱস্থা আৰু মধ্যযুগীয় ইউৰোপীয় সামন্তবাদী সমাজ।

গতিবিধিৰ বিভিন্নতা ঃ গতিশীলতাৰ আন এক বৈশিষ্ট হ'ল ই সমাজ অনুযায়ী ভিন্ন হয়। জনজাতীয় আৰু কৃষিভিত্তিক সমাজৰ তুলনা ঔদ্যোগিক সমাজত গতিশীলতা উচ্চমানৰ হয়।

বিপৰীত প্ৰক্ৰিয়া ঃ গতিশীলতা এক দ্বি-মুখী প্ৰক্ৰিয়া। ব্যক্তিয়ে সমাজত উচ্চ স্থান পাব পাৰে আৰু একে সময়তে নিম্ন স্থানলৈও গতি কৰিব পাৰে। সেয়েহে গতিশীলতাক বিপৰীত প্ৰক্ৰিয়া বুলিও কোৱা হয়।

মৰ্যাদাৰ পৰিৱৰ্তন ঃ স্থানৰ গতিশীলতা সমাজত ব্যক্তিমৰ্যাদাৰ পৰিৱৰ্তনৰ সৈতে জড়িত। উদাহৰণস্বৰূপে, উচ্চশিক্ষা অৰ্জন কৰাৰ পিচত এজন ব্যক্তিয়ে আৰ্থিকভাৱে টনকিয়াল হোৱাৰ উপৰিও সমাজত উচ্চ পদমৰ্যাদা লাভ কৰে। কিন্তু বহু সময়ত এয়াও পৰিলক্ষিত হয় যে ব্যক্তিৰ স্থান পৰিৱৰ্তনৰ পিছতো তেওঁৰ মৰ্যাদা আৰু সন্মানৰ পৰিৱৰ্তন নহয়। বৰ্গব্যৱস্থা প্ৰচলিত সমাজত এয়া পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, কিছুমান সমাজত শিক্ষিত দলিতসকলকো উচ্চমৰ্যাদা দিয়া নহয়।

দক্ষতাৰ ওপৰত নিৰ্ভৰশীল ঃ গতিশীলতা ব্যক্তিৰ দক্ষতা আৰু ব্যক্তিগত গুণাৱলীৰ ওপৰত নিৰ্ভৰ কৰে। এজন ব্যক্তিয়ে তেওঁৰ শৈক্ষিক অৰ্হতা, ক্ষমতা আৰু অভিজ্ঞতাৰ ভিত্তিত স্থান সলনি কৰে। আধুনিক সমাজে ব্যক্তিৰ জন্মগত মৰ্যাদাৰ পৰিৱৰ্তে আৰ্জিত মৰ্যদাৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছে।

বিভিন্ন প্রকাৰ ঃ সামাজিক গতিশীলতাৰ আন এক বৈশিষ্ট্য হৈছে ই বিভিন্ন প্রকাৰৰ যেনে আনুভূমিক, উলম্ব, উৰ্ধগামী, নিম্নগামী ইত্যাদি। সমাজতাত্ত্বিক সাহিত্যৰ ক্ষেত্রত সচৰাচৰ ব্যৱহৃত আঠ প্রকাৰৰ সামাজিক গতিশীলতা দেখিবলৈ পোৱা যায়। প্রত্যেকটোৱে নিজস্ব কিছুমান বৈশিষ্ট্য আছে যিবোৰ আনবোৰৰ পৰা পৃথক।



জানি থোৱা ভাল

আর্জিত মর্যাদা ঃ যিবোৰ মর্যাদা অথবা পদ ব্যক্তিয়ে নিজৰ পৰিশ্রমৰ জৰিয়তে অর্জন কৰে, তাকেই আর্জিত মর্যাদা বোলা হয়। এগৰাকী বিজ্ঞানীৰ সমাজত উচ্চ মর্যাদা থাকে। এই মর্যাদা তেওঁ অর্জন কৰে।

জন্মগত/আৰোপিত মর্যাদা ঃ যিবোৰ মর্যাদা এজন ব্যক্তিয়ে জন্মসূত্রে তেওঁৰ পৰিয়ালৰ পৰা লাভ কৰে, তাকেই জন্মগত অথবা আৰোপিত মর্যাদা বোলে। ভাৰতৰ বিভিন্ন ঠাইত উচ্চ বর্ণৰ মানুহক সমাজত উচ্চ স্থান/মর্যাদা দিয়া হয়। এই মর্যাদা তেওঁলোকে উত্তৰাধিকাৰীসূত্রে লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ a) দুই ধৰণৰ মর্যাদা উল্লেখ কৰক।

b) সামাজিক গতিশীলতাৰ চাৰিটা বৈশিষ্ট উল্লেখ কৰক।

১০.৫ সামাজিক গতিশীলকাৰ প্রকাৰ

সামাজিক গতিশীলতা আঠ প্রকাৰৰ। এইবোৰ তলত আলোচনা কৰা হ'ল —

আনুভূমিক সামাজিক গতিশীলতা ঃ ইয়াৰ অর্থ হ'ল একে স্তৰৰ এটা সামাজিক দলৰ পৰা আন এটা সামাজিক দললৈ কৰা ব্যক্তিৰ গতিশীলতা। ইয়াত ব্যক্তিৰ স্থান পৰিৱর্তন হয়, কিন্তু সামাজিক পদমর্যদা একে থাকে। অর্থাৎ, আমি ক'ব পাৰো যে ব্যক্তিৰ মর্যাদাৰ পৰিৱর্তন অবিহনে হোৱা স্থান পৰিৱর্তনকে সামাজিক গতিশীলতা বুলি কোৱা হয়। উদাহৰণস্বৰূপে, যদি এজন ব্যক্তিয়ে 'A' অফিচৰ কেৰাণী চাকৰি ত্যাগ কৰি 'B' অফিচৰ কেৰাণী হিচাপে যোগদান কৰে, তেন্তে ইয়াক আনুভূমিক সামাজিক গতিশীলতা বুলি কোৱা হ'ব, কাৰণ ব্যক্তিজৰে কেৱল তেওঁৰ স্থানহে সলনি কৰিছে। তেওঁৰ পদ আৰু পাৰিশ্রমিক একে থাকিব।

উলম্ব সামাজিক গতিশীলতা ঃ উলম্ব সামাজিক গতিশীলতাৰ অর্থ হ'ল ব্যক্তিৰ এটা সামাজিক স্তৰৰ পৰা আন এটা স্তৰলৈ কৰা গতিশীলতা, য'ত ব্যক্তিৰ সামাজিক মর্যাদা,সন্মান আৰু স্থানৰ পৰিৱর্তন হয়। ব্যক্তিৰ এই গতি উৰ্ধমুখী অথবা নিম্নমুখী হ'ব পাৰে। ব্যক্তিগত অর্হতা, দক্ষতা, সামর্থ, ক্ষমতা, যুক্তিসংগত দৃষ্টিভংগী আদিয়ে উলম্ব সামাজিক গতিশীলতাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভূমিকা পালন কৰে।

ঊর্ধগামী সামাজিক গতিশীলতা ঃ যেতিয়া এজন ব্যক্তিয়ে নিজৰ স্থানৰ পৰিৱৰ্তন কৰি এটা উচ্চ স্থান পাবলৈ গতি কৰে, তাকেই ঊর্ধগামী সামাজিক গতিশীলতা বুলি কোৱা হয়। কর্মক্ষেত্রত সহকাৰী পৰিচালকৰ পৰা মহাব্যৱস্থাপকলৈ পদোন্নতি হোৱা, বিধায়কৰ পৰা এজন মন্ত্রীলৈ পদোন্নতি ইত্যাদি ঊর্ধগামী সামাজিক গতিশীলতাৰ উদাহৰণ। এনে সামাজিক গতিশীলতাই সংগঠনৰ ভিতৰত ব্যক্তিক অধিক ক্ষমতা, কতৃর্ত্ব, দায়িত্ব আৰু ভূমিকা প্রদান কৰে। সমাজৰ অধিকাংশ ব্যক্তিয়েই ঊর্ধগামী সামাজিক গতিশীলতা অভিমূখী। শ্রেণী স্তৰবিন্যাসত ঊর্ধগামী সামাজিক গতিশীলতা দেখিবলৈ পোৱা যায়।

নিম্নগামী সামাজিক গতিশীলতা ঃ ব্যক্তি এজনে যেতিয়া নিজৰ স্থান আৰু মর্যাদাতকৈ নিম্ন এটা স্তৰলৈ গতি কৰে, তাকেই নিম্নগামী সামাজিক গতিশীলতা বুলি কোৱা হয়। নিম্নগামী সামাজিক গতিশীলতাৰ কৰাণসমূহ হৈছে ব্যক্তিগত অক্ষমতা, অদক্ষতা, সূচাৰুৰূপে কার্য সম্পাদন কৰাত অসমর্থতা আদি। ই ঊর্ধগামী সামাজিক গতিশীলতাৰ বিপৰীত প্রক্রিয়া। এই গতিশীলতাৰ জৰিয়তে ব্যক্তি পূর্বৰ স্থান, দায়িত্ব, শ্রদ্ধা আৰু সন্মানৰ পৰা পদচ্যুত হয়।

মুক্ত সামাজিক গতিশীলতা ঃ মুক্ত সামাজিক গতিশীলতা উলম্ব সামাজিক গতিশীলতাৰ সৈতে প্রায় একে। ইয়াৰ ব্যক্তিয়ে নিজৰ গুণ আৰু দক্ষতা অনুসৰি স্থান আৰু মর্যাদাৰ পৰিৱর্তন কৰিব পাৰে। আধুনিক ঔদ্যোগিক সমাজব্যৱস্থাত ব্যক্তিয়ে নিজৰ অর্থনৈতিক অৱস্থা তথা পদবী সলনি কৰাৰ সমান সুবিধা লাভ কৰে। সেয়েহে মুক্ত সমাজ ব্যৱস্থাত ব্যক্তিক নিজৰ দক্ষতা আৰু সম্ভাৱনাৰ বিকাশ সাধন কৰাৰ সুবিধা প্রদান কৰে।

বন্ধ সামাজিক গতিশীলতা ঃ সামাজিক গতিশীলতাৰ আন এক প্রকাৰ হ'ল বন্ধ সামাজিক গতিশীলতা, য'ত সম্ভৱনা থকা স্বত্বেও ব্যক্তিয়ে নিজৰ স্থান আৰু মর্যাদাৰ পৰিৱর্তন কৰিবলৈ সুবিধা নাপায়। ভাৰতবর্ষৰ বর্ণ ব্যৱস্থা আৰু প্রাচীন ইউৰোপৰ সামন্তবাদী আৰু দাস ব্যৱস্থা এনে সামাজিক গতিশীলতাৰ উদাহৰণ। ইয়াক বন্ধ সামাজিক স্তৰবিন্যাস বুলিও কোৱা হয়। এই সামাজিক গতিশীলতাত নিম্নস্তৰৰ পৰা উচ্চস্তৰলৈ আৰু উচ্চস্তৰৰ পৰা নিম্নস্তৰলৈ গতিবিধি সীমাবদ্ধ কৰা হয়। ব্যক্তিৰ জন্ম আৰু সামাজিক স্থানৰ ওপৰত ভিত্তি কৰি সামাজিক সন্মান আৰু শ্রদ্ধা প্রদর্শন কৰা হয়।

আন্তঃপ্রজন্ম সামাজিক গতিশীলতা ঃ যেতিয়া এজন ব্যক্তিয়ে তেওঁৰ পিতৃ-মাতৃয়ে দখল কৰি থকা সামাজিক স্থানৰ পৰা পৃথক (উচ্চ বা নিম্ন) আন এটা স্থানলৈ গতি কৰে, তাকেই আন্তঃপ্রাজন্মিক সামাজিক গতিশীলতা বোলা হয়। ইয়াত ব্যক্তিয়ে নিজৰ পৰিয়ালৰ সামাজিক স্থানৰ তুলনাত তেওঁৰ পদ পৰিৱর্তন কৰে। উদাহৰণস্বৰূপে, পাচলি বিক্রেতাৰ সন্তানে যদি প্রশাসনিক ক্ষেত্রত স্থান অর্জন কৰে, তেন্তে সেয়েই হ'ল আন্তঃপ্রজন্ম সামাজিক গতিশীলতা।

অন্তর্প্রজন্ম সামাজিক গতিশীলতা ঃ সামাজিক গতিশীলতাৰ আন এক প্রকাৰ হ'ল অন্ত-র্প্রজন্ম সামাজিক গতিশীলতা। ই এনে এক গতিবিধিক সূচায়, য'ত ব্যক্তিয়ে তেওঁৰ পূর্বৰ স্থানতকৈ উচ্চ স্থান আৰু মর্যাদা আহৰণ কৰে।

১০.৬ সামাজিক গতিশীলতাৰ কাৰকসমূহ

সামাজিক গতিশীলতাৰ কাৰকসমূহ তলত উল্লেখ কৰা হ'ল —

অভিৰোচন ঃ প্ৰত্যেক ব্যক্তিৰে এটা ভাল জীৱন যাপন কৰাৰ আৰু নিজৰ সামাজিক মৰ্যাদাৰ বিকাশ সাধন কৰাৰ আকাংক্ষা থাকে। মুক্ত ব্যৱস্থাত ব্যক্তিয়ে যিকোনো মৰ্যাদা অৰ্জন কৰিব পাৰে। এনে মুক্তাৱস্থাই ব্যক্তিক পৰিশ্ৰম কৰিবলৈ আৰু দক্ষতাৰ বিকাশ সাধনৰ জৰিয়তে উচ্চ সামাজিক মৰ্যাদা অৰ্জন কৰিবলৈ অভিৰোচিত কৰে। এই প্ৰচেষ্টা আৰু অভিৰোচন অবিহনে ব্যক্তিৰ সামাজিক গতিশীলতা সম্ভৱ নহয়।

সফলতা আৰু ব্যৰ্থতা ঃ সফলতা হৈছে এক অসাধাৰণ আৰু অনাকাংক্ষিত প্ৰদৰ্শন, যিয়ে ব্যক্তিৰ সামৰ্থ্যতাৰ প্ৰতি মানুহৰ মনোযোগ আকৰ্ষণ কৰে। সকলো কৃতিত্ব অথবা সফলতাই সামাজিক গতিশীলতাৰ সৃষ্টি নকৰে। অসাধাৰণ কৃতিত্বই ব্যক্তি মৰ্যাদাৰ ওপৰত প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে, এজন দুখীয়া লোকে যদি সম্পদ আহৰণ কৰে অথবা এজন অপৰিচিত লিখকে যদি সাহিত্য পুৰস্কাৰ লাভ কৰে, তেন্তে ইয়েই তেওঁলোকৰ মৰ্যাদা বৃদ্ধি কৰিব।

ব্যৰ্থতা আৰু অপকৰ্মৰো অনুৰূপ প্ৰভাৱ থাকে আৰু ই নিম্নগামী সামাজিক গতিশীলতাৰ সৃষ্টি কৰিব পাৰে। জালিয়াতিৰ যোগেদি বেংক দেউলিয়াকৰণে উচ্চশ্ৰেণীৰ সদস্যসকলৰ মৰ্যাদা হানি কৰিব পাৰে। তেওঁলোকে বন্ধুবৰ্গৰ পৰা আমন্ত্ৰণ নাপাব পাৰে আৰু বিবাহৰ ক্ষেত্ৰত অযোগ্য প্ৰাৰ্থী হিচাপে বিবেচিত হ'ব পাৰে। যদি তেওঁ বিবাহিত, তেনে ক্ষেত্ৰত তেওঁ বিবাহ বিচ্ছেদৰ সন্মুখীন হ'ব পাৰে। তেনে ব্যক্তিক সকলো স্থানৰ পৰা অব্যাহতি দিব লাগে। কিন্তু, তেওঁলোকে নিম্ন স্তৰৰ সদস্যলৈ পৰিণত নহয়। তথাপিও, তেওঁলোকে নতুন সংগঠনৰ সদস্য হোৱাৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মখীন হ'ব লগা হ'ব পাৰে।

শিক্ষা ঃ শিক্ষাই ব্যক্তিক কেৱল জ্ঞান আহৰণতেই সহায় নকৰে, ই ব্যক্তিক উচ্চ মৰ্যদাসম্পন্ন অৰ্হতাগত স্থান আহৰণ কৰাৰো অধিকাৰ প্ৰদান কৰে। চিকিৎসক হ'বৰ বাবে এজন ব্যক্তিয়ে বিজ্ঞান বিষয়ৰ শিক্ষা ল'ব লাগিব। একেদৰে, ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে ব্যক্তিয়ে স্নাতক ডিগ্ৰী লাভ কৰিব লাগিব।

নূন্যতম আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিহে এজন ব্যক্তিয়ে উচ্চস্থান দখল কৰিব পাৰে। আধুনিক ভাৰতত অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ লোকসকলে শিক্ষাৰ জৰিয়তে তেওঁলোকৰ পৰম্পৰাগত জীৱিকা ত্যাগ কৰি উচ্চ মৰ্যাদাসম্পন্ন পদ দখল কৰিবলৈ সক্ষম হৈছে। আধুনিক ঔদ্যোগিত সমাজ ব্যৱস্থাত সামাজিক মৰ্যাদা অৰ্জনৰ প্ৰাথমিক প্ৰয়োজন হৈছে শিক্ষা।

কৌশল আৰু প্ৰশিক্ষণ ঃ প্ৰত্যেক সমাজে যুৱ প্ৰজন্মক কৌশল আৰু প্ৰশিক্ষণ প্ৰদানৰ বাবে ব্যৱস্থা হাতত লয়। কৌশল আৰু প্ৰশিক্ষণ আহৰণৰ বাবে প্ৰত্যেক ব্যক্তিয়ে সময় আৰু অৰ্থ ব্যয় কৰিবলগীয়া হয়। মানুহে আৰু অৰ্থ কিয় ব্যয় কৰে? ইয়াৰ কাৰণ হ'ল সমাজে তেনে ব্যক্তিক অনুপ্ৰেৰণা প্ৰদান কৰে। প্ৰশিক্ষণ সম্পূৰ্ণ হোৱা পিছত তেওঁলোকে উচ্চ স্থান লাভ

কৰিবলৈ সক্ষম হয়। এই স্থান প্ৰশিক্ষণ অবিহনে লাভ কৰা স্থানতকৈ শ্ৰেয় হয়।

সমাজে প্ৰশিক্ষণ সম্পূৰ্ণ কৰা ব্যক্তি সকলক উচ্চ সামাজিক মৰ্যাদা প্ৰদান কৰাৰ উপৰিও উচ্চ অৰ্থনৈতিক সা-সুবিধা আৰু প্ৰতিদান প্ৰদান কৰে। এই সা-সুবিধাসমূহ লক্ষ্য কৰিয়েই সমাজত উচ্চস্থান দখলৰ আশাৰে ব্যক্তিয়ে প্ৰশিক্ষণ গ্ৰহণ কৰে। আন ভাষাত, কৌশল আৰু প্ৰশিক্ষণে সমাজত ব্যক্তিৰ স্থান উন্নত কৰে আৰু ইয়েই সামাজিক গতিশীলতাৰ সৃষ্টি কৰে।

প্ৰব্ৰজন ঃ প্ৰব্ৰজনেও সামাজিক গতিশীলতাৰ সৃষ্টি কৰে। মানুহে বিভিন্ন কাৰণত এঠাইৰ পৰা আন ঠাইলৈ প্ৰব্ৰজন কৰে। এখন নিৰ্দিষ্ট ঠাইয়ে হয়তো ব্যক্তিৰ বিকাশ সাধন কৰিবলৈ সকলো সুবিধা প্ৰদান কৰিব নোৱাৰে। সেয়েহে, জীৱিকা নিৰ্বাহ কৰিবলৈ ব্যক্তিয়ে এখন ঠাইৰ পৰা আন এখন ঠাইলৈ প্ৰব্ৰজন কৰিবলৈ বাধ্য হয়। এখন নতুন ঠাইত ব্যক্তিয়ে বিভিন্ন সুযোগ আৰু সুবিধা লাভ কৰে।

বিভিন্ন সুযোগ-সুবিধাৰ জৰিয়তে ব্যক্তিয়ে তেওঁৰ সামাজিক স্থানৰ বিকাশ সাধন কৰিব পাৰে। উদাহৰণস্বৰূপে, উত্তৰ প্ৰদেশ আৰৰু বিহাৰৰ অনুসূচীত জাতিৰ লোকসকলে জীৱিকা নিৰ্বাহৰ বাবে পঞ্জাৰ আৰু হাৰিয়ানালৈ প্ৰব্ৰজন কৰিছে। তাত তেওঁলোকে পাম শ্ৰমিক হিচাপে জীৱিকা নিৰ্বাহ কৰি আছে।

নিৰ্দিষ্ট অৰ্থ উপাৰ্জন কৰি তেওঁলোকে নিজৰ গাঁৱলৈ উভতি গৈ ভূমি ক্ৰয় কৰিছে। সেই ভূমিতে তেওঁলোকে নিজাকৈ খেতি কৰি স্বাধীন কৃষকলৈ ৰূপান্তৰিত হৈছে। এনেদৰেই চমাৰসকলে স্বাধীনভাৱে খেতি কৰি নিজৰ মৰ্যাদা উন্নত কৰিছে। ঠিক তেনেদৰে এছিয়া মহাদেশৰ বিভিন্ন লোকে ইউৰোপীয় দেশ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰলৈ প্ৰব্ৰজন কৰিছে। নতুন ঠাইয়ে প্ৰদান কৰা বিভিন্ন সা-সুবিধাৰ প্ৰতি আকৃষ্ট হৈ বিভিন্ন লোকে এই সা-সুবিধাসমূহৰ জৰিয়তে নতুন জ্ঞান আৰু কৌশল আহৰণ কৰি উচ্চ সামাজিক স্থান দখল কৰে।

মানুহে চাকৰিৰ সুযোগৰ বাবে গাঁৱৰ পৰা চহৰলৈ প্ৰব্ৰজন কৰে। নগৰ অঞ্চলত বিভিন্ন উচ্চ মৰ্যাদাসম্পন্ন প্ৰতিষ্ঠান দেখিবলৈ পোৱা যায়। মানুহে পৰিয়ালৰ সদস্যসকলতকৈ এক উচ্চ মৰ্যাদাপূৰ্ণ স্থান অধিকাৰ কৰাৰ বাবে নগৰাঞ্চললৈ আহে। এইদৰে আমি দেখিবলৈ পাও যে বিভিন্ন কাৰকৰ ফলত সংঘটিত হোৱা প্ৰব্ৰজনে সামাজিক গতিশীলতাৰ সৃষ্টি কৰে।

ঔদ্যোগিকৰণ ঃ শিল্প বিপ্লৱে এক নতুন সমাজ ব্যৱস্থাৰ সূচনা কৰিছিল য'ত ব্যক্তিয়ে তেওঁৰ সামৰ্থ্য আৰু প্ৰশিক্ষণ অনুযায়ীহে মৰ্যাদা লাভ কৰিবলৈ সক্ষম হৈছিল। ব্যক্তিৰ জাতি, ধৰ্ম, বৰ্ণ আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। ঔদ্যোগিককৰণে সুলভ মূল্যত ব্যাপক উৎপাদনৰ সৃষ্টি কৰে। ইয়াৰ ফলত কাৰিকৰসকলে কাম এৰিবলৈ বাধ্য হয়। কামৰ সন্ধানত তেওঁলোকে ঔদ্যোগিক অঞ্চললৈ প্ৰব্ৰজন কৰে। নতুন বৃত্তিগত প্ৰশিক্ষণ লাভ কৰি তেওঁলোকে উদ্যোগক্ষেত্ৰত নিয়োজিত হয়। অভিজ্ঞতা আৰু প্ৰশিক্ষণ পুষ্ট হৈ এনেদৰে তেওঁলোকে সামাজিক স্তৰত উৰ্ধমুখী গতি কৰে। ঔদ্যোগিক সমাজ ব্যৱস্থাত মৰ্যাদা অৰ্জন কৰা হয়, আনহাতে, ভাৰতবৰ্ষৰ দৰে পৰম্পৰাগত সমাজত জন্মসূত্ৰে ব্যক্তিয়ে মৰ্যাদা লাভ কৰে। সেয়েহে, ঔদ্যোগিকৰণে ব্যপক হাৰত সামাজিক গতিশীলতাৰ সুবিধা প্ৰদান কৰে।

নগৰীকৰণ ঃ নগৰাঞ্চলত জনসংখ্যা অধিক আৰু নগৰাঞ্চলত বসতি কৰি থকা লোকসকলৰ মাজত এক আনুষ্ঠানিক সম্পৰ্ক থাকে। মানুহৰ মাজত অন্তৰংগতা দেখিবলৈ পোৱা নাযায়। নগৰসমূহ সাধাৰণতে গোপনীয়তা অথবা নামহীনতাৰ দ্বাৰা পৰিচালিত হয়। মানুহে তেওঁলোকৰ বন্ধু আৰু আত্মীয়সকলৰ সৈতেহে ঘনিষ্ঠ সম্পৰ্ক বজাই ৰাখে। নগৰাঞ্চলত ব্যক্তিৰ জাতি, ধৰ্ম, বৰ্ণ অথবা পটভূমিৰ বিষয়ে গোপনীয়তা অৱলম্বন কৰা হয়। ব্যক্তিৰ স্থান প্ৰধানকৈ তেওঁৰ শিক্ষা, অৰ্হতা আৰু উপাৰ্জনৰ ওপৰত নিৰ্ভৰ কৰে। যদি এজন ব্যক্তিৰ উচ্চ শিক্ষা, উপাৰ্জন আৰু উচ্চ মৰ্যাদা-সম্পন্ন এটা জীৱিকা থাকে, তেনেতে তেওঁ জাতি/বৰ্ণ নিৰ্বিশেষে সমাজত উচ্চ মৰ্যাদা লাভ কৰিব। নগৰীকৰণে সামাজিক গতিশীলতাত বাধা প্ৰয়োগ কৰা কাৰকসমূহ দূৰ কৰি সামাজিক গতিশীলতাৰ সুবিধা প্ৰদান কৰে।

আইন ঃ নতুন আইন প্ৰণয়নৰ জৰিয়তেও সামাজিক গতিশীলতাৰ সৃষ্টি কৰিব পাৰে। জমিদাৰী বিলোপ আইন প্ৰণয়নৰ যোগেৰে বহুতো ভাড়াতীয়া কৃষক স্বাধীন কৃষকত পৰিণত হৈছিল। ইয়াৰ ফলত ভাড়াতীয়াৰ পৰা স্বাধীন কৃষকলৈ তেওঁলোকৰ মৰ্যদা উন্নীত হৈছিল। একেদৰে, অনুসূচীত জাতি আৰু জনজাতিৰ বাবে নিয়োগ আৰু পদোন্নতিত সংৰক্ষণৰ আইনী ব্যৱস্থাই সামাজিক গতিশীলতা সুনিশ্চিত কৰিছে।

পেছাছাৰী মহাবিদ্যালয়, নিয়োগ আৰু পদোন্নতিৰ ক্ষেত্ৰত অনুসূচীত জাতি আৰু জনজাতিৰ বাবে থকা আসন সংৰক্ষণ ব্যৱস্থাই তেওঁলোকৰ সামাজিক মৰ্যাদাৰ উৎকৰ্ষ সাধন কৰিছে। ভি.পি. সিং (V.P. Singh) ৰ নেতৃত্বত থকা চৰকাৰে মণ্ডল আয়োগৰ প্ৰতিবেদন গ্ৰহণ কৰাৰ পিছত পিছপৰা শ্ৰেণীৰ লোকসকলৰ বাবেও কৰ্মক্ষেত্ৰত আসন সংৰক্ষণৰ ব্যৱস্থা আৰম্ভ হৈছিল।

একেদৰে ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্থাই বিভিন্ন ৰায় প্ৰদানৰ জৰিয়তেও সামাজিক গতিশীলতা সুনিশ্চিত কৰিছে। হিন্দু বিবাহ আইনে বিভিন্ন মহিলাৰ স্থান আৰু মৰ্যাদাৰ বিকাশ সাধন কৰিছে। হিন্দু উত্তৰাধিকাৰ আইনে পৰিয়ালৰ সম্পত্তিৰ ক্ষেত্ৰত কন্যাক সমঅধিকাৰ প্ৰদান কৰিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৰ্ণবৈষম্য বিৰোধী আইনে কৃষ্ণাংগ লোকসকলক সামাজিক গতিশীলতাৰ সুবিধা প্ৰদান কৰিছে। এনেদৰে আইনী ব্যৱস্থাই সামাজিক গতিশীলতা সহজলভ্য কৰি তুলিছে।

ৰাজনীতিকৰণ ঃ শিক্ষা, গণমাধ্যমৰ প্ৰসাৰতা আৰু ব্যাপক যোগাযোগে মানুহক তেওঁলোকৰ অধিকাৰ সম্পৰ্কে সচেতন কৰি তুলিছে। ৰাজনৈতিক দলসমূহেও মানুহক তেওঁলোকৰ অধিকাৰসমূহৰ বিষয়ে শিক্ষিত কৰিছে। এই অধিকাৰ সাব্যস্ত কৰাৰ বাবে মানুহে একগোট হৈ কৰ্তৃপক্ষক তেওঁলোকৰ দাবীসমূহ গ্ৰহণ কৰিবলৈ বাধ্য কৰিছে। মানুহে তেওঁলোকৰ আকাংক্ষিত লক্ষ্যসমূহ পূৰণৰ বাবে আন্দোলন, ধৰ্মঘট আদি বিভিন্ন প্ৰতিশ্ৰুতি প্ৰদান কৰে। এই প্ৰতিশ্ৰুতি আৰু ব্যৱস্থাসমূহৰ সহায়ত মানুহে তেওঁলোকৰ সামাজিক মৰ্যাদা উন্নত কৰে। কিছুমান লোকে ৰাজনৈতিক নেতা, মন্ত্ৰী, কেবিনেট মন্ত্ৰী অথবা ৰাজ্যৰ মুখ্যমন্ত্ৰী হৈ পৰে। ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত এনে বহুতো উদাহৰণ পোৱা যায়। ইয়েই তেওঁলোকৰ বাবে উৰ্ধগামী

সামাজিক গতিশীলতাৰ সৃষ্টি কৰে। একেদৰে ৰাজ্যিক বিধানমণ্ডল আৰু সংসদৰ প্ৰতিনিধিসকলে তেওঁলোকৰ ব্যাপক ৰাজনৈতিক সচেতনতাৰ জৰিয়তে সমাজৰ নিম্নস্তৰৰ লোকসকলৰ সহায়ৰ বাবে নির্দিষ্ট ৰাজনৈতিক পৰিকল্পনা প্ৰস্তুত কৰিব পাৰে।

আধুনিকীকৰণ ঃ আধুনিকীকৰণ প্ৰক্ৰিয়া বৈজ্ঞানিক জ্ঞান আৰু নতুন প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ সৈতে জড়িত। ই বাস্তৱিকতা আৰু ধৰ্মনিৰপেক্ষ জীৱনধাৰাক সূচায়। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ফলত নিম্ন মৰ্যাদাপূৰ্ণ কামত নিয়োজিত লোকসকলে তেওঁলোকৰ পৰম্পৰাগত পেছা পৰিত্যাগ কৰি স্বাস্থ্যকৰ আৰু অপ্ৰদূষিত কৰ্মত নিয়োজিত হৈছে।

এনেদৰে, তেওঁলোকে উৰ্ধমুখী স্থানলৈ উন্নীত হৈছে। একেদৰে, এখন দেশৰ উন্নয়নৰ মাত্ৰাইও সামাজিক গতিশীলতাৰ সৃষ্টি অথবা ৰোধ কৰিব পাৰে। অনুন্নত আৰু পৰম্পৰাগত সমাজ প্ৰাচীন স্তৰবিন্যাস আৰু জন্মগত মৰ্যাদা ব্যৱস্থাৰ দ্বাৰা চালিত হয়।

আনহাতে, উন্নত আৰু আধুনিক সমাজে ব্যাপক সুবিধা আৰু প্ৰতিযোগিতাৰ সৃষ্টি কৰে, উন্নত দেশসমূহে আৰ্জিত মৰ্যাদাৰ ক্ষেত্ৰতো ব্যাপক সম্ভৱনাৰ সৃষ্টি কৰে। অন্য অৰ্থত, আধুনিকীকৰণে সামাজিক গতিশীলতাৰ সুবিধা প্ৰদান কৰে।

১০.৭ সামাজিক গতিশীলতাৰ প্ৰতিবন্ধকতাৰ কাৰকসমূহ

এইচ. এম. জনচন (H.M. Johnson) ৰ মতে সামাজিক গতিশীলতাৰ প্ৰতিবন্ধকতাৰ এটা কাৰক পৰিয়ালৰ সৈতে জড়িত। ইয়াৰ অৰ্থ হ'ল যিবোৰ সমাজত পৰিয়ালক এটা গোট হিচাপে স্বীকৃতি দিয়া হয়, তেনে সমাজত সুবিধাৰ অসমতা সৃষ্টি হ'ব পাৰে। উদাহৰণস্বৰূপে, আমি পূৰ্বৰ শাখাত দেখি আহিছো যে শিক্ষাই সামাজিক গতিশীলতাৰ সুবিধা প্ৰদান কৰে। কিন্তু, যিবোৰ সমাজত শিক্ষাৰ 'মানদণ্ড' ব্যক্তিৰ ক্ৰয় কৰিব পৰা সামৰ্থ্য অনুযায়ী ভিন্ন হয়, তেন্তে ইয়েই সামাজিক গতিশীলতাৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টি কৰে। অন্তৰ্বিবাহ ব্যৱস্থাৰ জৰিয়তে শ্ৰেণীসমূহ বৰ্তি থাকে। ইয়েই দুটা একে ধৰণৰ শ্ৰেণী গোটৰ মাজত বিবাহ বন্ধনৰ প্ৰৱণতাক সূচায়। এই ব্যৱস্থাই এটা নির্দিষ্ট শ্ৰেণীৰ প্ৰত্যেক প্ৰজন্মই মূল্যবান সম্পদ আৰু সা-সুবিধা প্ৰাপ্তিকে সূচায়। চি. ডব্লিউ মিলচ্ (C.W. Mills) এ তেওঁৰ বিখ্যাত অভিজাত তত্ব (Elite Theory) ত এনেদৰে যুক্তি দৰ্শাইছে যে আমেৰিকান সমাজত ক্ষমতাশালী দলসমূহৰ এটা সংখ্যালঘু গোট আছে। তেওঁলোক সামৰিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰৰ অন্তৰ্ভুক্ত। যদিও তেওঁলোকৰ কাৰ্যসমূহ এটা আনটোৰ পৰা পৃথক, তথাপিও তেওঁলোকৰ স্বাৰ্থ আৰু সামাজিক পটভূমি একেধৰণৰ। ইয়েই তেওঁলাকক এক সমন্বিত দল হিচাপে স্বীকৃতি প্ৰদান কৰিছে। মিলচে এই দলটিক 'ক্ষমতাশালী অভিজাত শ্ৰেণী' (Power Elite) আখ্যা দিছে। এই তিনিটা ক্ষেত্ৰৰ মাজত প্ৰায়েই বিষয়াসকলৰ আদান-প্ৰদান হয়। এনেদৰে, ব্যক্তিৰ আৰ্থ-সামাজিক অৱস্থাৰ জৰিয়তে সৃষ্টি হোৱা সুবিধাৰ বৈষম্যই সামাজিক গতিশীলতা হ্ৰাস কৰাৰ প্ৰৱণতা সৃষ্টি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ঃ a) সামাজিক গতিশীলতা সৃষ্টি কৰা চাৰিটা কাৰক উল্লেখ কৰক।

b) Power Elite নামৰ গ্রন্থখনৰ গ্রন্থাকাৰৰ নাম উল্লেখ কৰক।



১০.৮ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

- ব্যক্তি আৰু দলসমূহৰ এটা সামাজিক স্থানৰ পৰা আন এটা স্থানলৈ কৰা গতিবিধিয়েই হৈছে সামাজিক গতিশীলতা।
- এজন ব্যক্তিৰ একে স্তৰৰ এটা সামাজিক দলৰ পৰা আন এটা সামাজিক দললৈ কৰা গতিবিধিয়েই হৈছে আনুভূমিক সামাজিক গতিশীলতা।
- উলম্ব সামাজিক গতিশীলতাই এটা সামাজিক স্তৰৰ পৰা আন এটা সামাজিক স্তৰলৈ কৰা গতিবিধিক সূচায়, য'ত স্থান পৰিৱর্তনৰ সৈতে ব্যক্তিৰ সামাজিক মর্যাদা আৰু সন্মানৰ পৰিৱর্তন ঘটে।
- উর্ধগামী সামাজিক গতিশীলতাই এনে এক গতিশীলতাক সূচায়, য'ত ব্যক্তিয়ে নিজস্ব স্থানৰ পৰা এক উচ্চ স্থানলৈ পৰিৱর্তিত হয়।
- নিম্নগামী সামাজিক গতিশীলতাই ব্যক্তিৰ অধিকৃত স্থান আৰু মর্যাদাৰ পৰা এক নিম্ন স্তৰলৈ কৰা গতিবিধিক সূচায়।
- যিবোৰ সমাজত ব্যক্তিয়ে নিজৰ দক্ষতা আৰু কার্যকৰীতা অনুসৰি মর্যাদা আৰু স্থান সলনি কৰিব পাৰে, তেনে সমাজত মুক্ত সামাজিক গতিশীলতা দেখিবলৈ পোৱা যায়।
- যেতিয়া ব্যক্তিয়ে সম্ভাৱনা থকা স্বত্তেও নিজৰ স্থান আৰু মর্যাদা পৰিৱর্তন কৰিবলৈ সুযোগ নাপায়, তেনে ঠাইত বন্ধ সামাজিক গতিশীলতা পৰিলক্ষিত হয়।
- আন্তঃপ্রাজন্মিক গতিশীলতা হৈছে এনে এক গতিশীলতা, য'ত ব্যক্তিয়ে তেওঁৰ পিতৃ-মাতৃ অধিকৃত সামাজিক স্থানৰ পৰা আন এক স্থান (উচ্চ বা নিম্ন) লৈ গতি কৰে।
- অন্তর্প্রজন্ম গতিশীলতাই এনে এক গতিশীলতাৰ সূচায়, য'ত ব্যক্তিয়ে তেওঁৰ পূর্বৰ স্থানৰ তুলনাত এক উচ্চ স্থান আৰু সন্মান অর্জন কৰে।
- সামাজিক গতিশীলতাৰ সৃষ্টি কৰা বিভিন্ন কাৰকসমূহ হ'ল শিক্ষা, আইন প্রণয়ন, নগৰীকৰণ, উদ্যোগীকৰণ ইত্যাদি।



১০.৯ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

- Haralambos, M. & Heald R.M. 1980. Sociology : Themes and Perspectives. Delhi, Oxford University Press
- John, Harry M. 1966. Sociology : A Systematic Introduction, Allied Publisher



১০.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ a) আৰ্জিত জন্মগত মৰ্যাদা

b) সাৰ্বজনীনতা, গতিবিধিৰ বিভিন্নতা, বিপৰীত প্ৰক্ৰিয়া, মৰ্যাদাৰ পৰিৱৰ্তন

২ নং প্ৰশ্নৰ উত্তৰ ঃ a) নগৰীকৰণ, ৰাজনীতিকৰণ, আধুনিকীকৰণ, উদ্যোগীকৰণ

b) চি. ডব্লিউ মিলচ্ (C.W. Mills)



১০.১১ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিক গতিশীলতাৰ অৰ্থ বুজাই লিখক।

প্ৰশ্ন ২ ঃ সামাজিক গতিশীলতাৰ প্ৰতিবন্ধকতাৰ কাৰকসমূহৰ বিষয়ে লিখক।

(খ) দীঘল প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ সামাজিক গতিশীলতাৰ বৈশিষ্টসমূহ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ সামাজিক গতিশীলতাৰ প্ৰকাৰসমূহ উদাহৰণসহ আলোচনা কৰক।

*** ***** ***

অধ্যায় ১১ ঃ পৰিয়াল, বিবাহ্ আৰু আত্মীয়তা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ পৰিয়ালৰ অর্থ আৰু সংজ্ঞা

- ১১.৩.১ পৰিয়াল - কার্যনির্বাহী দৃষ্টিকোণ
- ১১.৩.২ পৰিয়ালৰ মার্ক্সবাদী দৃষ্টিভংগী
- ১১.৩.৩ পৰিয়ালৰ নাৰীবাদী বিশ্লেষণ

১১.৪ বিবাহৰ অর্থ আৰু সংজ্ঞা

- ১১.৪.১ বিবাহৰ বৈশিষ্ট্য
- ১১.৪.২ বিবাহৰ প্রকাৰ
- ১১.৪.৩ বিবাহ বিধি
- ১১.৪.৪ সংগী নির্বাচন প্রক্রিয়া

১১.৫ অজাচাৰ নিষিদ্ধতা

১১.৬ সম্বন্ধ অথবা আত্মীয়তা

- ১১.৬.১ বিভিন্ন আত্মীয়ৰ মাজত প্রভেদ
- ১১.৬.২ বংশ

১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৮ অধিক জানিবলৈ

১১.৯ অগ্রগতিৰ খতিয়ান

১১.১০ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পৰিয়ালৰ বিভিন্ন দৃষ্টিভংগীসমূহৰ বিষয়ে চর্চা কৰিবলৈ সক্ষম হ'ব
- বিবাহৰ অর্থ, বৈশিষ্ট্য, প্রকাৰ আৰু বিধিসমূহৰ বিষয়ে অৱগত হ'ব
- অজাচাৰৰ বিষয়ে জানিব পাৰিব
- আত্মীয়তা সম্পর্কে আলোচনা কৰিবলৈ সক্ষম হ'ব।

১১.২ পৰিচয়

সমাজতত্ত্ববিদসকলৰ মতে, পৰিয়াল হৈছে সামাজিক সংগঠনৰ প্রাথমিক গোট। যদিও পৰিয়ালৰ গাঁথনিত কিছু বিভিন্নতা পৰিলক্ষিত হয়, তথাপিও পৰিয়াল হৈছে এক সার্বজনীন

সামাজিক পৰিঘটনা। মানৱ সমাজৰ ই এক অপৰিহার্য অংগ। সাধাৰণতে, ব্যক্তিয়ে পৰিয়ালত জন্মগ্রহণ কৰি এক নির্দিষ্ট বয়সত বিবাহপাশত আৱদ্ধ হয়। সেয়েহে, জন্ম আৰু বিবাহ ব্যক্তিৰ জীৱনৰ দুটা গুৰুত্বপূর্ণ দিশ। জন্ম আৰু বিবাহে ব্যক্তিৰ তেওঁৰ সংগীৰ সৈতে থকা সম্পর্ক নির্ধাৰণ আৰু ইয়াৰ অর্থ নিৰূপণ কৰে। সাধাৰণ অর্থত তেওঁলোককেই আত্মীয় বুলি কোৱা হয়। জন্ম আৰু বিবাহৰ দ্বাৰা নিৰূপণ কৰা ব্যক্তি আৰু আত্মীয় স্বজনৰ মাজৰ এই জটিল ব্যৱস্থাকে আত্মীয়তা বোলা হয়। এই অধ্যায়ত আমি মানৱ সমাজৰ তিনিটা দিশ, যেনে - পৰিয়াল, বিবাহ আৰু আত্মীয়তা সম্পর্কে আলোচনা কৰিম।

১১.৩ পৰিয়ালৰ অর্থ আৰু সংজ্ঞা

সমাজতত্ত্ববিদসকলে প্রদান কৰা পৰিয়ালৰ কেইটামান গুৰুত্বপূর্ণ সংজ্ঞা তলত উল্লেখ কৰা হ'ল —

মেক আইভাৰ আৰু পেজ (Mac Iver and Page) ৰ মতে, "পৰিয়াল হৈছে যৌন সম্পর্কৰ দ্বাৰা নির্ধাৰিত কৰা এটা গোট, যি সন্তানৰ জন্ম আৰু লালন-পালন কৰাৰ জৰিয়তে সুনির্দিষ্ট আৰু স্থায়ী হয়।

কে ডেভিছ (K. Davis) ৰ মতে, পৰিয়াল হৈছে ব্যক্তিসমূহৰ এটা গোট, য'ত ব্যক্তি সম্পর্কত সামঞ্জস্য থাকে আৰু সেইবাবে তেওঁলোক এজনে আনজনৰ আত্মীয় হৈ পৰে।

জেৰাল্ড লেজ্‌লি (Gerald Leslie) এ পৰিয়ালক দুগৰাকী বিপৰীত লিংগৰ প্রাপ্তবয়স্ক লোকৰ এটা দল হিচাপে বর্ণনা কৰিছে, যিয়ে সামাজিকভাৱে অনুমোদিত যৌন সম্পর্কত থাকে। বিপৰীত লিংগৰ এই দুগৰাকী প্রাপ্তবয়স্ক ব্যক্তিয়ে তেওঁলোকৰ জৈৱিক অথবা পালিত সন্তানৰ সৈতে এটা পৰিয়াল গঠন কৰে।

জি.পি. মূর্দক (G.P. Murdock) ৰ মতে, পৰিয়াল হৈছে এটা সামাজিক দল, যাক উমৈহতীয়া বাসস্থান, অর্থনৈতিক সহযোগিতা আৰু প্রজনন আদি বৈশিষ্ট্যৰ দ্বাৰা চিহ্নিত কৰিব পাৰি।

১১.৩.১ পৰিয়ালৰ কার্যনির্বাহী দৃষ্টিকোণ

কার্যনির্বাহী দৃষ্টিকোণ প্রত্যেক সমাজৰ বিভিন্ন প্রয়োজনৰ ওপৰত নির্ভৰ কৰে। সমাজৰ অস্তিত্ব ৰক্ষাৰ বাবে এই প্রয়োজনসমূহ পূৰণ কৰা হয়। সেইবাবে এই দৃষ্টিকোণে বৃহত্তৰ সমাজখন ৰক্ষণাবেক্ষণ কৰাৰ বাবে সমাজৰ প্রতিটো অংশই পালন কৰা কার্যসমূহ পর্যবেক্ষণ কৰে। এইদৰে কার্যনির্বাহীসকলে সমাজত পৰিয়ালৰ ভূমিকা বিশ্লেষণ কৰে। সেয়েহে, পৰিয়ালৰ ভূমিকা বিশ্লেষণ কৰি কার্যনির্বাহী দৃষ্টিকোণে তলত দিয়া দিশসমূহ বিবেচনা কৰে —

পৰিয়ালৰ সামাজিক কার্য ঃ এই দিশটোৱে সমাজৰ বিভিন্ন প্রয়োজনসমূহ

পূৰণ কৰাত পৰিয়ালৰ অৱদানৰ ওপৰত মনোনিৱেশ কৰে।

পৰিয়াল আৰু সমাজ ব্যৱস্থাৰ বিভিন্ন দিশসমূহৰ মাজৰ সম্পৰ্ক ঃ কার্যনির্বাহী দৃষ্টিকোণে পৰিয়াল আৰু সমাজ ব্যৱস্থাৰ আন দিশসমূহ যেনে অর্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ মাজত আন্তঃনির্ভৰশীলতা স্থাপন কৰে।

পৰিয়ালৰ ব্যক্তিকেন্দ্রিক কার্য ঃ এই দিশটোৱে ব্যক্তিত্বৰ স্থিতিশীলতাত পৰিয়ালৰ ভূমিকা চিহ্নিত কৰে।

দুজন বিশিষ্ট কার্যনির্বাহীৰ পৰিয়ালৰ বিশ্লেষণ সম্পর্কে আলোচনা কৰো আহক—

জর্জ পিটাৰ মূর্দক (George Peter Murdock) ঃ মূর্দকে ২৫০ খন সমাজ পৰিদর্শন কৰি বর্ণনা কৰিছে যে এটা পৰিয়ালৰ বহুমূখী উপযোগিতাই ইয়াক সকলো সমাজৰ বাবে অনিবার্য কৰি তুলিছে। তেওঁৰ মতে, প্রত্যেক সমাজত পৰিয়ালে চাৰিটা মৌলিক কার্য সম্পাদন কৰে। সেইবাবে, তেওঁ এই কার্যসমূহক সার্বজনীন কার্য হিচাপে অভিহিত কৰিছে। এইসমূহ হৈছে — যৌন কার্য, প্রজনন কার্য, অর্থনৈতিক কার্য আৰু শৈক্ষিক কার্য। সামাজিক শৃংখলা বজাই ৰখাৰ বাবে প্রত্যেক কার্যৰে আৱশ্যক। পোনপ্রথমে, যৌন আৰু প্রজনন কার্য অবিহনে সমাজত কোনো সদস্য নাথাকে। পৰিয়ালত যৌন কার্যৰ নিয়মসমূহ সামাজিক শৃংখলাৰ ওপৰিও ব্যক্তিৰ মাজত আত্মিক সম্পর্ক শক্তিশালী কৰি তোলে। দ্বিতীয়তে, পৰিয়ালে খাদ্য সৰবৰাহ, সংগ্রহ আৰু প্রস্তুত কৰাৰ যোগেদি অর্থনৈতিক কার্য সম্পাদন কৰে। এই ক্ষেত্রত মূর্দকে পৰিয়ালত শ্রমৰ বিভাজনৰ কথা উল্লেখ কৰিছে, য'ত স্বামী-স্ত্রীয়ে অর্থনৈতিক কার্যৰ দুটা বেলেগ বেলেগ দিশ তত্ত্বাৱধান কৰে। পৰিয়ালে যুৱ প্রজন্মক সামাজিকীকৰণ অথবা শিক্ষাপ্রদানৰ ভূমিকাও পালন কৰে, যিয়ে সংস্কৃতিৰ ভেটি গঠন কৰে।

টেলকট্ পাৰসন্স্ (Talcott Parsons) ঃ পৰিয়ালৰ বিষয়ে বিশ্লেষণ কৰি টেলকট্ পাৰন্স এ ইয়াৰ দুটা কার্যৰ বিষয়ে আলোচনা কৰিছে। প্রথমটো হ'ল শিশুৰ সামাজিকীকৰণত প্রাথমিক মাধ্যম হিচাপে পৰিয়াল আৰু দ্বিতীয়টো হ'ল 'সমাজৰ জনসাধাৰণৰ প্রাপ্তবয়স্ক ব্যক্তিত্বৰ স্থিতিশীলতা'। পৰিয়ালক সামাজিকীকৰণৰ প্রাথমিক মাধ্যম বুলি গণ্য কৰা হয়, কিয়নো ব্যক্তিৰ প্রাৰম্ভিক বছৰসমূহৰ সামাজিকীকৰণ পৰিয়ালতেই সংঘটিত হয়। শিশুৱে পৰিয়ালৰ পৰা প্রাথমিক সামাজিক বৈশিষ্টসমূহ আহৰণ কৰাৰ পিছতহে ওচৰ-চুবুৰীয়া, বিদ্যালয় আদি মাধ্যমসমূহৰ জৰিয়তে সামাজিকীকৰণ সংঘটিত হয়। পাৰন্স - এ যুক্তি দর্শাইছে যে প্রাথমিক সামাজিকীকৰণত দুটা প্রক্রিয়া জড়িত হৈ থাকে। সেই প্রক্রিয়া দুটা হ'ল —

- সংস্কৃতিৰ আভ্যন্তৰীণকৰণ
- ব্যক্তিৰ ব্যক্তিত্বৰ সংগঠন

পাৰন্স্-ৰ মতে যদি ব্যক্তিয়ে সমাজৰ সংস্কৃতি আভ্যন্তৰীণকৰণ কৰিব নোৱাৰে, তেন্তে তেনে সমাজ বর্তি থাকিব নোৱাৰে। কিয়নো ব্যক্তিৰ মাজত সাংস্কৃতিক সহযোগিতা

-মূল্যবোধ আৰু ৰীতি-নীতি অবিহনে সামাজিক জীৱন সম্ভৱ নহ'ব। সেয়েহে, সংস্কৃতি সমাজৰ এক অপৰিহার্য অংগ। সংস্কৃতি কেৱল শিকাই নহয়, তাক আভ্যন্তৰীণকৰণো কৰা হয়। এজন ব্যক্তিয়ে সংস্কৃতিৰ আভ্যন্তৰীণকৰণৰ যোগে ই ব্যক্তিৰ ব্যক্তিত্বৰ সংগঠনৰ এক অংগ হৈ পৰে। পৰিয়ালে বিভিন্ন সামাজিক মূল্যবোধৰ ভিত্তিত শিশুৰ ব্যক্তিত্ব গঠন কৰে। পাৰন্সে আমেৰিকাৰ সংস্কৃতিৰ এক উদাহৰণ প্রদান কৰিছে। আমেৰিকান সংস্কৃতিত স্বাধীনতা আৰু কৃতকার্যতাক অধিক গুৰুত্ব প্রদান কৰা হয়, সেয়েহে আমেৰিকান পৰিয়ালক সন্তানবোৰক স্বাধীন আৰু সাফল্যমুখী কৰি তুলিবলৈ চেষ্টা কৰা হয়। তেওঁ কৈছে যে পৰিয়াল হ'ল 'মানৱ ব্যক্তিত্ব উৎপাদনৰ কাৰখানা'। ইয়াৰোপৰি, পৰিয়ালে আন্তৰিকতা, সুৰক্ষা আৰু পাৰস্পৰিক সমর্থনৰ এক পৰিবেশ প্রদান কৰে, যিয়ে প্রাথমিক সামাজিকীকৰণ প্রক্রিয়া ফলপ্রসূ কৰি তোলে।

দ্বিতীয়তে, ব্যক্তিত্ব গঢ় দিয়াৰ লগতে তাক সুস্থিৰ কৰি ৰখাৰো প্রয়োজন। পাৰন্সৰ মতে এইটো পৰিয়ালৰ আন এক গুৰুত্বপূর্ণ কার্য। ইয়াতেই আন এক প্রতিষ্ঠান বিবাহৰ তাৎপর্যৰ কথা বুজিব পাৰি। বৈবাহিক সম্পর্কই ব্যক্তিক আবেগিক সুৰক্ষা প্রদান কৰে। এই সম্পর্কই দৈনন্দিন জীৱনৰ চাপ আৰু পীড়াক নিষ্ক্রিয় কৰে, যাৰ অবিহনে ব্যক্তি অস্থিতিশীল হৈ পৰাৰ সম্ভৱনা থাকে। ঔদ্যোগিক সমাজ ব্যৱস্থাত এইটো বিশেষভাৱে সত্য য'ত জীৱনধাৰা দ্রুত হয় আৰু পৰিয়াল (প্রায়েই একক পৰিয়াল) বৃহৎ আত্মীয় গোষ্ঠীৰ পৰা স্বতন্ত্র হয়। যিহেতু পৰিয়ালসমূহ তেওঁলোকৰ আত্মীয়-কুটুম্ব অথবা বিস্তৃত পৰিয়ালৰ পৰা পৃথক হৈ থাকে, তেওঁলোকে পূর্বৰ দৰে সুৰক্ষা/শাৰীৰিক, বৃত্তীয় অথবা আৱেগিক লাভ নকৰে। সেয়েহে, দম্পতীসমূহে আৱেগিক সমর্থনৰ বাবে প্রায়েই এজনে আনজনৰ ওপৰত নির্ভৰশীল হৈ পৰে। ইয়েই দম্পতীসমূহৰ মাজৰ বন্ধন শক্তিশালী কৰি তোলে। তেওঁলোকে এজনে আনজনক সুস্থিৰ কৰি ৰখাত সহায় কৰে। কার্যনির্বাহীসকলে দাবী কৰা ধৰণে আমি ইয়াত দেখা পাওঁ যে অস্তিত্ব ৰক্ষাৰ বাবে এটা প্রতিষ্ঠানে আন এটা প্রতিষ্ঠানৰ ওপৰত নির্ভৰশীল হৈ থাকে।

কিন্তু, পৰিয়ালৰ কার্যনির্বাহী দৃষ্টিকোণক বহুতে সমালোচনা কৰিছে কিয়নো, এই দৃষ্টিকোণে পূর্ণসমাযোজিত সন্তান আৰু বুজন স্বামী-স্ত্রী ৰে গঠিত এটা 'আদর্শ' পৰিয়ালৰ চিত্র বর্ণিত কৰিছে। দ্বিতীয়তে, এই দৃষ্টিকোণে কেৱল আমেৰিকান মধ্যবিত্ত শ্রেণীৰ পৰিয়ালক চিত্রিত কৰিছে। সেয়েহে এই সাদৃশ্যতাক 'সাধাৰণ' বুলি গণ্য কৰিব নোৱাৰি। পৰিয়ালৰ আন এক দৃষ্টিকোণৰ বিষয়ে আলোচনা কৰোঁ আহক।

১১.৩.২ পৰিয়ালৰ মার্ক্সবাদী দৃষ্টিভংগী

মার্ক্সবাদী সমাজতত্ত্ববিদসকলে কার্ল মার্ক্সৰ দ্বান্দ্বিক বস্তুবাদ তত্ত্ব (Theory of Dialectical Materialism) ৰ ব্যৱহাৰ কৰি সমাজৰ বিভিন্ন দিশসমূহ বুজাবলৈ

চেষ্টা কৰে আৰু পৰিয়াল ইয়াৰ এক অন্যতম দিশ। মার্ক্সৰ মতে, প্ৰত্যেক সমাজত এটা সৰু অংশৰ হাতত উৎপাদন মাধ্যনৰ মালিকীস্বত্ব থাকে (এইটো তেওঁলোকৰ ব্যক্তিগত সম্পত্তি) আৰু তেওঁলোকক হেভছ্ (haves) বুলি জনা যায়। আনবোৰ, যি সংখ্যাগৰিষ্ঠ আৰু যাৰ উৎপাদন মাধ্যমৰ মালিকীস্বত্ব নাথাকে, তেওঁলোকক হেভ নটছ্ (have nots) বুলি কোৱা হয়। যিহেতু হেভ নটছ্সকলৰ হাতত উৎপাদনৰ মালিকীস্বত্ব নাথাকে, তেওঁলোকে হেভছ্ ৰ বাবে কাম কৰিবলৈ বাধ্য হয়। যিহেতু হেভ নটছসকলক হেভছ এ নিযুক্তি দিয়ে আৰু তেওঁলোক হেভছ্ৰ ওপৰত নির্ভৰশীল হৈ থাকে, সেয়েহে এই নির্ভৰশীলতাই হেভছ্ ৰ বাবে হেভ নটছ্সকলক কৰা শোষণৰ উৎস হৈ পৰে। এই বোধগম্যতাই সমাজ বিশ্লেষণৰ মৌলিক ভিত্তি হৈ পৰে আৰু পৰিয়াল ইয়াৰ এক অন্যতম দিশ। মার্ক্সৰ সহযোগী ফ্ৰেডৰিক এঙ্গেলস্ (Friedrich Engles) এ তেওঁৰ গ্ৰন্থ 'The Origin of the Family, Private Property and State' পৰিয়ালৰ উৎস আৰু বিৱর্তনৰ বিষয়ে উল্লেখ কৰিছে।

এঙ্গেলছ্ ৰ মতে মানৱ ইতিহাসৰ আদিম স্তৰত উৎপাদনৰ মালিকীস্বত্ব সম্প্ৰদায়ৰ হাতত ন্যস্ত আছিল। সেই সময়ত পৃথক পৰিয়ালৰ ধাৰণাৰ সৃষ্টি হোৱা নাছিল আৰু সমাজখনেই এটা পৰিয়াল আছিল। একেদৰে যৌন সম্পর্কৰ বাবেও কোনো নাতি-নিয়ম নাছিল। মানৱ ইতিহাসৰ এই স্তৰত প্ৰতিশ্ৰুতিৰ বৈশিষ্ট্য দেখিবলৈ পোৱা গৈছিল। তেওঁ অনুমান কৰিছিল যে প্ৰতিশ্ৰুতি, বিবাহ আদিৰ পৰা পৰিয়ালৰ বিভিন্ন স্তৰৰ জৰিয়তে বিৱর্তন হৈছিল। প্ৰতিটো স্তৰত প্ৰত্যেক ব্যক্তিৰ প্ৰাপ্য সংগীৰ সংখ্যাৰ ওপৰত বর্ধিত সীমাবদ্ধতা আৰোপ কৰা হৈছিল। ব্যক্তিগত সম্পত্তিৰ ধাৰণা সৃষ্টি হোৱাৰ লগে লগে একক পৰিয়ালৰ ধাৰণাৰো উদ্ভৱ হ'ল। সম্পত্তিৰ উত্তৰাধিকাৰৰ সমস্যা সমাধানৰ বাবেই এনে পৰিয়ালৰ সৃষ্টি হ'ল। ব্যক্তিগত সম্পত্তি বৈধ উত্তৰাধিকাৰীলৈ স্থানান্তৰিত হোৱাৰ বাবে মহিলাৰ যৌনতাৰ ওপৰত সীমাবদ্ধতা আৰোপ কৰা হৈছিল, যাতে সন্তানৰ পিতৃত্ব সম্পর্কে বিভ্ৰান্তিৰ সৃষ্টি নহয়।

১১.৩.৩ পৰিয়ালৰ নাৰীবাদী বিশ্লেষণ

পুঁজিবাদী বিশ্বত পৰিয়ালৰ ধাৰণা বিশ্লেষণৰ বাবে বহুতো নাৰীবাদীয়ে মার্ক্সবাদী তত্ত্ব ব্যৱহাৰ কৰে। মার্গাৰেট বেনষ্টোন (Margaret Benston) ৰ দৰে নাৰীবাদীসকলৰ মতে আধুনিক পুঁজিবাদী বিশ্বত পৰিয়াল হ'ল উৎপাদনৰ এক একক, যিয়ে শ্ৰম উৎপাদন কৰে। শ্ৰম হৈছে পুঁজিবাদৰ এক মৌলিক পণ্য এই উৎপাদন অতি কম খৰচত কৰা হয়, কিয়নো পুঁজিপতিসকলে সন্তানৰ (ভৱিষ্যতৰ শ্ৰম) উৎপাদন আৰু ৰক্ষণাবেক্ষণৰ বাবে অর্থ ব্যয় কৰিবলগীয়া নহয়। 'গৃহকর্মী' (housewives) মহিলাসকলৰ ক্ষেত্ৰত এইটো বিশেষভাৱে প্ৰযোজ্য। এই মহিলাসকলে বিনাবেতনৰ শ্ৰমিক হিচাপে ঘৰৰ আটাইবোৰ কাম কৰে, যেনে সন্তানৰ জন্ম আৰু লালন-পালন, কর্মক্ষেত্ৰত কার্যদক্ষতা

সুনিশ্চিত কৰিবলৈ স্বামীৰ যত্ন লোৱা ইত্যাদি। পুঁজিবাদী ব্যৱস্থাত স্বামীয়ে সন্মুখীন হোৱা হতাশা তথা নিৰাশাসমূহ পত্নীৰ আৱেগিক সমর্থনে দূৰ কৰিব পাৰে। এন্সলি (Ansley) এ দর্শাইছে যে, 'যেতিয়া পত্নীয়ে কষ্টেৰে তেওঁলোকৰ পৰম্পৰাগত ভূমিকা পালন কৰে, তেওঁলোকে প্রায়েই নিজৰ ক্ষমতাহীনতা আৰু নির্যাতনৰ জৰিয়তে স্বামীৰ খং আৰু হতাশাৰ শাস্তি পন্থা হাতত লোৱা হয়। ইয়াৰ জৰিয়তে মূখ্যনেতা/কর্মকর্তা সুৰক্ষিত হৈ থাকে।

পুঁজিপতিসকলৰ বাবে ই লাভজনক, কিয়নো তেওঁলোকে মহিলাক ঘৰুৱা কামৰ বাবে বেতন দিবলগীয়া নহয়। মহিলাক ঘৰুৱা কামৰ বেতন দিবলৈ হ'লে সম্পদৰ পুনৰ বিতৰণৰ প্রয়োজন হ'ব। আকৌ, স্বামীয়ে ভৰিষ্যতৰ শ্রমৰ (সন্তান) উৎপাদন আৰু লালন-পালনৰ বাবে অর্থ ব্যয় কৰিবলগীয়া হয়। সেয়েহে পুঁজিবাদী ব্যৱস্থাত শোষণৰ সন্মুখীন হোৱা স্বত্বেও তেওঁ কর্মক্ষেত্রত নিয়োজিত হৈ থাকে আৰু কর্মক্ষেত্রত কোনো ধৰণৰ চুক্তিৰ পৰা বিৰত থাকে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ a) `The Origin of the Family, Private Property and Society' নামৰ গ্রন্থখনৰ লিখক কোন?

b) পৰিয়ালৰ দুটা কার্য উল্লেখ কৰক।

১১.৪ বিবাহৰ অর্থ আৰু সংজ্ঞা

মেলিনস্কী (Malinowski) ৰ মতে, বিবাহ হ'ল "সন্তানৰ জন্ম আৰু ৰক্ষণাবেক্ষণৰ বাবে কৰা এক চুক্তি"।

এডৱার্ড ৱেষ্টাৰমার্ত (Edward Westermarch) ৰ মতে বিবাহ হ'ল 'পুৰুষ আৰু মহিলাৰ মাজত কম-বেছি পৰিমাণে এক স্থিতিশীল সংযোগ যি সন্তানৰ জন্মৰ পৰৱর্তী সময়তো বংশ বিস্তাৰতকৈ দীর্ঘস্থায়ী হয়।"

১১.৪.১ বিবাহৰ বৈশিষ্ট্য

সার্বজনীন ঃ বিবাহৰ এক প্রধান বৈশিষ্ট্য হৈছে ইয়াৰ সার্বজনীনতা। যদিও বিবাহৰ প্রকাৰ বেলেগ বেলেগ, আদিম যুগৰ পৰা আধুনিক সমাজলৈ প্রত্যেকতে বিবাহৰ অস্তিত্ব দেখিবলৈ পোৱা যায়।

বিবাহ পৌৰ বা ধর্মীয় অনুষ্ঠান সম্পাদনৰ লগত জড়িত ঃ বিবাহক দুগৰাকী ব্যক্তিৰ মাজৰ পবিত্র বন্ধন বুলি গণ্য কৰা হয়। সেয়েহে বিবাহ সম্পন্ন কৰোতে বিভিন্ন ধর্মীয় অনুষ্ঠান অনুষ্ঠিত কৰা হয়।

বিবাহৰ বাবে সামাজিক স্বীকৃতিৰ প্ৰয়োজন ঃ বিবাহ সহবাসৰ পৰা পৃথক হয়। সহবাস কৰিবলৈ দুজন ব্যক্তিৰ স্বীকৃতি প্ৰয়োজন, কিন্তু বিবাহে সামাজিক স্বীকৃতি বিচাৰে। এই স্বীকৃতি বিবাহৰ সময়ত মানুহৰ বিশাল সমাবেশৰ জৰিয়তে প্ৰকাশ কৰা হয়। বৰ্তমান এই স্বীকৃতি আইনী ব্যৱস্থাৰ জৰিয়তে অৰ্জন কৰা হয়। এই ব্যৱস্থাত মানুহ বিশাল সমাবেশৰ প্ৰয়োজন নহয়।

বিবাহে সামাজিক বাধ্যবাধকতা নিৰূপণ কৰে ঃ দুগৰাকী ব্যক্তিৰ মাজৰ বৈবাহিক সম্পৰ্ক যৌন সম্পৰ্কতকৈ বেলেগ হয়, কিয়নো বিবাহে এজনে আন জনৰ প্ৰতি থকা অধিকাৰ আৰু কৰ্তব্য নিৰূপণ কৰে। এই ক্ষেত্ৰত সামাজিক স্বীকৃতি গুৰুত্বপূৰ্ণ হৈ পৰে, কাৰণ সমাজে দুজন ব্যক্তিৰ এজনে আনজনক প্ৰদান কৰা সন্মতি সাক্ষী হৈ পৰে। সামাজিক বাধ্যবাধ্যকতা উলংঘন কৰিলে সমাজে তেনে ব্যক্তিক শাস্তি প্ৰদান কৰে।

বিবাহে পৰিয়ালৰ ভেটি গঠন কৰে ঃ ইয়াৰ পূৰ্বৱৰ্তী খণ্ডত আমি শিকিছো যে পৰিয়াল হ'ল সমাজৰ প্ৰাথমিক গোট। কিন্তু দুজন ব্যক্তিৰ মাজত বৈবাহিক সম্পৰ্কইহে পৰিয়ালৰ সৃষ্টি কৰে।

১১.৪.২ বিবাহৰ প্ৰকাৰ

বিবাহ তিনি প্ৰকাৰৰ। এইবোৰ তলত উল্লেখ কৰা হ'ল —

একগামিতা/একবিবাহ (Monogamy) ঃ এই প্ৰকাৰৰ বিবাহ ব্যাপকভাৱে প্ৰচলিত। ইয়াত এজন পুৰুষে এগৰাকী মহিলাৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। কিছুমান সমাজত এজন ব্যক্তিয়ে তেওঁৰ স্বামী/স্ত্ৰীৰ মৃত্যু অথবা বিবাহ বিচ্ছেদ হ'লে পুনৰাই বিবাহ কৰাৰ অনুমতি লাভ কৰে। ইয়াক ক্ৰমিক একবিবাহ হিচাপে জনা যায়। কিন্তু কিছুমান সমাজত পুনৰ্বিবাহক পৃষ্ঠপোষকতা কৰা নহয়। এনে ব্যৱস্থাক পোনপটীয়া একবিবাহ বোলা হয়। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষত উচ্চবৰ্ণৰ মহিলাসকলক স্বামীৰ মৃত্যুৰ পিছত পুনৰ্বিবাহৰ সন্মতি দিয়া নহয়। কিন্তু, পুৰুষসকলৰ ওপৰত এনে নিষেধাজ্ঞা আৰোপ কৰা নহয় আৰু পত্নীৰ মৃত্যুৰ পিছতো তেওঁলোকে পুনৰ্বিবাহ কৰিব পাৰে।

বহুগামিতা/বহুবিবাহ ঃ এনেধৰণৰ বিবাহত এজন ব্যক্তিয়ে এজনতকৈ অধিক সংগীৰ সৈতে বিবাহপাশত আবদ্ধ হয়। এই বিবাহ দুই প্ৰকাৰৰ — বহুপত্নী প্ৰথা (Polygyny) আৰু বহুপতি প্ৰথা (Polyandry)। বহুপত্নী প্ৰথাত এজন ব্যক্তিৰ একে সময়তে এগৰাকীতকৈ অধিক পত্নী থাকে, আনহাতে বহুপতি প্ৰথাত এগৰাকী মহিলাৰ একে সময়তে বহুতো স্বামী থাকে। উত্তৰাঞ্চলৰ খস্ (Khasas) সমাজৰ দৰে কিছুমান সমাজত ভ্ৰাতৃসুলভ বহুপতি প্ৰথা দেখিবলৈ পোৱা যায়। অৰ্থাৎ এটা পৰিয়ালৰ আটাইকেইজন ভ্ৰাতৃয়ে এগৰাকী মহিলাৰ সৈতে বিবাহপাশত আবদ্ধ হয়। যিবোৰ সমাজত কঠিন পাৰিবেশিক আৰু অৰ্থনৈতিক অৱস্থা বিৰাজমান তেনে সমাজত

এই বিবাহ পৰিলক্ষিত হয়। এই কঠিন অর্থনৈতিক অৱস্থাই এজন পুৰুষৰ বাবে এক স্বতন্ত্র পৰিয়াল চলোৱাত অসুবিধাৰ সৃষ্টি কৰে।

দলীয় বিবাহ ঃ এই প্রথাত দুগৰাকীতকৈ অধিক মহিলাই দুজনতকৈ অধিক পুৰুষৰ সৈতে বিবাহ পাশত আবদ্ধ হয়। এনে প্রথাত প্রতিগৰাকী ব্যক্তিয়ে দলটোৰ আন বিপৰীত লিংগৰ সদস্যৰ স্বামী/স্ত্রী। আন অর্থত, স্বামীবোৰ উমৈহতীয়া স্বামী আৰু পত্নীসকল উমৈহতীয়া পত্নী। এনে বিবাহৰ পৰা জন্ম হোৱা সন্তানক দলীয় সন্তান হিচাপে গণ্য কৰা হয়। সাধাৰণতে, এনে বিবাহ বিৰল আৰু প্রায় বিলুপ্তিৰ পথত।

১১.৪.৩ বিবাহ বিধি

প্রত্যেক সমাজেই সংগী নির্বাচনৰ ক্ষেত্রত কিছুমান নিয়ম পালন কৰে। সেয়েহে এজন ব্যক্তিয়ে কাৰ সৈতে বিবাহ পাশত আবদ্ধ হ'ব , সেই সম্বন্ধে প্রত্যেক সমাজত কিছুমান নির্দিষ্ট নিয়ম আছে। এনে কিচুমান নিয়ম তলত উল্লেখ কৰা হ'ল —

- অন্তর্বিবাহ হৈছে এনে এক বিবাহ, য'ত এজন ব্যক্তিয়ে তেওঁৰ নির্দিষ্ট দলৰ ভিতৰতহে বিবাহ কৰাব পাৰে। তেনে দল এটা শ্রেণী, বর্ণ, জনজাতি, ধর্ম অথবা এটা সম্প্রদায় হ'ব পাৰে। উদাহৰণস্বৰূপে, আমি প্রায়েই শুনো যে, ভাৰতবর্ষত কিছুমান সম্প্রদায়ত একে বর্ণৰ ব্যক্তিৰ মাজতহে বিবাহ সম্বন্ধ গঠন কৰা হয়।
- অসবর্ণ বিবাহ হৈছে এনে এক বিবাহ, য'ত ব্যক্তিয়ে নিজৰ দলৰ বাহিৰৰ ব্যক্তিৰ সৈতেহে বিবাহত আবদ্ধ হ'ব পাৰে। এই দল এটা গোত্র অথবা বংশ বা গাওঁ হ'ব পাৰে। উদাহৰণস্বৰূপে এটা বংশ/গোষ্ঠীৰ মাজত আন বহুতো বংশ/গোষ্ঠী থাকিব পাৰে। অসমৰ মিছিং জনগোষ্ঠীৰ মাজত বহুতো বংশ আছে যিয়ে পেগু, দলে, পাটিৰ আদি উপাধি গ্রহণ কৰে। দুজন মিছিং লোকৰ মাজত বিবাহ সম্পন্ন হ'ব পাৰে (অন্তর্বিবাহ)। কিন্তু তেজৰ সম্পর্ক নথকা স্বত্বেও এজন পেগু উপাধিৰ ল'ৰাই পেগু উপাধিধাৰী ছোৱালী এজনীক বিবাহ কৰাব নোৱাৰে। এয়াই অসবর্ণ বিবাহ। ইয়াৰ কাৰণ হ'ল যদিও তেওঁলোকৰ মাজত তেজৰ সম্পর্ক নাই, কিন্তু তেওঁলোক দূৰৱর্তী আত্মীয়। সেয়েহে তেওঁলোকক ভাতৃ-ভগ্নী হিচাপেহে গণ্য কৰা হয়। আকৌ কিছুমান গাঁৱত ল'ৰা-ছোৱালী একেলগে থাকি ডাঙৰ-দীঘল হোৱা বাবে তেওঁলোককো ভাতৃ-ভগ্নীৰ দৃষ্টিৰে চোৱা হয়। সেয়েহে একেই গাঁৱত বসবাস কৰা লোকসকলৰ মাজত বিবাহ সম্বন্ধ সন্মতি দিয়া নহয়।

১১.৪.৪ সংগী নির্বাচন প্রক্রিয়া

আমি ইতিমধ্যে গম পাইছো যে বিবাহ হৈছে এক সামাজিক প্রক্রিয়া আৰু

এই প্ৰক্ৰিয়াত তলত উল্লেখ কৰা নিৰ্দিষ্ট কিছুমান সামাজিক নিয়মাৱলী জড়িত হৈ থাকে। এনে ক্ষেত্ৰত সংগী নিৰ্বাচন এক গুৰুত্বপূৰ্ণ দিশ। সংগী নিৰ্বাচন প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰি আমি বিবাহক তলত দিয়া ধৰণে শ্ৰেণীবিভাগ কৰিব পাৰো —

আয়োজিত বিবাহ (Arranged Marriage) ঃ কিছুমান সমাজত যেনে হিন্দুসকলৰ মাজত পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ বাবে এগৰাকী সুযোগ্য সংগী নিৰ্বাচন কৰাৰ দায়িত্ব লয়। এনে বিবাহত ব্যক্তিয়ে তেওঁৰ সম্ভাব্য সংগী সম্পৰ্কে নিজৰ পছন্দ, অপছন্দ ইত্যাদি প্ৰকাশ কৰিব নোৱাৰে। এনধৰণৰ বিবাহ ভাৰতবৰ্ষৰ বিভিন্ন সম্প্ৰদায়ৰ মাজত এতিয়াও প্ৰচলিত হৈ আছে।

প্ৰেম বিবাহ (Love Marriage) ঃ বেছিভাগ সমাজত ব্যক্তিয়ে প্ৰাপ্তবয়স্ক হোৱাৰ লগে লগে তেওঁৰ বিবাহপ্ৰাৰ্থী নিৰ্বাচন কৰিব পাৰে। সাধাৰণতে এনে ক্ষেত্ৰত ব্যক্তিয়ে ইজনে আনজনক বুজি পাবৰ বাবে একেলগে সময় অতিবাহিত কৰে। ইজনে আনজনক বিবাহ কৰোৱাৰ সিদ্ধান্ত লোৱাৰ লগে লগে তেওঁলোকে সামাজিক স্বীকৃতি বিচাৰে। এই প্ৰকাৰৰ বিবাহকে ভাৰতত প্ৰেম বিবাহ হিচাপে জনা যায়। কিন্তু, ভাৰতবৰ্ষৰ পুৰণি সাহিত্যত গন্ধৰ্ব বিবাহ হিচাপে এইধৰণৰ বিবাহৰ নিদৰ্শন পোৱা যায়।

ইয়াৰ উপৰিও সংগী নিৰ্বাচন প্ৰক্ৰিয়াৰ আন কিছুমান প্ৰকাৰ আছে, যিবোৰ জনজাতীয় সমাজত পৰিলক্ষিত হয়। এইবোৰ তলত উল্লেখ কৰা হ'ল —

সেৱাৰ মাধ্যেমেৰে সংগী নিৰ্বাচন ঃ কিছুমান জনজাতীয় সমাজত এটা প্ৰথা প্ৰচলিত হৈ আছে, য'ত সম্ভাব্য দৰাই কইনাৰ পৰিয়ালত এক নিৰ্দিষ্ট সময়ৰ বাবে সেৱা প্ৰদান কৰে। যদি কইনাৰ পিতৃয়ে এই সেৱাৰ দ্বাৰা সন্তুষ্ট হয়, তেতিয়া তেওঁ বিবাহত সন্মতি প্ৰদান কৰে।

বন্দী বিবাহ ঃ কিছুমান সম্প্ৰদায়ৰ মাজত বিবাহৰ সামাজিক স্বীকৃতিৰ বাবে দৰাই এগৰাকী কইনা বন্দী কৰি অনাৰ প্ৰয়োজন। কিন্তু, বেছিভাগ জনগোষ্ঠীৰ মাজত এই বন্দীত্ব পূৰ্বআয়োজিত অথবা আনুষ্ঠানিক।

বিচাৰ বিবাহ ঃ এনেধৰণৰ বিবাহত এজন ব্যক্তিয়ে বিবাহ কৰোৱাৰ আগত তেওঁৰ শক্তি প্ৰমাণ কৰিব লাগে। ভীল সকলৰ সাম্প্ৰদায়িক উৎসৱত বিভিন্ন ধৰণৰ খেলৰ আয়োজন কৰি যুৱকসকলক শক্তি প্ৰদৰ্শনৰ সুবিধা প্ৰদান কৰা হয়।

অনাধিকাৰ প্ৰৱেশৰ দ্বাৰা বিবাহ ঃ এনে ধৰণৰ বিবাহত বিবাহ কৰিবলৈ কইনাজনীয়ে ল'ৰাজনৰ ঘৰত অনাধিকাৰভাৱে প্ৰৱেশ কৰে। ছোৱালীজনীয়ে ল'ৰাজনৰ সন্মতিৰ বাবে আটাইবোৰ ঘৰুৱা কাম-কাজ কৰে। লগতে ল'ৰা ঘৰৰ অত্যাচাৰ আৰু তিৰস্কাৰ সহ্য কৰে।

পৰীক্ষামূলক বিবাহ ঃ এনে বিবাহত বিবাহৰ পূৰ্বেই ইজনে আনজনৰ সামঞ্জস্য পৰীক্ষা কৰিবৰ বাবে দুগৰাকী ব্যক্তিয়ে সহবাস কৰে। তাৰপিছতহে তেওঁলোকে বিবাহ পতা/নপতা সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰে।

১১.৫ অজাচাৰ নিষিদ্ধতা

প্ৰত্যেক সমাজেই সম্ভাব্য দৰা অথবা কইনা নিৰ্বাচন সম্পৰ্কে কিছুমান নিয়ম পালন কৰে। কিছুমান সমাজত এই নিয়মসমূহ দৃঢ় আৰু কিছুমানত শিথিল হয়। কিন্তু, সকলো সমাজে পালন কৰা নিয়মটো হ'ল তেজৰ সম্পৰ্ক থকা লোকৰ মাজত যৌন সম্পৰ্ক অথবা বিবাহৰ নিষিদ্ধতা। উদাহৰণস্বৰূপে, পিতা আৰু পুত্ৰী, মাতৃ আৰু পুত্ৰ, ভাতৃ আৰু ভগ্নীৰ মাজৰ যৌন সম্পৰ্কক অজাচাৰ হিচাপে জনা যায় আৰু সকলো সমাজত এই সম্পৰ্ক নিষিদ্ধ।

১১.৬ সম্বন্ধ অথবা আত্মীয়তা (Kinship System)

বিভিন্ন দলৰ সমষ্টিৰে এজন সমাজ গঠিত হয়। আমি ইতিমধ্যে শিকিছো যে পৰিয়াল হৈছে সমাজৰ প্ৰাথমিক গোট। আত্মীয়তা হ'ল প্ৰত্যেক সমাজৰে মৌলিক সাংগঠনিক নীতি। এই আত্মীয়তাই ব্যক্তি আৰু দল/গোটসমূহৰ মাজত এক সম্পৰ্ক স্থাপন কৰে। অন্য অৰ্থত, ই হৈছে কিছুমান নিয়মাৱলী, যিয়ে ব্যক্তিৰ পৰস্পৰৰ মাজত থকা সম্পৰ্ক নিৰূপণ কৰে। উদাহৰণস্বৰূপে, এটা পৰিয়ালত সন্তানে পিতৃ-মাতৃৰ সৈতে তেজৰ সম্পৰ্কেৰে সম্বন্ধিত হৈ থাকে, কিন্তু স্বামী-স্ত্ৰী বিবাহ সম্বন্ধেৰে একত্ৰিত হৈ থাকে। সেয়েহে ব্যক্তিয়ে এজনে আনজনৰ সৈতে সগোত্ৰীয় আত্মীয়তা অৰ্থাৎ তেজৰ সম্পৰ্কেৰে বান্ধ খাই থাকে অথবা বিবাহ সম্বন্ধ অৰ্থাৎ স্নেহ বান্ধোনেৰে এক হৈ থাকে। আমি কিছুমান আত্মীয় জন্মসূত্ৰে লাভ কৰো। আমি তেওঁলোকক নিৰ্বাচন কৰিব নোৱাৰো। কিন্তু, বৈবাহিক সম্পৰ্কই আমাক আত্মীয় স্বজন বাছনি কৰাৰ সুবিধা প্ৰদান কৰে। সেয়েহে আমি সগোত্ৰীয় আত্মীয়সকলৰ সৈতে তেজৰ সম্পৰ্কেৰে বান্ধ খাই থাকো। আত্মীয়তাই পৰিবাৰিক সম্পত্তিৰ উত্তৰাধিকাৰ নিৰ্ধাৰণ কৰে।

১১.৬.১ বিভিন্ন আত্মীয়ৰ মাজত প্ৰভেদ

আমাৰ বহুতো আত্মীয় আছে। প্ৰত্যেক সমাজত এই আত্মীয়সকলক বিভিন্ন নামেৰে জনা যায়। ই বিভ্ৰান্তি হ্ৰাস কৰে। হেৰী এম. জনছনৰ মতে আত্মীয় প্ৰকাৰৰ ছটা প্ৰভেদ পৰিলক্ষিত হয় আৰু এইবোৰ হ'ল —

লিংগ ঃ 'ভাতৃ' বা 'ভগ্নী' এই শব্দবোৰে আত্মীয়ৰ লিংগ নিৰ্ধাৰণ কৰে।

প্ৰজন্ম ঃ 'মাতৃ' আৰু 'পুত্ৰী' — এই শব্দবোৰে দুটা বেলেগ বেলেগ প্ৰজন্মক নিৰ্দেশ কৰে কিন্তু ভ্ৰাতা (cousin) শব্দটোৱে একে প্ৰজন্মক সূচায়।

স্নেহ সম্বন্ধ ঃ কিছুমান সমাজত স্নেহাত্মীয় আৰু সগোত্ৰীয় আত্মীয়ক বুজাবলৈ বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰা হয়। উদাহৰণস্বৰূপে, উত্তৰ ভাৰতৰ বেছিভাগ অঞ্চলতেই মাতামহ/মামা-ককাক বুজাবলৈ 'নানা' আৰু পিতামহক বুজাবলৈ 'দাদা' শব্দ ব্যৱহৃত হয়।

সমপার্শ্বিকতা ঃ এজন ব্যক্তিৰ সমান্তৰাল আত্মীয়স্বজনসমূহ হৈছে ব্যক্তি গৰাকীৰ সহোদৰ ভাতৃ-ভগ্নী, বংশগত ভাই-ভনীসমূহ (বংশানুক্রমিক আত্মীয়ৰ উদাহৰণ হ'ল পিতামহ, পিতৃ, পুত্ৰ, পৌত্ৰ/নাতি) আৰু এই দুটা গোটৰ আটাইবোৰ বংশধৰ।

দ্বিখণ্ডন ঃ কেতিয়াবা আত্মীয়ক বুজাবলৈ ব্যৱহাৰ কৰা শব্দসমূহে ব্যক্তিৰ আত্মীয়ৰ লিংগ নির্ধাৰণ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে, 'ভতিজী' শব্দটোৱে ভাইৰ ছোৱালী নে ভনীৰ ছোৱালী সেইটো সুস্পষ্ট নকৰে। ঠিক তেনেদৰে, অসমীয়া ভাষাৰ 'আইতা' শব্দটোৱে মাকৰ মাক নে দেউতাকৰ মাকক বুজাইছে সেইটো নিশ্চিত নকৰে।

সংযোগ ঃ স্নেহাত্মীয় জন আন এজন স্নেহাত্মীয়ৰ জৰিয়তে ব্যক্তিৰ লগত জড়িত হৈ আছে নে এজন সগোত্রীয় আত্মীয়ৰ জৰিয়তে জড়িত, সেইটো স্পষ্ট নোহোৱাৰ বাবেই সংযোগৰ গুৰুত্ব আছে। উদাহৰণস্বৰূপে, sister-in-law শব্দটোৱে জড়িত হৈ থকা আত্মীয়জনক স্পষ্ট নকৰে (ভাতৃ, পতি, পত্নী)।



জানি থোৱা ভাল

নেতৃত্বত আমি (ego) শব্দটোৱে মূল ব্যক্তিজনক বুজায়, যাৰ পৰা আত্মীয় স্বজন আৰু পাৰিবাৰিক সম্পর্কৰ সংযোগ স্থাপন কৰিব পাৰে।

১১.৬.২ বংশ

পাৰিবাৰিক সম্পত্তিৰ উত্তৰাধিকাৰী হ'বৰ বাবে কিছুমান নীতিৰ জৰিয়তে ব্যক্তিৰ অন্তর্ভুক্তিকৰণ আৰু সম্ভাৱনীয়তা নির্ধাৰণ কৰা হয়। ইয়াকেই বংশ অথবা উৎপত্তি বোলা হয়। কিছুমান সমাজত সন্তানক কেৱল পিতৃৰ পৰিয়ালৰ বংশধৰ হিচাপেহে গণ্য কৰা হয়। এই ব্যৱস্থাটোক পিতৃপ্রধান বংশ বোলা হয়। আনহাতে, কিছুমান সমাজত সন্তানক মাতৃৰ পৰিয়ালৰ বংশধৰ হিচাপে গণ্য কৰা হয়। এনে ব্যৱস্থাক সমাজক মাতৃপ্রধান বংশ বোলা হয়। এই দুই ব্যৱস্থাকে একান্ত বংশ ব্যৱস্থা বোলা হয়। এনে সমাজক দ্বিপক্ষীয় সমাজ বোলা হয়। অর্থাৎ, বংশৰ তিনিটা প্রধান নিয়ম হ'ল — পিতৃপ্রধান, মাতৃপ্রধান আৰু দ্বিপক্ষীয়। পিতৃপ্রধান সমাজত পিতৃ হৈছে প্রধান জনক আৰু মাতৃ কেৱল স্নাতৰ বাহক। এনে সমাজত পাৰিবাৰিক সম্পত্তিৰ অধিকাৰ পিতৃয়ে পুত্ৰৰ হাতত অর্পণ কৰে আৰু পৰিয়ালৰ সিদ্ধান্ত গ্রহণ ক্ষমতা জেষ্ঠ পুৰুষ সদস্যৰ হাতত থাকে। এনেধৰণৰ সমাজত জীয়ৰীসকলক পিতৃৰ ঘৰৰ ক্ষন্তেকীয়া অতিথি হিচাপে জ্ঞান কৰা হয়। লোকসংস্কৃতি আৰু লোকগীতসমূহেও এই কথাকে সূচায়। কিন্তু, লক্ষ্য কৰা যায় যে বিয়াৰ পিছতো জীয়ৰীবিলাকৰ পিতৃৰ পৰিয়ালৰ সৈতে ঘনিষ্ঠ আৱেগিক আৰু আনুষ্ঠানিক সম্পর্ক থাকে। উদাহৰণস্বৰূপে, ভাৰতবর্ষৰ বিভিন্ন সমাজত মোমায়েকে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। 'অন্নপ্রসন্ন' ৰ দৰে অনুষ্ঠানত মোমায়েকৰ উপস্থিতি

বিশেষভাৱে প্ৰয়োজনীয়। আনহাতে, মাতৃপ্ৰধান সমাজসমূহত পাৰিবাৰিক সম্পত্তি মাতৃৰ পৰা পুত্ৰীলৈ অথবা মাতৃৰ ভাতৃৰ পৰা ভগ্নীৰ পুত্ৰলৈ স্থানান্তৰ কৰা হয়। উদাহৰণস্বৰূপে, কেৰেলাৰ 'নায়াৰ' সম্প্ৰদায় মাতৃপ্ৰধান আৰু তেওঁলোকে মাতৃতান্ত্ৰিক আবাস ব্যৱস্থা মানি চলে। পৰিয়ালসমূহ ভগ্নী, ভগ্নীৰ সন্তান আৰু ভগ্নীপুত্ৰীৰ সন্তানসমূহেৰে গঠিত। তেওঁলোকে এটা ঘৰতেই বসবাস কৰে, যাক তাৰাভাৰ (taravad) বুলিও জনা যায়। স্বামীয়ে স্ত্ৰীক দেখা কৰিবলৈ স্ত্ৰীয়ে বাস কৰা তাৰাভাৰ লৈ আহে। মেঘালয়ৰ খাছী জনগোষ্ঠীৰ মাজতো মাতৃপ্ৰধান ব্যৱস্থাৰ প্ৰচলন দেখিবলৈ পোৱা যায়। খাছী সমাজত পৰিয়ালৰ আটাইতকৈ সৰু কন্যাজনীয়ে পৰিয়ালৰ সম্পত্তিৰ উত্তৰাধিকাৰ লাভ কৰে। কিন্তু পৰিয়ালৰ সম্পত্তিৰ ক্ষেত্ৰত সিদ্ধান্ত লোৱাৰ ক্ষমতা মোমায়েকৰ হাতত থাকে। জেষ্ঠ কন্যাজনীয়ে সাধাৰণতে বিয়া হৈ পৰিয়ালৰ পৰা আতৰি গৈ স্বামীৰ সৈতে পৃথকভাৱে একক পৰিয়াল গঠন কৰে। মেঘালয়ৰ গাৰো জনগোষ্ঠীয়েও মাতৃপ্ৰধান সমাজ ব্যৱস্থা মানি চলে। বিবাহৰ পিছত স্বামীয়ে স্ত্ৰীৰ ঘৰত থাকিবলৈ লয়। কিন্তু স্বামী, স্ত্ৰীৰ পৰিয়ালৰ সম্পত্তিৰ ব্যৱস্থাপক আৰু পৰিয়াল প্ৰধান (স্ত্ৰীৰ পিতৃৰ মৃত্যুৰ পাচত) হৈ পৰে।



অনুশীলনী ১

পাৰিবাৰিক সংকটৰ এক পৰিস্থিতি মনত পেলাওক। আপুনি আৰু আপোনাৰ পৰিয়ালে তোমালোকৰ আত্মীয়ৰ পৰা কেনেধৰণৰ সমৰ্থন (আৱেগিক, বিত্তীয়, শাৰিৰীক) লাভ কৰিছিলা, সেইবিষয়ে আলোচনা কৰা।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ a) বিভিন্ন বংশ ব্যৱস্থাসমূহ উল্লেখ কৰা।

b) এখন মাতৃপ্ৰধান সমাজ / জনজাতিৰ নাম কোৱা।



১১.৭ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- পৰিয়াল হ'ল সামাজিক সংগঠনৰ মৌলিক গোট।
- কাৰ্যনিৰ্বাহীসকলে সামাজিক প্ৰয়োজনসমূহ পূৰণ কৰাত পৰিয়ালৰ অৱদানৰ ওপৰত মনোনিৱেশ কৰে।
- কাৰ্যনিৰ্বাহী দৃষ্টিকোণে পৰিয়ালৰ সৈতে সমাজ বাৱস্থাৰ আন দিশসমূহ যেনে অৰ্থনৈতিক

আৰু ৰাজনৈতিক ব্যৱস্থাৰ মাজত আন্তনির্ভৰশীলতা স্থাপন কৰিবলৈ চেষ্টা কৰে।

- বিবাহে পৰিয়ালৰ ভেটি গঠন কৰে।
- বিবাহ হৈছে এক সামাজিক অনুষ্ঠান, যিয়ে দুগৰাকী ব্যক্তিক পৰিয়াল গঠন কৰি সন্তান প্ৰসৱ কৰিবলৈ সন্মতি প্ৰদান কৰে।
- আত্মীয়তা মানৱ সমাজৰ মৌলিক সাংগঠনিক নীতি। এই ব্যৱস্থাই মানুহ আৰু গোটসমূহৰ মাজত সম্পৰ্ক স্থাপন কৰে।
- আত্মীয়তা হৈছে কিছুমান নিয়মাৱলী, যিয়ে দুগৰাকী ব্যক্তিৰ মাজত সম্পৰ্ক নিৰূপণ কৰে।



১১.৮ অধিক জানিবলৈ

1) M. Franscis Abraham. 2017. Contemporary Sociology : An Introduction to Concepts and Theories.

2) John, Harry M. 1966. Sociology : A Systematic Introduction. New Delhi : Allied Publishers.



১১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ a) ফ্ৰেডৰিক এংগেলছ্

b) প্ৰজনন কাৰ্য আৰু অৰ্থনৈতিক কাৰ্য

২ নং প্ৰশ্নৰ উত্তৰ ঃ a) পিতৃপ্ৰধান বংশ ব্যৱস্থা আৰু মাতৃপ্ৰধান বংশ ব্যৱস্থা

b) খাছী



১১.১০ আহিঁ প্ৰশ্ন

ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ a) তাৰাভাৰ বুলিলে কি বুজে?

b) অজাচাৰ বুলিলে কি বুজে?

খ) ৰচনীধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ বৰ্তমান সমাজত পৰিয়াল, বিবাহ আৰু আত্মীয়তাৰ তাৎপৰ্য আলোচনা কৰক।

প্ৰশ্ন ২ ঃ পৰিয়াল কি? পৰিয়ালৰ কাৰ্যনিৰ্বাহী আৰু মাৰ্ক্সবাদী দৃষ্টিভংগীক সমালোচনামূলকভাৱে তুলনা কৰক।

*** ***** ***

অধ্যায় ১২ঃ ধর্ম

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ধর্মৰ সংজ্ঞা
১২.৪ ধর্মৰ উৎপত্তি
১২.৫ ধর্মৰ প্ৰকাৰ
১২.৬ ধর্মৰ তত্ত্বসমূহ
১২.৭ ধর্মৰ সামাজিক ভূমিকা
১২.৮ ধর্ম আৰু গোলকীকৰণ
১২.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.১০ অধিক জানিবলৈ
১২.১১ অগ্ৰগতিৰ খতিয়ান
১২.১২ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ধর্মৰ অর্থ আৰু সংজ্ঞা বুজিব পাৰিব
- ধর্মৰ উৎপত্তি আৰু প্ৰকাৰ সম্পর্কে জানিব পাৰিব
- ধর্মৰ তত্ত্ব সম্বন্ধে জানিব পাৰিব
- ধর্মৰ সামাজিক ভূমিকাৰ বিষয়ে বোধগম্য হ'ব
- ধর্ম আৰু গোলকীকৰণৰ মাজৰ সম্পর্কৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

ধর্ম প্ৰত্যেক সমাজৰে এক গুৰুত্বপূৰ্ণ দিশ। ইংৰাজী 'ৰিলিজিয়ন' (religion) শব্দটো লেটিন ভাষাৰ 'religare' আৰু 'religere' শব্দ দুটাৰ পৰা উৎপত্তি হৈছে। 'religare' ৰ অর্থ হ'ল একেলগে বান্ধ খাই থকা। 'religere' শব্দটোৱে অনুশীলন অথবা অভ্যাস কৰা আৰু কষ্টেৰে কার্য্য সম্পাদন কৰা বুজায়। ই দলীয় পৰিচয় আৰু ৰীতি-নীতি উভয়কে সূচায় (Yinger, 1957:13)। ধর্মই অলৌকিক শক্তিৰ ওপৰত গভীৰ বিশ্বাসক সূচায় আৰু বোধ হয় এই মূখ্য কাৰণতেই ধর্মক সামাজিক নিয়ন্ত্ৰণৰ প্ৰাথমিক মাধ্যম হিচাপে গণ্য কৰা হয়। ভাৰতবর্ষ এখন বহুমুখী সামাজিক বৈচিত্ৰ্যপূৰ্ণ দেশ। ধর্ম হ'ল এনে এক ক্ষেত্ৰ, য'ত বৈচিত্ৰত্য লক্ষ্য কৰিব পাৰি।

আমি জানো যে, ভাৰতীয় সংবিধানে ভাৰতবর্ষক এখন ধর্মনিৰপেক্ষ গণৰাজ্যিক দেশ হিচাপে স্বীকৃতি প্রদান কৰিছে। ইয়াৰ অর্থ হ'ল বিশ্বৰ আন বহুতো দেশৰ দৰে ভাৰতবর্ষই কোনো এক নির্দিষ্ট ধর্মক ৰাষ্ট্রীয় ধর্ম হিচাপে গণ্য নকৰে। ভাৰতবর্ষৰ ভৌগোলিক সীমাৰ ভিতৰত প্রচলিত সকলোবোৰ ধর্মৰে প্রতি ই সম আচৰণ প্রদর্শন কৰে।

মানুহ সামাজিক প্রাণী আৰু ধর্ম মানুহৰ এক গুৰুত্বপূর্ণ আশংকা। মানুহৰ জৈৰিক, অর্থনৈতিক আৰু সামাজিক প্রয়োজনৰ উপৰিও ধর্মীয় প্রয়োজন থাকে। মানৰ আচৰণৰ এক অংশ হিচাপে ধর্মই আৰম্ভণিৰে পৰা বিজ্ঞানীসকলক আগ্রহী, মুগ্ধ আৰু বিভ্রান্ত কৰি আহিছে।

ধর্মীয় অভিজ্ঞতা বিভিন্ন অনুভূতি বিশেষকৈ ভয়, বিস্ময় আৰু শ্রদ্ধাৰ সৈতে জড়িত হৈ আছে। ধর্ম নৈতিকতাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত আৰু ইয়াৰ বিস্তৃত আচৰণৰবিধি আছে। বিশ্বৰ প্রধান ধর্ম কিছুমান হ'ল — হিন্দুধর্ম, বৌদ্ধধর্ম, কনফুচিয়ান ধর্ম, ইহুদী ধর্ম, ইছলাম ধর্ম আৰু খ্রীষ্টান ধর্ম। এই অধ্যায়ত আমি ধর্মৰ বিষয়ে বিতংভাৱে জানিব পাৰিম।

১২.৩ ধর্মৰ সংজ্ঞা

বিভিন্ন পণ্ডিতে ধর্মৰ বিভিন্ন সংজ্ঞা আগবঢ়াইছে। এইবোৰ তলত উল্লেখ কৰা হ'ল।

ডুৰখাইমে তেওঁৰ গ্রন্থ 'The Elementary Forms of the Religious life' ত ধর্মক "পবিত্র বস্তুৰ ওপৰত থকা বিশ্বাস আৰু অনুশীলনৰ এক সংযুক্ত ব্যৱস্থা" হিচাপে বর্ণনা কৰিছে "অর্থাৎ নিষিদ্ধ আৰু পৃথক সত্তা।"

জেমচ জি. ফ্রেজাৰে তেওঁৰ গ্রন্থ, Golden Bough ত ধর্মক "মানুহতকৈ উচ্চ এক শক্তি যিয়ে মানৰ জীৱন আৰু প্রকৃতিৰ গতিপথ নিয়ন্ত্রণ কৰিব পাৰে" এনে এক বিশ্বাস বুলি গণ্য কৰিছে।

এডৰার্ড শাপিৰ নামৰ আমেৰিকান নৃতত্ত্ববিদজনে কৈছে যে, "দৈনন্দিন জীৱনৰ বিভ্রান্তি আৰু বিপদৰ মাজেৰে আধ্যাত্মিক শান্তি বিচৰা মানুহৰ নেৰানেপেৰা চেষ্টাতেই ধর্ম সাৰাংশ লুকাই থাকে।"

মেকআইভাৰ আৰু পেজৰ মতে, "ধর্মই কেৱল ব্যক্তিৰ মাজৰ সম্পর্ককে নুবুজায়, ই ব্যক্তি আৰু উচ্চ শক্তিৰ মাজৰ সম্পর্ককো সূচায়।"

মেক্সমূলাৰে ধর্মক "এক মানসিক অনুভৱন বা অনুষদ হিচাপে বর্ণনা কৰিছে, যি ব্যক্তিক অনন্ত শক্তিক উপলব্ধি কৰিবলৈ সক্ষম কৰি তোলে।"

থমাছ এফ. অ'ডিয়ে নাম কার্যনির্বাহী তাত্ত্বিক গৰাকীয়ে ধর্মক এনেদৰে বর্ণনা কৰিছে, "অনাঅভিজ্ঞতামূলক বা অতিঅভিজ্ঞতামূলক প্রাপ্তিৰ বাবে অনাঅভিজ্ঞতামূলক বা অতিঅভিজ্ঞতামূলক উপায়।" তেওঁ কৈছে যে, "ধর্মই বাস্তৱৰ অভিঅভিজ্ঞতামূলক দিশসমূহ যেনে ইশ্বৰ, দেৱতা আৰু আন সত্তাসমূহৰ সৈতে সম্পর্ক স্থাপনৰ অনুভৱ প্রদান কৰে।"

১২.৪ ধর্মৰ উৎপত্তি

সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলে বিশ্বাস কৰে যে, আদিম মানুহৰ কল্পনাসমূহ ভয়ৰ দ্বাৰা সৃষ্ট আৰু সেই নিৰাপত্তাহীনতা, উপাসনা পদ্ধতি, বিশ্বাস আৰু স্তোত্রপদ্ধতিসমূহেই সংগঠিত আধুনিক ধর্মৰ বিকাশত সহায়ক হৈ পৰিল। চিকাৰ আৰু খাদ্য সংগ্রহ কৰা স্তৰত আদিম মানুহৰ জীৱন অনিশ্চয়তাপূর্ণ আছিল। তেওঁ চিকাৰ পাব নে? তেওঁ খাদ্য সংগ্রহ কৰিবলৈ সক্ষম হ'ব নে? ইয়াৰ উপৰিও আদিম মানৱে ৰ'দ, বতাহ, বৰষুণ, ধুমুহা, বানপানী আদিৰ প্রকোপ সহ্য কৰিবলগীয়া হৈছিল। স্বপ্ন, ৰোগ আৰু মৃত্যু আদি তেওঁলোকৰ বাবে ৰহস্য আছিল। প্রাকৃতিক পৰিঘটনাৰ কাৰণসমূহো তেওঁলোকৰ বোধগম্য হোৱা নাছিল। সেয়েহে, অজ্ঞান পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবৰ বাবে আদিম লোকসকলে ভাল আৰু বেয়া মানুহ তথা প্রকৃতিৰ লাভজনক আৰু ক্ষতিকাৰক দিশসমূহৰ বিষয়ে কিছুমান বিশ্বাস সৃষ্টি কৰিছিল।

এই স্তৰত মানৱ জীৱনৰ দুটা দিশ আছিল। প্রথমটো দিশ আছিল চোৱা আৰু অনুভৱ কৰিব পৰা। সেইবাবে আদিম মানুহে মানৱ প্রকৃতি আৰু জন্তুৰ আচৰণ তেওঁলোকৰ দৃষ্টি, শ্রৱণ আৰু বুজি পোৱা ক্ষমতাৰ দ্বাৰা নির্ধাৰণ কৰিবলৈ চেষ্টা কৰিছিল। আদিম মানৱে মৃত্যু, মহামাৰী, বৃষ্টিপাত, ধুমুহা, বানপানী আদি দুর্যোগৰ সন্মুখীন হৈছিল আৰু সেই অসহায়, অনিশ্চয়তা আৰু সুৰক্ষাহীনতাই মানুহৰ মাজত কিছুমান বিশ্বাস ৰীতি-নীতি, প্রথাৰ সৃষ্টি কৰিছিল। অৱশেষত এইবোৰেই লাহে লাহে সংগঠিত আধুনিক ধর্মৰ বিকাশত সহায়ক হৈ পৰিছিল।

আদিম মানৱৰ মানসিক, সামাজিক আৰু ভৌগোলিক পৰিধি সীমিত আছিল। তেওঁলোকৰ জীৱন প্রাথমিক প্রয়োজনতেই সীমাবদ্ধ আছিল। এই প্রয়োজনসমূহ পূৰণৰ তাগিদাতেই আদিম নৰ-নাৰীয়ে ধর্মীয় প্রথা আৰু বিশ্বাসৰ এক ব্যৱস্থা বিকশিত কৰিছিল।

টাইলৰ আৰু স্পেন্সাৰ (Tylor and Spencer) ৰ মতে আত্মাৰ ধাৰণাৰ পৰা আদিম মানুহৰ জীৱনত ধর্মৰ উৎপত্তি হৈছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে আদিম নৰ-নাৰীয়ে তেওঁলোকৰ সপোন আৰু মৃত্যুৰ কল্পনাৰ পৰা আত্মাৰ অস্তিত্বত বিশ্বাস কৰিবলৈ শিকিছিল। টাইলৰৰ মতে, আত্মাই মানৱ শৰীৰত বাস কৰে আৰু টোপনিৰ সময়ত ই শৰীৰৰ পৰা ওলাই যায়। মানুহে টোপনিৰ পৰা সাৰ পালে আত্মাই পুনৰ শৰীৰলৈ উভতি আহে। আত্মা যেতিয়া শৰীৰলৈ উভতি নাহে, তেতিয়াই বক্তিৰ মৃত্যু ঘটে। আত্মাই শৰীৰলৈ উভতি অহাৰ আশাত আদিম নৰ-নাৰীয়ে তেওঁলোকৰ আত্মীয় স্বজনৰ মৃতদেহ সাঁচি ৰাখে।

চিকাৰ আৰু খাদ্য সংগ্রহ কৰা স্তৰত আদিম মানুহে বিভিন্ন সফলতা অর্জন কৰাৰ লগতে বহুতো হতাশাৰো সন্মুখীন হৈছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে, তেওঁলোকৰ আত্মীয়-স্বজন আৰু পূর্বপুৰুষৰ সুখ-সন্তোষৰ ওপৰতে তেওঁলোকৰ সুখ নির্ভৰ কৰে। যদি তেওঁলোকৰ পূর্বপুৰুষে শান্তিত বিশ্রাম কৰিব নোৱাৰে, তেনেহ'লে ইয়েই তেওঁলোকৰ জীৱন দূর্বিষহ কৰি তুলিব পাৰে। মৃতকৰ আত্মাৰ এই ধাৰণাৰ বাবেই আদিম তেওঁৰ পূর্বপুৰুষৰ আত্মাৰ শান্তিৰ বাবে বিভিন্ন অনুষ্ঠান তথা উপাসনা প্রথা সৃষ্টি কৰিছিল।

স্পেন্সাৰে বিশ্বাস কৰিছিল যে আদিম মানুহৰ বিশ্বাসসমূহ তেওঁলোকৰ সপোনৰ পৰাই সৃষ্টি হৈছিল। আদিম মানুহৰ সপোনসমূহ তেওঁলোকৰ পূৰ্বপুৰুষৰ আত্মা আৰু ভূত-প্ৰেত আদিৰ সৈতে জড়িত আছিল। ইয়েই অতিপ্ৰাকৃতিক শক্তিৰ ওপৰত তেওঁলোকৰ বিশ্বাস সৃষ্টি কৰিছিল। স্পেন্সাৰে যুক্তিৰ ভিত্তিত বিভিন্ন সমাজত ধৰ্মৰ বিকাশৰ বিষয়ে আলোচনা কৰিছে। টাইলৰ আৰু স্পেন্সাৰে উপস্থাপন কৰা ধৰ্মৰ উৎপত্তিৰ ধাৰণাটোকে 'সৰ্বপ্ৰাণবাদ' অথবা 'পূৰ্বপুৰুষ পূজা' বোলা হয়।

ফ্ৰেজাৰৰ মতে, আদিম মানৱে প্ৰকৃতিৰ সৈতে অবিচ্ছিন্ন সংগ্ৰামত লিপ্ত হৈ আছিল। কেতিয়াবা প্ৰকৃতিক নিয়ন্ত্ৰণ কৰাত সফল হৈছিল আৰু কেতিয়াবা প্ৰকৃতিয়ে তেওঁলোকক পৰাস্ত কৰিছিল। প্ৰকৃতিক নিয়ন্ত্ৰণ কৰাৰ অৰ্থে আদিম মানুহে সৃষ্টি কৰা প্ৰথাসমূহকে 'যাদু' বোলা হৈছিল। প্ৰকৃতিৰ দ্বাৰা পৰাস্ত হৈ আদিম মানৱে ইয়াক শান্ত কৰিবলৈ প্ৰকৃতি উপাসনা কৰিছিল। প্ৰকৃতিৰ উপাসনাৰ পৰাই ধৰ্মৰ উদ্ভৱ হৈছে। ফ্ৰেজাৰৰ এই ধাৰণাতে 'প্ৰকৃতিবাদ' তত্ত্ব বোলা হয়।

ডুৰখাইমে ধৰ্মৰ উৎপত্তিৰ এই তত্ত্বসমূহক সমালোচনা কৰিছে। তেওঁৰ মতে, এই তত্ত্বসমূহে আদিম মানৱক দাৰ্শনিক ৰূপে প্ৰতিষ্ঠা কৰিছে। কিন্তু ডুৰখাইমে অনুভৱ কৰে যে আদিম মানৱ ধাৰণা আৰু সামাজিক জীৱন অত্যন্ত সৰল আছিল। দ্বিতীয়তে, এই তত্ত্বসমূহে মনোবৈজ্ঞানিক দিশৰ জীৱন অত্যন্ত সৰল আছিল। দ্বিতীয়তে, এই তত্ত্বসমূহে মনোবৈজ্ঞানিক দিশৰ ওপৰত গুৰুত্ব আৰোপ কৰে কিন্তু ডুৰখাইমৰ মতে ধাৰ্মিক বিশ্বাসসমূহ সামাজিক প্ৰকৃতিৰ। তেওঁ পূৰ্বৰ সমাজতত্ত্ববিদ আৰু নৃতত্ত্ববিদসকলক তেওঁলোকৰ ধৰ্ম মনোবৈজ্ঞানিক বিশ্লেষণ সম্বন্ধে সমালোচনা কৰিছে। ইয়াৰোপৰি তেওঁলোকে ধৰ্মক ভ্ৰম হিচাপে উপস্থাপন কৰিছে কিন্তু, মানৱ সমাজৰ কোনো সাৰ্বজনীন আৰু গুৰুত্বপূৰ্ণ বস্তুয়েই ভ্ৰম হ'ব নোৱাৰে। ডুৰখাইমে যুক্তি দৰ্শাইছে যে, প্ৰত্যেক সমাজতে 'পবিত্ৰ' আৰু 'অধৰ্মী' বস্তুৰ মাজত পাৰ্থক্য দেখিবলৈ পোৱা যায়। ধৰ্ম পবিত্ৰ বস্তুৰ সৈতে জড়িত। ধৰ্মীয় উৎসৱ তথা প্ৰথাসমূহত ব্যক্তিৰ প্ৰদৰ্শনে তেওঁলোকৰ একতা বৃদ্ধি কৰে আৰু সেই একতাই তেওঁলোকৰ সামাজিক উদ্যম সৃষ্টি কৰে।

পৰৱৰ্তী সময়ত, নৃতত্ত্ববিদ বিশেষকৈ মেলিনস্কি আৰু ৰেডক্লীফ ব্ৰাউনে আদিম সমাজত ধৰ্মই কেনেদৰে কাৰ্য কৰে তাক জানিবলৈ অধ্যয়ন কৰিছিল। তেওঁলোকৰ মতে, ধৰ্মই সামাজিক শান্তি-সম্প্ৰীতি বজাই ৰাখে আৰু মানৱ আচৰণ নিয়ন্ত্ৰণ কৰে।

সৰ্বপ্ৰাণবাদ ঃ

সৰ্বপ্ৰাণবাদৰ মতে, আত্মাৰ (সৰ্বপ্ৰাণ) ধাৰণাই ধৰ্মৰ মূল। সেয়েহে, ইয়াৰ নাম সৰ্বপ্ৰাণবাদ। ই. বি. টাইলৰৰ মতে, আদিম মানৱে ভুলৰ বাবেই আত্মাৰ ধাৰণাৰ সন্মুখীন হৈছিল। তেওঁলোকে সপোনত বিভিন্ন ঠাইলৈ গৈ বিভিন্ন কামৰ নিয়োজিত হৈ তেওঁলোকৰ মৃত পূৰ্বপুৰুষৰ সৈতে সাক্ষাৎ কৰে। কিন্তু তেওঁলোকৰ শৰীৰ একে স্থানতেই থাকে। এই অভিজ্ঞতাৰ পৰা তেওঁলোকে অনুমান কৰিছিল যে প্ৰত্যেক ব্যক্তিৰ মাজতেই আন এক ব্যক্তিত্ব/বাক্তি থাকে যিয়ে শৰীৰৰ পৰা আঁতৰি আন এক ঠাইলৈ যাত্ৰা কৰিব পাৰে। এনে ব্যক্তিত্বৰ ব্যক্তিজনৰ সৈতে বহুতো পাৰ্থক্য থাকে। ই ক্ষয়যোগ্য আৰু প্লাষ্টিক সৃষ্ট হ'ব পাৰে; শৰীৰৰ বাহিৰলৈ ওলাই আহোতে ই বিশেষকৈ

নাক আৰু মুখেৰে বিন্ধাৰে ওলাই আহিব পাৰে। ই অতি সূক্ষ্ম উপাদানেৰে গঠিত যি আমাৰ অভিজ্ঞতাৰো অতীত। এই ব্যক্তিত্বকে আত্মা বুলিব পাৰি।

তেওঁলোকে প্রশ্ন কৰিছে যে, আত্মাই কেনেদৰে অশৰীৰী ৰূপ ল'ব পাৰে? এই প্রশ্নটোৰ উত্তৰ আদিম মানৱৰ আন এক ভুলৰ দ্বাৰা প্রদান কৰা হৈছে। তেওঁলোকৰ মতে, মৃত্যুৰ পিছত শৰীৰ খণ্ড-বিখণ্ড হৈ পৰে আৰু চলন-ফিৰন বন্ধ হৈ যায়। আত্মাই তেতিয়া অশৰীৰী ৰূপ ধাৰণ কৰি জীৱিত লোকসলৰ মাজত ঘূৰি ফুৰে। ক্রমান্বয়ে এই অশৰীৰী সত্তাৰ সংখ্যা বৃদ্ধি হৈ আহে। ভবা হৈছিল যে এই অশৰীৰী সত্ত্বাৰ জীৱিত অৱস্থাৰ আগ্রহ, প্রয়োজন আৰু আসক্তিসমূহ আছিল আৰু সেয়েহে এই অশৰীৰী সত্বাসমূহে তেওঁলোকৰ পূৰ্বৰ জীৱিত সংগীসমূহক সহায় অথবা আঘাত কৰিছিল। বায়বীয় আৰু অতি সূক্ষ্ম হোৱা বাবে এই সত্তাসমূহে অতি সহজে জীৱিত ব্যক্তিৰ শৰীৰত প্রৱেশ কৰি শৰীৰৰ শক্তি বৃদ্ধি অথবা অনিষ্ট সাধন কৰিব পাৰে। অনুমান কৰা হৈছিল যে, দুষ্ট আত্মাই শৰীৰত বিসংগতিৰ সৃষ্টি কৰে কিন্তু দয়ালু আত্মাই শৰীৰ প্রাণশক্তি বৃদ্ধি কৰি সুষম পৰিবর্তন আনে। এনেদৰে আদিম মানৱে সকলো ধৰণৰ অসাধাৰণ ঘটনাৰ ব্যাখ্যা আত্মা কার্য হিচাপে বর্ণনা কৰিছিল। দুর্ভাগ্য আৰু বেমাৰ-আজাৰ অশুভ ক্রিয়া আৰু জীৱনৰ ভাল দিশসমূহ দয়ালু আত্মাৰ কার্য হিচাপে ব্যাখ্যা কৰা হৈছিল। সেয়েহে জীৱিত লোকৰ অনিষ্ট সাধন নকৰা সুনিশ্চিত কৰাৰ বাবে তেওঁলোকে আত্মাক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিছিল। ইয়াৰ বাবে তেওঁলোকে বিভিন্ন প্রার্থনা, উৎসর্গা, ত্যাগ আৰু আন প্রথাসমূহৰ প্রচলন কৰিছিল। এনে মানৱ শৰীৰৰ আন এক ৰূপৰ ধাৰণাৰ পৰাই 'দেৱতা' ৰ সৃষ্টি হৈছিল। যিহেতু মৃত্যুৰ পৰাই এই কাহিনীৰ সৃষ্টি হৈছিল, "মৃতক, পূৰ্বপুৰুষৰ আত্মাৰ নামতেই মানতাৰ প্রথমটো ধর্মক সম্বোধিত কৰা হৈছিল। অর্থাৎ প্রথম ক্রিয়াসমূহেই অন্তোষ্টিক্রিয়া; প্রথম বলিদানসমূহেই হ'ল মৃতকৰ প্রয়োজন পূৰণৰ অর্থে খাদ্য উৎসর্গা কৰা; প্রথম বেদীয়েই হ'ল সমাধিসৌধ"।

টাইলৰে সর্বপ্রাণবাদক এটি ধাৰণাৰ জৰিয়তে ব্যাখ্যা কৰিছে আদিম মানৱে জীৱ আৰু জড় বস্তুৰ মাজত পার্থক্য বুজা নাছিল। তেওঁলোকে সকলো জড় বস্তুকে মানৱ বৈশিষ্ট্য প্রদান কৰিছিল, আনকি আত্মাকো। তেওঁলোকে বিশ্বাস কৰিছিল যে আত্মাই মানৱকার্য পৰিচালনা কৰে যেনে — "নদীপ্রবাহ, নক্ষত্রৰ গতি, গছ-গছনিৰ অংকুৰণ, প্রাণীৰ প্রজনন ইত্যাদি" আদিম মানৱে তেওঁলোকৰ পূৰ্বপুৰুষৰ আত্মাৰ তুলনাত মহাজাগতিক আত্মাৰ প্রতি অধিক আকৃষ্ট হৈছিল কাৰণ বাহ্যিক পৃথিৱীখন তেওঁলোকৰ কল্পনাৰ পূৰ্বপুৰুষৰ তুলনাত অধিক বাস্তৱিক। সেয়েহে, তেওঁলোকে প্রার্থনা আৰু উৎসর্গাৰ জৰিয়তে এই আত্মাৰ সহায়তা বিচাৰিছিল। এনেদৰেই সর্বপ্রাণবাদৰ ধাৰণৰ সৃষ্টি হয়। পূৰ্বপুৰুষৰ সংস্কৃতি পূজা প্রকৃতি উপাসনাৰ পৰিপূৰক আছিল।

প্রাকৃতিকতা ঃ

মেক্সমূলাৰৰ সৈতে প্রাকৃতিকতা তত্ত্ব জড়িত হৈ আছে। আত্মাৰ ধাৰণা সম্পর্কে তেওঁ টাইলৰৰ তত্ত্বটো গ্রহণ কৰিছে কিন্তু তেওঁৰ মতে টাইলৰে সপোনতকৈও মৃত্যুৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। অৱশ্যে ইয়াক মেক্সমূলাৰে অধিক গুৰুত্ব সহকাৰে লোৱা নাছিল। তেওঁৰ মতে, ধর্মীয় অনুপ্রেণাৰ উৎস হৈছে প্রকৃতিয়ে বিভিন্ন কার্যৰ জৰিয়তে মানুহৰ মনত প্রভাৱ বিস্তাৰ

কৰা। তেওঁ প্ৰকৃতিৰ সংজ্ঞা প্ৰদান কৰিছে। মেক্সমূলাৰৰ মতে, "প্ৰথম দৃষ্টিত কোনো বস্তুৱেই প্ৰকৃতিতকৈ কম প্ৰাকৃতিক নহয়। প্ৰকৃতি আটাইতকৈ ডাঙৰ আশ্চাৰ্য্য, সন্ত্ৰাস, অলৌকিক ঘটনা আৰু বিস্ময় আৰু প্ৰকৃতিৰ স্থায়ীত্ব, স্থিৰতা আৰু নিয়মিত পুনৰাবৃত্তিৰ বাবেই এই বিস্ময়ৰ কিছুমান বৈশিষ্ট্যক প্ৰাকদৰ্শন, সাধাৰণ আৰু বোধগম্য অৰ্থত প্ৰাকৃতিক বুলিব পাৰি। ইয়েই আশ্চাৰ্য্য, সন্ত্ৰাস, অলৌকিক ঘটনা আৰু বিস্ময়ৰ বিশাল ক্ষেত্ৰ, অচিনাকী যি চিনাকীৰ পৰা পৃথক, অথবা মোৰ ভাষাত অনন্ত যি অসীমৰ পৰা পৃথক, যিয়ে অতীতৰ পৰাই ধৰ্ম, চিন্তা আৰু ভাষাক প্ৰৰোচিত কৰি আহিছে।" মেক্স মূলাৰৰ মতে প্ৰাণহীন বস্তুক প্ৰাণৱন্ত কৰি তোলা আৰু জীৱনী শক্তি প্ৰদান কৰিব এক 'ৰোগাক্ৰান্ত' মনে প্ৰকৃতিৰ উপাদানৰ প্ৰতি ভালপোৱা আৰু শ্ৰদ্ধাৰ দৃষ্টিভংগী গঢ়ি তুলিব পাৰে। আদিম মানৱৰ ভাষাগত বিভ্ৰান্তিয়ে ইয়াৰ সৃষ্টি কৰিব পাৰে। ভাষাগত ত্ৰুটি যেনে সূৰ্য্য উদয় আৰু অস্ত, বা বজ্ৰপাতে বৰষুণৰ সৃষ্টি কৰা বা বৃক্ষই ফুল আৰু ফল সৃষ্টি কৰা আদি কাৰ্যই সূৰ্য্য, বজ্ৰপাত আৰু বৃক্ষৰ অন্তৰ্নিহিত শক্তিৰ ওপৰত বিশ্বাসৰ জন্ম দিয়ে। "সেয়েহে এই উপাদনসমূহে কৰা কাৰ্যসমূহৰ বাবে আত্মাকেই দায়বদ্ধ কৰা হয়। ভাষাই এনেদৰে বস্তুবাদী পৃথিৱীৰ ওপৰত গুৰুত্ব আৰোপ কৰে; আত্মাৰে গঠিত এক নতুন পৃথিৱী আৰু সকলোবোৰ ভৌতিক পৰিঘটনাৰ ইয়েই মূল কাৰক। এই আত্মাৰ পৃথিৱীক উপস্থাপন কৰা শব্দ উদ্ভাৱন কৰা হৈছিল, যাৰ অনিৰ্দিষ্ট সম্প্ৰসাৰণ সম্ভৱ আছিল সেয়েহে মন্দিৰ, দেৱতাৰ শ্ৰেণীবিন্যাস আদিৰ সৃষ্টি কৰা হৈছিল। মানুহৰ নিজস্ব আত্মাৰ ধাৰণা এক গৌণ বিকাশ আছিল আৰু পূৰ্বপুৰুষৰ উপাসনাৰ ধৰ্ম প্ৰকৃতি উপাসনাৰ এক প্ৰতিফলন।"

মানবাদ ঃ

মানুহৰ আত্মাৰ বিষয়ে থকা ধাৰণাক কিছুমান নৃতত্ত্ববিদে সমালোচনা কৰিছে। তেওঁলোকৰ মতে, আদিম মানুহৰ ধৰ্মীয় জীৱন তেওঁলোকৰ এক নিৰ্দিষ্ট অতিপ্ৰাকৃতিক শক্তি বা আত্মাৰ অস্তিত্বৰ ওপৰত থকা বিশ্বাসৰ ভিত্তিত গঢ়ি উঠিছিল। তেওঁলোকে জীৱিত বা নিৰ্জীৱ বস্তুৰ ওপৰত পাৰ্থক্য দেখা নাছিল কাৰণ তেওঁলোকৰ মতে এনে পাৰ্থক্যসমূহ পৰৱৰ্তী পৰ্যায়ত হে লক্ষ্য কৰিব পাৰি। সেয়েহে আদিম মানুহে প্ৰথমে মানুহৰ আত্মা আৰু পৰৱৰ্তী সময়ত নিম্ন প্ৰাণী আৰু জড় পদাৰ্থৰ মাজত থকা আত্মাৰ বিষয়ে অৱগত হোৱাটো অনুমান কৰা ভুল হ'ব। মাৰেট (Marett) এ আদিম মানুহৰ মাজত আত্মা বা এনে অতিপ্ৰাকৃতিক শক্তিৰ ধাৰণাক 'অ-ব্যক্তিগতকৃত আত্মাৰ ধাৰণা' হিচাপে চিহ্নিত কৰিছে আৰু তেওঁ এনে বিশ্বাসসমূহক প্ৰাণবাদ বা মানবাদ বুলি অভিহিত কৰিছে। মেলানেছিয়ানসকলে বল বুজাবলৈ 'মান' শব্দটো ব্যৱহাৰ কৰিছিল। উত্তৰ আমেৰিকাৰ কিছুমান জনজাতিয়ে এই শক্তিক অৱেণ্ডা বা মেনিটন আখ্যা দিছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰাকৃতিকতাৰ সৈতে জড়িত এজন চিন্তাবিদৰ নাম লিখা।

প্ৰশ্ন নং ২ ঃ 'Golden Bough' নামৰ গ্ৰন্থখনৰ স্ৰষ্টা কোন?

১২.৫ ধর্মৰ প্ৰকাৰ

ধর্মই ভৌতিক আৰু সামাজিক পৰিবেশৰ শক্তিসমূহৰ সৈতে মানুহৰ সম্পৰ্ক ব্যাখ্যা আৰু নিয়ন্ত্ৰণ কৰে। এই শক্তিসমূহ কিছুমান অতি-প্ৰাকৃতিক শক্তিৰ দ্বাৰা নিয়ন্ত্ৰিত বুলি ভবা হয়। এই শক্তিসমূহৰ সৈতে মানুহৰ সম্পৰ্ক ব্যাখ্যা কৰা প্ৰচেষ্টাই ধর্মৰ বিভিন্ন প্ৰকাৰৰ সৈতে পৰিচিত কৰে যেনে — অন্ধবিশ্বাস/ কু-সংস্কাৰ, সর্বপ্রাণবাদ, গণচিহ্নবাদ, যাদু, আনুষ্ঠানিকতা আৰু বস্তুকাম। ধর্মৰ অর্থ বুজিবৰ বাবে এই প্ৰকাৰসমূহ চমুকৈ বুজাটো প্ৰয়োজনীয়।

অন্ধবিশ্বাস/কু-সংস্কাৰ ঃ এক ঘটনাৰ অসমানুপাতিক কাৰণত কোনো ঘটনা সংঘটিত হোৱা বিশ্বাসেই হ'ল অন্ধবিশ্বাস। উদাহৰণস্বৰূপে, মেকুৰীয়ে সমুখেৰে পাৰ হ'লে যাত্ৰা হানি হোৱা, আকাশৰ পৰা তৰা সৰি পৰিলে দুর্যোগৰ সৃষ্টি হোৱা, অথবা শনিবাৰে মহিলাক তেওঁৰ স্বামীগৃহলৈ যাব নিদিয়া। হিন্দু ধর্মত এনে বহুতো অন্ধবিশ্বাস দেখিবলৈ পোৱা যায়।

সর্বপ্রাণবাদ ঃ সর্বপ্রাণবাদে প্ৰত্যেক জীৱৰ শৰীৰত অতি ভৌতিক সত্তাৰ অস্তিত্ব থকা বুলি বিশ্বাস কৰে। এই অতি ভৌতিক সত্তাই শৰীৰৰ মৃত্যুৰ পিছতো জীয়াই থাকে। ব্যক্তিৰ মৃত্যুৰ পিছত ই সেই শৰীৰৰ পৰা মুক্ত হৈ যিকোনো সময় আৰু স্থানলৈ গতি কৰিব পাৰে। এনেদৰে সর্বপ্রাণবাদে মৃতকৰ আত্মাৰ ওপৰত বিশ্বাস কৰে। মানুহৰ সৈতে যোগাযোগ কৰিবৰ বাবে বিভিন্ন ঠাই আৰু বস্তুত বাস কৰা আত্মাৰ তত্ত্বকে এই নাম দিয়া হৈছে। এই তত্ত্বৰ মতে আত্মাই মানুহক টোপনিত দেখা কৰে। কেতিয়াবা ব্যক্তিয়ে ঘৰৰ কোনো এটি চুকৰ পৰা আত্মাই কথা কোৱা শুনিবলৈ পায়। হিন্দুসকলে পূর্বপুৰুষৰ আত্মাৰ সদ্‌গতিৰ বাবে ১৫ দিনীয়া 'শ্ৰাদ্ধ' পালন কৰে। টাইলৰৰ মতে সর্বপ্রাণবাদ সকলো ধর্মৰ মূল ভিত্তি।

যাদু ঃ যাদু হৈছে নেদেখা শক্তিৰ কার্যৰ প্ৰভাৱৰ দ্বাৰা প্ৰৰোচিত কৰা এক পদ্ধতি। যাদুকৰসকলে যাদুৰ জৰিয়তে ক্ষমতা নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰে যিটো বৈজ্ঞানিক জ্ঞানৰ দ্বাৰা সমর্থিত নহয়, যেনে শিল ঘঁহি শৰীৰৰ অসুস্থ অংশ ঠিক কৰা, অগ্নিদগ্ধ নোহোৱাকৈ জুইৰ ওপৰেৰ খোজ কঢ়া, তেজ নোলোৱাকৈ কাচৰ টুকুৰা ভক্ষণ কৰা, কয়লাৰ টুকুৰা এটাক মুদ্ৰালৈ ৰূপান্তৰিত কৰা, এজন ব্যক্তিৰ ওচৰলৈ নোযোৱাকৈ তেওঁৰ জেপৰ পৰা মোনা উলিয়াই অনা।

দুই প্ৰকাৰৰ যাদু ঃ ফ্ৰেজাৰে তেওঁৰ গ্ৰন্থ 'Golden Bough' ত দুই ধৰণৰ যাদুৰ কথা উল্লেখ কৰিছে, অনুকাৰী/ নকল আৰু সংক্ৰামক। অনুকাৰী যাদুত ব্যক্তিয়ে সংঘটিত কৰিব বিচৰা ঘটনা নকল কৰিব পাৰে। এনেদৰে এজন ব্যক্তিয়ে বৰষুণৰ সৃষ্টি কৰিব বিচাৰিলে তেওঁ মুখত পানী লৈ বেলেগ বেলেগ দিশলৈ পঠিয়াব পাৰে। আকৌ শিশুক অশুভ আত্মাৰ পৰা ৰক্ষা কৰিবলৈ বিভিন্ন তাবিজ পৰিধান কৰিবলৈ দিয়া হয়।

যাদু আৰু ধর্মৰ পার্থক্য ঃ কিছুমান লেখকৰ মতে যাদু ধর্মৰ এক প্ৰকাৰ কিন্তু আন কিছুমানে যাদুক ধর্ম হিচাপে গণ্য নকৰে। মেলিনষ্কীৰ মতে যাদু প্ৰথা ধর্মীয় প্ৰথাৰ পৰা পৃথক কিয়নো যাদুৰ এক নির্দিষ্ট পৰিণতি থাকে যি ব্যৱহাৰিক, অন্তৰ্বর্তী আৰু ব্যক্তিগত। যাদু এক নির্দিষ্ট ফলাফল লাভৰ বাবে কৰা হয়। ধর্মৰ কোনো নির্দিষ্ট ফল নাথাকে। ই নিজৰ মাজতেই

সমাপ্ত হয়। ধর্মত মানুহৰ দৃষ্টিভংগী নম্ৰ হয় আৰু ভক্তই প্ৰাৰ্থনাৰ মাধ্যমেৰে ভগৱানৰ পৰা ফল আশা কৰে। আনহাতে, যাদুত মানুহে অসমানুপাতিক উপায়েৰে প্ৰত্যক্ষভাৱে বস্তু আহৰণ কৰিব বিচাৰে। যাদুৰ বৌদ্ধিক বিষয়বস্তু ইয়াৰ সৰ্বোচ্চ উপযোগিতাৰ দ্বাৰা সংকুচিত হৈ পৰে। যাদুৰ জৰিয়তে ব্যক্তিয়ে ভগৱানক শংকিত কৰি বস্তু আহৰণৰ কৰিবলৈ চেষ্টা কৰে। আনহাতে এজন উপাসকে ভগৱানৰ প্ৰাৰ্থনা আৰু সন্ধান কৰি আহৰণ কৰে। যাদুকৰী আচৰণ হ'ল এক বাণিজ্যিক লেন-দেন য'ত চল-চাতুৰি আৰু কৌশল আদিও প্ৰয়োগ হয়। ধর্মই মানুহ আৰু ঈশ্বৰৰ মাজত এক সম্পৰ্ক স্থাপন কৰে কিন্তু যাদুত সেই সম্পৰ্ক দেখিবলৈ পোৱা নাযায়। এটা দলৰ দ্বাৰা অনুমোদিত নোহোৱা লক্ষ্য পূৰণৰ সময়ত যাদু অধিককৈ ধর্মচ্যুত হয়। প্ৰতিশোধ লোৱা, অবৈধভাৱে সম্পত্তি আহৰণ কৰা, অন্য ব্যক্তি পত্নী অথবা অন্য মহিলাৰ স্বামী চুৰি কৰা আদি কার্যত ইয়াক দেখিবলৈ পোৱা যায়। শ্বেলবিৰ মতে, "দীর্ঘ সময়ৰে পৰা যাদুক নৈতিক তিৰস্কাৰ হিচাপে গণ্য কৰি অহা হৈছে। যদি ই ধর্মৰ অন্তর্ভুক্ত হয়, তেন্তে সি অবৈধ আৰু অবজ্ঞাপূর্ণ ধর্মত পৰিণত হ'ব"।

গণচি হ্ৰবাদ ঃ গণচিহ্নবাদ হ'ল ধর্মৰ এক প্ৰকাৰ, য'ত এটা জাতিয়ে তেওঁলোকৰ সৈতে জড়িত এটা বস্তু যেনে উদ্ভিদ অথবা প্ৰাণীৰ প্ৰতি ধর্মীয় আচৰণৰ প্ৰদর্শন কৰি ইয়াৰ নাম গ্ৰহণ কৰে আৰু উৎসর্গা প্ৰদান কৰে। চিহ্ন সাধাৰণতে বংশটোৰ সৈতে জড়িত যিকোনো বস্তু, উদ্ভিদ অথবা প্ৰাণী হ'ব পাৰে। সেই গোষ্ঠীৰ আৰু বিশেষ প্ৰাণী/ উদ্ভিদ অথবা বস্তুৰ সম্পৰ্ক বংশদ্ভুত হ'ব পাৰে। সেই গোষ্ঠী অথবা বংশৰ লোকে তেওঁলোকৰ লগত জড়িত হৈ থকা প্ৰাণী, উদ্ভিদ আৰু বস্তুৰ হত্যা নকৰে, নাখায় অথবা অনিষ্ট নকৰে। তেওঁলোকে সেই বস্তু, উদ্ভিদ আৰু প্ৰাণীক অতি প্ৰায়োগিক সত্তা হিচাপে গণ্য কৰে। উদাহৰণস্বৰূপে ৰুৰাণ্ডাত ম'হ জাতিৰ মানুহে ম'হ ভক্ষণ নকৰে।

আনুষ্ঠানিকতা ঃ ধর্মৰ সৈতে সংগঠিত এক সামগ্ৰিক প্ৰথাই হ'ল আনুষ্ঠানিকতা। সেয়েহে, প্ৰাৰ্থনা কৰা, বনভোজ খোৱা, নৃত্য-গীত পৰিবেশন আদিয়েই হ'ল আনুষ্ঠানিকতাৰ উদাহৰণ। আটাইবোৰ ধর্মই আন ভক্তৰ সৈতে আধ্যাত্মিক যোগাযোগৰ ব্যৱস্থা কৰে, ই অন্তর্মুখীকৰণৰ আন এক প্ৰকাৰ। এই ক্ষেত্ৰত আনুষ্ঠানিকতাৰ ধর্মৰ বাহ্যিক ৰূপ বুলিব পাৰি। বিশ্বাসৰ দৰে পবিত্ৰতাও ইয়াত জড়িত হৈ থাকে।

ধর্মীয় দৃষ্টিভংগী বজাই ৰখাত বহুতো চিন্তাবিদে আনুষ্ঠানিকতাক ধর্মীয় বিশ্বাসতকৈ অধিক গুৰুত্বপূর্ণ বুলি বিবেচনা কৰে। আনুষ্ঠানিকতাই ব্যক্তিক পবিত্ৰ স্থান মনত ৰখাত আৰু সেই স্থানত ব্যক্তিৰ বিশ্বাস জীয়াই ৰখাত আৰু শক্তিশালী কৰাত সহায় কৰে। ইহুদী ধর্মৰ অস্তিত্বই পার্চীসকলৰ দাবীকে প্ৰতিপন্ন কৰে যে প্ৰতিটো কার্য ৰীতি অনুযায়ী কৰা উচিত। হিন্দু ধর্মই ও ৰীতি-নীতি বা আনুষ্ঠানিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। জন্ম, মৃত্যু আৰু বিবাহৰ সময়ত এটা হিন্দু পৰিয়ালত বিভিন্ন ৰীতি-নীতি বা আনুষ্ঠানিকতা সম্পন্ন কৰা দেখা যায়। গীর্জা সমাবেশতো বিভিন্ন ৰীতি-নীতি পালন কৰা দেখা যায়। নির্দেশনা অনুসৰি ব্যক্তিয়ে থিয় হয়, মূৰ দোৱায়, আঠু কাঢ়ে, আগবাঢ়ি আহে আদি। কিছু সময়ত বিভিন্ন অনুষ্ঠান অবিশ্বাস্যভাৱে জটিল

হয়। ইয়াৰে কিছুমান অনুষ্ঠান আদিম মানুহে কিছুমান উদ্দেশ্য পূৰণ কৰিবলৈ উদ্ভাৱন কৰিছিল, কিন্তু বর্তমান বৈজ্ঞানিক জ্ঞানৰ উন্নতিৰ ফলত সেই উদ্দেশ্য হেৰাই গৈছে। এই অনুষ্ঠানসমূহ আয়োগৰ মূলতে কিছুমান যুক্তি আছিল — আৱেগিক সন্তুষ্টিৰ যুক্তি। সামাজিক সংহতিৰ বাবে আৱেগিক সন্তুষ্টিৰ প্রয়োজন আৰু কোনো এক অনুষ্ঠানে আৱেগিক সন্তুষ্টিৰ উদ্দেশ্য পুৰণ কৰিলে, তেনে অনুষ্ঠান উদ্‌যাপন সম্ভৱ হৈ পৰে।

উল্লেখযোগ্য যে, বিশ্বাস আৰু ৰীতি-নীতিৰ মাজত পার্থক্য আছে। বিশ্বাস হ'ল পবিত্র বস্তুৰ প্রতি থকা দৃষ্টিভংগী। ই প্রমাণতকৈও বিশ্বাসৰ ওপৰত ভিত্তি কৰে। ই ধর্মৰ জ্ঞানভিত্তিক দিশ। কিছুমানে গৰুক পবিত্র বস্তু বুলি বিশ্বাস কৰে। ই বিশ্বাসৰ ওপৰত প্রতিষ্ঠিত দৃষ্টিভংগী। এটা পবিত্র গৰু আৰু আন গৰুৰ মাজত কোনো পার্থক্য নাথাকে, পার্থক্য বিশ্বাস কৰা লোকৰ মনতহে পৰিস্ফুট হয়।

ৰীতি-নীতি হ'ল ধর্মীয় প্রথা। ই হ'ল পবিত্র বস্তুৰ ক্ষেত্রত প্রদর্শন কৰা আচৰণ। আচৰণৰ পবিত্রতা পবিত্র বস্তুৰ প্রতি গ্রহণ কৰা দৃষ্টিভংগীৰ ওপৰত নির্ভৰ কৰে।

বস্তুকাম ঃ বস্তুকাম ধর্মৰ প্রাথমিক প্রকাৰ। ই পার্থিৱ বস্তুৰ ৰহস্যময় শক্তিৰ বাবে কৰা উপাসনা। ইংৰাজী 'ফেটিছ' শব্দটো পর্তুগীজ অভিযাত্রী সকলৰ পৰা অনা হৈছে, যিয়ে পশ্চিম আফ্রিকাৰ কৃষ্ণাংগ লোকসকলৰ কাঠ চিত্রত এই শব্দটি প্রয়োগ কৰিছিল। গুৰুত্বপূর্ণ কথাটো এইটো নহয় যে এইবোৰ কৃত্রিম। যিকোনো আকৃতিৰ পাত অথবা শিলকো খোদিত বস্তু হিচাপে উপাসনা কৰা হ'ব পাৰে। এনে বস্তু অথবা মূর্তিৰ সাৰমর্ম এয়ে যে ইয়াত এক শুভ বা অশুভ ৰহস্যময় শক্তিৰ গুণ থাকিব পাৰে, যাক নিৰক্ষৰ লোকে 'মন' আখ্যা দিছিল। এই বস্তু বা মূর্তিয়ে ব্যক্তিৰ ইচ্ছা পূৰণ কৰিব নোৱাৰাৰ ওপৰত ভিত্তি কৰি ইয়াৰ অপমান অথবা আৰাধনা কৰা হয়।

উপৰোক্ত বিৱৰণৰ পৰা আমি ইয়াকে ক'ব পাৰো যে আদিম কালত পৃথিৱী আত্মা আৰু উপকাৰী বা অপকাৰী ভূতৰ বাসস্থল বুলি ভবা হৈছিল। এই আত্মা আৰু ভূতৰ প্রকোপৰ পৰা নিজকে ৰক্ষা কৰিবলৈ আদিম মানৱে বিভিন্ন পদ্ধতিৰে সর্বপ্রাগবাদ, গণচিহ্নবাদ, আনুষ্ঠানিকতা আৰু বস্তুকামৰ সৃষ্টি কৰিছিল।

১২.৬ ধর্মৰ তত্ত্বসমূহ

মেলিনস্কী আৰু ৰেডক্লিফ ব্রাউনে প্রাচীন ধর্মৰ কার্যকৰী ব্যাখ্যা আগবঢ়াইছে। মেলিনস্কীয়ে ট্র'ব্রায়াণ্ড দ্বীপবাসীক উল্লেখ কৰি কৈছে যে ধর্মই বিভিন্ন আৱেগিক অৱস্থা - পীড়া অৱস্থাৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ থাকে। উদাহৰণস্বৰূপে, মাছমৰা কার্যত তেওঁলোকৰ বিভিন্ন ধর্মীয় আৰু যাদুকৰী প্রথা প্রচলন হৈ আছে। ই সাগৰীয় দুর্যোগৰ প্রতি থকা মানুহৰ ভয়ৰ পৰিণাম। একেদৰে, মানুহৰ জীৱনৰ বিভিন্ন অৱস্থা ফলত ঘৃণা, লোভ, ক্রোধ, প্রেম আদিৰো সৃষ্টি হ'ব পাৰে। এই অৱস্থাসমূহে মানসিক চাপৰ সৃষ্টি কৰিব পাৰে আৰু বহুদিনলৈ জমা হ'লে হতাশাৰ ৰূপো ল'ব পাৰে। মানুহ এক কার্যক্ষম জীৱ আৰু বিপর্যস্ত অৱস্থা মানুহে স্বাভাৱিকভাৱে কার্য

কৰিব নোৱাৰে। এনে অৱস্থাত ধর্মই এক গুৰুত্বপূর্ণ আহিলা হিচাপে কাম কৰে, যিয়ে ব্যক্তিক হতাশা আৰু পীড়াৰ পৰা মুক্তি দিয়ে অর্থাৎ, ধর্মই বিচাৰক হিচাপে কাম কৰে। আন অর্থত, ধর্মই বিপর্যস্ত অৱস্থাত মানুহ আৰু অতিপ্রাকৃতিক উপাদানৰ মাজত সমন্বয় গঢ়ি তোলে। ই ব্যক্তিৰ জীৱনত মানসিক স্থিতিশীলতা সুৰক্ষিত কৰে।

ৰেডক্লীফ ব্রাউনে আন এক স্থিতি গ্রহণ কৰিছিল। তেওঁৰ মতে মানুহৰ মনৰ পৰা ভয় আৰু আৱেগিক পীড়া আতৰোৱাই ধর্মৰ কাম নহয়। ধর্মৰ কাম হ'ল মনত এক নির্ভৰশীলতা সৃষ্টি কৰা। তেওঁ কৈছিল যে গোটৰ অস্তিত্ব ব্যক্তিৰ অস্তিত্বতকৈ অধিক গুৰুত্বপূর্ণ আৰু ব্যক্তি যদি ত্যাগ কৰিবলগীয়া হয় তেন্তে ই নিজ স্বার্থৰ বাবেই। কাৰণ সামাজিক অস্তিত্ব অবিহনে ব্যক্তিৰ অস্তিত্ব সম্ভৱ নহয়। কিন্তু ব্যক্তিয়ে প্রায়েই এই কথা উপলব্ধি নকৰে আৰু তেওঁলোকে ব্যক্তিগতভাৱে কার্য সম্পাদন কৰিব বিচাৰে। যদি প্রত্যেক ব্যক্তিয়ে এনেদৰে কার্য কৰিব বিচাৰে, তেন্তে বিভ্রান্তি আৰু বিশৃংখলতাৰ সৃষ্টি হ'ব আৰু কোনো ধৰণৰ সংগঠিত কার্যকলাপ সম্ভৱ নহ'ব। সামাজিক অস্তিত্ব বর্তাই ৰাখিবৰ বাবে আদর্শগত কিছুমান আচৰণ অনুসৰণ কৰাটো প্রয়োজনীয়, অতিপ্রাকৃতিক নিয়ন্ত্রণ আৰু শাস্তিৰ প্রতি ভয় আৰু সামাজিকভাৱে স্বীকৃত আচৰণৰ সমর্থন লাভ আশাই এই আনুগত্য সম্ভৱপৰ কৰি তোলে। সেয়েহে, ধর্মৰ কাম হ'ল সামাজিক নির্ভৰশীলতাৰ সৃষ্টি কৰা আৰু সামাজিক ৰীতি-নীতিসমূহত ব্যক্তিৰ সন্মতি লাভ কৰা কাৰণ সামাজিক হোৱাৰ প্রধান লক্ষ্য হ'ল সমাজক চিৰস্থায়ী কৰা।

এনেদৰে আমি ক'ব পাৰো যে মেলিনস্কী আৰু ৰেডক্লীফ ব্রাউনৰ মতামতৰ সংমিশ্রণতে সত্য নিহিত হৈ আছে। তেওঁলোকৰ মতামত বিপৰীত যেন লাগিব পাৰে যদিও তেনে নহয়। ই এটা আনটোৰ পৰিপুৰকহে। ব্যক্তি সমাজৰ বাবে যিমান গুৰুত্বপূর্ণ সমাজো ব্যক্তিৰ বাবে সমানেই প্রয়োজনীয়।

ৰেডক্লীফ -ব্রাউন আৰু মেলিনস্কীৰ সমাজতাত্ত্বিক ব্যাখ্যাসমূহ ডুৰখাইমৰ ধর্মৰ তত্ত্বৰ পৰা লোৱা হৈছে। পৰৱর্তী খণ্ডত আমি ডুৰখাইমৰ ধর্মৰ তত্ত্ব সম্বন্ধে আলোচনা কৰিম।

এমিল ডুৰখাইমৰ ধর্ম সম্বন্ধে মতবাদ ঃ

এমিল ডুৰখাইমে তেওঁৰ 'The Elementary Forms of Religious Life' নামৰ গ্রন্থখনত ধর্মৰ সমাজতাত্ত্বিক তত্ত্ব আগবঢ়াইছে। এই গ্রন্থখনত ডুৰখাইমে কার্যনির্বাহী দৃষ্টিকোণৰ পৰা ধর্মৰ আটাইতকৈ প্রভাৱশালী ব্যাখ্যা আগবঢ়াইছে। ডুৰখাইমৰ মতে সকলোবোৰ সমাজক দুটা ভাগত বিভক্ত কৰিব পাৰি; 'পবিত্র' আৰু 'অধর্মী'। সহজ ভাষাত ই পবিত্র আৰু অপবিত্রৰ মাজৰ পার্থক্য। তেওঁৰ মতে এই পার্থক্যই ধর্মৰ মূল ভেটি। ই 'পবিত্র বস্তুৰ সৈতে জড়িত বিশ্বাস আৰু প্রথাৰ এক সংযুক্ত ব্যৱস্থা, যি পৃথক আৰু নিষিদ্ধ'। তেওঁৰ মতে, ঈশ্বৰ, আত্মা আদিৰ দৰে ব্যক্তিগত সত্তাসমূহেই কেৱল পবিত্র বস্তু নহয়। যিকোনো বস্তুয়েই পবিত্র হ'ব পাৰে, যেনে- এটা শিলগুটি, কাঠৰ টুকুৰা, শিল ইত্যাদি। শিলগুটি অথবা কাঠৰ বিশেষ গুণৰ বাবেই ইয়াক পবিত্র বুলি গণ্য কৰা নহয়। পবিত্র বস্তুসমূহ পবিত্র কাৰণ এইবোৰ কিছুমান প্রতীক বা চিহ্ন। সেয়েহে, ডুৰখাইমৰ মতে সমাজত ধর্মৰ ভূমিকা বুজি পাবৰ বাবে এই চিহ্নসমূহ আৰু এইবোৰে কি

উপস্থাপন কৰিব বিচাৰে তাৰ মাজত সম্পৰ্ক স্থাপন কৰিব লাগিব। ডুৰখাইমে যুক্তি দৰ্শাইছে যে যদি কোনো ব্যক্তিয়ে সামাজিক অস্তিত্বৰ প্ৰাথমিক ৰূপ আৰু ইয়াৰ সৈতে জড়িত চিন্তাধাৰা সম্পৰ্কে অধ্যয়ন কৰে, তেন্তে চিহ্ন (সামগ্ৰিক অস্তিত্ব) আৰু এইবোৰে উপস্থাপন কৰা বস্তু (সামগ্ৰিক উপস্থাপন) ৰ মাজত সম্পৰ্ক বোধগম্য হ'ব। সেয়েহে, ডুৰখাইমে অষ্ট্ৰেলিয়া আৰু উত্তৰ আমেৰিকাৰ আদিম জনগোষ্ঠীক তেওঁৰ অধ্যয়নৰ ভিত্তি হিচাপে লৈছিল।

ডুৰখাইমে অষ্ট্ৰেলিয়াৰ আদিবাসীসকলৰ ধৰ্মক আটাইতকৈ সৰল আৰু প্ৰাথমিক ধৰ্ম হিচাপে গণ্য কৰিছিল আৰু এই ধৰ্মক গণচিহ্নবাদ আখ্যা দিছিল। এই লোকসকলৰ চিহ্ন/ প্ৰতীক তেওঁলোকৰ ধৰ্মৰ উপৰিও বংশৰ সদস্যসকলৰ সৈতেও জড়িত আছিল। আদিবাসী সমাজ বিভিন্ন বংশত বিভক্ত আছিল। এটা বংশ ডাঙৰ পৰিয়ালৰ দৰে য'ত সদস্যসকলে বিভিন্ন দায়িত্ব পালন কৰে। প্ৰত্যেক বংশৰে এটা চিহ্ন বা প্ৰতীক থাকে — সাধাৰণতে প্ৰাণী বা উদ্ভিদ। এই চিহ্নটোৱেই বংশৰ প্ৰতীক। "এই চিহ্ন বংশটোৰ পতাকাত থাকে আৰু এই চিহ্নৰ দ্বাৰাই এটা বংশ আন এটা বংশৰ পৰা পৃথক হয়"। ই এক পবিত্ৰ চিহ্ন। এই চিহ্ন, চি হ্নবাদ নীতি আৰু ঈশ্বৰৰ বাহ্যিক প্ৰকাশ।

পবিত্ৰ বস্তু হিচাপে চিহ্নই এনেদৰে শ্ৰদ্ধা আৰু বিস্ময় প্ৰেৰিত কৰে। অনুষ্ঠানত সকলোবোৰ বংশ একত্ৰিত হ'লে এনে শ্ৰদ্ধা আৰু বিস্ময়ৰ ভাব দেখিবলৈ পোৱা যায়। ইয়েই ব্যক্তিক উত্তেজিত কৰি তোলে। ইয়েই সৃষ্টিশীল সংশ্লেষণৰ উদাহৰণ। চিহ্ন এটা বস্তু; ই অদৃষ্ট বাস্তৱৰ প্ৰতীক। চিহ্ন হিচাপে গ্ৰহণ কৰা জীৱৰ চিত্ৰ জীৱতকৈও অধিক পবিত্ৰ। ই চিহ্নৰ প্ৰতীকীয় তাৎপৰ্যকে প্ৰমাণিত কৰে। বংশৰ নৈতিক একতাক সামগ্ৰিকভাৱে চিহ্নিত কৰা বাবেই এই চিহ্নসমূহ পবিত্ৰ আৰু ক্ৰমান্বয়ে দেৱতালৈ ৰূপান্তৰিত কৰা হয়। ডুৰখাইমে যুক্তি দৰ্শাইছে যে যদি চিহ্নই সমাজ আৰু ঈশ্বৰৰ প্ৰতীক, তেন্তে সমাজ আৰু ঈশ্বৰ একে নহয়নে? সেয়েহে তেওঁ পৰামৰ্শ আগবঢ়াইছে যে ঈশ্বৰৰ উপাসনা কৰোতে মানুহে সমাজৰো উপসনা কৰি আছে। ধৰ্মীয় শ্ৰদ্ধাৰ মূল বিষয়েই হৈছে সমাজ।

মানুহে কেনেকৈ সমাজৰ উপাসনা কৰিবলৈ আৰম্ভ কৰিছিল? ডুৰখাইমে যুক্তি দৰ্শাইছে যে; 'আদিম মানুহে সমাজৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হোৱা বাবেই সমাজক পবিত্ৰ ৰূপে গণ্য কৰিছিল'। সমাজ ব্যক্তিতকৈ অধিক গুৰুত্বপূৰ্ণ আৰু শক্তিশালী। তেনেহ'লে মানুহে কিয় সমাজৰ উপাসনা নকৰে? মানুহে চিহ্নৰ দৰে কিয় পবিত্ৰ প্ৰতীক উদ্ভাৱন কৰিবলগীয়া হ'ল? ডুৰখাইমে ইয়াৰ ব্যাখ্যা এনেদৰে আগবঢ়াইছে; 'মানুহে বংশৰ তুলনাত চিহ্নৰ কল্পনা আৰু চিহ্নৰ প্ৰতি বিস্ময় ভাব সহজতে প্ৰকাশ কৰিব পাৰে'। এনে পৰিস্থিতি ধৰ্ম 'অবৰ্ণনীয় ভ্ৰান্তিৰ পৰা বাস্তৱত পৰিণত হয়'। দৰাচলতে, আমি ক'ব পাৰো যে, ভক্তই নিৰ্ভৰশীল হৈ থকা নৈতিক শক্তি, য'ৰ পৰা তেওঁ নিজৰ বাবে শ্ৰেষ্ঠৰূপ লাভ কেৰ, তেন্তে শক্তিৰ অস্তিত্ব বিশ্বাস কৰাত বিশ্বাসী/ ভক্ত ই কোনো বঞ্চনা ভোগ কৰিবলগীয়া নহয়।

ডুৰখাইমে অধ্যয়ন কৰা অষ্ট্ৰেলিয়াৰ জনজাতিৰ মাজত বিভিন্ন ধৰণেৰে চিহ্ন উপস্থাপন কৰা হয়। সকলোবোৰ বংশতেই চিহ্নৰ কিছুমান প্ৰতীক থাকে। কাঠৰ টুকুৰা, শিল আদিবোৰে

চিহ্নক উপস্থাপন কৰে। সাধাৰণ বস্তুসমূহেও চিহ্নৰ প্ৰতীক গ্ৰহণ কৰাৰ পিছত ৰূপান্তৰিত হয়। তেওঁলোকে চিহ্নৰ পবিত্ৰ গুণ বহন কৰে। আধুনিক সমাজৰ পতাকাসমূহ অষ্ট্ৰেলিয়াৰ আদিবাসী সকলৰ চুৰিংগাৰ সমতুল্য। এটা গোষ্ঠী বা বংশৰ পতাকা এখনে দেশখনৰ পবিত্ৰতা গুণ লাভ কৰে। এটা বংশ বা গোষ্ঠীয়ে প্ৰতীক হিচাপে গ্ৰহণ কৰা চিহ্ন বস্তুবোৰে ধৰ্মীয় শৃংখলাবদ্ধ আচৰণ-প্ৰথাগত বা অপ্ৰথাগত আচৰণৰ জন্ম দিয়ে। বংশৰ সদস্যসকলে চিহ্নবস্তু স্পৰ্শ কৰা আৰু ভক্ষণ কৰাৰ পৰা বিৰত থাকে। অথবা চিহ্নবস্তুক তেওঁলোকে সৰ্বোচ্চ সন্মান প্ৰদৰ্শন কৰে। এনেদৰে, অষ্ট্ৰেলিয়াৰ সমাজত জনজাতিসকলক দুটা ভাগত বিভক্ত কৰা হয় — পবিত্ৰ আৰু অধৰ্মী।

ডুৰখাইমৰ বাবে, 'মানৱ মনে পবিত্ৰ আৰু অধৰ্মীক দুটা শ্ৰেণীত বিভক্ত কৰিছে য'ত কোনো সাদৃশ্য নাই'। দুয়োটা ক্ষেত্ৰৰ মাজত যুক্তিগতভাৱে বিৰোধিতা আছে আৰু পবিত্ৰ বিশ্বাস তথা প্ৰথাই ধৰ্ম গঠন কৰে। ধৰ্ম এক দলীয় পৰিঘটনা কাৰণ এটা দলেহে ধৰ্মৰ বিশেষ বৈশিষ্ট্য আৰু একতা প্ৰদান কৰে। ইয়াৰোপৰি, ধৰ্মই ব্যক্তি আৰু দলক ঐক্যবদ্ধ কৰি ৰাখে। এইদৰে ডুৰখাইমে তেওঁৰ মতবাদত ধৰ্মীয় ধাৰণাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই ধাৰণাসমূহ সমাজৰ পৰা লোৱা হৈছে আৰু এইবোৰে সমাজৰ সদস্যসকলক একগোট কৰি ৰাখে। সমাজ শক্তিশালী কৰা ধৰ্মৰ এই প্ৰয়োজনীয় আৰু ধনাত্মক কাৰ্যই ধৰ্মক সৰ্বব্যাপী আৰু স্থায়ী প্ৰতিষ্ঠান হিচাপে প্ৰতিষ্ঠা কৰিছে।

কার্ল মার্ক্সৰ ধর্ম সম্বন্ধে মতবাদ

কার্ল মার্ক্সৰ মতে ধৰ্ম হৈছে এক ভ্ৰম, যি পুঁজিবাদী সমাজৰ লোকসকলৰ কষ্ট লাঘৱ কৰাৰ বাবে প্ৰয়োজনীয়। মার্ক্সৰ ভাষাত, 'ধৰ্ম হ'ল শোষিত প্ৰাণীৰ হুমুনিয়াহ, নিষ্ঠুৰ পৃথিৱীৰ অনুভূতি আৰু প্ৰাণহীন অৱস্থাৰ প্ৰাণস্বৰূপ। ই মানুহৰ বাবে 'নিচা'। মার্ক্সে বিশ্বাস কৰিছিল যে সাম্যবাদী সমাজত ধৰ্ম সম্পূৰ্ণৰূপে নাইকীয়া হৈ যাব কাৰণ সেই সমাজত উৎপীড়ক, উৎপীড়িত, শোষক, শোষিত আদি শ্ৰেণী বিভাজন নাথাকে। আন অৰ্থত, সাম্যবাদে এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিব, য'ত সামাজিক অৱস্থাই ধৰ্মক নাইকীয়া কৰি পেলাব।

মার্ক্সৰ মতে, ধৰ্মই বিভিন্ন ধৰণেৰে উৎপীড়িতৰ বেদনা লাঘৱ কৰিবলৈ চেষ্টা কৰিছিল। এইবোৰ তলত উল্লেখ কৰিব পাৰি। প্ৰথমতে, ই মৃত্যুৰ পিছতো স্বৰ্গীয় সুখ প্ৰদান কৰে। এইদৰে, এনে সুখেই মানুহৰ দুখ-বেদনা সহনীয় কৰি তোলে। দ্বিতীয়তে, কিছুমান ধৰ্মই দৰিদ্ৰতাৰ গুণ আৰু উৎপীড়কে প্ৰদান কৰা কষ্টৰ গুণানুকীৰ্তন কৰে। সুপৰিচিত বাইবেলৰ এটা উক্তিৰ দ্বাৰা ইয়াক বুজি পাব পাৰি; 'ধনী ব্যক্তি এজনে স্বৰ্গৰাজ্যত প্ৰৱেশ কৰাতকৈ এটা উটে বেজীৰ বিন্ধাৰে পাৰ হোৱা সহজ'। ইয়াৰ দ্বাৰা বুজিব পাৰি যে যিবোৰ ব্যক্তিয়ে সন্মান আৰু বিনয়েৰে জীৱনৰ বঞ্চনা সহ্য কৰে, তেনে লোকে পুণ্য অৰ্জন কৰে। তৃতীয়তে, ধৰ্মীয় শিক্ষাই ব্যক্তিক অতিপ্ৰাকৃতিক হস্তক্ষেপ আশা কৰিবলৈ প্ৰৰোচিত কৰে, যিয়ে পৃথিৱীৰ সমস্যাসমূহৰ সমাধান কৰিব পাৰে। চতুৰ্থতে, ধৰ্মই ব্যক্তিক অন্যায় সহ্য কৰিবলৈ আৰু অবিচাৰপূৰ্ণ সামাজিক শৃংখলা সহ্য কৰিবলৈ শিক্ষা দিয়ে। হিন্দু ধৰ্মকে আদি কৰি আন কিছু ধৰ্মত সামাজিক শৃংখলা স্ৰষ্টাৰ হস্তকৰ্ম হিচাপে উপস্থাপন কৰা হয় আৰু সেয়েহে সামাজিক শৃংখলা অপৰিবৰ্তনীয়। সেয়েহে, সামাজিক শৃংখলাত

ব্যক্তিয়ে স্থান গ্রহণ কৰাৰ বিপৰীতে কোনো বিকল্প নাই।

মার্ক্সবাদী দৃষ্টিভংগীৰ মতে ধর্মই কেৱল পৌৰাণিক আখ্যান অথবা কিংবদন্তিৰেই সৃষ্টি নকৰে, যি আখ্যানে অন্যায় আৰু শোষণৰ সামাজিক শৃংখলাক ন্যার্য্যতা প্রদান কৰে, ধর্মই শোষণৰ আহিলা হিচাপেও কাম কৰে। ঐতিহাসিকভাৱে, সকলোবোৰ সুসংগঠিত ধর্মই শাসক শ্রেণীৰ পৃষ্ঠপোষকতা লাভ কৰিছিল আৰু ইয়াৰ বিনিময়ত ধর্মীয় নেতাসকলে তেওঁলোকৰ অনুৰাগীসকলৰ মনোযোগ প্রকৃত শোষকৰ উৎসৰ পৰা আঁতৰাই শাসক শ্রেণীক তেওঁলোকৰ ক্ষমতাৰ পদবীত অধিষ্ঠিত হৈ থকাত সহায় কৰিছিল।

সংগঠিত ধর্মৰ বিৰুদ্ধে মার্ক্সবাদীসকলে নির্দেশ কৰা পৰিৱর্তনসমূহ প্রতিষ্ঠাৰ যথেষ্ট প্রমাণ পোৱা যায়। কিন্তু যি পৰিস্থিতিত কোনো শ্রেণী শোষণ নাথাকে, তাত ধর্ম নাইকীয়া হৈ যাবনে? জীৱনৰ বিভিন্ন অনিশ্চিত আৰু অপ্রত্যাশিত দিশ আছে। উদাহৰণস্বৰূপে, মৃত্যুয়ে মানুহৰ জীৱনত এনে এক শূণ্যতাৰ সৃষ্টি কৰে, যাক কোনো যুক্তিয়ে উপশম কৰিব নোৱাৰে। এনে পৰিস্থিতিত মানুহে স্বাভাৱিকভাৱে জীৱনক লৈ প্রশ্ন উত্থাপিত কৰে। ধর্মই মানুহক সেই প্রয়োজনীয় আৱেগিক সমর্থন আৰু সুৰক্ষা প্রদান কৰে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত বহুতো ৰাছিয়ান পুৰষ-মহিলাই যুদ্ধৰ নিকটৱর্তী তেওঁলোকৰ আত্মীয় স্বজনৰ মংগল কামনা কৰি গীর্জাৰ কাষ চাপিছিল। সেয়েহে নিশ্চিতভাৱে কোৱা হয় যে, "এই উদাহৰণসমূহে ইয়াকে দেখুৱাই যে ধর্ম, উৎপাদনৰ ব্যক্তিগত মালিকীস্বত্ত্বৰ ভিত্তিত গঢ় লৈ উঠা সমাজৰ কিছুমান বিশ্বাস আৰু প্রথাতকৈ বহুত বেছি"।

মনকৰিবলগীয়া যে ধর্মৰ বিসংগতিমূলক দিশসমূহ প্রতিষ্ঠিত ধর্মৰ সৈতে জড়িত। সামাজিক সংহতি শক্তিশালী কৰাৰ পৰিৱর্তে এই সংগঠিত ধর্মসমূহে বিভিন্ন সময়ত বিভাজনকাৰী শক্তি হিচাপে প্রত্যক্ষ আৰু অপ্রত্যক্ষভাৱে বিভিন্ন দিশত ধর্মীয় সংঘর্ষক উৎসাহিত কৰি আহিছে।

সমাজ আৰু ব্যক্তিৰ ক্ষেত্রত ধর্মৰ কার্য আৰু বিসংগতিসমূহ যোৱা কেইবাটাও শতিকাৰ উৎকৃষ্ট সামাজিক আৰু সাংস্কৃতিক বিকাশ লক্ষ্য কৰিলেই গম পাব পাৰি যেনে সংস্কৃতিৰ ধর্মনিৰপেক্ষতা। আদিম পৰম্পৰাগত সমাজত ধর্মই জন্মৰ পৰা মৃতুলৈকে সকলোবোৰ বিষয় যেনে বৃত্তিগত গোট আদি অন্তর্ভুক্ত কৰিছিল। সংক্ষেপে, ধর্মই বিশ্বাসীসকলৰ বিশ্বদর্শন লোকসকলৰ ক্ষেত্রতো প্রযোজ্য হয়। কিন্তু তাত এটি সূক্ষ্ম পার্থক্য পৰিলক্ষিত হয়। ধর্মতত্ত্বৰ বিকাশৰ লগে লগে মানুহে পৌৰাণিক আখ্যানৰ পৰা যুক্তিপূর্ণতাৰ দিশে অগ্রসৰ হৈছে। 'সাধাৰণ চিন্তাৰ যুক্তিপূর্ণতা'। সংস্কৃতিৰ ধর্মনিৰপেক্ষতাই পুৰুষ-মহিলাৰ চিন্তাৰ বিচাৰ শক্তিয়েই বৃদ্ধি নকৰে, কিন্তু 'পবিত্রতাৰো অৱক্ষয়' ঘটায়। ইয়াক 'বিচ্ছিন্নকৰণ' হিচাপে অভিহিত কৰা হয়। বিচ্ছিন্নকৰণৰ অর্থ হ'ল পবিত্র বস্তুৰ প্রতি থকা ধর্মীয় প্রতিক্রিয়াত আৱেগিক প্রত্যাহাৰ। সেয়েহে সংস্কৃতিৰ ধর্মনিৰপেক্ষতাত বিচ্ছিন্নকৰণ আৰু যুক্তিপূর্ণতাৰ অর্থ হ'ল — ধর্মৰ বিশ্বদর্শনেই চিন্তাৰ মূল প্রসংগ নহয়। বিশ্বই পবিত্রতা হেৰুওৱা আৰু প্রৰোচনামূলক বস্তুৰে গঠিত সম্পর্কে আন এক মতবাদ সৃষ্টি হৈছে।

মেক্স ৱেবাৰৰ ধর্ম সম্বন্ধে মতবাদ

মেক্স ৱেবাৰৰ ঔদ্যোগিক সমাজৰ ব্যাখ্যাই বিচ্ছিন্নকৰণৰ কথা স্পষ্ট কৰিছে। তেওঁৰ মতে, ঔদ্যোগিক সমাজত বুদ্ধিজীৱিকৰণ আৰু যুক্তিপূর্ণতাৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায় আৰু ইয়াৰোপৰি 'বিশ্ব বিচ্ছিন্নতা' ঔদ্যোগিক সমাজৰ আন এক বৈশিষ্ট্য। ৰহস্য আৰু যাদু নাইকীয়া হৈ পৰিছিল, অতিপ্রাকৃতিক সত্তাসমূহো সমাজৰ পৰা নিষিদ্ধ কৰা হৈছিল। কামৰ অর্থ আৰু উদ্দেশ্যসমূহ যুক্তিপূর্ণ হৈ পৰিছিল। বহুতো সমাজতত্ত্ববিদে ঔদ্যোগিক সমাজৰ কার্যসম্পর্কে ৱেবাৰৰ ব্যাখ্যা সমর্থন কৰিছে। ব্রায়ান উইলচন (Bryan Wilson) এ তেওঁৰ গ্রন্থ 'Religion in a Secular Society' ত কৈছে যে, "ধর্মীয় চিন্তাই সুস্পষ্ট পৰিৱর্তনৰ প্রমাণ দিয়ে। ধর্মীয় অভিৰোচনে ব্যক্তিক কম কার্য কৰিবলৈ বাধ্য কৰে; তেওঁলোকে বিশ্বখনক যুক্তিপূর্ণ আৰু অভিজ্ঞতামূলকভাৱে মূল্যায়ন কৰে।" উইলচনে যুক্তিপূর্ণ চিন্তাধাৰা আৰু বিশ্বদর্শনৰ বিকাশৰ কাৰকসমূহ উল্লেখ কৰিছে — প্রথমতে, প্রটেষ্টটিজমৰ পার্থিৱ তপস্যাই এক প্রায়োগিক, যুক্তিপূর্ণ, নিয়ন্ত্রিত আৰু আৱেগ বিৰোধী নীতি সৃষ্টি কৰে। দ্বিতীয়তে, ঔদ্যোগিক সমাজৰ লোকসকলে যুক্তিপূর্ণ আচৰণবাদী সংগঠনৰ সৈতে জড়িত হৈ থাকে। তৃতীয়তে, আধুনিক জ্ঞান বিশ্বাসৰ পৰিৱর্তে যুক্তিৰ ওপৰত নির্ভৰশীল। উইলচনৰ মতে, "বিজ্ঞানে জীৱনৰ বিভিন্ন দিশ আৰু বস্তুবাদী পৰিৱেশক সন্তোষজনকভাৱে ব্যাখ্যা কৰাৰ উপৰিও ব্যৱহাৰিক ফলাফলৰ জৰিয়তে এই ব্যাখ্যা সুনিশ্চিত কৰে। চতুর্থতে, সাম্যবাদৰ দৰে আদর্শ আৰু শ্রমকল্যাণ সমিতি আদিৰ বিকাশে সমস্যাসমূহৰ বাস্তৱ সমাধান প্রদান কৰিছে। তুলনামূলকভাৱে, ধর্মীয় সমাধান যেনে মৃত্যুৰ পিছত ন্যায় আৰু পুৰস্কাৰৰ প্রতিশ্রুতি আদিয়ে ব্যৱহাৰিক আৰু পর্যবেক্ষণযোগ্য ফলাফল প্রদান নকৰে।

১২.৭ ধর্মৰ সামাজিক ভূমিকা

ব্যক্তিৰ জীৱনত ধর্মই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। ই ব্যক্তিৰ আধ্যাত্মিক, সামাজিক আৰু মনোবৈজ্ঞানিক প্রয়োজনসমূহ পূৰণ কৰে। ধর্মীয় চিন্তাধাৰাই সৃষ্টি-ধ্বংস, জীৱন-মৰণ, ব্যক্তিগত-সামাজিক আদর্শ আৰু পার্থিৱ আৰু অপার্থিৱ উদ্দেশ্যৰ বিস্তৃত দর্শন প্রদান কৰে।

পার্চনে সামাজিকীকৰণ আৰু সামাজিক নিয়ন্ত্রণ প্রক্রিয়াত ধর্মৰ ভূমিকা বিবেচনা কৰিছে। তেওঁৰ মতে ধর্মীয় 'মূল্য-বিন্যাস' এ সামাজিক নিয়ন্ত্রণ প্রক্রিয়াত সহায় কৰে। ধর্মীয় ধাৰণাই ব্যক্তিক বাঞ্ছনীয় আৰু অবাঞ্ছনীয় কার্যৰ মাজত পার্থক্য বুজাত সহায় কৰে, আৰু অবাঞ্ছনীয় কার্য নিয়ন্ত্রণ কৰে। ধর্মই একতা আৰু ভ্রাতৃত্ববোধৰ সৃষ্টি কৰে। সামাজিক জীৱন সংগঠন, পৰিকল্পনা আৰু পৰিচালনা কৰাৰ ক্ষেত্রত ধর্মৰ ভূমিকা তাৎপর্যপূর্ণ। ধর্মই বিবাহ আৰু পৰিয়ালৰ নীতিসমূহৰ জৰিয়তে বৈষয়িক দিশসমূহো পৰিচালনা কৰে। ডুৰখাইমে যুক্তি দর্শাইছে যে, ধর্মই সামাজিক সংহতি সুদৃঢ় কৰে।

ধর্মৰ এক গুৰুত্বপূর্ণ অৱদান হ'ল ই সামাজিক শৃংখলাৰ সংৰক্ষণ কৰে আৰু সামাজিক নিয়ন্ত্রণ শক্তিশালী কৰে। পৰম্পৰাগত আৰু আধুনিক উভয় সমাজতে ধর্মই ব্যক্তি আৰু দলীয়

আচৰণ আৰু দৃষ্টিভংগী নিয়ন্ত্রণ কৰে। বিভিন্ন ধর্মগ্রন্থ, পুৰোহিতৰ শিক্ষা, সভা আৰু সন্মিলনৰ জৰিয়তে ধর্মই এই উদ্দেশসমূহ পূৰণ কৰে। ধর্মীয় উপাদান হিচাপে সন্মিলন আৰু প্রথাসমূহেও সামাজিক নিয়ন্ত্রণত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। ধর্মই সামাজিক নিয়ন্ত্রণ প্রক্রিয়াত এনেদৰে সহায় কৰে —

প্রথমতে, ধর্মই জাতীয়কৰণ কৰি ব্যক্তিগত দুখ-কষ্টক এই পৰিচিত বিশ্বত সহনীয় কৰি তোলে।

দ্বিতীয়তে, ই আত্মগুৰুত্ব বৃদ্ধি কৰে।

তৃতীয়তে, ধর্মই সামাজিক মূল্যবোধক একত্রিত কৰাত সহায় কৰে। ইয়াক বিস্তাৰিতভাৱে আলোচনা কৰো আহক।

ধর্মই ব্যক্তিগত পীড়াৰ ব্যাখ্যা প্রদান কৰে ঃ মানুহে কেৱল জ্ঞানৰ দ্বাৰাই জীয়াই নাথাকে। মানুহ এক সংবেদনশীল জীৱ। ধর্মই হতাশা আৰু দুখ-কষ্টৰ আৱেগক উপশম কৰে আৰু ব্যক্তিত্বৰ বিকাশত অৱদান আগবঢ়ায়। এই পৃথিৱীত মানুহে তেওঁলোকৰ আশা-আকাংক্ষা আৰু কৃতিত্ব অর্জনৰ মাজত প্রায়েই হতাশা আৰু বিষন্নতাত ভোগে। মানুহে যাৰ বাবে অহোপুৰুষার্থ কৰে, তেনে বস্তু বা বিষয় তেওঁলোকক নুই কৰা হয়। যেতিয়া মানুহৰ আশা খীন হয় আৰু সমস্ত চেষ্টা আৰু পৰিকল্পনা ভঙ্গ হয়, স্বাভাৱিকভাৱে তেতিয়া মানুহে সান্তনা লাভ কৰিব বিচাৰে। ধর্মই মানুহক সুস্থিৰতা আৰু সহিষ্ণুতা গুণ প্রদান কৰে যাৰ জৰিয়তে শোক প্রশমিত কৰিব বিচাৰে। ভগৱানৰ ওপৰত বিশ্বাস ৰাখে যে কোনো অদৃশ্য শক্তিয়ে এই ক্ষতি অর্থৰহ কৰি তুলিব। ঈশ্বৰৰ প্রতি বিশ্বাসে মানুহৰ ক্ষতিপূৰণ কৰে, মানুহক জীৱনৰ প্রতি আগ্রহী কৰি জীৱন সহনীয় কৰি তোলে। এনেদৰে ধর্মই মানুহক দুখ আৰু ভয়ৰ পৰা মুক্ত কৰে। ই মানুহক হতাশা সহ্য কৰাত আৰু ব্যক্তিত্বৰ বিকাশত সহায় কৰে।

আত্মগুৰুত্ব বৃদ্ধি কৰে ঃ ধর্মই মানুহক অনন্ত দিশত প্রসাৰিত কৰে। অনন্তৰ সৈতে এক হৈ মানুহ মর্যাদাসম্পন্ন হৈ পৰে। অনন্ত শক্তিৰ সৈতে একগোট হৈ মানুহে অন্তৰাত্মাক মহিমামণ্ডিত কৰি তোলে। ধর্মীয় বিশ্বাসে সমাজকো আত্ম-তোষামোদৰ জৰিয়তে সহায় কৰে। অসন্তুষ্টিয়ে ধর্মীয় নিশ্চয়তাৰ সৃষ্টি কৰে আৰু সমাজৰ সদস্যসকলক তেওঁলোকৰ ভূমিকা পালন কৰাত উৎসাহিত কৰি তোলে।

সামাজিক সংহতিৰ উৎস ঃ ধর্ম সংহতিৰ চূড়ান্ত উৎস। সামাজিক মূল্যবোধ আহৰণ কৰাই হ'ল সমাজৰ মৌলিক প্রয়োজন, যাৰ জৰিয়তে ব্যক্তিয়ে নিজৰ লগতে আনৰো কার্য নিয়ন্ত্রণ কৰিব পাৰে আৰু ইয়াৰ জৰিয়তে সমাজ চিৰস্থায়ী হয়। সামাজিক মূল্যবোধসমূহ বিজ্ঞানসন্মতভাৱে প্রদর্শন কৰা নহয় কিন্তু এইবোৰ ধর্মীয় বিশ্বাসৰ পৰা সৃষ্টি হয়। ধর্মই এই মূল্যবোধসমূহৰ প্রধান ভেটি। বিজ্ঞান আৰু প্রযুক্তিবিদ্যাই এনে মূল্যবোধ সৃষ্টি কৰিব নোৱাৰে। দৰাচলতে, এই মূল্যবোধসমূহ পৰীক্ষা অবিহনে অধিক প্রতাৰণা কৰিব নালাগে, মানুহ সৎ আৰু সাধু হ'ব লাগে ইত্যাদি সামাজিক মূল্যবোধে সামাজিক সংহতি বজাই ৰাখে। ধর্মই মানুহক অসামাজিক ক্রিয়া-কলাপ পৰিত্যাগ কৰিবলৈ উপদেশ দিয়ে আৰু মানুহৰ আশা-আকাংক্ষাৰ

সীমাবদ্ধতাসমূহ গ্রহণ কৰিবলৈ ধর্মৰ প্রয়োজন। আটাইবোৰ ধর্মই মানুহক প্রেম আৰু সেৱাৰ শিক্ষা প্রদান কৰে। ধর্মই সদায় সমাজত অন্তর্ভুক্তিকৰণৰ এক ধাৰণাৰ সৃষ্টি কৰে। ব্লেকমাৰ আৰু গিলিনে ধর্মৰ সামাজিক মূল্যবোধ আৰু আদিম আৰু সভ্য সমাজত সামাজিক নিয়ন্ত্রণৰ আহিলা হিচাপে ধর্মৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। হয়তো ধর্মৰ আটাইতকৈ গুৰুত্বপূর্ণ কার্য হ'ল শৃংখলাবদ্ধতা। ধর্মই বর্বৰতা আৰু অৰাজকতাৰ অন্ত কৰি শ্রদ্ধা আৰু আনুগত্যৰ শিক্ষা প্রদান কৰে।

ইয়াৰোপৰি, ধর্মই অন্তর্দেশীয়, অর্থনৈতিক আৰু ৰাজনৈতিক প্রতিষ্ঠানৰ গঢ় দিয়ে। ধর্মীয় প্রথাসমূহ বিভিন্ন সময়ত পালন কৰা হয় যেনে "জন্ম, দীক্ষা লোৱা, বিবাহ, ৰোগ, মৃত্যু, চিকাৰ, পশুপালন ইত্যাদি; আৰু এই প্রথাসমূহ পৰিয়াল আৰু আত্মীয় স্বজনৰ আগ্রহ আৰু ৰাজনৈতিক প্রতিষ্ঠানসমূহৰ সৈতে জড়িত হৈ থাকে।" ধর্ম সভ্যতাৰ মূল উপাদান। "যি আৱেগে সভ্যতাৰ সৃষ্টি কৰে, সেই আৱেগেই আধ্যাত্মিক অস্থিৰতাৰ মূল যিয়ে হাবিয়াস পূৰ কৰিব পৰা জীৱন ৰচনা কৰে"।

সমাজ কল্যাণ ঃ ধর্মই আন কিছুমান মানৰ সেৱাও প্রদান কৰে। ইয়াৰ ভিতৰত কার্যবিধান, মূলধন সংগ্রহ আৰু অৱসৰ শ্রেণীৰ সৃষ্টি আদি ছামাৰ (Summer) আৰু কেলাৰে (Keller) অন্তর্ভুক্ত কৰিছে। ধর্মযাজকসকলে প্রায়েই কলা-সংস্কৃতিৰ সৈতে জড়িত হৈ থাকে। বহুতে পুৰোহিতে ঔষধি বিদ্যাৰ ভিত্তি স্থাপন কৰে। পুৰোহিতসকলে পণ্ডিত আৰু বিজ্ঞানীসকলৰ কার্যও সম্পন্ন কৰে। যাদু পর্যবেক্ষণ আৰু পৰীক্ষাৰ ভিত্তি য'ৰ পৰা বিজ্ঞানপ বিকাশ ঘটিছে। ধর্মই শিক্ষাৰ বিস্তাৰৰ মাজেদি মানব সমাজলৈ সেৱা আগবঢ়াইছে। ধর্মীয় গ্রন্থসমূহ সাহিত্যৰ মহৎ সৃষ্টি আৰু জ্ঞানৰ ভঁৰাল। ধর্মই দয়াশীলতা আৰু সহনশীলতাত গুৰুত্ব আৰোপ কৰিছে। ইয়ে মানুহৰ মনত দয়া ভাবৰ উদ্রেক কৰিছে আৰু বিভিন্ন দাতব্য প্রতিষ্ঠান যেনে- চিকিৎসালয়, বিশ্রাম গৃহ, সন্দিৰ, ইত্যাদি অভাবী আৰু দুখীয়াক সহায় কৰিবলৈ প্রতিষ্ঠা কৰা হৈছে বৃহৎ জ্ঞানৰ ভাণ্ডাৰ আৰু মহৎ সাহিত্য।

সামাজিক নিয়ন্ত্রণৰ সংস্থা ঃ ধর্মই আচৰণৰ পৰিণতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্বীকৃত আৰু অস্বীকৃত কার্যৰ পুৰস্কাৰ বা শাস্তি প্রদান কৰা হয়। ধর্মই অতিপ্রাকৃতিক সত্তাসমূহক নিষিদ্ধ কৰি লোকাচাৰ আৰু পৰম্পৰাসমূহৰ প্রতি সমর্থন প্রদান কৰে। ধর্মই কিছুমান কার্যক সমাজৰ প্রতিয়েই নহয় ভগবানৰ প্রতিও অপৰাধ হিচাপে গণ্য কৰে। ইতিবাচকভাৱ ধর্মই জীৱন যাপন কৰাৰ আর্হি প্রদান কৰে; ধর্মই কিছুমান নির্দিষ্ট আদর্শ আৰু মূল্যবোধকে নিজৰ জীৱনত সাৰোগত কৰে। ধর্মই যুৱ-প্রজন্মক নৈতিক, শৃংখলাবদ্ধ আৰু সামাজিক নাগৰিক হোৱাত সহায় কৰে।

অর্থনৈতিক জীৱন নিয়ন্ত্রিত আৰু প্রভাৱিত কৰে ঃ মেক্স ৱেবাৰৰ মতে ধর্মই মানুহৰ অর্থনৈতিক ব্যৱস্থাকো প্রভাৱিত কৰে। তেওঁৰ মতে আমেৰিকা আৰু হলেণ্ডৰ দৰে প্রটেষ্টাণ্ট দেশসমূহত পুঁজিবাদৰ জন্ম হৈছিল। ইটালী আৰু স্পেইনৰ দৰে কেথ'লিক লোকৰ দেশত ইয়াৰ উদ্ভৱ হোৱা নাছিল। যিহেতু হিন্দুসকলে বস্তুবাদী উন্নতিতকৈ আধ্যাত্মিক উন্নতিৰ ওপৰত

অধিক গুৰুত্ব আৰোপ কৰে, সেয়েহে বস্তুবাদ ভাৰতবর্ষত সৃষ্টি হ'ব নোৱাৰে।

সাহিত্যৰ অগ্রগতি ঃ ইয়াৰ উপৰিও, ধর্মই সাহিত্য, কলা আৰু সংগীতৰ অগ্রগতিৰ ক্ষেত্রতো অৱদান আগবঢ়াইছে। ঈশ্বৰৰ প্রশংসাৰ উদ্দেশ্যে মানুহে বিভিন্ন গীত, ধর্মগ্রন্থ, চিত্রকলা আৰু ভাস্কর্য্যৰ সৃষ্টি কৰিছিল। ঈশ্বৰৰ গৌৰৱ পৰিস্ফুট হোৱাকৈ নির্মাণ কৰা ভব্য ভবনসমূহেই হ'ল বিশ্বৰ সবাতোকৈ সুন্দৰ কীর্তিচিহ্ন। মন্দিৰ, মছজিদ, গীর্জা আৰু চিত্রশিল্পই মানুহৰ অতিপ্রাকৃতিক ধাৰণাক নান্দনিক আৰু অনুপ্রেৰণামূলকভাৱে পৰিস্পুট কৰা ইচ্ছা প্রকাশ কৰে। পবিত্র ৰচনাসমূহে সুন্দৰ গদ্য তথা কবিতাৰ গুণানুকীর্তন কৰে। ধর্মীয় বিষয়সমূহেই হ'ল মানুহৰ শ্রেষ্ঠতম চিত্রসমূহৰ অনুপ্রেৰণাৰ উৎস। মানুহৰ গুণানুকীর্তন কৰাৰ আকাংক্ষাই বিশ্বৰ শ্রেষ্ঠ সংগীতৰ সৃষ্টি কৰিছে।

বন্ধুত্বৰ কার্য ঃ ধর্মই সম্পর্ক সৃষ্টিৰ সুবিধা প্রদান কৰে। ধর্মীয় সম্মিলন/ সভাসমূহে ব্যক্তিক সংগী আৰু বন্ধুত্বপূর্ণ সম্পর্কৰ সন্ধান দিয়ে। ধর্মৰ বন্ধুত্বৰ কার্য যুৱপ্রজন্ম তথা প্রাপ্তবয়স্ক লোকসকলৰ বাবেও গুৰুত্বপূর্ণ কার্য।

ধর্মৰ বিসংগতি ঃ ধর্ম মানৱ সমাজৰ চূড়ান্ত সংহতি আৰু একতা শক্তি। একেসময়তে, ধর্ম বিপর্যয়ৰ শক্তি হিচাপেও প্রমাণিত হৈছে। মার্ক্সে ধর্মক "জনসাধাৰণৰ আসক্তি হিচাপে বিবেচিত কৰিছে যিয়ে মানুহক বশ কৰি ৰাখে। জনসাধাৰণক দৰিদ্রতাৰ ওচৰত হাৰ মানি ঈশ্বৰ ইচ্ছা অনুযায়ী জীৱন যাপন কৰাৰ শিক্ষা দিয়া হয়। ধর্মৰ ইতিহাস নির্যাতনৰ ইতিহাস। ধর্ম নামত বহুতো যুদ্ধ আৰম্ভ হৈছিল, বিকাশ স্তব্ধ হৈ পৰিছিল। ইয়েই ধর্মান্ধতা আৰু ধর্মীয় গোড়ামীৰ সৃষ্টি কৰি মানুহৰ চিন্তাৰ অধিকাৰ খর্ব কৰিছিল। ইয়েই যুদ্ধ আৰু দৰিদ্রতা, শোষণ আৰু অদৃষ্টবাদ, পতিতাবৃত্তি আৰু অলসতাক সমর্থন কৰি স্বজাতিভক্ষণ, আত্মহত্যা, দাসত্ব, অস্পৃচ্ছতা আৰু অজাচাৰৰ পোষকতা কৰিছিল। ধর্মই সমর্থন নকৰা কোনো পাপ বা দুষ্কর্ম নাই। ব্লেকমাৰ আৰু গিলিনে লিখিছে যে, "গোড়া আৰু ৰক্ষণশীল ধর্মই প্রায়েই সৎ ব্যক্তিৰ সত্যসন্ধানী উদ্যম চূর্ণ কৰি আহিছে আৰু নৱ সন্ধানী তথ্য প্রকাশত বাধা দি আহিছে। ই বিজ্ঞানৰ অগ্রগতিৰ পথৰ প্রতিবন্ধকতা; ই পণ্ডিতসকলৰ স্বাধীন অনুসন্ধানতো হস্তক্ষেপ কৰি আহিছে; ই জনসাধাৰণৰ গণতান্ত্রিক আশা-আকাংক্ষাসমূহ দমন কৰি আহিছে।" ভাৰতবর্ষত ধর্মৰ নামত দেশ বিভাজন কৰা হৈছিল আৰু এতিয়াও সাম্প্রদায়িকতাৰ জৰিয়তে ধর্মই জাতীয় সংহতিৰ প্রতি শংকা সৃষ্টি কৰি আহিছে। অযোধ্যাৰ কাহিনীয়ে ১৯৪৭ চনৰ স্মৃতিকে সোঁৱৰায়। মন্দিৰ-মছজিদৰ কন্দলে পুনৰাই দেশত সাম্প্রদায়িক সংঘর্ষৰ সৃষ্টি কৰে। ৰাজনৈতিক দলসমূহেও ধর্মৰ ভিত্তিত ভোট-বেংক সৃষ্টি কৰি আহিছে। সুস্থ নেতাসকলেও ধর্মীয় সন্ত্রাসবাদৰ ওচৰত আত্মসমর্পণ কৰি আহিছে। প্রকৃত ধর্ম নোহোৱা হৈ পৰিছে। ইয়াক বাণিজ্যিকীকৰণ আৰু ৰাজনীতিকৰণ কৰা হৈছে। সাম্প্রদায়িক সংগঠনসমূহৰ সৃষ্টি হৈছে, যিয়ে ঘৃণাৰ বিহবাষ্প প্রসাৰ কৰি অগ্রগতি লাভ কৰিছে। ধর্মীয় নেতাসকলেও ৰাজনৈতিক ক্রিয়া-ক্ষেত্রত প্রৱেশ কৰিছে।

১২.৮ ধর্ম আৰু বিশ্বায়ন

বিশ্বায়ন বা গোলকীকৰণ এক জটিল পৰিঘটনা, যিয়ে ভাৰতবর্ষ আৰু ইয়াৰ বৃহৎ জনসংখ্যাৰ বাবে অর্থনৈতিক, সাংস্কৃতিক আৰু ধর্মীয় পৰিবেশ গঢ় দিয়ে। বিশ্বায়ন কোনো দূৰৱর্তী অভিজ্ঞতা অথবা ভাৰতীয় মানুহৰ জীৱনৰ পৰা আঁতৰাব পৰা নহয়। চি. টি. কুৰিয়ান (C.T. Kurian)ৰ মতে, "বিশ্বায়ন হ'ল বিভিন্ন ধৰণৰ প্রক্রিয়া, সম্ভাৱনা আৰু অৱস্থানক সংক্ষেপে বুজাবলৈ ব্যৱহাৰ কৰা এটা ধাৰণা। সেয়েহে, ইয়াক বিভিন্ন ধৰণেৰে ব্যাখ্যা কৰিব পাৰি। সেয়েহে, অর্থৱহভাৱে বিশ্বায়ন কি তাক সম্পূর্ণৰূপে জনাৰ আৱশ্যক।" কুৰিয়ানৰ বিবেচনা মতে, গোলকীকৰণৰ ধাৰণা নির্ধাৰিত নোহোৱাকৈ ইয়াৰ প্রভাৱৰ বিষয়ে স্পষ্টভাৱে ক'ব নোৱাৰি।

ভাৰতবর্ষত বিশ্বায়নৰ প্রতিক্রিয়া উভয় ইতিবাচক আৰু নেতিবাচক যাৰ বাবে 'ভাৰতবর্ষৰ ঐতিহ্য সংৰক্ষণ' আৰু 'বস্তুবোৰ পূর্বৰ দৰেই হৈ থকা' এটা মুখ্য চিন্তা, তেওঁলোকৰ বাবে বিশ্বায়ন এক শংকা। যিসকলে ভাৰতবর্ষত গোলকীকৰণৰ নেতিবাচক দৃষ্টিভংগী গ্রহণ কৰে, তেওঁলোকে চৰকাৰৰ ক্ষমতাৰ বিকেন্দ্রীকৰণ আৰু ক্ষমতা হ্রাস, নিবনুৱাৰ হাৰ বৃদ্ধি, নগৰাঞ্চলৰ হেচা, বর্ধিত অপৰাধৰ হাৰ, পাশ্চাত্যৰ প্রভাৱ, পৰিৱেশ ধ্বংস আৰু বর্ধিত ধর্মীয় হিংসা আদি প্রভাৱ দ্বাৰা পৰিচালিত হয়। আনহাতে, ভাৰতবর্ষত বিশ্বায়নৰ কিছুমান ইতিবাচক প্রভাৱো লক্ষ্য কৰিব পৰা যায়। ভাৰতীয় অর্থনীতিৰ উদাৰীকৰণে বিশ্বৰ আন দেশৰ সৈতে ভাৰতবর্ষৰ সম্পর্ক সুদৃঢ় কৰিছে আৰু অর্থনৈতিক সমৃদ্ধি বঢ়াইছে। পৰম্পৰাগত পৰিয়াল ব্যৱস্থাৰ পৰিৱর্তন ঘটিছে, যাৰ বাবে গতিশীলতা সম্ভৱ হৈ পৰিছে আৰু মহিলাসকলে অপৰম্পৰাগত ভূমিকা পালন কৰা পৰিলক্ষিত হৈছে। প্রযুক্তিবিদ্যাৰ সহজলভ্যতাই ভাৰতীয় লোকসকলক অধিক বার্তা অর্জনত সহায় কৰিছে। এই ইতিবাচক আৰু নেতিবাচক দিশসমূহৰ মাজেৰে বিশ্বায়নে ভাৰতবর্ষৰ বাবে এক অপৰিহার্য, বিতর্কিত আৰু বহুমুখী শক্তি হিচাপে পৰিগণিত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ 'The Elementary forms of Religious life' গ্রন্থখনৰ স্রষ্টা কোন?

প্রশ্ন নং ৪ ঃ 'ধর্ম জনসাধাৰণৰ আসক্তি' — কথাষাৰ কোনে কৈছিল?



১২.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- এই অধ্যায়টিৰ পৰা আমি ধর্মৰ অর্থ আৰু সংজ্ঞাৰ ধাৰণা লাভ কৰিলোঁ।
- আমি সংস্কৃতিৰ তত্ত্বসমূহৰ বিষয়ে বহল ভাৰে জানিলোঁ।
- ধর্মৰ উৎপত্তিৰ বিষয়ে জানিলো।
- এই অধ্যায়টিৰ পৰা আমি সমাজত ধর্মৰ ভূমিকা সম্পর্কে ধাৰণা লাভ কৰিলোঁ।



১২.১০ অধিক জানিবলৈ

1) Bellah, R. 1973. E. Durkheim : On Morality and Society. Edited with an Introduction by Bellah. Chicago, University of Chicago Press.
2) D'Souza Leela. 2005. The Sociology of Religion. New Delhi, Rawat Publication.
3) Haralambos, M. & Heald M.R. 1980. Sociology : Themes and Perspectives. Delhi, Oxford University Press.
4) Madan, T.N. 1991. Religion in India. Delhi, Oxford University Press.
5) Scharf, B.R. 1970. The Sociological Study of Religion. LOndon, Hatchinson University Library.
6) Weber, M. 1990/1958. THe Protestant Ethic and the Spirit of Capitation. Trans T. Parsons. Foreward R.H. Tawney. London, Geog, Allen adn Unwin Ltd.
7) Yinger. M.J. 1957. Religion, Society and the Individual : An Introduction to the Sociology of Religion. New York, Macmillan Publishing Co.



১২.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মেক্স মূলাৰ

২ নং প্রশ্নৰ উত্তৰ ঃ জেমচ জি ফ্রেজাৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ এমিল ডুৰখাইম

৪ নং প্রশ্নৰ উত্তৰ ঃ কার্ল মার্ক্স



১২.১২ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ধর্মৰ অর্থ আৰু সংজ্ঞাৰ বিষয়ে লিখা।

প্রশ্ন ২ ঃ ধর্মৰ প্রকাৰ সম্পর্কে চমুকৈ আলোচনা কৰা।

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ধর্মৰ উৎপত্তিসম্পর্কে আলোচনা কৰা।

প্রশ্ন ২ ঃ ধর্মৰ তত্ত্বসম্বন্ধে আলোচনা কৰা।

প্রশ্ন ৩ ঃ ধর্মৰ সামাজিক ভূমিকাসম্পর্কে বহলাই লিখা।

*** ***** ***

অধ্যায় ১৩ ঃ ৰাজনীতি আৰু অৰ্থনীতি

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য

১৩.২ পৰিচয়

১৩.৩ ৰাজনীতি অথবা ৰাজনৈতিক প্ৰতিষ্ঠান

- ১৩.৩.১ অৰ্থ আৰু সংজ্ঞা
- ১৩.৩.২ ৰাষ্ট্ৰৰ অৰ্থ আৰু বৈশিষ্ট্য
- ১৩.৩.৩ ৰাষ্ট্ৰৰ কাৰ্য
- ১৩.৩.৪ চৰকাৰৰ অৰ্থ
- ১৩.৩.৫ চৰকাৰৰ প্ৰকাৰ

১৩.৪ সামাজিক প্ৰতিষ্ঠান হিচাপে অৰ্থনীতি

- ১৩.৪.১ সৰল সমাজত অৰ্থনীতি
- ১৩.৪.২ জটিল সমাজত অৰ্থনীতি

১৩.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৩.৬ অধিক জানিবলৈ

১৩.৭ অগ্ৰগতিৰ খতিয়ান

১৩.৮ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজনৈতিক প্ৰতিষ্ঠানৰ অৰ্থ বুজিবলৈ সক্ষম হ'ব
- সৰল আৰু জটিল সমাজত ৰাজনৈতিক কৰ্তৃপক্ষৰ প্ৰকৃতি সম্পৰ্কে অৱগত হ'ব
- ৰাষ্ট্ৰৰ অৰ্থ আৰু কাৰ্যৰ বিষয়ে বুজাবলৈ সক্ষম হ'ব
- চৰকাৰৰ অৰ্থ আৰু প্ৰকাৰৰ বিষয়ে বুজিব পাৰিব
- সৰল সমাজত অৰ্থনীতিৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰিব পাৰিব
- জটিল সমাজত অৰ্থনীতিৰ প্ৰকৃতিসম্পৰ্কে বোধগম্য হ'ব।

১৩.২ পৰিচয়

আমি ইতিমধ্যে আগৰ দুটা অধ্যায়ত সমাজত পৰিয়াল, বিবাহ, আত্মীয়তা আৰু ধৰ্মৰ গুৰুত্বৰ বিষয়ে জানি আহিছো আৰু কিদৰে এই প্ৰতিষ্ঠানসমূহে সমাজৰ কিছুমান গুৰুত্বপূৰ্ণ কাৰ্য সম্পাদন কৰে তাৰ বিষয়েও জানিলো। এই প্ৰতিষ্ঠানসমূহৰ নিজস্ব কিছুমান ৰীতি-নীতি আৰু মূল্যবোধ আছে, যিয়ে মানুহৰ আচৰণ পৰিচালিত কৰে। এই প্ৰতিষ্ঠানসমূহ আন্তঃসম্পৰ্কিত

আৰু পৰস্পৰে পৰস্পৰৰ ওপৰত নির্ভৰশীল হৈ থাকে। এই অধ্যায়ত আমি সমাজৰ দুটা গুৰুত্বপূর্ণ প্রতিষ্ঠান, ৰাজনীতি আৰু অর্থনীতিৰ অর্থ আৰু প্রকৃতিৰ বিষয়ে জানিব পাৰিম। সৰল আৰু জটিল সমাজত এই প্রকৃতিৰ বিভিন্নতাৰ বিষয়েও আমি বুজিবলৈ চেষ্টা কৰিম।

১৩.৩ ৰাজনীতি অথবা ৰাজনৈতিক প্রতিষ্ঠান

১৩.৩.১ অর্থ আৰু সংজ্ঞা

ৰাজনৈতিক প্রতিষ্ঠানৰ অধ্যয়ন অবিহনে সামাজিক প্রতিষ্ঠানৰ অধ্যয়ন আধৰুৰা হৈ থাকিব। জন বিটি (John Beattie) ৰ মতে, 'ৰাজনৈতিক' শব্দটোৱে তলত উল্লেখ কৰা অর্থসমূহ প্রকাশ কৰে —

- বিভিন্ন শ্রেণী আৰু মানুহৰ দলৰ মাজত শৃংখলাবদ্ধ সম্পর্ক বজাই ৰখা।
- প্রতিটো শ্রেণীবিভাগে প্রকাশ কৰা অর্থতকৈ ই এক ডাঙৰ সামাজিক ক্ষেত্র আগুৰি থাকে। এই বৃহৎ সামাজিক ক্ষেত্রখন হ'ল সমাজ অথবা সামাজিক সমষ্টি। সেয়েহে, ৰাজনৈতিক শব্দটোৱে সমাজৰ বিভিন্ন দিশ যেনে পৰিয়াল, বিবাহ, অর্থনীতি, স্বাস্থ্য আৰু আনকি ধর্মকো অন্তর্ভূক্ত কৰে।
- ই পৃথক সমাজ, আনকি জনজাতীয় দল, দেশ অথবা ৰাষ্ট্রকো অন্তর্ভূক্ত কৰে।
- ইয়াৰ ৰাজনৈতিক কর্তৃপক্ষ থাকে। ইয়াৰ অর্থ হ'ল সমাজৰ এটা শ্রেণীৰ লোকক সামাজিক শৃংখলা বজাই ৰখাৰ বাবে সিদ্ধান্ত গ্রহণ, নির্দেশনা জাৰী আৰু নিষেধাজ্ঞা প্রয়োগ আদি ব্যৱস্থাৰ জৰিয়তে সমাজত ক্ষমতা অনুশলীনৰ অধিকাৰ প্রদান কৰা হয়।

দক্ষিণ ছুদানৰ নুয়েৱসকল আৰু আন্দামানৰ জনজাতিসকলৰ দৰে সৰল সমাজত খুব কম সংগঠিত ৰাজনৈতিক কর্তৃপক্ষ আছে। এনে সৰল সমাজত ৰাজনৈতিক কর্তৃপক্ষ ব্যাপকভাৱে বিস্তৃত হৈ থাকে। পৰিয়াল অথবা বংশ প্রধানৰ হাতত এনে ক্ষমতা অধিষ্ঠিত হৈ থাকিব পাৰে। এনে ক্ষমতা শাৰীৰিক শক্তিতকৈ ধর্মীয় অথবা যাদুকৰী নিষেধাজ্ঞাৰ দ্বাৰা সমর্থিত হৈ থাকিব পাৰে। ৰাজনৈতিক পৰিঘটনা খুব কমেই দৃশ্যমান হয়। অন্য প্রতিষ্ঠানসমূহে সংলগ্নভাৱে সামাজিক শৃংখলা বজাই ৰাখে। এনেদৰে, এই সমাজসমূহত ৰাজনৈতিক কার্য সম্পাদিত হয়।

আভ্যন্তৰীণ শৃংখলা আৰু বাহ্যিক সম্পর্কৰ উদ্দেশ্য পূৰণৰ বাবে গ্রহণ কৰা উপায়ৰ ভিত্তিত সমাজসমূহৰ মাজত পার্থক্য পৰিলক্ষিত হয়।

জটিল সমাজত পৃথকীকৰণ আৰু বিশেষীকৰণ, বিভিন্ন গৌণ দলৰ অস্তিত্ব থকা বাবে আঞ্চলিক সমাজত এক সুনির্দিষ্ট আৰু আনুষ্ঠানিক ৰাজনৈতিক কর্তৃপক্ষৰ পৰিযোজন, যিয়ে আঞ্চলিক সীমা নির্ধাৰণ আৰু ৰীতি-নীতি তথা মূল্যবিশিষ্ট সামাজিক শৃংখলা ৰক্ষণাবেক্ষণ কৰিব পাৰে। এনে সমাজসমূহত, সামাজিক শৃংখলাৰ ৰক্ষণাবেক্ষণ

সকলো প্ৰতিষ্ঠান, ৰীতি-নীতি তথা দলৰ স্বীকৃতিত সম্পন্ন হয়। ইয়াৰোপৰি এনে সমাজে আন সমাজৰ সৈতে সম্পৰ্ক ৰক্ষাৰো প্ৰয়োজন হয়। এনে সমাজসমূহে ৰাষ্ট্ৰৰ ৰূপ লয় য'ত বহু সংখ্যক সমাজ আৰু সংস্কৃতি কিছুমান আনুষ্ঠানিক উপায় আৰু সন্মিলিত স্বীকৃতিৰ দ্বাৰা একগোট হৈ থাকে। উদাহৰণস্বৰূপে, ভাৰতবৰ্ষ, ভাৰতীয়সকলৰ সমূহীয়া স্বীকৃতিৰ সুফল আৰু ভাৰতীয় সংবিধানে ইয়াক এক নিৰ্দিষ্ট আকৃতি প্ৰদান কৰিছে। বিশ্বৰ আন ৰাষ্ট্ৰসমূহেও এই সামাজিক ব্যৱস্থাক স্বীকৃতি প্ৰদান কৰিছে। ৰাষ্ট্ৰৰ কাৰ্যসমূহ চৰকাৰে পৰিচালিত কৰে। চৰকাৰ পৰিৱৰ্তন হয় কিন্তু ৰাষ্ট্ৰসমূহ কম-বেছি পৰিমাণে স্থায়ী হয়।

- সংবিধান হ'ল কিছুমান আনুষ্ঠানিক নীতি, যাৰ জৰিয়তে এখন ৰাষ্ট্ৰ অথবা এটা সংগঠন পৰিচালিত হয়।

ৰাষ্ট্ৰ আৰু চৰকাৰ জটিল মানৱ সমাজৰ ৰাজনৈতিক প্ৰতিষ্ঠান। বৰ্তমান বিশ্বত, ব্যক্তিৰ জন্মৰ পৰা মৃত্যুলৈ চৰকাৰ এক গুৰুত্বপূৰ্ণ উপাদান।

১৩.৩.২ ৰাষ্ট্ৰৰ অৰ্থ আৰু বৈশিষ্ট্য

ৰাষ্ট্ৰক সাধাৰণতে ৰাজনৈতিকভাৱে সংগঠিত সমিতি হিচাপে সংজ্ঞায়িত কৰা হয়। ডব্লিউ উইলচন (W. Wilson) ৰ মতে ৰাষ্ট্ৰ হ'ল এক নিৰ্দিষ্ট পৰিসীমাৰ আইনৰ বাবে সংগঠিত লোক। হেৰল্ড লাস্কি (Harold Laski) ৰ মতে, ৰাষ্ট্ৰ হ'ল "চৰকাৰ আৰু জনসাধাৰণৰ দ্বাৰা বিভাজিত এখন আঞ্চলিক সমাজ, যিয়ে ইয়াৰ নিৰ্ধাৰিত ক্ষেত্ৰত ভিতৰুৱা সকলো সামাজিক প্ৰতিষ্ঠানৰ ওপৰত আধিপত্য দাবী কৰে" অ'গবাৰ্ণ (Ogburn) ৰ মতে "ৰাষ্ট্ৰ হ'ল এনে এক সংগঠন যিয়ে সৰ্বোচ্চ চৰকাৰৰ জৰিয়তে এক নিৰ্দিষ্ট অঞ্চল শাসন কৰে"।

ৰাষ্ট্ৰ এক ৰাজনৈতিক প্ৰতিষ্ঠান। ব্যক্তিৰ দ্বাৰা গঠিত এইটো এনে এক ব্যৱস্থা যিয়ে এক নিৰ্দিষ্ট অঞ্চলত শাৰীৰিক বল প্ৰয়োগৰ ক্ষেত্ৰত সূচাৰুৰূপে একচেটিয়া অধিকাৰ সাব্যস্ত কৰে। সমাজতাত্ত্বিক ভাষাত ৰাষ্ট্ৰ হ'ল একে বিশ্বাস, ধাৰণা আৰু পৰম্পৰা অনুযায়ী নিয়ন্ত্ৰণ ক্ষমতাৰ নিৰ্ধাৰণৰ ভিত্তিত এক মানৱ সংগঠন।

আধুনিক সমাজত এই ধাৰণাসমূহ সংবিধান আৰু অধিকাৰ বিধেয়কত সন্নিবিষ্ট কৰা হয়। উল্লেখযোগ্য যে, ৰাষ্ট্ৰ সম্প্ৰদায় অথবা সমাজৰ সৈতে একে নহয়। কিছুমান নিৰ্দিষ্ট, সীমিত কাৰ্য আৰু উদ্দেশ্যৰ অৰ্থে সমাজে ৰাষ্ট্ৰৰ সৃষ্টি কৰে।

ৰাষ্ট্ৰৰ চাৰিটা প্ৰাথমিক উপাদান থাকে ঃ

- ভূখণ্ড/ অঞ্চল
- জনসাধাৰণ
- চৰকাৰ
- সাৰ্বভৌমত্ব

- সাৰ্বভৌমত্বই আভ্যন্তৰিণ আৰু বাহ্যিক, সকলো ধৰণৰ স্বীকৃতিপ্ৰাপ্ত বিষয়ত ৰাষ্ট্ৰৰ আধিপত্যক সূচায়।

১৩.৩.৩ ৰাষ্ট্ৰৰ কাৰ্য

ৰাষ্ট্ৰই গ্ৰহণ কৰা কাৰ্যৰ ওপৰত ৰাষ্ট্ৰৰ পৰিসৰ নিৰ্ভৰ কৰে। মেকআইভাৰ (MacIver) এ ৰাষ্ট্ৰৰ কাৰ্যসমূহ এনেদৰে শ্ৰেণীবদ্ধ কৰিছে —

ৰাষ্ট্ৰৰ নিজস্ব বা যথাযথ কাৰ্য ঃ এই কাৰ্যসমূহে জাতীয় সম্পদৰ সংৰক্ষণ, পৰিমাপৰ একক নিৰ্ণয়, মুদ্ৰা আদি কাৰ্য সন্নিবিষ্ট কৰে।

ৰাষ্ট্ৰৰ অনুপযোগী কাৰ্য ঃ বৃহত্তৰ সাংস্কৃতিক স্বাৰ্থ যেনে ধৰ্ম আদি এনে কাৰ্যত অন্তৰ্ভুক্ত হয়। ব্যক্তিগত আৰু অন্তৰঙ্গ স্বাৰ্থসমূহৰ পৃষ্ঠপোষকতাৰ বাবে ৰাষ্ট্ৰ উপযোগী নহয়।

ৰাষ্ট্ৰই পালন কৰিবলৈ অসামৰ্থ্য হোৱা কাৰ্যসমূহ ঃ ৰাষ্ট্ৰই জনমত নিয়ন্ত্ৰণ কৰিব নোৱাৰে। একেদৰে, ৰাষ্ট্ৰই নৈতিক মানদণ্ড ধাৰ্য কৰিব নোৱাৰে।

কাৰ্যনিৰ্বাহীসকলৰ মতে, ৰাষ্ট্ৰৰ চাৰিটা প্ৰাথমিক কাৰ্য হ'ল —

ৰাষ্ট্ৰৰ চাৰিটা প্ৰাথমিক কাৰ্য ঃ

পৰিকল্পনা আৰু নিৰ্দেশনা ঃ সমসাময়িক সমাজ জটিল হৈ পৰাৰ লগে লগে জনসাধাৰণক নিৰ্দেশনা দিয়া অনানুষ্ঠানিক মাধ্যমসমূহো নগণ্য হৈ পৰে। আনুষ্ঠানিক নীতি-নিয়ম যেনে আইন ব্যৱস্থা প্ৰয়োজনীয় হৈ পৰে। আকৌ, জটিল জীৱনৰ বিভিন্ন দিশসমূহৰ সমন্বয়ৰ আৱশ্যক। ৰাষ্ট্ৰই সমন্বয়, পৰিকল্পনা আৰু ৰাষ্ট্ৰৰ জনসাধাৰণক নিৰ্দেশ প্ৰদানৰ জৰিয়তে এই ভূমিকা পালন কৰে।

ৰীতি-নীতিৰ কাৰ্যকৰীকৰণ ঃ আনুষ্ঠানিক আইন আৰু ৰীতি-নীতি কাৰ্যকৰী কৰাৰ বাবে আনুষ্ঠানিক মাধ্যমৰ প্ৰয়োজন। আইনী ব্যৱস্থা কাৰ্যকৰীকৰণৰ জৰিয়তে ৰাষ্ট্ৰই শান্তি-শৃংখলা সুনিশ্চিত কৰে।

বিৰোধী স্বাৰ্থৰ মীমাংসা ঃ এখন জটিল সমাজত বিৰোধী স্বাৰ্থসমূহৰ মীমাংসা কৰিবলৈ কিছুমান আনুষ্ঠানিক ব্যৱস্থাৰ প্ৰয়োজন। এই কাৰ্য ৰাষ্ট্ৰই সম্পাদন কৰে।

আন সমাজৰ বিৰুদ্ধে সুৰক্ষা ঃ ৰাষ্ট্ৰত সমাজৰ অস্তিত্ব বাহাল ৰাখিবৰ বাবে আন সমাজ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থ আৰু আগ্ৰাসনৰ পৰা ইয়াক সুৰক্ষাৰ প্ৰয়োজন।

কল্যাণকামী ৰাষ্ট্ৰ ঃ কল্যাণকামী ৰাষ্ট্ৰ বুলিলে এনে এক ৰাষ্ট্ৰক বুজা যায়, য'ত ৰাষ্ট্ৰই জনসাধাৰণক সামাজিক সেৱা প্ৰদান কৰে, কিছুমান গুৰুত্বপূৰ্ণ উদ্যোগ/প্ৰতিষ্ঠানক ৰাজহুৱা কৰ্তৃপক্ষৰ আঁওটালৈ আনে, ব্যক্তিগত প্ৰতিষ্ঠানসমূহত নিয়ন্ত্ৰণ স্থাপন কৰে আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত গণতান্ত্ৰিক পৰিকল্পনা সু-সংগঠিত কৰে।

১৩.৩.৪ চৰকাৰৰ অৰ্থ

চৰকাৰ হ'ল সু-সংগঠিত কাৰ্যব্যৱস্থা, যাৰ জৰিয়তে নিৰ্দিষ্ট পৰিস্থিতিত ৰাষ্ট্ৰৰ কৰ্তৃপক্ষ প্ৰয়োগ কৰা হয়। অৰ্থাৎ, চৰকাৰ কোনো সংস্থা/সমিতি নহয়। ইয়াক ৰাষ্ট্ৰৰ উদ্দেশ্য পূৰণৰ কাৰ্যব্যৱস্থা বুলিব পাৰি।

চৰকাৰে এক গাঁথনি অথবা অৱয়ৱ সৃষ্টিৰ জৰিয়তে সামাজিক সংগঠনত কাৰ্যকৰী হয়। এই গাঁথনিৰ ভিতৰতেই বিভিন্ন সামাজিক ক্ৰিয়াকলাপ চালিত হয়। চৰকাৰৰ এই গাঁথনিৰ বিভিন্ন উপাদানসমূহ হ'ল আইন (বিধানমণ্ডলে প্ৰণয়ন কৰে), আইন কাৰ্যকৰীকৰণৰ মাধ্যম (কাৰ্যপালিকা) আৰু প্ৰতিৰক্ষাৰ আহিলা (ন্যায়পালিকা)। বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকা চৰকাৰৰ তিনিটা অংগ। সমাজৰ ক্ৰমবৰ্ধমান জটিলতাৰ লগে লগে চৰকাৰ ব্যৱস্থাও অধিক জটিল হৈ পৰিছে।

১৩.৩.৫ চৰকাৰৰ প্ৰকাৰ

বিভিন্ন ৰাজনীতিবিদে বিভিন্ন ধৰণেৰে চৰকাৰৰ শ্ৰেণীবিভাজন কৰিছে। কিন্তু, সহজতে আমি তলত দিয়া ধৰণেৰে চৰকাৰৰ শ্ৰেণীবিভাগ কৰিব পাৰো।

- একনায়কত্ববাদী চৰকাৰ (এজন ব্যক্তিৰ চৰম শাসন)
- গণতান্ত্ৰিক চৰকাৰ (চৰকাৰ য'ত জনসাধাৰণেই সৰ্বেসৰ্বা/ সাৰ্বভৌম)।

গণতান্ত্ৰিক চৰকাৰক পুনৰ গণৰাজ্য আৰু সীমিত ৰাজতন্ত্ৰ — এই দুই ধৰণেৰে ভাগ কৰিব পাৰি। গণৰাজ্যত ৰাষ্ট্ৰপ্ৰধানজনক ৰাষ্ট্ৰখনৰ নাগৰিকে নিৰ্বাচিত কৰে। আনহাতে, সীমিত ৰাজতন্ত্ৰত ৰাষ্ট্ৰপ্ৰধানজন বংশানুক্ৰমিক কিন্তু তেওঁ নামমাত্ৰ প্ৰধান আৰু সংবিধান অনুসৰিহে শাসনকাৰ্য চলায়। এই দুয়োধৰণৰ চৰকাৰক এককেন্দ্ৰীয় আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰ হিচাপে ভগাব পাৰি। এককেন্দ্ৰীয় আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰক পুনৰ সংসদীয় আৰু অসংসদীয় — এই দুই ভাগত বিভক্ত কৰিব পাৰি।

চৰকাৰৰ প্ৰকাৰ সময় অনুযায়ী ভিন ভিন হ'ব পাৰে। উদাহৰণস্বৰূপে, ২য় বিশ্বযুদ্ধৰ পূৰ্বে জাৰ্মানীত একনায়কত্ববাদী চৰকাৰ আছিল। বিশ্বযুদ্ধৰ পাছত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা হয়।

এইদৰে, আমি ক'ব পাৰো যে, ৰাষ্ট্ৰ এক ৰাজনৈতিক প্ৰতিষ্ঠান। ই সমাজৰ এক অন্যতম সংস্থা আৰু সমাজৰ সৈতে সমবিস্তৃত নহয়। কিছুমান কাৰ্য্য সম্পাদনৰ বাবে চৰকাৰ প্ৰতিষ্ঠা কৰা হয়, যাৰ জৰিয়তে ৰাষ্ট্ৰৰ কৰ্তৃত্ব প্ৰয়োগ কৰা হয়। চৰকাৰৰ প্ৰকাৰ ভিন্ ভিন্ সময়ত এখন ৰাষ্ট্ৰত আৰু ৰাষ্ট্ৰ অনুসৰি বেলেগ বেলেগ হ'ব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ চৰকাৰৰ অংগ তিনিটা কি কি?

প্রশ্ন নং ২ ঃ ৰাষ্ট্রৰ চাৰিটা প্রাথমিক উপাদান কি কি?

১৩.৪ সামাজিক প্রতিষ্ঠান হিচাপে অর্থনীতি

অর্থনৈতিক ক্রিয়াকলাপ মানুহৰ অস্তিত্ব আৰু মানৱজাতিৰ ইতিহাসৰ কেন্দ্রবিন্দু। অস্তিত্বৰ বাবেই, আধুনিক প্রযুক্তিবিদ্যাৰ যুগতো আমি অধিক সময় অর্থনৈতিক কার্যত লিপ্ত হৈ থাকো। সামাজিক উৎপাদনৰ ব্যৱস্থাপনা আৰু বস্তু, সেৱা আৰু সম্পদ বিতৰণৰ ওপৰত অর্থনীতি দায়বদ্ধ। অর্থনীতি আৰু মানৱ আচৰণৰ মাজৰ সম্পর্কৰ ধাৰণা আৰু ব্যাখ্যাই আছিল সমাজতাত্ত্বিক পৰম্পৰাৰ তাত্ত্বিকসকলৰ মূল বিষয়। অর্থনীতি মানৱ জীৱনৰ প্রধান নির্ধাৰক আৰু সামাজিক প্রতিষ্ঠানক বুজি পোৱা আৰু বিশ্লেষণ কৰাৰ অনুসন্ধিৎসা জাগি উঠে। ই সমাজ ব্যৱস্থাৰ এক অবিচ্ছেদ্য অংগ হোৱা বাবে কোনো সমাজ আৰু সামাজিক প্রতিষ্ঠানৰ অধ্যয়ন অর্থনৈতিক প্রতিষ্ঠানৰ প্রসংগ অবিহনে সম্পূর্ণ নহয়। সেয়েহে সমাজতত্ত্বত অর্থনৈতিক প্রতিষ্ঠানৰ অধ্যয়ন অত্যন্ত গুৰুত্বপূর্ণ। সমাজতত্ত্ববিদসকলে অর্থনীতি, ৰাজনৈতিক ব্যৱস্থা, সামাজিক গাঁথনি, আদর্শগত ব্যৱস্থা আৰু সংস্কৃতিৰ মাজৰ আন্তঃসম্পর্কক বুজিবলৈ আৰু বিশ্লেষণ কৰিবলৈ চেষ্টা কৰে। তলৰ দফাত আমি বিভিন্ন চিন্তাবিদসকলে প্রদান কৰা অর্থনৈতিক ব্যৱস্থাৰ শ্রেণীবিভাজনৰ বিষয়ে শিকিম।

- গ্রছ (Gross) এ অর্থনৈতিক বিকাশৰ বিৱর্তনৰ চিত্র প্রদান কৰিছে। তেওঁ সমাজ বিৱর্তনৰ বিভিন্ন স্তৰ যেনে সাংস্কৃতিক যাযাবৰ, গাঁও বসতি, চহৰ আৰু মহানগৰ স্তৰ আদিৰ ব্যাখ্যা আগবঢ়াইছে।
- হিলডেব্রেণ্ড (Hildebrand) এ অর্থনৈতিক ব্যৱস্থাক বিনিময় প্রথা, মুদ্রা আৰু আমানত ৰ ওপৰত ভিত্তি কৰি শ্রেণীবিভাগ কৰিছে।
- আডাম স্মিথ (Adam Smith) এ চিকাৰী, পশুপালক, কৃষিবিদ, হস্তশিল্পী আৰু উদ্যোগপতিৰ কথা কৈছে।
- হার্স্কোভিটস্ (Herskovits) এ অর্থনৈতিক ব্যৱস্থাক পাঁচ ভাগত বিভক্ত কৰিছে — সংগ্রহ, চিকাৰ, মাছমৰা, কৃষিকর্ম আৰু মজুত বৃদ্ধি।

প্রাচীন সমাজতত্ত্ববিদ যেনে মার্ক্স (Marx), ডুৰখাইম (Durkheim) আৰু ৱেবাৰ (Wiber) এ উনবিংশ আৰু বিংশ শতিকাৰ প্রথম ভাগত তেওঁলোকৰ নিজস্ব অধ্যয়নৰ ভিত্তিত অর্থনীতি আৰু সমাজৰ মাজৰ সম্পর্কৰ বিষয়ে ভিন্ন ভিন্ন দৃষ্টিভংগী আগবঢ়াইছিল।

মার্ক্সে উৎপাদনৰ মাধ্যমৰ ভিত্তিত মানৱ ইতিহাসক পাঁচটা স্তৰত ভাগ কৰিছে — আদিম সাম্যবাদ, প্রাচীন দাস উৎপাদন, সামন্তবাদ, পুঁজিবাদ আৰু মানৱ ইতিহাসৰ পঞ্চম তথা চূড়ান্ত স্তৰ- সমাজবাদ য'ত এখন শ্রেণীহীন সমাজ বিৰাজ কৰে। মার্ক্সৰ মতে, অর্থনীতি হ'ল

প্ৰত্যেক সমাজৰ এক আন্তঃগাঁথনি, যাৰ ওপৰত ভিত্তি কৰি সকলোবোৰ অধিৰচনা যেনে আইনী, ৰাজনৈতিক আৰু আন প্ৰতিষ্ঠানসমূহ গঢ়ি তোলা হয়। অন্য অৰ্থত, অৰ্থনীতিয়ে সমাজৰ আন সকলোবোৰ দিশ নিৰ্ধাৰণ কৰে বুলি মাৰ্ক্সে মত প্ৰকাশ কৰে। মাৰ্ক্সৰ মতে, প্ৰত্যেক সমাজত ব্যক্তিয়ে তেওঁৰ ইচ্ছা নিৰ্বিশেষে নিজৰ মৌলিক প্ৰয়োজনসমূহ পূৰণৰ বাবে কাম কৰিব লাগে আৰু ব্যক্তিৰ পছন্দ অবিহনে অৰ্পণ কৰা সামাজিক সম্পৰ্কত নিয়োজিত হ'ব লাগে। এই সম্পৰ্কসমূহ অৰ্থনীতিয়ে নিৰ্ধাৰণ কৰে — অৰ্থনীতিয়ে শ্ৰেণীসমূহৰ মাজত সামাজিক সম্পৰ্ক গঢ়ি তোলে আৰু আনুষংগিক ৰূপৰ সামাজিক সচেতনতাৰ সৃষ্টি কৰে। সেয়েহে, শ্ৰেণী গাঁথনি, প্ৰতিষ্ঠানিক ব্যৱস্থা, সাংস্কৃতিক মূল্যবোধ, বিশ্বাস, ধৰ্মীয় মতবাদ আৰু আন আন আদৰ্শগত ব্যৱস্থাসমহ সমাজৰ অৰ্থনৈতিক ভেটিৰ প্ৰতিফলন।

মাৰ্ক্সৰ তুলনাত ৱেবাৰে অৰ্থনীতিৰ আন এক দৃষ্টিভংগী প্ৰদান কৰিছে। মাৰ্ক্সৰ বিপৰীতে ৱেবাৰে ধৰ্মীয় চৰ্চাৰ ফল হিচাপে অভিহিত কৰিছে। ৱেবাৰে তেওঁৰ Protestant Ethics and the Spirit of Capitalism নামৰ গ্ৰন্থখনত ধৰ্মীয় আদৰ্শই কিদৰে অৰ্থনৈতিক গাঁথনিত প্ৰভাৱ বিস্তাৰ কৰে আৰু ধৰ্মচৰ্চাই কেনেদৰে পুঁজিবাদৰ বিকাশত অৱদান আগবঢ়াই, তাৰ ব্যাখ্যা প্ৰদান কৰিছে। সেয়েহে, তেওঁৰ মতে, ধৰ্ম হ'ল আন্তঃগাঁথনিত আৰু অৰ্থনীতি অধিৰচনা।

মাৰ্ক্সৰ বিপৰীতে, ডুৰখাইমে অৰ্থনীতিক সমাজ গঠনৰ এক অন্যতম কাৰক হিচাপে গণ্য কৰে। সামাজিক অধিৰচনাত অৰ্থনীতিয়ে সুবিধাজনক স্থান লাভ নকৰে। ডুৰখাইমে শ্ৰমৰ বিভাজনৰ সামাজিক কাৰ্য বিশেষকৈ সামাজিক সংহতকৰণৰ কথা উল্লেখ কৰিছে। তেওঁ শ্ৰমৰ সৰল বিভাজনৰ ফলত সৃষ্টি হোৱা যান্ত্ৰিক একতা (সৰল সমাজৰ বৈশিষ্ট্য) আৰু জটিল বিভাজনৰ ফলত সৃষ্টি হোৱা জৈৱিক একতা (জটিল সমাজ অথবা অৰ্থনৈতিক ব্যৱস্থাৰ বৈশিষ্ট্য) ৰ ওপৰত নিৰ্ভৰশীল ব্যৱস্থাৰ কথা আলোচনা কৰিছে। তেওঁ যুক্তি দৰ্শাইছে যে, কম শ্ৰম বিভাজনৰ বৈশিষ্টপূৰ্ণ সৰল সমাজত সদস্য সকলে একে অনুভূতি আৰু ধাৰণাৰ দ্বাৰা বান্ধ খাই থাকে। আনহাতে, জটিল সমাজসমূহত ব্যাপক শ্ৰমবিভাজনৰ ফলত সদস্যসকল ইজনে আনজনৰ ওপৰত নিৰ্ভৰশীল হৈ থাকে। ইয়াকেই তেওঁ জৈৱিক একতা হিচাপে অভিহিত কৰিছে। সেয়েহে, আমি ক'ব পাৰো যে, ডুৰখাইমে অৰ্থনীতি আৰু সামাজিক জীৱনৰ মাজৰ সম্পৰ্ক আৰু অৰ্থনীতিয়ে কিদৰে সমাজৰ সদস্যসকলৰ মাজত সম্পৰ্ক গঢ় দিয়ে, তাক বুজিবলৈ প্ৰচেষ্টা চলাইছিল।

১৩.৪.১ সৰল সমাজত অৰ্থনীতি

সৰল সমাজ বুলি ক'লে আমি তেনেবোৰ সমাজক বুজো, য'ত উৎপাদন কৌশল আৰু শ্ৰমৰ বিভাজন নিম্নগামী হয়, বিশেষ অৰ্থনৈতিক সংগঠন নাথাকে। সৰল সমাজৰ অৰ্থনীতিক এনেদৰে শ্ৰেণীবদ্ধ কৰিব পাৰি —

চিকাৰ আৰু সংগ্ৰহ ঃ এনেধৰণৰ সমাজত মানুহে বন্যপ্ৰাণী চিকাৰ আৰু উদ্ভিদৰ পৰা খাদ্য সংগ্ৰহ কৰে। এনে অৰ্থনীতিয়ে জীৱ-জন্তু, ফলমূল আৰু খাদ্য সংগ্ৰহৰ বাবে তেওঁলোকক এখন ঠাইৰ পৰা আন এখন ঠাইলৈ যাবলৈ বাধ কৰে। ভাৰতৰ

কিছুমান খাদ্য সংগ্ৰহকাৰী জনজাতি হ'ল — কাদাৰ, জাৰ্ৱা, মাৰিয়া গন্দ, বিৰ্হুল আদি।

পশুপালন ঃ পশুপালক সম্প্ৰদায়সমূহৰ প্ৰধান বৈশিষ্ট্য হ'ল পশুপালন। তেওঁলোকে খাদ্য যোগানৰ বাবে পশুপালন কৰে। পশুপালনৰ উপৰিও তেওঁলোক কৃষি-কৰ্মত নিয়োজিত হয়। পানী আৰু পশুৰ ভূমিৰ সন্ধানত তেওঁলোকে এঠাইৰপৰা আনৰ চৰনীয়া ঠাইলৈ যাত্ৰা কৰে। ভাৰতবৰ্ষৰ এনে কিছুমান সম্প্ৰদায় হ'ল টোভাসকল(নীলগিৰি পৰ্বতৰ ম'হপালকসকল), গুজ্জৰসকল (গো আৰু ম'হপালক), বকৰৱালসকল (ভেড়াপালক আৰু ছাগলীপালক — জম্ম আৰু কাশ্মীৰ)।

ঝুম খেতি ঃ ই এনে এক কৃষিব্যৱস্থা য'ত কৃষিভূমি খেতিৰ বাবে চহাই কিছু বছৰ খেতি কৰি তেনে কৃষিভূমিৰ প্ৰাকৃতিক পুনঃবিকাশৰ বাবে পৰিত্যাগ কৰা হয়। মানুহে ঝুম খেতি কৰি নতুন কৃষিভূমিৰ সন্ধানত স্থান সলনি কৰে। বাইগা, চাওৰা, কোঁৰাছ আৰু অৰুণাচল প্ৰদেশ বহুতো জনজাতিয়ে ঝুম খেতি কৰে।

স্থায়ী কৃষি ঃ এখন কৃষিভূমিত প্ৰতিবছৰে খেতি কৰাকে স্থায়ী কৃষি বোলে। সৰল সমাজৰ অধিক সংখ্যক লোকেই এই ব্যৱস্থাৰ খেতি কৰে, যদিও তেওঁলোকৰ প্ৰযুক্তিবিদ্যা আৰু কৃষি পদ্ধতি আধুনিক নহয়। স্থায়ী কৃষিব্যৱস্থাই স্থায়ী গ্ৰাম্যবসতিৰ সৃষ্টি কৰে।

বিনিময়ৰ প্ৰকাৰ ঃ সৰল সমাজত বিভিন্ন উপায়েৰে অৰ্থনৈতিক পণ্যসমূহ বিনিময় কৰা হয়। কিন্তু, সকলোবোৰ আদান প্ৰদান অৰ্থনৈতিক নহয়। কেতিয়াবা ই দাতা আৰু পণ্য গ্ৰহণকঁৰোতাক সন্মান প্ৰদান কৰিব পাৰে। আনহাতে, সম্পৰ্কৰ মাজতো উপহাৰ প্ৰদান প্ৰক্ৰিয়া থাকে। সম্পৰ্ক আৰু সংঘৰ্ষ ৰোধ কৰাৰ বাবে উপহাৰ তথা পণ্য বিনিময় কৰা হয়। সৰল সমাজত প্ৰচলিত কেইটামান বিনিময় প্ৰকাৰ আলোচনা কৰো আহক।

বিনিময় প্ৰথা ঃ মুদ্ৰাৰ ব্যৱহাৰৰ অনুপস্থিতিত ই এক প্ৰত্যক্ষ বিনিময় ব্যৱস্থা। মুদ্ৰা বিনিময়ৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা নহয়। ইয়াৰ পৰিৱৰ্তে পণ্যৰ বিনিময়ত পণ্য আদান প্ৰদান কৰা হয়।

নীৰৱ ব্যৱসায়ী ঃ এনে বিনিময় ক্ৰেতা-বিক্ৰেতা পৰস্পৰে পৰস্পৰৰ সৈতে অপৰিচিত বিনিময় কৰিব বিচৰা পণ্যসমূহ এক নিৰ্দিষ্ট স্থানত ৰখা হয়। আনজন ব্যক্তিয়ে তাৰ প্ৰত্যুত্তৰত সমান মূল্যৰ পণ্য আগবঢ়ায়।

যজমান ব্যৱস্থা ঃ এই ব্যৱস্থাত এখন গাঁৱৰ প্ৰত্যেক বৰ্গৰ লোকসকলে আন বৰ্ণৰ পৰিয়াললৈ নিৰ্দিষ্ট সেৱা আগবঢ়ায়। অস্কাৰ লুইচ (Oscar Lewis) এ যজমান ব্যৱস্থাক এনেদৰে বৰ্ণনা কৰিছে। অন্য অৰ্থত, যজমান ব্যৱস্থা এক পাৰস্পৰিক আদান-প্ৰদান, য'ত এটা পৰিয়ালে উত্তৰাধিকাৰীসূত্ৰে আন এক পৰিয়ালক একেই পণ্য আৰু সেৱাৰ বিনিময়ত পণ্য আৰু সেৱাৰ যোগান ধৰে। গাঁওসমূহত বিভিন্ন বৰ্ণৰ লোকসমূহৰ মাজত ই এক অৰ্থনৈতিক আৰু সামাজিক সম্পৰ্কৰ ব্যৱস্থা। এই সেৱাসমূহ মূল্যৰ

পৰিৱৰ্তে মানৰীয়তাৰ যোগেদি প্ৰদান কৰা হয়। তেওঁলোকক আন কিছুমান সুবিধা যেনে বিনামূলীয়া খাদ্য, বস্ত্ৰ আৰু আবাস আদিও দিয়া হয়। যজমান ব্যৱস্থা অনুগ্ৰাহক-উপভোক্তাৰ সম্পৰ্কৰ দ্বাৰা পৰিচালিত হৈ থাকে, য'ত অনুগ্ৰাহকজনক যজমান আৰু সেৱা প্ৰদান কৰা বৰ্ণসমূহক কামিন বোলা হয়।

আনুষ্ঠানিক বিনিময় ঃ আনুষ্ঠানিক বিনিময় হ'ল এনে এক ব্যৱস্থা, য'ত বন্ধুবৰ্গ আৰু আত্মীয় স্বজনক বিভিন্ন অনুষ্ঠান উপলক্ষে উপহাৰ প্ৰদান কৰা হয়। ইয়াৰ মূল উদ্দেশ্য হ'ল বিভিন্ন সামাজিক দলৰ মাজত সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰা। এনে বিনিময়ত আত্মীয়-স্বজনক বিভিন্ন উৎসৱ-পাৰ্বনত পণ্য/ উপহাৰ প্ৰদান কৰা হয়। এনে পণ্যসমূহৰ মূল্য গুৰুত্বপূৰ্ণ নহয় আৰু তাৰ তাৎক্ষণিক গ্ৰহণযোগ্যতা প্ৰত্যাশিত নহয়। এনে পণ্য/ উপহাৰ ঘনিষ্ঠতা বৃদ্ধিৰ বাবে প্ৰদান কৰা হয়, যিয়ে সামাজিক সম্পৰ্ক সৃষ্টিত সহায় কৰে। আনুষ্ঠানিক বিনিময়ৰ দুটা গুৰুত্বপূৰ্ণ উদাহৰণ হ'ল কূলা আৰু পট্‌ল্যাসঁ (Potlatch)

a) **কুলা ঃ** মেলিনস্কী (Malinowski) এ কূলাক 'গুপ্ত আৰু অনিশ্চয়তাপূৰ্ণ' বিনিময় নহয় বুলি বৰ্ণনা কৰিছে। ইয়াৰ পৰিৱৰ্তে ই এক কিংবদন্তি, পৰম্পৰাগত আইন আৰু যাদুকৰী বিধানৰ লগত জড়িত। ইয়াৰ সকলো আদান প্ৰদান ৰাজহুৱা আৰু আনুষ্ঠানিক আৰু কিছুমান নিৰ্দিষ্ট নিয়মৰ মাজেৰে সম্পন্ন কৰা হয়। এক নিৰ্দিষ্ট বাণিজ্যিক দিশত আৰু বাণিজ্যৰ স্থানত ইয়াক পৰিচালিত কৰা হয়। মেলিনস্কীৰ এই বৰ্ণনাৰ পৰা আমি ক'ব পাৰো যে কূলা হ'ল দ্ৰব্ৰায়াণ্ড দ্বীপবাসীয়ে অংশগ্ৰহণ কৰা এক আনুষ্ঠানিক বিনিময়। এনে ব্যৱস্থাত আদান- প্ৰদান কৰা বয়বস্তুসমূহৰ দাম-দৰ কৰা নহয়।

দুবিধ পণ্যৰ আনুষ্ঠানিক বিনিময়ই হ'ল কূলাৰ প্ৰধান দিশ। এনে বিনিময় এটা আঙুঠিৰ দুই দিশৰ গতিৰ দ্বাৰা সঞ্চালিত হয়। আঙুঠিটোৰ ঘড়ীৰ কাটাৰ দিশৰ গতিত ৰঙা হাৰ (চাউলেভ) আৰু ঘড়ীৰ কাটাৰ বিপৰীত দিশৰ গতিত বগা হাৰ (মৰালি) মানুহৰ মাজত বিনিময় হয়। কূলাৰ সৈতে আন বিভিন্ন ক্ৰিয়াকলাপ অনুষ্ঠিত হয়। এনেদৰে, এনে বিনিময়সমূহৰ সৈতে স্থানীয় লোকসকলে কিছুমান জিলালৈ তাত অপৰিহাৰ্য দুষ্প্ৰাপ্য পণ্যও আমদানি কৰে।

b) **পট্‌ল্যাস্ ঃ** উত্তৰ-পশ্চিম উপকূলৰ স্থানীয় আমেৰিকান লোকসকলৰ এক আনুষ্ঠানিক বিনিময় ব্যৱস্থা হ'ল পট্‌ল্যাস্ ব্যৱস্থা। আদান-প্ৰদানকাৰীসকলৰ চাহিদা পূৰণৰ অৰ্থেই এক ৰাজহুৱা বিতৰণ ব্যৱস্থা। কোৱাকিউটল (Kwakiutl) গোষ্ঠীয়ে এনে অনুষ্ঠানত ভোজনৰ আয়োজন কৰে য'ত অতিথিক খাদ্য আৰু উপহাৰ প্ৰদান কৰা হয়। কিন্তু বহুতো মূল্যৱান পণ্যও নষ্ট কৰা হয়। এনেদৰে বৃহৎ পৰিমাণৰ খাদ্যৰ খৰচ আৰু পণ্য ধ্বংস কৰি কোৱাকিউটল জনগোষ্ঠীয়ে তেওঁলোকৰ উচ্চ সামাজিক মৰ্যাদাক প্ৰতিফলিত কৰে। ই পাৰস্পৰিকতাৰ নীতিৰ ওপৰত নিৰ্ভৰশীল। এনে ব্যৱস্থাৰ জৰিয়তে গৃহস্থই আনৰ ওচৰত তেওঁৰ সামাজিক ভাবে উচ্চ স্থিতি ঘোষণা কৰে।

১৩.৪.২ জটিল সমাজত অৰ্থনীতি

জটিল অৰ্থনীতিত উদ্যোগীকৰণ, পুঁজিবাদ, শ্ৰমৰ বিভাজন, ব্যক্তিগত সম্পত্তি, বজাৰ আদিৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। জটিল অৰ্থনীতিৰ এনে বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰো আঁহক —

শ্ৰম বিভাজন ঃ

আধুনিক ঔদ্যোগিক অৰ্থনীতিৰ এক গুৰুত্বপূৰ্ণ দিশ হ'ল শ্ৰম বিভাজন আৰু বিশেষীকৰণ। ই কোনো স্থিতিশীল সংস্থা, ব্যক্তি অথবা দলৰ সহযোগিতাত বিভিন্ন সংগত কাৰ্য পৰিচালনা কৰাকে সূচায়। আধুনিক ঔদ্যোগিক অৰ্থনীতি লাভমুখী হোৱা বাবে ই উৎপাদন বৃদ্ধিৰ অৰ্থে শ্ৰম বিভাজনৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আদাম স্মিখ (Adam Smith)ৰ মতে, শ্ৰম বিভাজনে সমাজৰ সম্পদ সৃষ্টিৰ ক্ষমতা বৃদ্ধি কৰে।

ডুৰখাইম আৰু মাৰ্ক্সে শ্ৰম বিভাজনৰ আৰু ইয়াৰ পৰিণতি সম্পৰ্কে এক বিশদ বিৱৰণ আগবঢ়াইছে। ডুৰখাইমৰ মতে, আধুনিক ঔদ্যোগিক সমাজব্যৱস্থাৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হ'ল শ্ৰমৰ বিভাজন। তেওঁৰ বাবে শ্ৰম বিভাজনে জীৱিকা গাঁথনিক বুজাই, যিয়ে জৈৱিক সংহতিক অন্তৰ্ভুক্ত কৰে। জৈৱিক সংহতি এক নতুন সংহতি, যিয়ে পৰম্পৰাগত সমাজৰ যান্ত্ৰিক সংহতিৰ তুলনাত ঔদ্যোগিক সমাজৰ সদস্যসকলক ঐক্যবদ্ধ কৰি ৰাখে। ডুৰখাইমৰ মতে পৰম্পৰাগত সমাজৰ যান্ত্ৰিক সংহতিৰ তুলনাত জৈৱিক সংহতি দুৰ্বল আৰু ক্ষণস্থায়ী। তেওঁৰ মতে, শ্ৰম বিভাজনে ব্যক্তিবাদৰ বিকাশ সাধন কৰিব। ই ব্যক্তি আৰু সমাজত অনাচাৰ সৃষ্টি কৰিব। তেওঁ বৰ্ণনা কৰিছে যে, আধুনিক সমাজৰ বলপূৰ্বক শ্ৰম বিভাজনে সমাজত শ্ৰেণী ব্যৱস্থা আৰু অসমতাৰ সৃষ্টি কৰিব।

মাৰ্ক্সৰ মতে, শ্ৰমৰ বিভাজন পুঁজিবাদী অৰ্থনীতিৰ এক প্ৰধান বৈশিষ্ট্য। ইয়েই শ্ৰমৰ বিচ্ছিন্নতাৰ সৃষ্টি কৰে। তেওঁ যুক্তি আগবঢ়াইছে যে শ্ৰমৰ বিভাজনে সমাজত শ্ৰেণী অসমতা, শোষণ, ব্যক্তিগত সম্পত্তি আৰু বিচ্ছিন্নতা সৃষ্টি কৰে। মাৰ্ক্সৰ মতে, পুঁজিবাদী ব্যৱস্থাই কামৰ সকলো আমোদজনক আৰু সৃষ্টিশীল দিশ ধ্বংস কৰি বিৰক্তিকৰ আৰু পুনৰাবৃত্তি কৰি তোলে।

বজাৰ ঃ

জটিল সমাজৰ আন এক বৈশিষ্ট্য হ'ল বজাৰ অৰ্থনীতি। চাহিদা আৰু যোগান নীতিৰ দ্বাৰা বজাৰ পৰিচালিত হয়। বজাৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হ'ল বস্তু আৰু সেৱাসমূহ মুদ্ৰাদামত বিক্ৰী কৰা হয়। মুদ্ৰাৰ দৰদাম, চাহিদা আৰু যোগানৰ নিৰপেক্ষতাৰ দ্বাৰা নিৰ্ধাৰণ কৰা হয়। প্ৰতিযোগিতা আৰু কাৰ্যদক্ষতা নিশ্চিত কৰাৰ বাবে বজাৰ ব্যৱস্থাই উৎপাদন আৰু বিতৰণ নিৰ্ধাৰিত কৰে। বজাৰ ব্যৱস্থাৰ প্ৰসাৰণে

ব্যৱসায়-বাণিজ্যৰ পৰিমাণ বৃদ্ধি কৰিছে। ইয়েই দেশৰ ঐক্যবদ্ধতা সহজলভ্য কৰি তুলিছে।

পুজিবাদৰ অভ্যুত্থান ঃ

সামন্তবাদৰ পতনৰ পিছৰে পৰা পুঁজিবাদ অথবা মুক্ত বজাৰ অৰ্থনীতিয়ে পশ্চিমীয়া বিশ্বক দখল কৰি আহিছে। ১৬শ, ১৭শ আৰু ১৮শ শতিকাৰ পৰা ইংৰাজ বস্ত্র উদ্যোগৰ প্রতিষ্ঠাৰ লগে লগে ইয়াৰ প্রসাৰণ হ'বলৈ ধৰে। অর্থাৎ, পুঁজিবাদ শিল্প বিপ্লৱৰেই সৃষ্টি। ই উৎপাদনৰ এনে এক অৰ্থনৈতিক ব্যৱস্থাক সূচায়, য'ত ব্যক্তিগত উৎপাদনৰ মাধ্যম, মুক্ত বজাৰ, অত্যন্ত লাভমুখী, চৰকাৰৰ অহস্তক্ষেপ আদি বৈশিষ্ট্যৰ প্রভাৱ দেখিবলৈ পোৱা যায়। ইয়েই শ্রেণী ব্যৱস্থা, ব্যক্তিগত সম্পত্তি, অৰ্থনৈতিক স্তৰবিন্যাসৰ সূচনা কৰিছে।

অৰ্থনৈতিক আচৰণৰ অনা-অৰ্থনৈতিক কাৰক ঃ

ব্যক্তিৰ অৰ্থনৈতিক আচৰণ বিভিন্ন অনা-অৰ্থনৈতিক কাৰকৰ দ্বাৰা পৰিচালিত হয়। সেইবোৰ তলত চমুকৈ আলোচনা কৰা হ'ল —

ধর্মীয় প্রমূল্যবোধ ঃ মেক্স ৱেবাৰ (Max Weber) ৰ প্রসিদ্ধ গ্রন্থ "Protestant Ethics and the Sprit of Capitalism" ত অৰ্থনৈতিক ক্রিয়া-কলাপত ধর্মৰ প্রভাৱৰ বিষয়ে স্পষ্ট বিৱৰণ দিয়া হৈছে। তেওঁ প্রটেষ্ট্যানিজিমৰ তপস্যা আৰু ধর্মচর্চাই কেনেদৰে পশ্চিমীয়া বিশ্বত পুঁজিবাদৰ বিকাশ সাধন কৰিছে তাক দেখুৱাইছে। এনেদৰে, ধর্মীয় প্রমূল্যবোধ আৰু ধর্মচর্চাই মানুহৰ বাস্তৱ দৃষ্টিভংগীৰ বিকাশ সাধন কৰা আৰু অৰ্থনৈতিক আচৰণক প্রভাৱিত কৰাৰ উদাহৰণ আমি পাব পাৰো।

আদর্শ ঃ অৰ্থনৈতিক আচৰণক প্রভাৱিত কৰা আন এক কাৰক হ'ল আদর্শ। আদর্শই মানুহে কি ধৰণেৰে আচৰণ কৰা উচিত আৰু সমাজ কেনেদৰে সংগঠিত হ'ব লাগে সেই সম্পর্কে এক বিশ্বাসক বুজায়। আদর্শই এক নির্দিষ্ট অৰ্থনৈতিক আচৰণ আৰু পৰিবেশক গ্রহণযোগ্যতা প্রদান কৰিব পাৰে অথবা বিৰোধিতা কৰিব পাৰে।

ৰাজনৈতিক পৰিৱর্তন ঃ ৰাজনৈতিক পৰিৱর্তেনেও এক নির্দিষ্ট মাত্রালৈকে অৰ্থনৈতিক আচৰণক প্রভাৱিত কৰে। চৰকাৰৰ নীতি-নির্দেশনাসমূহেও বহু পৰিমাণে ব্যক্তিৰ অৰ্থনৈতিক আচৰণক পৰিচালিত কৰে।

বর্ণ ব্যৱস্থা ঃ বর্ণ ব্যৱস্থাও বিশেষকৈ ভাৰতীয় সমাজত বহু পৰিমাণে ব্যক্তিৰ আচৰণ গঢ় দিয়ে। পৰম্পৰাগতভাৱে বর্ণসমূহ জীৱিকা গোষ্ঠী হোৱা বাবে ই বিভিন্ন বর্ণৰ গোটসমূহৰ বৃত্তি নির্ধাৰিত কৰে। কিন্তু, আধুনিক যুগত বিশেষকৈ নগৰাঞ্চলত বর্ণৰ এই প্রভাৱ বহু পৰিমাণে কম হৈছে। বর্ণৰ উপৰিও, পৰিয়াল, শিক্ষা, প্রযুক্তিবিদ্যা আদিয়েও ব্যক্তিৰ অৰ্থনৈতিক আচৰণক প্রভাৱিত আৰু পৰিচালিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ঝুম খেতিৰ অর্থ বুজাই লিখক।

প্রশ্ন নং ২ ঃ কূলা বিনিময়ত কোনে অংশ গ্রহণ কৰে?



১৩.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- ৰাজনৈতিক প্রতিষ্ঠানসমূহে ক্ষমতা বিতৰণ কৰে আৰু সামাজিক শৃংখলা বজাই ৰাখে।
- দক্ষিণ ছুডানৰ নুয়েৰ জনগোষ্ঠী আৰু আন্দামান দ্বীপপুঞ্জৰ জনজাতিসমূহৰ দৰে সৰল সমাজ ব্যৱস্থাত কোনো ধৰণৰ সু-সংগঠিত ৰাজনৈতিক কর্তৃপক্ষ পোৱা নাযায়।
- জটিল সমাজ ব্যৱস্থাত ৰাষ্ট্র আৰু চৰকাৰেই হ'ল ৰাজনৈতিক প্রতিষ্ঠান।
- ৰাষ্ট্র হ'ল একেই বিশ্বাস, ধাৰণা আৰু পৰম্পৰা অনুযায়ী নিয়ন্ত্রণ ক্ষমতা বিতৰণৰ এক মানৱ সংস্থা।
- চৰকাৰ হ'ল এক সু-সংগঠিত কার্যব্যৱস্থা, যাৰ জৰিয়তে এক নির্দিষ্ট পৰিস্থিতিত ৰাষ্ট্র কর্তৃপক্ষ প্রযোজ্য হয়।
- এখন ৰাষ্ট্রত অথবা ৰাষ্ট্র অনুযায়ী সময়ে সময়ে ভিন ভিন চৰকাৰ থাকিব পাৰে।
- পণ্য, সেৱা আৰু সম্পদৰ সামাজিক উৎপাদন আৰু বিতৰণ ব্যৱস্থাপনাৰ ওপৰত অর্থনীতি দায়বদ্ধ।
- মার্ক্সৰ মতে,অর্থনীতি হ'ল প্রত্যেক সমাজৰ এক আন্তঃগাঁথনি, যাৰ ওপৰত ভিত্তি কৰি সকলোবোৰ অধিৰচনা যেনে আইনী, ৰাজনৈতিক আৰু আন প্রতিষ্ঠানসমূহ গঢ়ি তোলা হয়। অন্য অর্থত অর্থনীতিয়ে সমাজৰ সকলোবোৰ দিশ নির্ধাৰণ কৰে বুলি মার্ক্সে মত প্রকাশ কৰে।
- ডুৰখাইমে অর্থনীতিক সমাজ গঠনৰ এক অন্যতম কাৰক হিচাপে গণ্য কৰে। সামাজিক অধিৰচনাত অর্থনীতিয়ে সুবিধাজনক স্থান লাভ নকৰে, কিন্তু এক অন্যতম সামাজিক ঘটনা।
- সৰল সমাজত বিশেষায়িত অর্থনৈতিক সংগঠন নাথাকে। এনে অর্থনীতিত উৎপাদন কৌশল, প্রযুক্তিবিদ্যা আৰু শ্রমৰ বিভাজন নিম্নগামী হয়।
- সৰল সমাজত বিনিময়সমূহ সম্পূর্ণৰূপে অর্থনৈতিক নহয়।
- জটিল অর্থনৈতিক ব্যৱস্থাত উদ্যোগিকৰণ, পুঁজিবাদ, শ্রমৰ বিভাজন আৰু বজাৰৰ আধিপত্য আদি বৈশিষ্ট্যসমূহ দেখিবলৈ পোৱা যায়।
- জটিল সমাজত মুদ্রাভিত্তিক বিনিময় দেখিবলৈ পোৱা যায়।



১৩.৬ অধিক জানিবলৈ

1) T.B. Bottomore. 1962. Sociology : A Guide to Problems and Literature. Oxon : Routledge

2) Gisbert. P. 2010. Fundamentals of Sociology. New Delhi : Orient Balck Swan,. Marshall, Gordon. 1994. Dictionary of Sociology". New Delhi : OUP

3) Ritz, Geurge. 2009. THe Balckwell Encyclopedia of Sociology. Vol III, Australia : Blackwell Publishing.



১৩.৭ অগ্রগতিৰ খতিয়ান

১ নং উত্তৰ ঃ ভূখণ্ড, জনসাধাৰণ, চৰকাৰ, সাৰ্বভৌমত্ব

২ নং উত্তৰ ঃ চৰকাৰৰ অংগ তিনিটা হ'ল বিধানমণ্ডল, কাৰ্যপালিকা আৰু ন্যায়পালিকা

৩ নং উত্তৰ ঃ ঝুমখেতি হ'ল এনে এক কৃষি ব্যৱস্থা, য'ত কৃষিভূমি খেতিৰ বাবে চহাই কিছু বছৰ খেতি কৰি তেনে কৃষিভূমিক প্রাকৃতিক পুনর্বিকাশৰ বাবে পৰিত্যাগ কৰা হয়?

৪ নং উত্তৰ ঃ কূলা বিনিময়ত দ্ৰ'ব্রায়াণ্ড দ্বীপবাসীয়ে অংশগ্রহণ কৰে।



১৩.৮ আৰ্হি প্রশ্ন

ক) চমু প্রশ্ন (১৫০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ৰাজনৈতিক প্রতিষ্ঠান বুলিলে কি বুজে?

প্রশ্ন ২ ঃ সৰল সমাজৰ ৰাজনৈতিক কর্তৃপক্ষ জটিল সমাজৰ পৰা কিদৰে পৃথক?

প্রশ্ন ৩ ঃ চৰকাৰ কি? চৰকাৰৰ বিভিন্ন প্রকাৰসমূহ কি কি?

প্রশ্ন ৪ ঃ স্থানান্তৰিত কৃষি স্থায়ী কৃষিৰ পৰা কেনেদৰে পৃথক?

খ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ ৰাষ্ট্র কি? ৰাষ্ট্রৰ কার্যসমূহ বর্ণনা কৰক।

প্রশ্ন ২ ঃ সৰল সমাজৰ অর্থনীতিৰ প্রকৃতি সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ জটিল সমাজৰ অর্থনীতিৰ প্রকৃতি সম্পর্কে আলোচনা কৰক।

*** ***** ***



প্রসংগ গ্রন্থসমূহ

1. Abraham, Francis and John Henry Morgan. 2005. *Introducing Sociological Thought.* New Delhi: Macmillan India.
2. Ahuja, Ram 1999. *Society in India : Concepts, Theories and Recent Trends*; Jaipur : Rawat Publication.
3. Beteille, Andre. 2002. *Introduction to Sociology: Essays on Approach and Method*. New Delhi: Oxford University Press.
4. Bottomore, T.B. Sociology: A Guide to Problems and Literature. Bombay: Blackie and Son (India) Ltd, 1978.
5. Boyce, James K. 2004 . Green and Brown? Globalization and the Environment. *Oxford Review of Economic Policy* 20: 105-128.
6. Cohen, Percy S. *Modern Social Theory*. 1979. Great Britian: Heinemann Educational Books Ltd, 1968. Reprint, Great Britain: The English Language Book Society.
7. Davis, Kingsely. 1949.*Human Society*. New York: The Macmillan Company.
8. Davis, Kingsley. 1949. *Human Society*. New York: The Macmillan Company.
9. Giddens, Anthony. 1993. *Sociology*. UK: Polity Press.
10. Gidders, Anthony, 1990. The Conserveroes of Moderity. Jroha Wiley and Sons.
11. Haralambos, Michael & R.M. Heald. 1981. *Sociology: Themes and Perspectives*. New Delhi: Oxford University Press.
12. Haralambos, M. 2012. *Sociology: Themes and Perspectives*. New Delhi: Oxford University Press
13. Haralambos, M. & Heald M. R. 1980. *Sociology: Themes and Perspectives*. Delhi, Oxford University Press.
14. Inkeles, Alex. 1981. *What is Sociology? An Introduction to the Discipline and Profession*. USA: Prentice Hall, 1964. Reprint, New Delhi: Tarun Offset Printers.
15. Johnson, Harry M. 1996. *Sociology : A Systematic Introduction.* New

Delhi : Allied Publishers.

16. Krishnaraj. Maithreyi. 1999. Globalisation and Women in India. Development in Chaube & Chaube : Philosophical and Sociological foundations of Education.
17. Landis, Judson R. 1995. Sociology: Concepts and Characteristics. USA: Wadsworth Publishing Company.
18. Lepsius, M. Rainer and Michel Vale. 1983. “The Development of Sociology in Germany after World War II (1945-1968).” International Journal of Sociology, No. 3,1-88.
19. MacIver, R.M. and Charles H. Page. 1962. Society: An Introductory Analysis. London: Macmillan and Co. Ltd.
20. Mathur S.S: A Sociological Approach to Indian Education Practise.
21. Myrdal, Gunnar. 1974. “What Is Development?.” Journal of Economic Issues, No. 4: 729-736.
22. Nisbet, Robert A. 1943. The French Revolution and the rise of Sociology in France. American Journal of Sociology, No. 2 , 156-164.
23. Ogburn, William F. & Meyer F. Nimkoff. 1950. Sociology. USA: The Riverside Press.
24. Prasad, Naramadeshwar. 1970. Change, Strategy in a Developing Society. Meerut: Meenakshi Prakashan. Quoted in Ahuja, Ram. Society in India: Concepts, Theories and Recent Trends. Jaipur: Rawat Publication.
25. Small, Albion W. 1904. The Subject-Matter of Sociology. American Journal of Sociology, No. 3 : 281-298.
26. Srinivas, M. N. 1987. Development of Sociology in India: An Overview.1987. Economic and Political Weekly, No. 4: 135-138.
27. Sharma, K.L. 2007. Indian Social Structure and Change. Jaipur: Rawat Publication.
28. Turner H. Jonathan 1987. The structure of Sociological Theory. Jaipur, Rawat Publications.
29. Tumin, M.M. 1985. Social Stratification. New Delhi: Prentice-Hall of India.